# প্ৰৱাহিনী

## শিৱসাগৰ ছোৱালী কলেজ
## (Model Degree College)

বাৰ্ষিক আলোচনী, ২০২১-২২ বৰ্ষ




সম্পাদিকা
**ৰীমা দত্ত**

সহঃ সম্পাদিকা
**সুপ্ৰিয়া ভট্টাচাৰ্য্য**

# প্ৰৱাহিনী

বাৰ্ষিক আলোচনী

শিৱসাগৰ ছোৱালী কলেজ

২০২১-২২ বৰ্ষ

**অকৃত্ৰিম শ্ৰদ্ধা আৰু আন্তৰিকতাৰে**

শ্ৰী/শ্ৰীযুতা........................................................................................ ৰ

হাতত এই বৰ্ষৰ আলোচনীখন তুলি দিলোঁ।

সম্পাদনা সমিতিৰ হৈ

............................................................


সম্পাদিকা

**ৰীমা দত্ত**

সহকাৰী সম্পাদিকা

**সুপ্ৰিয়া ভট্টাচাৰ্য্য**

# প্ৰৱাহিনী

**শিৱসাগৰ ছোৱালী কলেজ আলোচনী**

২০২১-২২

**PRABAHINI :** *Annual Magazine of Sibsagar Girls' College edited by Reema Dutta and published by Sibsagar Girls' College on behalf of College Students Union 2021-22.*

## সম্পাদনাৰ নেপথ্যত

**উপদেষ্টা**
ড° ঋতা বৰকটকী
অধ্যক্ষ, শিৱসাগৰ ছোৱালী কলেজ

**শিক্ষক তত্ত্বাৱধায়ক মণ্ডলী**
শ্ৰীযুত শিৱ প্ৰসাদ মিলি
ড° ৰেহনা চুলতানা

**সম্পাদিকা**
শ্ৰী ৰীমা দত্ত

**সহঃ সম্পাদিকা**
শ্ৰী সুপ্ৰিয়া ভট্টাচাৰ্য্য


**সদস্যা**
বিকশিতা মহন্ত, গীতাৰ্থী নেওগ, পূজা বৰঠাকুৰ

**বেটুপাত অংকন**
ময়ূৰ কৃষ্ণ গগৈ

**অংগ সজ্জা**
পংকজ গগৈ, পলাশ বুঢ়াগোহাঁই

**অক্ষৰ বিন্যাস**
অমৰ গগৈ

**মুদ্ৰণ**
বিনায়ক অফচেট
শংকৰ মন্দিৰ পথ, শিৱসাগৰ
ফোন ঃ ৯৮৫৪০ ৩২৮১৪




*কভিড মহামাৰীৰ ত্ৰাসৰ ফলত বিগত দুটা বৰ্ষৰ আমাৰ কলেজৰ আলোচনী 'প্ৰৱাহিনী' প্ৰকাশ কৰিব পৰা নগ'ল। সেয়েহে বিগত বৰ্ষৰ আলোচনীৰ বাবে প্ৰেৰণ কৰা কিছু লেখা এই বৰ্ষৰ আলোচনীখনত প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে।*

# সম্পাদকীয়

*যিসকল ব্যক্তিৰ অপ্ৰাণ আৰু অহোপুৰুষাৰ্থ চেষ্টাৰ ফলত শিৱসাগৰ ছোৱালী কলেজৰ জন্ম হৈছিল, সেইসকল মহান মনীষীলৈ এই আপাঁহতে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে বৰ্তমানৰ অধ্যক্ষা মহোদয়াকে প্ৰমুখ্য কৰি কলেজৰ শিক্ষাগুৰুসকল, কৰ্মকৰ্তাসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।*

## নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

*'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা; কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।'*

— জৱাহৰলাল নেহেৰু

জগতৰ সৰ্বতোপ্ৰকাৰৰ মংগলৰ বাবে নিজকে যোগ্যৱান কৰি তোলাৰ একমাত্ৰ মাধ্যমেই হ'ল শিক্ষা। শিক্ষা এক জটিল ধাৰণা। বিভিন্ন পৰিৱেশৰ লগত হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে মানুহৰ অভিজ্ঞতাৰ যি পৰিপুষ্টি আৰু সংস্কাৰ সাধিত হয় তাকেই শিক্ষা বুলি অভিহিত কৰা হয়। সুশিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উত্তীৰ্ণ কৰে।

বৈদিক যুগত পুৰুষৰ সমানে নাৰীয়েও যাগ-যজ্ঞাদিত অংশগ্ৰহণ কৰাৰ লগতে বৈদিক শিক্ষা আৰু আধ্যাত্মিক শিক্ষা লাভ কৰাৰ পথ প্ৰশস্ত আছিল। গাৰ্গী, মৈত্ৰেয়ী আদি বিদূষী নাৰীয়ে শ্লোক ৰচনা কৰাৰ উল্লেখে নাৰীৰ সবল স্থিতিৰ কথাকে সূচায়। পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণে 'Women in Hindu Society' শীৰ্ষক প্ৰৱন্ধত এনেদৰে উল্লেখ কৰিছে 'অতীতত ভাৰতীয় নাৰীৰ স্থান উচ্চ আছিল। নাৰীৰ বাবে শিক্ষা অতি আৱশ্যকীয় বুলি গণ্য কৰা হৈছিল।

শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে। প্ৰগতিৰ পথ দেখুৱায়। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰণ কৰে। এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে দেশখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। সেই শিক্ষা ব্যৱস্থাৰ লগত বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈছে মহিলাসকলৰ শিক্ষা। মহিলাসকলৰ শিক্ষাৰ ওপৰত দেশখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। যিহেতু মহিলাসকল শিক্ষিত হ'লেহে তেওঁলোকৰ মাধ্যমেৰে সমাজৰ আন এটা গোষ্ঠীলৈ শিক্ষা সম্প্ৰসাৰিত হ'ব। মাতৃ হ'ল শিশুসকলৰ প্ৰথম শিক্ষয়িত্ৰী জন্মৰ পৰা বিদ্যালয়লৈ যোৱা সময়খিনিলৈ শিশুৰ বিকাশৰ ক্ষেত্ৰত মাকৰ ভূমিকা গুৰুত্বপূৰ্ণ। সেয়েহে মাতৃসকলৰ শিক্ষা শিশুৰ বাবে বেছি প্ৰয়োজনীয়। মাতৃয়ে আদৰ্শৰ প্ৰতীক ৰূপে শিশুৰ মনত ধৰা দিয়ে। জাতিৰ

পিতা মহাত্মা গান্ধীয়ে কৈছিল, 'শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হ'লে নাৰী শিক্ষাৰ সমস্যা সমাধান কৰিব লাগিব। যেতিয়ালৈকে আমাৰ দেশত প্ৰকৃত মাতৃ শিক্ষয়িত্ৰী সৃষ্টি নহয় তেতিয়ালৈকে আমি যিমানেই স্কুলত শিক্ষা নিদিও লাগিলে, শিক্ষা ফলপ্ৰসূ হ'ব নোৱাৰে বুলি ক'বলৈ মই কুণ্ঠাবোধ নকৰো।' মহিলাসকল সমাজৰ এক অবিচ্ছেদ্য অংগ। পুৰুষ যেনেকৈ সমাজৰ বিকাশত অৰিহণা যোগায় তেনেকৈ মহিলাসকলেও সমাজৰ বিকাশত অৰিহণা যোগায়। মহিলাসকল শিক্ষিত হ'লেহে দেশৰ পৰা নিৰক্ষৰতাৰ দৰে সামাজিক ব্যাধি আঁতৰ হ'ব। পণ্ডিত জৱাহৰলাল নেহেৰুৰ মতে, 'এজন ল'ৰাক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।' নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত এই কথাষাৰ বিশেষভাৱে প্ৰযোজ্য। শিক্ষাই মনৰ অজ্ঞতা দূৰ কৰি বৌদ্ধিক দিগন্ত মুকলি কৰে। জগতৰ সৰ্বতো প্ৰকাৰৰ মংগলৰ বাবে নিজকে যোগ্যবান কৰি তোলাৰ একমাত্ৰ মাধ্যমেই হ'ল শিক্ষা। সুশিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উন্নীত কৰে।

নাৰী শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত নানা ধৰণৰ অন্তৰায় পৰিলক্ষিত হয়। এই অন্তৰায় সমূহ আঁতৰাবৰ বাবে নাৰী শিক্ষাত উদ্ভৱ হোৱা সমস্যাৰাজিৰ সমাধানৰ বাবে বিজ্ঞানসন্মত দৃষ্টিভংগী হাতত ল'ব লাগিব। দৰিদ্ৰতা দূৰীকৰণৰ ওপৰত গুৰুত্ব দি অৰ্থনৈতিক দিশত সমাজখনক আগুৱাই নিয়াৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। নাৰী-পুৰুষৰ মাজত থকা ভেদাভেদ ভাৱ আৰু সমাজৰ পৰা কুসংস্কাৰ আৰু ৰক্ষণশীল মনোভাৱ আঁতৰ কৰি এক সুস্থ পৰিৱেশ সৃষ্টি কৰিব লাগিব। নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে নাৰী শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত থকা সমস্যাসমূহ দূৰ কৰি নাৰীসকলক শিক্ষাৰ আগ্ৰহী কৰি তুলিব পাৰিলে এই সমস্যাসমূহ সমাধান হ'ব। এই ক্ষেত্ৰত পিতৃ-মাতৃ, অভিভাৱসকলৰ লগতে সামাজিক, সহযোগিতা নিতান্তই প্ৰয়োজন। তেতিয়াহে নাৰী জাতিৰ শিক্ষাৰ কলীয়া ডাৱৰ আঁতৰ হ'ব আৰু নাৰীয়ে সমাজৰ উন্নতিত হাত আগবঢ়াব পাৰিব।

**কৃতজ্ঞতা স্বীকাৰ/শলাগৰ শৰাই ঃ**

১) পোনপ্ৰথমে শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰৱাহিনী'ৰ ২০২১-২২ বৰ্ষৰ সংখ্যাটি শুভেচ্ছাবাণীৰে সৌষ্ঠৱ বৃদ্ধি কৰাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকা মহোদয় আৰু শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ মহোদয়লৈ বিশেষ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

২) শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বুদ্ধীন মিশ্ৰ ছাৰলৈ তথা বৰ্তমানৰ অধ্যক্ষা তথা 'প্ৰৱাহিনী'ৰ সম্পাদনা সমিতিৰ সভাপতি ড° ঋতা বৰকটকী বাইদেউলৈ বিশেষ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ লগতে কলেজৰ উপাধ্যক্ষ উৎপলা গোহাঁই চমুৱা বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

৩) 'প্ৰৱাহিনী'ৰ তত্বাৱধায়ক শিৱ প্ৰসাদ মিলি ছাৰ আৰু ড° ৰেহেনা চুলতানা বাইদেউলৈ তেওঁলোকৰ বহুমূলীয়া দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

৪) 'প্ৰৱাহিনী'ৰ ২০২১-২২ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ বাবে লেখা প্ৰদান কৰা প্ৰত্যেকগৰাকী লেখিকালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

৫) 'প্ৰৱাহিনী'ৰ ২০২১-২২ বৰ্ষৰ আলোচনীখনৰ বাবে বেটুপাত অংকন কৰি দিয়া বান্ধৱী ময়ূৰ কৃষ্ণালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

৬) 'প্ৰৱাহিনী'ৰ কাম সম্পূৰ্ণ কৰি তোলাত মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, বান্ধৱীসকল, ভণ্টিসকল, সহকাৰী আলোচনী সম্পাদিকা সুপ্ৰিয়া ভট্টাচাৰ্য্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ আলোচনী সম্পাদক নৱজ্যোতি বড়া দাদা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আলোচনী সম্পাদক সৌৰভ দেউৰী দাদা, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ বন্ধু সীতাংশু গাৰ্গ, মংগলদৈ মহাবিদ্যালয়ৰ বন্ধু দেৱাশীষ ৰাজকুমাৰ তথা জয়সাগৰ মহাবিদ্যালয়ৰ বন্ধু নয়নজ্যোতি গগৈলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

৭) অৱশেষত বিনায়ক অফচেট প্ৰেছৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক ধন্যবাদৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আন্তৰিকতাৰে —

**ৰীমা দত্ত**

আলোচনী সম্পাদিকা

*(মাননীয় লেখক-লেখিকাসকলৰ লেখনিৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয়)*

— সম্পাদনা সমিতি

# প্ৰৱাহিনীৰ পাতে পাতে.....


❖ অতিথি শিতান

- **অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ সাম্প্ৰতিক স্থিতি** ✍ ড° জ্যোতি ৰঞ্জন মিলি/৯
- **নাট্যকাৰ পৰাগধৰ চলিহাৰ 'সিপাৰে' ঃ এক সম্যক আলোচনা** ✍ ড° জীৱন কলিতা/১৪
- **ইতিহাসৰ পাতৰ পৰা কৈছো** ✍ প্ৰেম গগৈ/২৩

❖ শিক্ষক-শিক্ষয়িত্ৰীৰ শিতান

- **Lachit Borphukon, the mightiest General of Medieval India** ✍ Probin Sarmah/২৪
- **'মানৱ অধিকাৰ' সম্পৰ্কে সজাগতা আনয়নৰ বাবে শিক্ষা বিভাগৰ ছাত্ৰীসকলে চলোৱা এক জৰীপ** ✍ গৌৰিকা ভট্টাচাৰ্য/২৮
- **তোমাৰ মৃত্যুত কোনে কান্দিব** ✍ শিৱ প্ৰসাদ মিলি/৩২
- **লিংগ বৈষম্য আৰু আমাৰ সমাজ ব্যৱস্থা** ✍ ৰেহনা চুলতানা/৩৪
- **প্ৰাকৃতিক উপায়েৰে পাণ্ডুলিপি অথবা বিৰল গ্ৰন্থ সংৰক্ষণৰ ব্যৱস্থা আৰু প্ৰয়োজনীয়তা** ✍ অভিজিৎ বৰপূজাৰী/৩৯
- **কুঁহিপাঠ এক বেটুপাত গাঁথা** ✍ ড° কিশোৰ কুমাৰ দেউৰী/৪৪
- **দধিচি** ✍ সঞ্জয় দাস/৪৫
- **প্ৰতিযোগিতা** ✍ অন্বেষা বিজয় চেতিয়া/৪৬
- **The Rant** ✍ Pooja Bhuyan/৪৭
- **শহাপহুৰ বিষয়ে কিছু জানো আহঁা** ✍ সংগীতা দাস বৰুৱা/৪৮

❖ চিন্তা শিল্প

- **নাৰী শিক্ষা** ✍ জীতাশ্ৰী চাংমাই/৫০
- **নাৰী শিক্ষা** (Women Education) ✍ ৰিম্পী বৰগোহাঁই/৫৩
- **নাৰী শিক্ষা** ✍ মনস্বিনী শৰ্মা/৫৭

❖ সাক্ষাৎকাৰ

- **ড° নাহেন্দ্ৰ পাদুন ছাৰৰ সৈতে কথোপকথন** সাক্ষাৎ গ্ৰহণ ঃ ✍ ৰীমা দত্ত ✍সুপ্ৰিয়া ভট্টাচাৰ্য্য/৫৯

❖ গ্ৰন্থ সমালোচনা

- **দেওলাংখুই ঃ এক চমু অৱলোকন** ✍ নেন্‌চি বৰগোহাঁই/৬৩
- **পাঠকৰ দৃষ্টিৰে "মোৰো এটা সপোন আছে"** ✍ প্ৰাঞ্জনা দিহিঙ্গীয়া/৬৫
- **মোক অনুপ্ৰেৰণা যোগোৱা এখন গ্ৰন্থ** ✍ অনন্যা গগৈ/৬৬

❖ সমাজ সাহিত্য

- **অসমীয়া সমাজ জীৱনত গুৰুজনাৰ প্ৰভাৱ** ✍ পৰিস্মীতা দত্ত/৬৮
- **দিখৌ নৈৰ ইতিবৃত্ত** ✍ জয়শ্ৰী চাংকাকতি/৬৯

❖ বৰ্ণিল

- **বন্ধুত্ব** ✍ সুনীধি বৰগোহাঁই/৭১
- **মোৰ অনুভৱৰ দলিলখনি** ✍ দিম্পী চুতীয়া/৭২

❖ অনুভৱ
- **স্মৃতিৰ বৰবাকচ** ✍ উপাসনা দিহিঙ্গীয়া/৭৪
- **কলেজীয়া জীৱনৰ জীয়া অভিজ্ঞতা** ✍ উপাসনা ৰাজখোৱা/৭৫

❖ কথা শিল্প
- **কিতাপ পঢ়ো আহক** ✍ ইলোৰা লুখুৰাখন/৭৬
- **উন্নতি** ✍ অনন্যা গগৈ/৭৮

❖ ছন্দ শিল্প
- **Recalled Happiness** ✍ Rajlakhi Boruah/৭৯
- **মই সৰাপাত.... সুৰৰ মুৰ্চ্ছনা অনন্ত বসন্তৰ শিৱসাগৰ ছোৱালী কলেজ** ✍ বাবলি বেগম/৮০
- **We Can** ✍ Shivani Bhattacharya/৮১
- **কবলত পৰা সোণালী ধাননী** ✍ প্ৰস্তুতি কোঁৱৰ/৮২

❖ ব্যঞ্জন
- **ৰেচিপি** ✍ ৰাহিদা বেগম/৮৪

❖ প্ৰাক্তন ছাত্ৰীৰ স্পৰ্শ
- **দিখৌৰ পৰা টেমছলৈ** ✍ অৰ্চিতা বৰুৱা/৮৫
- **অ' মোৰ শুকুলা মেঘ** ✍ ইন্দ্ৰানী শৰ্মা/৮৮
- **আমেৰিকা বিনামূলীয়া পুথিভঁৰালবোৰ** ✍ মানসী বৰা/৯০

❖ যুৱ শিতান
- **পৰিৱৰ্তিত সমাজব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়** ✍ সৌৰভ দেউৰী/৯২
- **পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়** ✍ সীতাংশু গাৰ্গ/৯৩
- **পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়** ✍ নয়নজ্যোতি গগৈ/৯৩
- **পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়** ✍ নৱজ্যোতি বড়া/৯৪
- **পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়** ✍ দেৱাশীষ ৰাজকুমাৰ/৯৬

❖ গল্প প্ৰত্যাশা
- **জীৱন প্ৰত্যাশা** ✍ মনস্বিনী শৰ্মা/৯৮
- **প্ৰত্যাশা** ✍ চিন্ময়ী বৰগোহাঁই/১০১
- **প্ৰত্যাশা** ✍ জীতাশ্ৰী চাংমাই/১০৩
- **The Scientillating Stars of Midnight** ✍ Shruti Ypamanyu/১০৪

❖ জ্ঞান অন্বেষণ
- **Know India's Highest, Largest and Longest** ✍ Gitali Gogoi/১০৫

❖ নীলাখামৰ চিঠি
- **অনুভৱৰ সিপাৰে** ✍ জাহ্নৱী গগৈ/১০৭
- **আইতালৈ চিঠি** ✍ শিল্পীপ্ৰিয়া চেতিয়া/১০৮
- **পূজনীয় মা** ✍ কস্তুৰী নেওগ/১০৯
- **Letter to Mom** ✍ Ansi Paul/১১০

❖ কবিতা/১১১-১২৩

○**আহিনৰ আবেলি** ✍সংগীতা দত্ত ○**শৰৎ নিশাৰ এচাটি বতাহ** ✍নিকিতা গগৈ ○**প্ৰাপ্তিৰ দলিচাত আমিবোৰ** ✍হিমাক্ষী শইকীয়া ○**চোলা** ✍পৰিস্মৃতা বড়া ○**নাৰী** ✍তৃষা চেতিয়া ○**জীৱনৰ সপোন** ✍প্ৰস্তুতি বৰদলৈ ○**অপেক্ষা** ✍প্ৰাৰ্থনা দত্ত ○**বিপদৰ সংগী** ✍প্ৰস্তুতি কোঁৱৰ ○**আমিবোৰ গাঁৱলীয়া** ✍সুমন গগৈ ○**স্মৃতিৰ জোলাঙা** ✍উপাসনা দিহিঙীয়া ○**MOVING** ✍Shrutidhara Gogoi ○**সপোনৰ পথ বিচাৰি** ✍মনানী গগৈ ○**মৈত্ৰেয়ী** ✍জাহ্নৱী গগৈ ○**The Reflection** ✍Shruti Upamanyu ○**SHE** ✍Bhaswati V. Borah ○**সাৰে থকা ৰাতি** ✍নিমিষা কাকতি ○**এতিয়া পুনৰ নৱবৰ্ষ আহিব** ✍লীজা কলিতা ○**সপোন দেখিব লাগে** ✍ময়ুৰ কৃষ্ণ গগৈ ○**বেশ্যা** ✍বাবলি বেগম ○**অতীতৰ সোঁৱৰণী** ✍বাবলি বেগম ○**প্ৰাপ্তিৰ প্ৰাচুৰ্যতাৰে নৱবৰ্ষৰ সপোন** ✍সোণালী বৰুৱা

❖ ৰচনা
- **শিক্ষা ব্যৱস্থাত কভিড-১৯ৰ প্ৰভাৱ** ✍ মনস্বিনী শৰ্মা/১২৪
- **শিক্ষা ব্যৱস্থাত ক'ভিড-১৯ৰ প্ৰভাৱ** ✍ গায়ত্ৰী চেতিয়া/১২৬
- **শিক্ষা ব্যৱস্থাত ক'ভিড-১৯ৰ প্ৰভাৱ** ✍ দীপশিখা চেতিয়া/১২৮
- **The impact of Covid-19 in Education System** ✍ Jyotirmoyee Das/১৩২

❖ ৰচনা
- **সামাজিক মাধ্যমৰ প্ৰতি যুৱসমাজৰ আসক্তি** ✍ মনস্বিনী শৰ্মা/১৩৪
- **সামাজিক মাধ্যমৰ প্ৰতি যুৱ সমাজৰ আসক্তি** ✍ শিল্পীপ্ৰিয়া চেতিয়া/১৩৫
- **সামাজিক মাধ্যমৰ প্ৰতি যুৱসমাজৰ আসক্তি** ✍ প্ৰস্তুতি বড়া/১৩৬

❖ চিঠি ঃ ককা-আইতালৈ
- **ককা-আইতালৈ চিঠি** ✍ লীজা কলিতা/১৩৭
- **হৃদয়ৰ পৰা হৃদয়লৈ** ✍ শুভলক্ষী চাংমাই/১৩৮

❖ প্ৰাচুৰ্যতা
- **প্ৰাচুৰ্যতাৰ মেৰপাক** ✍ মনস্বিনী শৰ্মা/১৩৯
- **প্ৰাচুৰ্যতা** ✍ জাহ্নবী গগৈ/১৪০
- **প্ৰাচুৰ্যতা** ✍ শিল্পীপ্ৰিয়া চেতিয়া/১৪১

❖ সম্পাদকীয় প্ৰতিবেদন/১৪২-১৭২



UGC SPONSORED
STUDY CENTRE
DISTANCE EDUCATION
UNDER DDE DIBRUGARH UNIVERSITY
SIVASAGAR GIRLS'COLLEGE
তমসো মা জ্যোতির্গময়
শিৱসাগৰ ছোৱালী কলেজ
দীননাথ ফুকন
স্মৃতিতোৰণ

## অতিথি শিতান

# অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ সাম্প্ৰতিক স্থিতি

**ড° জ্যোতি ৰঞ্জন মিলি**
সহঃ অধ্যাপক, নাজিৰা মহাবিদ্যালয়

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণৰ বাবে বৰ্তমান সময়ত সমগ্ৰ পৃথিৱীতে পূৰ্বৰ তুলনাত অৰণ্যৰ সংখ্যা বহুগুণে কমি আহিছে। অৰণ্য ভাঙি দিনক দিনে মানুহে ৰাস্তা-ঘাট, অট্টালিকা, উদ্যোগ আদি স্থাপন কৰাৰ ফলত এই সংখ্যা তীব্ৰ গতিত বৃদ্ধি পাইছে। ই সমগ্ৰ মানৱ জাতিৰ বাবে শুভ কাৰ্য হৈ থকা নাই। আমি সকলোৱে জানো যে প্ৰকৃতি অবিহণে প্ৰাণীকুলৰ জীৱন প্ৰৱাহ সম্পূন্নৰূপে স্থবিৰ। অৱশ্যে, সভ্যতাৰ ক্ৰমবিকাশ অবিহণেও মানুহে জীৱন-যাপন কৰাটো অসম্ভৱ। সাম্প্ৰতিক সময়ত দুয়োটা দিশেই সমানেই গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈ আহিছে। গতিকে, মানৱ প্ৰজাতিয়ে দুয়োকূল ৰক্ষা কৰি পৃথিৱীত জীৱকূল জীয়াই থকাৰ পৰিৱেশ ৰচনা কৰিবই লাগিব। অন্যাথা পৃথিৱীৰ আয়ুসৰেখা দিনক দিনে কমাই আনি মানুহে নিজৰ বিপদ ঘণ্টা নিজেই বজোৱাৰ দৰে হ'ব। ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ তুলনাত তুলনামূলকভাৱে উত্তৰ-পূৰ্বাঞ্চলত বৰ্তমানেও যথেষ্ট পৰিমাণৰ বনাঞ্চল পোৱা যায়। এই বনাঞ্চলৰ সংখ্যা নানা কাৰণত ক্ৰমশঃ হ্ৰাস পাই অহা পৰিলক্ষিত হৈছে।

অসমত বৰ্তমানেলৈকে ছখন উদ্যানে ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি লাভ কৰিছে। এইকেইখন হৈছে— কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, ওৰাং ৰাষ্ট্ৰীয় উদ্যান, মানস ৰাষ্ট্ৰীয় উদ্যান, নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান।



**কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান (Kaziranga National Park) ঃ**

১৯০৪ চনত তদানীন্তন ভাইচৰয় লৰ্ড কাৰ্জনৰ পত্নী মেৰী কাৰ্জনে কাজিৰঙা পৰিদৰ্শন কৰিছিল। এই পৰিদৰ্শন কালত কাজিৰঙাত প্ৰাপ্ত এশিঙীয়া গঁড় পৰ্যবেক্ষণ কৰি, তেখেতে পতী লৰ্ড কাৰ্জনক অনতিপলমে কাজিৰঙাক সংৰক্ষণৰ ব্যৱস্থা হাতত ল'বলৈ অনুৰোধ জনাই। তাৰ পিছৰ বছৰ অৰ্থাৎ ১৯০৫ চনত লৰ্ড কাৰ্জনৰ নেতৃত্বতে কাজিৰঙাক সংৰক্ষিত বনাঞ্চল ৰূপে স্বীকৃতি প্ৰদানৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। তেতিয়া কাজিৰঙাই আৱৰি লোৱা মাটিকালি আছিল ২৩২ বৰ্গ কিলোমিটাৰ। ১৯০৮ চনত ১৫২ বৰ্গ কিলোমিটাৰ

ব্ৰহ্মপুত্ৰৰ পাৰৰ মাটি সংযোগ কৰি ইয়াৰ পৰিসৰ বৃদ্ধি কৰা হয়। এই একেটা বছৰতে কাজিৰঙাই সংৰক্ষিত বনাঞ্চলৰ স্বীকৃতি লাভ কৰে। ১৯১৬ চনত কাজিৰঙাক Kaziranga Game Sanctuary নামেৰে জনা গৈছিল। ১৯৩৪ চনত কাজিৰঙাক 'কাজিৰনহা' নামেৰে নামকৰণ কৰা হৈছিল। ১৯৫০ চনত বিশিষ্ট পৰিৱেশ সংৰক্ষণকাৰী পি. ডি. ষ্টেচিৰ প্ৰচেষ্টাত কাজিৰঙাক Kaziranga Game Sanctuaryৰ পৰা Kaziranga Wildlife Sanctuary কৰা হয়। ১৯৬৮ চনত কাজিৰঙাই তদানীন্তন অসম চৰকাৰে Assam National Park Act-1968ৰ আধাৰত কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰে আৰু ভাৰত চৰকাৰে ১১ ফেব্ৰুৱাৰী ১৯৭৪ চনত কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি প্ৰদান কৰে। ১৯৮৫ চনত UNESCOই কাজিৰঙাক World Heritage site হিচাপে ঘোষণা কৰে। ২০০৭ চনত কাজিৰঙাক ব্যাঘ্ৰ প্ৰকল্প হিচাপে ঘোষণা কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন গোলাঘাট আৰু নগাঁও জিলাক সামৰি আছে। এই উদ্যানখনত পৃথিৱীত প্ৰাপ্ত এশিঙীয়া গঁড়ৰ ৭০ শতাংশ গঁড় পোৱা যায়। ২০১৮ চনৰ মাৰ্চ মাহত অসম চৰকাৰৰ বন বিভাগ আৰু কেইবাটাও বেচৰকাৰী সংস্থাৰ প্ৰচেষ্টাত হোৱা জৰীপৰ মতে কাজিৰঙাত প্ৰাপ্ত গঁড়ৰ সংখ্যা ২৪১৩। এই ৰাষ্ট্ৰীয় উদ্যানখনত কেৱল এশিঙীয়া গঁড়েই যে পোৱা যায় এনে নহয়। গঁড়ৰ উপৰিও এই উদ্যানখনত বহুসংখ্যক বাঘো পোৱা যায়। ভাৰতবৰ্ষৰ বনৰীয়া মহৰ ভিতৰত ৬০ শতাংশ কাজিৰঙাতে পোৱা যায়। ইয়াৰোপৰি দুকুৰীৰো অধিক প্ৰজাতিৰ নানা জীৱ-জন্তু যেনে--হাতী, দল হৰিণ, মাছুৰৈ মেকুৰী, কেইবাটাও প্ৰকাৰৰ বান্দৰ, শিয়াল, কেটেলা পহু, বনৰীয়া গাহৰি, জহামাল, বোন্দা, ডলফিন, ভালুক আদি পোৱা যায়। কাজিৰঙাত বিভিন্ন প্ৰজাতিৰ চৰাই, কাছ আদিও পোৱা যায়।

**ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান (Dibru-Saikhowa National Park) ঃ**

ডিব্ৰু-চৈখোৱা ৰষ্ট্ৰীয় উদ্যানখন অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাক সামৰি আছে। এই উদ্যানখন তিনিচুকীয়া চহৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ আতৰত অৱস্থিত। উত্তৰ পাৰে এই উদ্যানখনক ব্ৰহ্মপুত্ৰ আৰু লোহিত নদীয়ে আৰু দক্ষিণ ফালে ডিব্ৰু নদীয়ে আৱৰি আছে। এই উদ্যানখন ১৮৯০ চনতে ডিব্ৰু সংৰক্ষিত বনাঞ্চল (Dibru Reserved Forest) ৰূপে ঘোষণা কৰিছিল। ১৯৮৬ চনত ৬৫০ বৰ্গ কিলোমিটাৰ



সংযুক্ত এলেকাক প্ৰাৰম্ভিক পৰ্যায়ত Wildlife Sanctuary হিচাপে ঘোষণা কৰিছিল যদিও ১৯৯৫ চনত কেৱল ৩৪০ বৰ্গ কিলোমিটাৰ অৰণ্যকহে ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হয়। ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানখন বিশেষভাৱে বন ঘোঁৰাৰ বাবে প্ৰসিদ্ধ। ডিব্ৰু চৈখোৱাৰ পৰিৱেশতন্ত্ৰত তিনিধৰণৰ বিশেষত্ব দেখিবলৈ পোৱা যায়। ইয়াত সাত ভাগৰ এক অংশ আৰ্দ্ৰভূমি, বাকী অংশ ঘাঁহনি অঞ্চল আৰু মজলীয়াৰ পৰা ডাঠ অৰণ্য ভূমিৰে আবৃত্ত। এই উদ্যানত শেহতীয়া তথ্য অনুসৰি ৫০৩ বিধ চৰাই, ৩৭ প্ৰজাতিৰ স্তন্যপ্ৰায়ী প্ৰাণী, ৪২ প্ৰজাতিৰ সৰীসৃপ, ১৭ প্ৰজাতিৰ উভচৰ, ১০৪ প্ৰজাতিৰ মাছ, ১০৫ প্ৰজাতিৰ পখিলা, ৯১ বিধ আন্তৰ্জাতিকভাৱে বিলুপ্তপ্ৰায় প্ৰাণীসম্পদ তালিকাভুক্ত হৈছে। পৰিভ্ৰমী পখীৰ বাবেও ডিব্ৰু-চৈখোৱা আদৰ্শ আবাসস্থল হিচাপে পৰিগণিত হৈছে। ২ এই উদ্যানখনত বনৰীয়া ঘোঁৰা, বাঘ, হেপা, হাতী, বনৰীয়া ম'হ, বিভিন্ন প্ৰজাতিৰ পহু, নানা প্ৰজাতিৰ বান্দৰ, ৰাং কুকুৰ, শিশু, উৰণীয়া কেৰ্কেটুৱা আদিৰ উপৰিও বিভিন্ন প্ৰকাৰৰ চৰাই যেনে--মণিয়ৰি, বগলী, ভেলা, দৈকলা, শামুকভঙা, কৈলাঙি, হাড়গিলা, কণুৱা, তেলিয়া সাৰেং, বনৰীয়া ৰাজহাঁহ, ধিতৰাজ, শৰালি, বৰশৰালি, চাকৈচকোৱা, ঘিলাহাঁহ, কুৰুৱা, ৰজাশগুন, হয়কলি, কৰ্চন, কাম চৰাই, হাইঠা, বাঢ়েটোকা, ধনেশ পখী আদি চৰাই পোৱা যায়।

**ওৰাং ৰাষ্ট্ৰীয় উদ্যান (Orang National Park) ঃ**

ওৰাং দৰং আৰু শোণিতপুৰ জিলাক সামৰি মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত। ই ৭৯.২৪ বৰ্গ কিলোমিটাৰ এলেকা সামৰি আছে। এই ৰাষ্ট্ৰীয় উদ্যানখন অভয়াৰণ্য হিচাপে স্বীকৃতি লাভ কৰে ১৯৮৫ চনত আৰু ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি

লাভ কৰে ১৯৯৯ চনৰ ১৩ এপ্ৰিল তাৰিখে। বৰ্তমানৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যানত পূৰ্বে জনজাতীয় লোকৰ বসতি স্থল আছিল। ক'লা জ্বৰে মহামাৰীৰৰ ৰূপ লোৱাৰ বাবে তাৰ পৰা জনজাতীয় লোকসকল আঁতৰি যায় বুলি জনা যায়। ১৯১৯ চনত ব্ৰিটিছ চৰকাৰে ওৰাং গেম ৰিজাৰ্ভ হিচাপে ঘোষণা কৰে। পৰৱৰ্তী সময়ত এই গেম ৰিজাৰ্ভকে ৰাজ্যিক বন বিভাগে বনৰীয়া জীৱ-জন্তুৰ বিচৰণ স্থলিৰ লগতে ব্যঘ্ৰ প্ৰকল্পৰূপে গঢ় দিবলৈ প্ৰযত্ন কৰে। ১৯৯২ চনত তদানীন্তন অসম চৰকাৰে ৰাজীৱ গান্ধী ৱাইল্ড লাইফ চেঞ্চুৰী নামাকৰণ কৰে। ১৯৯৯ চনতহে এই উদ্যানখন ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি লাভ কৰে। এই উদ্যানখনত নানা প্ৰজাতিৰ উদ্ভিদ যেনে—চিচু, এজাৰ, চেগুন, পমা, তিতাচপা, হলশ, গমাৰী চতিয়না আদি পোৱা যায়। এই উদ্যানখনত ২২৫ বিধ চৰাইৰ উপস্থিতি জৰীপত নথিভুক্ত হৈছে। এইবোৰৰ ভিতৰত—মাছৰোকা, হালধীয়া টোকোৰা চৰাই, বৰকলীমুৰী হাঁহ, উলুমৰা, বৰটোকোলা, হাড়গিলা, হয়কলি, তেলীয়া সাৰেং, পাতি শগুন, বৰ উকহ আদিয়ে প্ৰধান। ইয়াৰে কেইবাবিধো চৰাই সংকটাপন্ন স্থিতিৰ চৰাই ৰূপে চিহ্নিত হৈছে। জন্তুৰ ভিতৰত গঁড়, ঢেকীয়াপতীয়া বাঘ, হাতী, নল গাহৰি, মাছুৱৈ মেকুৰী আদিৰ উপৰিও শিশু, অজগৰ আদিও প্ৰচুৰ পৰিমাণে দেখিবলৈ পোৱা যায়।

**মানাহ ৰাষ্ট্ৰীয় উদ্যান (Manash National Park) ঃ**

মানাহ ৰাষ্ট্ৰীয় উদ্যানখন ভূটান-হিমালয়ৰ পাদদেশৰ অন্তৰ্গত তৰাই মণ্ডলত অৱস্থিত। অসমৰ চিৰাং আৰু বাক্সা জিলাক এই উদ্যানখনে সামৰি আছে। মানাহক ১৯২৮ চনতে ৩৬০ বৰ্গ কিলোমিটাৰ সামৰি অভয়াৰণ্য হিচাপে ঘোষণা কৰে। পূৰ্বতে গৌৰীপুৰৰ কোঁচ ৰজাৰ চিকাৰৰ থলি আছিল মানাহ অভয়াৰণ্য। ১৯৫১ পৰা ১৯৫৫ চনৰ ভিতৰত মানাহৰ মাটিকালি ৩৯১ বৰ্গ কিলোমিটাৰলৈ বৃদ্ধি হয়। ১৯৮৫ চনৰ ডিচেম্বৰ মাহত UNESCOৰ পৰা মানাহে World Heritage siteৰ মৰ্যাদা লাভ কৰে। ২০১১ চনৰ জুন মাহত মানাহ অভয়াৰণ্যৰ মাটিকালিৰ পুনৰ বৃদ্ধি হয়। এই সংখ্যা ৩৯১ ৰপৰা গৈ ৫০০ বৰ্গ কিলোমিটাৰ হয়গৈ। জৈৱ বৈচিত্ৰ্যৰ দিশৰপৰা ই অত্যন্ত চহকী। ই ৫১৯.৭৭ বৰ্গ কিলোমিটাৰ এলেকা সামৰি আছে। অৱশ্যে, ১৯৭৩ চনতে মানাহত ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষণ আইন, ১৯৭২ৰ অধীনত ব্যাঘ্ৰ প্ৰকল্পৰ কাম হাতত লয়। এই ব্যাঘ্ৰ প্ৰকল্পৰ মাটিকালিৰ সংখ্যা ২৮৩৭ বৰ্গ কিলোমিটাৰ বৰ্তমান মানাহত ৬২২ প্ৰজাতিৰ উদ্ভিদ পোৱা যায়। তাৰ ভিতৰত ৪২৯টা দ্বিবীজ পত্ৰী, ১৬২ টা একবীজপত্ৰী, ৩০টা ঢেঁকীয়া বৰ্গ, ১টা অপুস্পক উদ্ভিদ বৰ্গ পোৱা যায়।[১] এই উদ্যানত বাঘ, নাহৰফুটুকী, হাতী, গঁড়, বনৰীয়া ম'হ, বনগৰু, ভালুক, জহামাল, গোধাফুটুকী, লতামাকৰি, শিয়াল, ৰাংকুকুৰ, সোণালী বান্দৰ শৰপহু, হনুমান বান্দৰ, সুগৰিপহু, দল হৰিণা, ফুটুকী হৰিণা, নল গাহৰি, উদ, শিশু, কেৰ্কেটুৱা আদি কেইবাটাও প্ৰকাৰৰ জীৱ-জন্তু পোৱা যায়। কিশোৰ কুমাৰ চৌধুৰীয়ে 'মানাহ ৰাষ্ট্ৰীয় উদ্যান' শীৰ্ষক লেখাত উল্লেখ কৰা তথ্য অনুসৰি মানাহত ৪৪টা গঁড়, ৩৫টা ঢেকীয়াপতীয়া বাঘ, ৭০৬টা গৌৰ, ৪০০টা সোণালী বান্দৰ, ৫০২ টা বনৰীয়া ম'হ, ১২১টা দল হৰিণ, প্ৰায় ডেৰ হাজাৰ হাতী, ২৮টা নাহৰফুটুকী, ১২টাতকৈ অধিক গোধাফুটুকী, ৫-৬টা ঘোং পোৱা যায়।



**নামেৰী ৰাষ্ট্ৰীয় উদ্যান (Nameri National Park) ঃ**

অসমৰ তৃতীয়খন ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃত নামেৰী ৰাষ্ট্ৰীয় উদ্যানখন শোণিতপুৰ জিলাৰ উত্তৰ দিশত অৱস্থিত। এই উদ্যানখন তেজপুৰ চহৰৰ পৰা প্ৰায় ৩৫ কিলোমিটাৰ নিলগত অৱস্থিত। উদ্যানখনৰ মুঠ মাটিকালি ২০০ বৰ্গ কিলোমিটাৰ। এই উদ্যানখন সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰে ১৭ অক্টোবৰ, ১৯৭৮ চনত। ১৯৮৫ চনতহে নামেৰী অভয়াৰণ্য হিচাপে স্বীকৃতি লাভ

কৰে আৰু ১৯৯৮ চনৰ ১৫ নবেম্বৰ তাৰিখে ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি লাভ কৰে। ১৯৯৯-২০০০ চনত নামেৰীক বাঘৰ কাৰণে সংৰক্ষিত এলেকা হিচাপে ঘোষণা কৰে। ১৯৯৭ চনৰ পিয়ল মতে নামেৰী ৰাষ্ট্ৰীয় উদ্যানত হাতী, ঢেকীয়াপতীয়া বাঘ, নাহৰফুটুকী বাঘ, লতামেকুৰী, গোধাফুটুকী, বনগৰু, হেপা, মলুৱা বান্দৰ, হনুমান বান্দৰ, সুগৰি পহু, খটীয়া পহু, শৰ পহু, ভালুক, ৰাং কুকুৰ, জহামাল, বনৰৌ, শিয়াল, বনৰীয়া গাহৰি আদি পোৱা যায়।

**দিহিং পাটকাই (Dehing Patkai National Park) ঃ**

দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানখন ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাক সামৰি আছে। ইয়াৰ সৰ্বমুঠ মাটিকালি ২৩১.৬৫ বৰ্গকিলোমিটাৰ। ২০০৪ চনৰ ১৩ জুন তাৰিখে Wildlife Sanctuary হিচাপে ঘোষণা কৰা হয়। ১৩ ডিচেম্বৰ ২০২০ চনত অসম চৰকাৰে দিহি পাটকাইক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰে। ডিব্ৰু চৈখোৱা বৰ্তমান অসমৰ একমাত্ৰ জীৱিত আৰু চিহ্নিত বৰ্ষাৰণ্য। ডিব্ৰু-চৈখোৱা বৰ্ষাৰণ্য হিচাপে স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে প্ৰকৃতিবিদ সৌম্যদ্বীপ দত্তৰ নেতৃত্বৰ নেচাৰ্চ বেকন নামৰ বেচৰকাৰী সংস্থাটোৱে। এই নেচাৰ্চ বেকনেই পোনপ্ৰথমবাৰৰ বাবে ডিব্ৰু-চৈখোৱাক বৰ্ষাৰণ্য হিচাপে চিহ্নিত কৰে। সৌম্যদ্বীপ দত্তৰ ভাষাত—আমাৰ ওচৰত প্ৰথম যিটো প্ৰত্যাহ্বান আছিল সেয়া হ'ল 'বৰ্ষাৰণ্য' শব্দটোক লৈ। যিহেতু অসমৰ মানুহৰ ওচৰত 'অসমৰ বৰ্ষাৰণ্য' কথাটোৱে নতুন আছিল, আমাৰ আগতে অসমৰ বৰ্ষাৰণ্যৰ কথা কোনেও কোৱা নাছিল। আনকি আমাৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়বোৰতো অসমৰ বৰ্ষাৰণ্যক লৈ কোনোধৰণৰ আলাপ-আলোচনা হোৱা নাছিল (১৯৯৩-৯৪ৰ আগত)। সেয়েহে বৰ্ষাৰণ্যৰ ধাৰণাটো জনপ্ৰিয় কৰাৰ কাম আমি হাতত ল'লো। সামাজিক বেচৰকাৰী সংস্থা নেচাৰ্চ বেকনৰ প্ৰস্তাৱ আছিল বৰ্ষাৰণ্যৰ ৫০০ বৰ্গ কিলোমিটাৰ অঞ্চলক সামৰি অভয়াৰণ্যৰ প্ৰস্তাৱ দিয়া আৰু অভয়াৰণ্যখনৰ নাম ৰাখিছিল প্ৰস্তাৱিত জয়দিহিং অভৰায়ণ্য। অৱশ্যে নেচাৰ্চ বেকনৰ এই নামৰ পৰিৱৰ্তে দিহিং পাটকাই অভৰায়ণ্য নাম দি ১১১.১৯ বৰ্গ কিলোমিটাৰ এলেকাহে স্বীকৃতি দিয়া হ'ল। বাকী অঞ্চলখিনি এতিয়াও স্বীকৃতি নাপালে। যাৰ বাবে চোৰাং কয়লা, কাঠৰ ব্যৱসায় আদি ৰমৰমীয়াভাৱে চলি আছে বুলি জানিব পৰা যায়। বৰ্তমানেও নেচাৰ্চ বেকনৰ নেতৃত্বত প্ৰকৃতি সচেতন ব্যক্তিসকলে সম্পূৰ্ণ ৫০০ বৰ্গ কিলোমিটাৰ এলেকাক অভয়াৰণ্যৰ স্বীকৃতি দিবলৈ সংগ্ৰাম অব্যাহত ৰাখিছে।



এই অভয়াৰণ্যখনত অসমত পোৱা একমাত্ৰ বন মানুহ অৰ্থাৎ হলৌ বান্দৰ, বনৰীয়া হাতী, আঠ প্ৰজাতিৰ মেকুৰী, ঢেঁকীয়াপতীয়া বাঘ, নাহৰফুটুকী বাঘ, হিমালয়ান ভালুক, লাজুকী বান্দৰ, নেউল, হলৌ বান্দৰৰ উপৰিও নানা প্ৰজাতিৰ বান্দৰ, ৰাং কুকুৰ, আদি স্তন্যপায়ী প্ৰাণীৰ উপৰিও প্ৰায় তিনিশ প্ৰজাতিৰ চৰাই পোৱা যায়। ইয়াৰে কেইবাটাও প্ৰজাতি লুপ্তপ্ৰায় বুলি চিহ্নিত হৈছে। অসমৰ ৰাজ্যিক চৰাই দেওহাঁহৰ সংখ্যা সৰ্বাধিক ডিব্ৰু-চৈখোৱা অভয়াৰণ্যতে পোৱা যায়।

**অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ সাম্প্ৰতিক স্থিতি ঃ**

অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ সাম্প্ৰতিক স্থিতি অতি নিৰাশজনক। এই নিৰাশজনক স্থিতিত উপনীত হোৱাৰ কেইবাটাও কাৰণ আমি বিচাৰি

পাওঁ। এইবোৰৰ ভিতৰত—

ক) উপযুক্ত আন্তঃগাথনি আৰু ব্যৱস্থাপনাৰ অভাৱ

খ) চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় আৰু বনাঞ্চল দিনক দিনে ধ্বংস কৰি অহা কাৰ্য

গ) বন্যজন্তুৰ চোৰাং চিকাৰ

ঘ) অবৈধ বেদখল কাৰ্য

ঙ) বনকৰ্মীৰ অভাৱ

চ) বনাঞ্চলৰ লগত জড়িত অধিকাংশ বিষয়া-কৰ্মচাৰীৰ অবৈধভাৱে ধন ঘটাৰ মানসিকতাৰ বৃদ্ধি

ছ) বন্যজন্তু আৰু মানুহৰ সংঘাত

জ) পৰ্যটন খণ্ডত চৰকাৰৰ উপযুক্ত মনোযোগিতাৰ অভাৱ আদিয়ে প্ৰদান।

অসমৰ ৰাষ্ট্ৰীয় উদ্যানবোৰত এতিয়াও বন্যপ্ৰাণীৰ সুৰক্ষা আৰু পৰ্যটনৰ বাবে প্ৰয়োজনীয় আন্তঃগাথনি আৰু ব্যৱস্থাপনা গঢ় লৈ উঠা নাই। ক্ৰমাগতভাৱে বৰ্দ্ধিত হৈ অহা জনসংখ্যাৰ ফলত যিদৰে বেদখল বাঢ়িছে, প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰৰ বাবে যিদৰে পৰিৱেশ বিনষ্ট হৈছে তাৰ সমান্তৰালভাৱে বন্যপ্ৰাণীৰ সুৰক্ষা বা জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় আন্তঃগাথনি এতিয়াও গঢ় লৈ উঠা নাই। বন বিষয়াৰ চত্ৰছায়াতে চলি থকা চোৰাং কাঠৰ বেহাই বনাঞ্চলবোৰৰ পৰা নানা ধৰণৰ গছ-গছনিবোৰ নাইকিয়া কৰিছে। বনকৰ্মীৰ অভাৱৰ বাবে বন্যপ্ৰাণীসমূহক উপযুক্ত নিৰাপত্তা প্ৰদান কৰিব পৰা নাই। চৰকাৰে অন্য বিভাগবোৰত যিদৰে নিযুক্তিত গুৰুত্ব প্ৰদান কৰে সেইদৰে বন বিভাগৰ নিযুক্তিত ইমান গুৰুত্ব সহকাৰে লৈ এই অভাৱ দূৰ কৰাৰ বদান্যতা প্ৰকাশ কৰা আজিও দেখা নগ'ল। বন্যপ্ৰাণীৰ অংগৰ ব্যৱহাৰক লৈ সমাজত প্ৰচলিত হৈ থকা অন্ধবিশ্বাস আৰু চোৰাং বেপাৰে বন্যপ্ৰাণীবোৰৰ হত্যাত ইন্ধন যোগাইছে। বেদখল অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ এটা প্ৰধান সমস্যা। দিনক দিনে বনাঞ্চল বেদখল প্ৰক্ৰিয়া চলি আহিছে। কৃষিভূমিৰ সম্প্ৰসাৰণ, বসতিস্থল নিৰ্বাচন আদি কাৰ্যবোৰে ক্ৰমশঃ অৰণ্যৰ পৰিসৰ হ্ৰাস কৰি আনিছে। যাৰ বাবে বন্যপ্ৰাণী আৰু মানুহৰ মাজত চৰম সংঘাত সংঘটিত হৈছে। দৈনিক শ শ বন্যপ্ৰাণী মানুহৰ হাতত মৃত্যুমুখত পৰা পৰিলক্ষিত হৈছে। পৰ্যটন খণ্ডত চৰকাৰে উপযুক্ত গুৰুত্ব নিদিয়াতো অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ বাবে এটা অতি স্পৰ্শকাতৰ বিষয়ৰূপে চিহ্নিত হৈছে। চৰকাৰে এই ৰাষ্ট্ৰীয় উদ্যানসমূহৰ পৰ্যটনৰ কেন্দ্ৰবিন্দু হিচাপে গঢ় দি তুলিবলৈ যি ধৰণৰ আন্তঃ গাথনি, প্ৰচাৰ, প্ৰসাৰৰ প্ৰয়োজন এই কথাবোৰত ফলপ্ৰসূ পদক্ষেপ ল'ব নোৱাৰাটো পৰিতাপৰ বিষয়।

**অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ সম্ভাৱনীয় দিশ ঃ**

অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহক পৰ্যটনৰ আকৰ্ষণীয় কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। তাৰ বাবে প্ৰয়োজনীয় আন্তঃগাথনি নিৰ্মাণ কৰি উপযুক্ত ব্যৱস্থাপনা কৰাৰ পূৰ্ণ সম্ভাৱনীয়তা অনুভৱ কৰা যায়। কাজিৰঙাত প্ৰাপ্ত এশিঙিয়া গঁড় পৃথিৱী বিখ্যাত। এই গঁড় কেৱল অসমতহে পোৱা যায়। এই কথা সঠিকভাৱে উপস্থাপন কৰি বিশ্ব সম্প্ৰদায়ৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ সুব্যৱস্থা কৰি অসমৰ পৰ্যটন ক্ষেত্ৰখনক আগবঢ়াই লৈ যোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। একেদৰে অসমৰ বাকী ৰাষ্ট্ৰীয় উদ্যানসমূহত প্ৰাপ্ত অন্যান্য বন্যপ্ৰাণী, নানা প্ৰজাতিৰ উদ্ভিদ, নানা তৰহৰ চৰাই-চিৰিকটি, উদ্যানবোৰৰ প্ৰাকৃতিক পৰিৱেশ আদিবোৰ আকৰ্ষণীয় গুণেৰে সমৃদ্ধ হৈ আছে। কেৱল চৰকাৰে এইবোৰৰ সুব্যৱস্থাপনা কৰি বহুল মাধ্যমত প্ৰচাৰ-প্ৰসাৰৰ কাৰ্যপন্থা হাতত ল'লে অসমৰ পৰ্যটন উদ্যোগ যে শক্তিশালী ৰূপত গঢ় লৈ উঠিব এই কথাত তিলমানো সন্দেহ নাই।

**প্ৰসংগটোকা ঃ**

১। কিশোৰ কুমাৰ চৌধুৰী, মানাহ ৰাষ্ট্ৰীয় উদ্যান, নক্সা নৈসৰ্গ ২, পৃ.-৫৪

২। ড° ৰঞ্জন কুমাৰ দাস, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, নক্সা নৈসৰ্গ ২, পৃ.-৪৬

**সহায়ক গ্ৰন্থ ঃ**

নৱ কুমাৰ চমুৱা, (সম্পা.) **নক্সা নৈসৰ্গ**-২, নক্সা প্ৰিণ্টিং ডিভিজন, ডিব্ৰুগড়, ২০২১

সৌম্যদ্বীপ দত্ত ঃ **অসমৰ অৰণ্য অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যান**

# নাট্যকাৰ পৰাগধৰ চলিহাৰ 'সিপাৰে' ঃ এক সম্যক আলোচনা

**ড° জীৱন কলিতা**
সহযোগী অধ্যাপক, নাজিৰা মহাবিদ্যালয়

পৰাগধৰ চলিহাই ***সিপাৰে, সোণ-ৰূপ-নেওচি*** আৰু ***কুইনাইন নহয় শোকোতা*** নামৰ তিনিখন নাটক ৰচনা কৰিছিল। এই তিনিখন নাটকৰ উপৰিও ***চাৰিহেজাৰ বছৰৰ অসম, নিয়তি, পৃথিৱী আৰু মানুহ যুগে যুগে বিহু, ভোগালীৰ ভোগৰ সম্ভাৰ, ৰূপৰ কোঁৱৰ আহিল সৌৰা, বলীয়া বৰাগী, ঋতুৰাজ বসন্ত কোঁৱৰৰ আগমণ, ৰংমন বিহুৱাৰ সপোন*** আৰু ***সাতভনীৰ ৰঙালী বিহু*** নামৰ গীতি আলেখ্য ৰচনা কৰিছিল। নাট সম্পৰ্কে চলিহাই লিখিছিল—

দেশ এখনৰ প্ৰকৃত সম্পদ কেৱল সোণ-ৰূপেই নহয়। আজিৰ বস্তুবাদী আদৰ্শৰ দিনত এই কথা পোনছাটে অমূলক যেন লাগিব পাৰে। কিন্তু দৰাচলতে দেশ এখনৰ তথা জাতি এটাৰ গুণ গৰিমাৰ চিনাকি অভগন অমৰণকৈ দিব পৰা বস্তুৰাজি হ'ল সেই লোকগোষ্ঠীৰ নিজা সংস্কৃতিৰ আকৰ সমূহ য'ত সেই লোকসমূহৰ মজ্জাগত প্ৰতিভাই নতুন ৰূপত প্ৰকাশ পায়। সংস্কৃতিৰ বিষয়তো আকৌ জাতীয় জীৱনৰ ৰূপ জেউতি ব্যাপকভাৱে ফুটাই দিব পৰা থলী হ'ল জাতীয় নাটশালখন। সংস্কৃতি প্ৰাণগত হিচাপে পৰাগধৰ চলিহাই সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবেহে নাটক ৰচনা কৰিছিল। তেওঁৰ নাটক সমূহত অৱলোকন কৰিলেই এই কথাৰ ভূ পোৱা যায়। তেওঁৰ তিনিখন পূৰ্ণাঙ্গ নাটকৰ ভিতৰত 'সিপাৰে' নাটকখনৰ ওপৰত এক আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰা হ'ল।

এখন দুখীয়া ঘৰৰ ল'ৰা কমল। অতি সৰুতেই সি মাকক হেৰুৱাইছে। একমাত্ৰ পুতেক কমলক লৈ ডাল-দৰিদ্ৰ নিধিৰামৰ দুখ কুলাই পাছিয়ে নধৰা হৈছে। পাঁচি-খৰাহী বৈ সেয়া বেচি-কিনি তাৰেই জীৱন কটায়। কেতিয়াবা খালী পেটেও থাকিবলগীয়া হয়। কমল হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ। পঢ়াত সি যথেষ্ট মেধাবী। প্ৰাইমেৰী স্কুলৰ বৃত্তিও সি ইতিমধ্যে পাইছে। তেনে অৱস্থাতে মাত্ৰ দুদিনৰ ৰোগতে ভুগি হঠাৎ কমলৰ দেউতাকৰ মৃত্যু হৈছে। কমলৰ পানীত হাঁহ নচৰা হৈছে। মৃতকৰ পিণ্ড এটি দিবলৈ সমৰ্থৱান নোহোৱা কমল মনৰ দুখত দিহিঙৰ পাৰত চকু পানী টুকি বহি আছে।

সেই সময়তে নদীৰ পাৰত ফুৰিবলৈ আহি কমলৰ কাষতে উপস্থিত হৈছেহি ৰায়চাহাব দাস আৰু কিশোৰী জীয়েক অৰুণা। ল'ৰাজনে তেনেকৈ আমনজিমনকৈ বহি থকা দেখি তেওঁৰ সৈতে কথা পাতি মিঃ দাস আৰু অৰুণাই জানিব পাৰিলে ল'ৰাজনৰ কেওঁ কিছু নাই, দৰিদ্ৰ। জীয়েক অৰুণাৰ মন সহানুভূতিৰে ভৰি পৰিল। তাইৰ কথাত হয়ভৰ দি কমলক ৰায়চাহাবে নিজৰ ঘৰলৈ বনকৰা ল'ৰা হিচাপে লৈ গৈছে। তাতে ঘৰৰ ঠাই সৰা, কাঁহি-বাটি ধোৱা আদি কাম কৰাৰ মাজতে অৰুণাৰ মাক-দেউতাকে কমলক সময় উলিয়াই পঢ়া-শুনা কৰিবলৈ দিছে। কমলে পৰীক্ষা দি প্ৰথম বিভাগত, অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছে।

ইতিমধ্যে কমলে বনকৰা ল'ৰাৰ পৰা অব্যাহতি নেপাব বুলি জানি অৰুণাই তাক এদিন ৰাতি ঘৰৰ পৰা পলুৱাই পঠাই দিছে। বৃত্তিৰ পইচাৰে সি কলেজ হোষ্টেলত থাকি পঢ়িবলৈ লৈছে। কলেজ বন্ধৰ সময়ত সি গাঁৱলৈ গৈ গাঁওবোৰৰ উন্নতিৰ হকে নানান প্ৰচাৰ কাৰ্যত নিজকে ব্ৰতী কৰিছে।

কমল সকলো দিশতে এজন আদৰ্শবান ডেকা হিচাপে নিজকে পৰিচয় দিবলৈ সমৰ্থ হৈছে যদিও সৰুৰে পৰা সি বহুতো মানুহৰ ককৰ্থনা আৰু লাঞ্ছনা ভূঞ্জিব লগা হৈছে। সন্মানসহ বি.এ. পৰীক্ষাত উৰ্ত্তীণ হোৱাৰ পিছত চাহ বাগিচাৰ মালিক নৰহৰি শইকীয়াই নিজৰ একমাত্ৰ জীয়েক আধুনিকা নিলীৰ সৈতে তাৰ বিয়া পাতি তাক ঘৰ জোঁৱাই কৰাৰ চক্ৰান্ত কৰিছে। কিন্তু সেই চক্ৰান্তৰ পৰা মুক্ত হৈ সি অৱশেষত অৰুণাৰ ওচৰলৈ উভতি গৈছে। ইতিমধ্যে সি এচ.ডি.চি.ৰ নমিনেশ্যন পাইছে আৰু শেষত অৰুণাৰ সৈতে বিয়াৰ ইংগিতেৰে নাটকখনৰ যৱনিকা পৰিছে।

এই কাহিনীকে *সিপাৰে* নাটকখনত চলিহাই নাট্যৰূপ দিছে। দৰিদ্ৰতা ব্যক্তি বিশেষৰ উন্নতিৰ যে অন্তৰায় নহয়, প্ৰবল ইচ্ছাশক্তি আৰু কৰ্মোদ্যম থাকিলে মানুহে যে লক্ষ্যত উপনীত হ'ব পাৰে সেই কথা নাট্যকাৰে কমল চৰিত্ৰৰ মাজেৰে ব্যক্ত কৰিছে। আচলতে কমল চৰিত্ৰৰ বিকাশেই *সিপাৰে* নামৰ নাটখনৰ মূল উপজীব্য।

নাটক এখনৰ সাৰ্থকতা বহু পৰিমাণে নিৰ্ভৰ কৰে চৰিত্ৰ চিত্ৰণৰ ওপৰত। Charactrsation is the really fundamental and lasting element in the greatness of any dramatic work. সচেতন নাৰ্ট্যকাৰে নাটকীয় বিষয় বস্তুৰ লগত সংগতি ৰাখিহে চৰিত্ৰ চিত্ৰণ কৰে। *সিপাৰে* নামৰ নাটখনত যথেষ্ট সংখ্যক চৰিত্ৰৰ সমাবেশ ঘটিছে। সৰ্বমুঠ পঞ্চাশৰো অধিক চৰিত্ৰই আগবঢ়াই নিয়া কাহিনীটো কিন্তু দৃঢ় নহয়। নায়ক কমল চৰিত্ৰটোৰ যোগে এটা আদৰ্শ প্ৰচাৰ কৰিবলৈ নাট্যকাৰে যত্ন কৰিছে আৰু য'তেই প্ৰয়োজন বুলি ভাবিছে ততেই সেই আদৰ্শ প্ৰচাৰত ব্ৰতী হৈছে। উদাহৰণ স্বৰূপে - কৃষ্ণধন বৰুৱাৰ দালানৰ আগচ'ৰা (সময় ৰাতিপুৱা) শীৰ্ষক দৃশ্যত অসমীয়া বাতৰি কাকত প্ৰচলন, কলকতাৰ অল ইণ্ডিয়া ৰেডিওৰ এটা কোঠাত ফিল্মী গানৰ সলনি বৰগীতক আকোৱালি লোৱা, উজনিৰ ৰহদৈ পথাৰৰ এটা চুক (সময় দুপৰীয়া) ত ৰোগ নিৰ্মূলৰ বাবে বেজালি কামৰ ঠাইত ডাক্তৰী চিকিৎসাত গুৰুত্ব দিয়া আদিলৈ আঙুলিয়াব পাৰি। এইবোৰৰ ফলত নাটকীয় দ্বন্দই নাটখনত গা কৰিবলৈ সুবিধা পোৱা নাই। কমল নাটকখনৰ মুখ্য চৰিত্ৰ। অৰ্থনৈতিক বিপৰ্যয়ে তাৰ কৈশোৰ কালছোৱা বিধ্বস্ত কৰিছে। টকাৰ অভাৱত তাৰ দেউতাক বেমাৰত পীড়িত হৈ ঢাৰি-পাতি লৈছে -

**নিধিৰাম** ঃ- এৰা বোপাই আজিৰ হাটত মোৰ পাঁচী-খৰাহী লোৱা মানুহ এটাও নেপালো। ওৰে দিনটো বাট চাই কাকো নেপাই কানু মহাজনৰ তাতে বস্তুকেইটা দি তেল গুৰ অলপ আনিছোঁ। পিছে বোপাই আজি মোৰ গাটো অৱল-বৱলখন কৰিছে। পেটটোত কিবাখন লাগিছে। এৰা দেহাই নটনা হৈছে। যিমান সোনকালে পাৰো এই জকাটোৰ হাড়কিডাল পেলাব পাৰিলেই ৰক্ষা। [দিহিঙৰ এপাৰে (সাজঁৰ সময়ত) পৃ. ৩]

তেনে অৱস্থাতে ভূতৰ ওপৰত দানহ পৰাদি চৰকাৰৰ টেকেলা সংৰামে মাটিৰ খাজনা সংগ্ৰহ কৰিবলৈ আহি বেমাৰী মানুহটোকে টনা-আজোৰা কৰিছেহি।

**সংৰাম** ঃ- এ খাবলৈ নোপোৱাটোৰ কটকটনিবোৰ শুনাহে। (বুলি চোঁ মাৰি গৈ চৰ এটা মাৰে।) একেচৰে দুয়োপাৰি দাঁত উলিয়াম-চিনি পাবি বাপেৰক। চাওঁ বুঢ়াইনো কি ভাওখন জুৰিছে অমুকাৰ আগত। (এইবুলি বুঢ়াৰ গাৰ কাপোৰ কানি টানি আজুৰি খাস্তাং কৰে। কমলে আজোৰ-পিজোৰ লগায়-চিঞঁৰত দুজন-এজন গঞা আহি সংৰামক এৰুৱাই দিয়ে। বুঢ়াৰ কাপোৰ কানি ঠিককৈ দি) [দিহিঙৰ এপাৰে (সাজঁৰ সময়ত) পৃ.৩]

তাৰ অলপ পিছতে কমলৰ দেউতাকৰ মৃত্যু হৈছে। সিফালে তাৰ পিছদিনাৰ পৰা তাৰ বছৰেকীয়া পৰীক্ষা। দেউতাকৰ তিলনীৰ সলনি সি নদীৰ পাৰৰ গছৰ তলত গৈ বহি আছেগৈ—

**কমল** ঃ- ঘৰৰ কি কথা কয় দেউতা? ঘৰ দুৱাৰ আপোনজন নাই গতিকেইতো গছৰ তলতে জিৰণি লৈছোহি। পিতাই ঢুকুৱা আজি তিনিদিন। আজি তিলনিৰ দিনা পিণ্ড এটা দিবলৈও এই পৃথিবীত মোৰ সহায় নাই। কাকনো কম

***অসমীয়া গাঁৱলীয়া সমাজত একেবাৰে চালচিগা ভিকহুজনৰো পৰিয়ালৰ কোনোবা হানি হ'লে গাঁৱৰ ৰাইজে ইটো-সিটো দি মৃতকৰ শ্ৰাদ্ধ-তিথি উদযাপনত সহায় কৰে। নাটকখনত কিন্তু চলিহাই সেইটো কৰা নাই। কমলে তিলনীৰ পিণ্ড দিয়াৰ সলনি নদীৰ পাৰত গৈ বহি থকা দৃশ্যটোৰ যোগে আমাৰ সমাজখন যেন নাটকখনত সঠিকভাৱে প্ৰতিফলিত নহ'ল তেনে অনুভৱহে হয়।***

কোনেনো মোৰ দুখ পতিয়াব দেউতা? [ডিবৰুৰ দাঁতিত লুইতৰ পাৰ (সময় আবেলি) পৃ. ৮]

অসমীয়া গাঁৱলীয়া সমাজত একেবাৰে চালচিগা ভিকহুজনৰো পৰিয়ালৰ কোনোবা হানি হ'লে গাঁৱৰ ৰাইজে ইটো-সিটো দি মৃতকৰ শ্ৰাদ্ধ-তিথি উদযাপনত সহায় কৰে। নাটকখনত কিন্তু চলিহাই সেইটো কৰা নাই। কমলে তিলনীৰ পিণ্ড দিয়াৰ সলনি নদীৰ পাৰত গৈ বহি থকা দৃশ্যটোৰ যোগে আমাৰ সমাজখন যেন নাটকখনত সঠিকভাৱে প্ৰতিফলিত নহ'ল তেনে অনুভৱহে হয়।

দেউতাক ঢুকুৱাৰ পিছত সি দদায়েক মিনাৰামৰ সহায় বিচাৰি গৈ দুৰ্ব্যৱহাৰ পাইছে -

**মিনাৰাম** ঃ- (খঙেৰে) কি হ'ল? কি লাগে? থ থ লেৰেলা আদৰখন থ। ভালেৰে কৈছো কমল, তই মোৰ চাৰিসীমাৰ ভিতৰত ভৰি নিদিবি। যি বেলেগ হলি হলি - এতিয়া আক' একেলগখন কিহৰ? ভাল হৈছে। ঘৰ ঘৰোৱাৰে মূৰ খালি নহয়। যা এতিয়া ক'ত মৰ মৰগৈ। [ডিবৰুৰ পাৰৰ মিনাৰামৰ বহা (সময় দুপৰীয়া পৃ.৬]

দদায়েকৰ পৰা দুৰ্ব্যৱহাৰ পাই সি ৰায়চাহেব দাসৰ বনকৰা ল'ৰা হিচাপে দাসৰ ঘৰলৈ গুচি গৈছে। এইখিনিৰ পৰাই কমলৰ জীৱনে এটা নতুন গতি লাভ কৰিছে। অনেক সংঘাত অতিক্ৰমী সি ৰায়চাহেবৰ ঘৰৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰিটকীয়া এটা স্কলাৰচিপ পাইছে -

**অৰু** ঃ- তুমি বোলে কুৰিটকীয়া স্কলাৰচিপ এটা পাইছা। গোটেই অসমৰ ভিতৰত দ্বিতীয় হৈছা। দেউতাই খবৰ কাগজত চাই আহিছে। শুবৰ সময়ত আমাক কৈছে। পিছে খবৰটো তোমাক দিবলৈ মানা কৰিছে। সেই কাৰণে মনে মনে জনাবলৈ আহিলো। [ৰায়চাহাবৰ ঘৰৰ একোঠা (সময় ৰাতি) পৃ.২৫]

স্কলাৰচিপ পোৱাৰ কথা ৰায়চাহেবে কমলক কিয় দিবলৈ কোৱা নাই সেই বিষয়ে নাটকখনত স্পষ্টকৈ একো প্ৰকাশ নাপালে। হয়তো তাক উচ্চশিক্ষা দিয়াবলৈ ৰায়চাহেবৰ মন নাছিল। সেয়ে অৰুণাই তাক মাজ ৰাতি সেই খবৰটো দি তাক সিহঁতৰ ঘৰৰ পৰা পলুৱাই পঠিয়াইছে। সি ৰায়চাহেবৰ দুহিতা অৰুণাৰ কথামতে উচ্চশিক্ষা লৈ এছ.ডি.চি. চাকৰিত মকৰল হৈছে।

সংঘাতে জুৰুলা কৰিছে যদিও কমল কোনো ক্ষেত্ৰতে আদৰ্শৰ পৰা অপসাৰিত হোৱা নাই দেউতাকৰ তিলনিৰ দিনা পিণ্ড দিবলৈ অপৰাগ হোৱা কমল মনৰ বেজাৰত নদীৰ পাৰত বহি থাকোঁতে ৰায়চাহেব মি. দাস আৰু তেওঁৰ দুহিতা অৰুণাই কমলক তেওঁলোকৰ ঘৰলৈ লৈ গৈছে। ৰায়চাহাবৰ ঘৰত কমলে লগুৱা হৈ জীৱন আৰম্ভ কৰিছে। তাতো দাসৰ পুতেক প্ৰদ্যুতে কমলক চাকৰ বুলি বেয়া ব্যৱহাৰ কৰিছে যদিও অৰুণাৰ হস্তক্ষেপত সি ৰক্ষা পৰিছে। অৰুণাৰ অনুৰোধ মৰ্মে কমল মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছে আৰু প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। তাৰ পাছত অৰুণাৰ বুদ্ধিমতে কমল গৈ কটন কলেজ পাইছেগৈ। পঢ়াৰ সমান্তৰালভাৱে সি গান-বাজনা, সমাজ সংস্কাৰ আদিতো জড়িত হৈ পৰিছে।

ইতিমধ্যে কমল বিখ্যাত চাহ খেতিয়ক নৰহৰি শইকীয়াৰ ঘৰ পাইছেগৈ আৰু শইকীয়াৰ দুহিতা নিলীমাৰ ঘৰুৱা শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰি তাইৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিবলৈ উদ্যত হৈছে—

**বিমলা** ঃ- তেনে বিয়াখনহে বাকী। আঘোণ মাহতে তাকো হৈ গলে আমাৰ পাৰ্টী খোৱাহে খোৱা, (হাঁহিৰ ৰোল, তামোল আনে)

**শইকীয়া** ঃ- এৰা কালি সহদেৱ শৰ্মাৰি হতুৱাই দুয়োৰে যোৰা চোৱাত খুউব ভাল বুলি কৈছে। আঘোণতে শুভদিন পৰিছে বুলি কৈছে। (শইকীয়াৰ ড্ৰয়িং ৰূম, পৃ.[৫৪)

সি শইকীয়াৰ দুহিতা নিলীমাক নে ৰায়চাহেবৰ কন্যা অৰুণাক বিয়া কৰাব সেই বিষয়ে নাট্যকাৰে এইখিনিতে কমলৰ মানসিক অন্তৰ্দ্বন্দ প্ৰকাশ কৰাৰ যথেষ্ট সুৰুঙা আছিল। কিন্তু তাৰ সলনি নাট্যকাৰে সপোন দেখাৰ যোগে কমলৰ সিদ্ধান্ত সলনি কৰোৱাইছে।

নাটকখনত কমলৰ এটা উল্লেখযোগ্য ভূমিকা হৈছে এজন সমাজ সংস্কাৰক হিচাপে আত্মপ্ৰকাশ কৰাটো। ৰায়চাহেবৰ জীয়ৰী অৰুণাৰ কথামতে পলাই গৈ কমলে কটন কলেজত নাম ভৰ্তি কৰিছেগৈ। তাতে বন্ধু হিচাপে লগ পাইছে বিমলা, কৰুণা আদিক। নাটকখনৰ পূৰ্বতে উল্লেখ নথকা কমলৰ সমাজ সংস্কাৰৰ কথা কটন কলেজৰ হোষ্টেলৰ ৯ নং কোঠা (সময় আবেলি তিনি বজা)' শিৰোনামৰ বিমলাৰ সংলাপৰ যোগে প্ৰথমে প্ৰতীয়মান হৈছে

**বিমলা** ঃ- কি ফুৰা-চকাৰ কথা কৈছে? সেইবোৰ তোমাৰ আমাৰ নিচিনা ফুৰা চকাত নহয়। তুমি আমি ফুৰো নগৰে চহৰে, তেখেতে ফুৰে গাঁৱে গাঁৱে। তুমি আমি প্ৰচাৰ কৰো চিনেমা, থিয়েটাৰ, মজলিচৰ বাণী, তেখেতে প্ৰচাৰ

'...চাছোন আমাৰ গাঁওবোৰ কিমান পিছপৰা। দুবেলা দুমুঠি খাবলৈ নাই। ইপিনে নানা বেমাৰ এজাৰে দেশখন সদায় ধুনি আছে। অৱশ্যে তাৰ গুৰিতো আমাৰ ৰাইজহে। চাছোন আমাৰ ওচৰৰে গাঁওকিখন। খোৱাই, লোৱাই, থকাই, শোৱাই কিমান লেতেৰা। কিমান বেচিজিল। ইপিনে সমাজৰ কু-সংস্কাৰ, কু-চৰ্চা। এই সকলোৰে মূলত শিক্ষা, কৰে গাঁও সংগঠনৰ মহান বাণী। চোৱাচোন তোমাৰ আমাৰ কাম আৰু তেখেতৰ কামৰ পাৰ্থক্য কিমান। (পৃ.২৮)

সমাজ সংস্কাৰৰ ধাৰণা কমলৰ মনলৈ কেনেকৈ আহিল তাৰ কোনো স্পষ্ট নিৰ্দেশনা নাটকখনত নাই। হয়তো নাট্যকাৰ চলিহাৰ অন্তৰত সুপ্ত হৈ থকা জাতীয়তাবোধৰ প্ৰতিফলন এই চৰিত্ৰটোত পৰিছে। সমাজৰ নিৰক্ষৰ লোকসকলৰ মাজত সি সমাজ সংস্কাৰৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ গৈ অপদস্থও হ'ব লগা হৈছে। তথাপিও সি হাঁহিমুখে সকলো অপমান সহ্য কৰিছে—

চাওক, মোৰ এই কষ্ট, এই অপমান বাৰু কাৰ বাবে? আপোনালোকৰ কাৰণেই ভাবি, আপোনালোকৰ হাততে মাৰ খাব লগা হৈছে। তথাপিও দেশ, জাতি তথা নিজৰ ভাই-ককাইৰ বাবে এনে অপমান মই হাঁহিমুখে গ্ৰহণ কৰিছো।

চৰিত্ৰটোৱে দুখৰ পৰা দুখলৈ আৰু দুখৰ পৰা সুখলৈ গতি কৰি সামৰণিত অৰুণাক জীৱনৰ লগৰী হিচাপে বাচি লৈছে। ইয়াত চৰিত্ৰটোৰ ধৈৰ্য্য আৰু মহানুভৱতা ফুটি উঠিছে। অৰুণাৰ সহায় নোহোৱাহেঁতেন কমল বোকাত ফুলা কমলেই হৈ থাকিলহেঁতেন।

নায়ক চৰিত্ৰ হিচাপে কমলৰ জীৱনলৈ যিবোৰ সংঘাত আহিছে সেই সকলোবোৰৰ মূলতে আছে অৰ্থৰ নাটনি। নাটকখনৰ প্ৰথমৰপৰা দৰিদ্ৰতাই কমলক সংঘাতলৈ ঠেলি দিছে। টকা-পইচাৰ অভাৱৰ বাবে সি ৰুগীয়া দেউতাকক চিকিৎসা কৰোৱাব পৰা নাই, মাটিৰ খাজানা দিব পৰা নাই, দেউতাকৰ মৃত্যুৰ পাছত শ্ৰাদ্ধ-তিথি অনুষ্ঠিত কৰিব পৰা নাই। ফলত সি ৰায়চাহেবৰ ঘৰৰ বনকৰা ল'ৰা হৈ গুচি যাবলগীয়া হৈছে। ৰায়চাহেবৰ ঘৰতো সি প্ৰদ্যুতৰ পৰা পোৱা অপমান, কলেজৰ কেণ্টিনত লগৰীয়া কিছুমানে তাক চাকৰ বুলি হুঁহা আদিৰ মূলতে আছে কমলৰ দৰিদ্ৰতা। অৰ্থনৈতিক অনাটনে সৃষ্টি কৰা সংঘাতে নাটকখনৰ উৎকণ্ঠা কিছুপৰিমাণে তুলি ধৰিছে যদিও সফলৰূপত তুলি ধৰিব পৰা নাই।

নাট্যকাৰে কমল চৰিত্ৰটোক এটা গতিশীল চৰিত্ৰ (Round Character) হিচাপে অঙ্কণ কৰিবলৈ যত্ন কৰিছিল। কিন্তু সফল হ'ব পৰা নাছিল। যিহেতু গতিশীল চৰিত্ৰই সদায় পৰিস্থিতিৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে আৰু জটিল কিছুমান পৰিস্থিতিয়ে চৰিত্ৰবোৰক বাস্তৱতাক প্ৰাধান্য দিবলৈ শিক্ষা দিয়ে। কমলে কিন্তু নাটকখনত পৰিস্থিতিক নিজৰ নিয়ন্ত্ৰণলৈ নিব পৰা নাই। কাহিনীৰ সোঁত যেনিয়েই বৈ গৈছে সিয়ো কাগজৰ নাৱৰ দৰে উটি-বুৰি তেনিয়েই গৈছে। আন নালাগে অৰুণাই হস্তক্ষেপ নকৰাহেঁতেন তাৰ জীৱনৰ গতিপথেই সলনি হৈ গ'লহেঁতেন। গতিকে কমল চৰিত্ৰটোক এটা সমতলীয় (Flat Character) চৰিত্ৰ বুলিব পাৰি। কাৰণ সমতলীয় চৰিত্ৰত থকাৰ দৰে কমলৰো কিছুমান দোষ-গুণ আছে। সেইবোৰ চৰিত্ৰটোৰ গাত আৰোপ কৰি কাহিনীৰ ভিতৰুৱা পৰিবেশত নাট্যকাৰে তাক এৰি দিছে। কাহিনীৰ সোঁতৰ সমান্তৰালভাৱে সি নিজৰ ভূমিকা পালন কৰিছে।

সমাজ সংস্কাৰ কৰাৰ প্ৰৱণতা থকা চৰিত্ৰ হিচাপে নাটকখনত কমল এটা সাৰ্থক চৰিত্ৰ। অৰ্থনৈতিক বিপৰ্য্যয় মানুহৰ উন্নতিৰ পথত যে অন্তৰায় হ'ব নোৱাৰে সেই কথা কমলে প্ৰমাণ কৰি সমাজলৈ এটা বাৰ্তা প্ৰেৰণ কৰিছে। ফলত চৰিত্ৰটো এটা অনুকৰণীয় চৰিত্ৰৰূপে পৰিগণিত হৈছে।

অৰুণা ৰায়চাহেবৰ কন্যা যদিও তাই আনৰ দুখত দুখী হ'ব পৰা ছোৱালী। কমলক ঘৰলৈ নিয়াৰ পিছত ককায়েক প্ৰদ্যুতে কমলক চাকৰ বুলি গালি-শপনি পৰাত তাই তাৰ প্ৰতিবাদ কৰিছে -

'চাকৰ বুলি সি মানুহ নহয় নেকি? মানুহক মানুহৰ দৰে ব্যৱহাৰ কৰাটো মানুহৰ কৰ্তব্য। দাদা, তোমাক এনেদৰে শিকাব লগাটো ভনীয়েক হিচাপে মই নিজেই লাজ পাইছো।' (অৰুণাৰ পঢ়া কোঠা) পৃ. ১৫

এই অৰুণায়ে কমলক প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ঘৰৰ পৰা পলুৱাই পঠিয়াইছে। যিহেতু তাই সত্য অনুমান কৰিছিল বনকৰা ল'ৰা হৈ থাকিলে কমলৰ ভৱিষ্যত সুৰক্ষিত নহ'ব।

অৰুণাৰ চাৰিত্ৰিক বৈশিষ্ট্য কমলৰ লগত বহুখিনি সাদৃশ্য আছে। সমাজত প্ৰচলিত কু-সংস্কাৰ, কু-চৰ্চা আদি নিৰ্মূল কৰিবলৈ যে শিক্ষাৰ প্ৰয়োজন আছে সেই কথা তাই উপলব্ধি কৰিছিল। 'ৰায়চাহেব দাসৰ ৰান্ধনীঘৰৰ বাৰান্দা' শীৰ্ষক দৃশ্যত অন্তৰ্ভূক্ত এই সংলাপৰ যোগে তাইৰ মনৰ আভাস পাব পাৰি—

'...চাছোন আমাৰ গাঁওবোৰ কিমান পিছপৰা। দুবেলা দুমুঠি খাবলৈ নাই। ইপিনে নানা বেমাৰ এজাৰে দেশখন সদায় ধুনি আছে। অৱশ্যে তাৰ গুৰিতো আমাৰ ৰাইজহে। চাছোন আমাৰ ওচৰৰে গাঁওকিখন। খোৱাই, লোৱাই, থকাই, শোৱাই কিমান লেতেৰা। কিমান বেচিজিল। ইপিনে সমাজৰ কু-সংস্কাৰ, কু-চৰ্চা। এই সকলোৰে মূলত শিক্ষা, বুইছ মা। ভাল শিক্ষা পালেই সকলোৰে চকু মেল খাব। দুখুনী অসমীৰ বুকু আকৌ সোণৰ ফুলনিৰে উপচি পৰিব। মোৰ হ'লে মা এইবোৰ কামলৈ বৰ মন যায় পায়।'

অৰুণাৰ এই সংস্কাৰকামী মনটো শেষলৈকে আছে। কমলে এছ ডি চি নমিনেশ্যন পোৱাৰ পিছত নাটকখনৰ অন্তিম দৃশ্যত কমল আৰু অৰুণাৰ কথোপকথনত সেই মনোভাৱ প্ৰকট হৈছে -

**অৰুণা** ঃ- তুমি এতিয়া প্ৰশাসনীয় বিষয়া। প্ৰশাসনীয় বিষয়া হৈ স্তৰে স্তৰে সোমাই পৰা দুৰ্নীতিৰ বিৰুদ্ধে সদায় জেহাদ ঘোষণা কৰিবানে? তোমাৰ দেশপ্ৰেমক যাতে চৰকাৰী টেবুলৰ ফাইলবোৰৰ ভাষাই কবৰ দিব নোৱাৰে তাৰ বাবে তুমি সাৱধান হ'বানে? [অৰুণাহঁতৰ ঘৰৰ বাৰান্দা (সময় আবেলি) পৃ.৬২]

নাটকখনত অৰুণাই কমলক প্ৰেক্ষাপটলৈ উলিয়াই আনি ৰহস্যজনকভাৱে এক দীঘলীয়া সময়ৰ বাবে অন্তৰ্হিত হৈ ৰৈছে। নাট্যকাৰেও বোধকৰো অৰুণাৰ অনুপস্থিতি অনুভৱ কৰিব পাৰিছিল। সেয়ে 'গুৱাহাটী ৰেলৱে ষ্টেচন (সময় গধূলি)' শীৰ্ষক দৃশ্যটোৰ অৱতাৰণা কৰি কমলৰ সৈতে অৰুণাক আত্মপ্ৰকাশ কৰোৱাইছিল। কিন্তু সেইটো দৃশ্যই নাট্য কাহিনী আগবাঢ়ি যোৱাত সহায় কৰা নাই।

নাটকখন কমল আৰু অৰুণাৰ মিলনৰে যৱনিকা পৰিছে। এই মিলনত কিন্তু কোনো নতুনত্ব নাই। দিনৰ শেষত ৰাতি হোৱাৰ দৰে এক সহজাত প্ৰক্ৰিয়াৰে সিহঁতৰ মিলন হৈছে। নাট্যকাৰে নিলীমা চৰিত্ৰটোক অৰুণাৰ প্ৰতিদ্বন্দ্বী চৰিত্ৰ হিচাপে অঙ্কণ কৰিব খুজিছিল। বহুক্ষেত্ৰত তেওঁ সফলতাও লাভ কৰিছিল। নাটকখনৰ সামৰণিত যদি কমলে অৰুণাৰ ওচৰলৈ ঘূৰি নাহি নিলীমাক পত্নী হিচাপে গ্ৰহণ কৰিলহেঁতেন তেন্তে নিলীমা এটা সফল প্ৰতিদ্বন্দ্বী চৰিত্ৰৰূপে বিবেচিত হ'লহেঁতেন আৰু অৰুণাও কিছু পৰিমাণে ট্ৰেজিক হ'লহেঁতেন। তেতিয়া স্বাভাৱিকতে নাটকখনৰ চৰিত্ৰবোৰ আৰু অধিক আকৰ্ষণীয় হ'লহেঁতেন।

নাটখনৰ কমল আৰু অৰুণাৰ বাদে বাকী চৰিত্ৰবোৰ গৌণ। নাটকীয় কাহিনীৰ বিকাশৰ সলনি এই চৰিত্ৰবোৰে কমলৰ চৰিত্ৰ বিকাশতহে ভূমিকা পালন কৰিছে। সেইবোৰৰ ভিতৰত কমলৰ দেউতাক গুণাৰাম, গঞা নিধিৰাম, চৰকাৰী টেকেলা সৎৰাম, কমলৰ দদায়েক মিনাৰাম, মুহিতা, ৰায়বাহাদুৰ দাস, প্ৰিয়লতা, প্ৰদ্যুৎ, কৃষ্ণধন বৰুৱা, নৰহৰি শইকীয়া, নিলীমা আদি।

নাটকখনৰ চতুৰ্থ দৃশ্যত কমলৰ দদায়েক মিনাৰামে আত্মপ্ৰকাশ কৰিছে। দেউতাকৰ মৃত্যুৰ পিছত দিকবিদিক হেৰুৱাই কমল সহায় বিচাৰি বৰদেউতাকৰ ঘৰলৈ গৈছে। কিন্তু বৰদেউতাক মিনাৰামে তেনে দুৰ্য্যোগৰ সময়ত সহায় কৰাটো দূৰৰে কথা, মৰমৰ মাত এষাৰো নিদি ঘৰৰ পৰা পুতেক কিনাৰামৰ হতুৱাই খেদি পঠিয়াইছে।

একেদৰে ৰায়চাহাবৰ ঘৰত আশ্ৰয় লোৱাৰ পিছত ৰায়চাহাবৰ পুত্ৰ প্ৰদ্যুতে কমলক বেয়া ব্যৱহাৰ কৰাৰ একো সন্তোষজনক ব্যাখ্যা নাটকখনত পোৱা নাযায়। নাট্যকাৰে কমল চৰিত্ৰটোক প্ৰতি ক্ষণতে চকুৰ আগত লৈ এটা আদৰ্শ চৰিত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ কৰা যত্নৰ বাবেই নাটকখনত চৰিত্ৰৰ বিকাশ সমহাৰত নহ'ল বুলি মত দিব পাৰি।

নাটক এখনত সংলাপৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কাৰণ নাটকৰ সংলাপেই বৰ্ণনাৰ একমাত্ৰ মাধ্যম। সংলাপৰ মুখ্য কাম দুটা - ঘটনাৰ বৰ্ণনা আৰু চৰিত্ৰৰ ব্যঞ্জনা। নাট্যকাৰ পৰাগধৰ চলিহাৰ ***সিপাৰে*** নামৰ নাটকখনৰ সংলাপত চৰিত্ৰৰ ব্যঞ্জনাতকৈ ঘটনাৰ বৰ্ণনা থকা সংলাপৰ প্ৰাধান্য লক্ষ্য কৰা যায়। *সিপাৰে* নাটকখনত চলিহাই চৰিত্ৰসমূহৰ মুখত দিয়া সংলাপ স্বাভাৱিক হৈছে। উদাহৰণ স্বৰূপে গাঁৱৰ চৰিত্ৰৰ মুখত গাঁৱলীয়া ভাষা—

মিনাৰাম ঃ- এই জহনীত জাতি তোক মনে মনে থাকিবলৈ কৈছো। ঐ নিধিৰ পুতেক, ভালৰে কৈছো। তই মোৰ ঘৰৰ পৰা বাজ হ। [কলিকতাৰ অল ইণ্ডিয়া ৰেডিওৰ এটা কোঠা, সিপাৰে, পৃ.৭]

কলিকতাৰ অল ইণ্ডিয়া ৰেডিওৰ মেনেজাৰৰ মুখত

বাংলা ভাষা—

মেনেজাৰ ঃ- আচ্ছা এখন news relay শেষ হয়ে গেল, তাৰ পৰ এখন হলো অসমীয়া প্ৰগ্ৰাম শ্ৰীযুত কমল কাকতিৰ গান। মহাপুৰুষ শঙ্কৰদেৱ ৰচিত এক বৰগীত। [কলিকতাৰ অল ইণ্ডিয়া ৰেডিওৰ এটা কোঠা, <u>সিপাৰে,</u> পৃ.৩৩]

এনেধৰণৰ সংলাপে নাটকীয় পৰিৱেশ সৃষ্টি কৰাত সহায় কৰে। নাট্য সমালোচকসকলৰ মতে নাটকৰ সংলাপৰ ভাষা হ'ব লাগে চৰিত্ৰব্যঞ্জক। এনে সংলাপে চৰিত্ৰবোৰক দৰ্শক-শ্ৰোতাৰ হৃদয়ঙ্গম হোৱাত সহায় কৰে। কিন্তু পৰাগধৰ চলিহাৰ নাটকৰ সংলাপৰ ভাষা চৰিত্ৰব্যঞ্জক হোৱাৰ সলনি বৰ্ণনাধৰ্মী হৈ পৰিছে। কাৰণ ***সিপাৰে*** নামৰ নাটকখন এখন উদ্দেশ্যধৰ্মী নাটক। নাটক যেতিয়া উদ্দেশ্যধৰ্মী হয়, স্বাভাৱিকতে তাৰ সংলাপ বৰ্ণনাধৰ্মী হৈ পৰে।

**কমল** ঃ- দেশৰ দুটা কথা জানিবলৈ ৰূপ দুটকা, খৰচ কৰিবলৈ আপোনাৰ শক্তি নোলাবনে? মাটিৰ তলত ৰূপবোৰ কালৈ সাঁচিছে। নিজৰ ভাই-ককাইৰ বাবে সেইবোৰ নাভাঙে কিয়? আজি বিহনে কাইলৈ চকু দুটা মুদিলে সেইবোৰ কলৈ যাব? হেজাৰটকীয়া চিকাৰূপ তাতে জাহ নেযাবনে? (সকলো নিমাত)

'ৰাইজ, আপোনালোকে বেয়া নাপাব। আমাৰ এই দুৰৱস্থাৰ গুৰিত আমি নিজেই। আমি ভালক ভাল বুলি চিনি লব নোৱাৰো আৰু চিনি পালেও তাক মানি ল'ব নোখোজো। যেতিয়ালৈকে আমাৰ এই ভাব নুগুচিব তেতিয়ালৈকে আমাৰ নিস্তাৰ নাই। ভেকুলীৰ দৰে নাদৰ ভিতৰতে গেলিব লাগিব। কিন্তু আমিও মানুহ। ভেকুলী নহয়। মানুহ হৈ মানুহৰ দৰে জীৱন-যাপন কৰিব লাগিব। ভেকুলীৰ দৰে নহয়। (গেন্ধাই গাঁওবুঢ়াৰ বহাৰ আগচৰা, <u>সিপাৰে,</u> পৃ.৩৮)

নাটকখনৰ কোনো কোনো দৃশ্যত চৰিত্ৰ আৰু সংলাপৰ সমতা ৰক্ষা হোৱা নাই যেন লাগে। 'নিলীৰ পঢ়াকোঠা (সময় পুৱা)' শীৰ্ষক দৃশ্যত কমলে আধুনিক নাৰী সম্পৰ্কে মন্তব্য দিছে -

'সঁচা কথা ক'বলৈ গ'লে আধুনিক নাৰী সমাজত, বিশেষকৈ তোমালোকৰ নিচিনা চেঙেলীয়া বয়সৰ ছোৱালীবোৰৰ বাবেই সমাজত বিশৃংখলতাই গা কৰি উঠিছে। তোমাৰ বয়সীয়া আধুনিকা ছোৱালীবিলাকৰ স্ত্ৰীসুলভ গহীনালি [যথা], গাম্ভীৰ্য্য আদি গুণবোৰ আজিকালি ফুটি ওলাইনে?

এই সংলাপ ভৰ যৌৱনৰ কমলৰ মুখতকৈ নৰহৰি শইকীয়া, কৃষ্ণধন বৰুৱা অথবা ৰায়বাহাদুৰ শইকীয়াৰ মুখতহে ৰজিতা খালেহেঁতেন। নাট্যকাৰ চলিহাই স্বকীয় দৰ্শন কমলৰ যোগে প্ৰতিফলিত কৰিবলৈ যোৱাৰ বাবেই এনে হৈছে যেন লাগে।

নাটকখনৰ **১ম** দৃশ্যত কমলৰ লগৰী গুণাৰামে কমলৰ দেউতাকক 'ককা' বুলি মতাটো সমীচীন হোৱা নাই যেন অনুভৱ হয় -

**গুণাৰাম** ঃ- ককাৰনো আক' আজি কিখন হ'ল, মিছা মিছি এই আবতৰীয়া কথাবোৰ কৈ আমাৰ মনতনো দুখখন দিয়ে কেলেই। [দিহিঙৰ এপাৰে (সাজৰ সময়ত)]পৃ.৩

একেদৰে অৰুণাই কমলক লগ পোৱাৰ পৰা নাটকখনৰ সামৰণিলৈকে 'কমল' বুলি নাম কাঢ়ি মাতিছে। কিন্তু 'গুৱাহাটীৰ ৰেলৰে ষ্টেচন (সময় গধূলি)' শিৰোনামৰ দৃশ্যটোত অৰুণাই কমলক 'কমল দাদা' বুলি সম্বোধন কৰিছে। একেটা দৃশ্যতে কমলে অৰুণাক কৈছে -

**কমল** ঃ- ইস ৰাম। আহা (খোজ কাঢ়ে)। পোনে পোনে যোৰহাটলৈকে যোৱা হওক নহয় জানো? মই চুপাৰিণটেণ্ডণক কৈ সকলো ঠিক কৰি ৰাখিছোঁ নহয়।

এই সংলাপৰ দ্বাৰা নাট্যকাৰে কি বুজাবলৈ বিচাৰিছে সেই কথা স্পষ্ট হোৱা নাই। চুপাৰিণটেণ্ডণক তেওঁ কি ঠিক কৰি থ'বলৈ কৈছে, অৰুণা গুৱাহাটীলৈ কিয় গৈছে ইত্যাদিৰ একো আভাস নাটকখনত নাই। এইবোৰে নাটকখনৰ গুণগত মানদণ্ড নিম্নগামী কৰিছে যেন ভাব হয়।

নাটকখনৰ প্ৰথম অঙ্ক 'দিহিঙৰ এপাৰে, সাজঁৰ সময়ত' কমলে লগৰীয়া গুণাৰামক কৈছে -

**কমল** ঃ- এইবোৰ কথা কৈ মোৰ দুখ বঢ়াৰ কেলেই গুণাই। চাচোন তই কিমান সুখী আৰু মই তোৰ কিমান বিপৰীত। এতিয়া তই ঘৰলৈ উভতিছ। বউটিয়ে চাগৈ তোলৈকে কত আশা পালি ৰৈ আছে? তোৰ কি নাই? ভাত দিয়াই ভাত দিবহি, চাহপানী দিয়াই চাহপানী দিবহি আৰু মোৰ? আগত বছেৰেকীয়া পৰীক্ষাটো। তথাপিও মন দি পঢ়া-শুনা কৰিবলৈ উচিত সময়টো পাম জানো? তয়ে কছোন বাৰু। ভাতকে ৰান্ধিম পানীকে আনিম নে কিতাপকে পঢ়িম? (পৃ.২)

এই সংলাপৰ যোগে কমলে ঘৰুৱা সকলো কাম কৰাৰ লগতে ভাতো যে ৰান্ধিব লাগে সেই কথা পৰিষ্কাৰ হৈ পৰিছে। কিন্তু নাটকখনৰ পাছৰটো দৃশ্য 'নিধিৰামৰ পঁজা, গধূলি

সময়'ত দেউতাক নিধিৰামে কমলক কৈছে -

**নিধি** ঃ- (হুমুনিয়াহ পেলাই) কিনো গা বেয়া বোপাই। মোৰ আজি ভাতকিটা ৰান্ধিবলৈকে শকতি নোহোৱা হৈছে। (পৃ.৩)

এই সংলাপৰ যোগেদি কমলৰ দেউতাকেহে ভাত ৰন্ধাতো প্ৰতীয়মান হৈছে। একেদৰে 'ডিবৰুৰ সদৰ আলি' শিৰোনামৰ দৃশ্যত দুজন বজৰুৱা ডেকাৰ সংলাপত মেট্ৰিক পৰীক্ষা দিবলৈ যোৱা কমলৰ প্ৰতি কটাক্ষ কৰিছে -

**এজন**ঃ- উঃ হেৰ' সেইটোলৈ চা। চুৱাখোৱা চাকৰ হৈ মেট্ৰিক পৰীক্ষাত বহিবলৈ গৈছে চা।

**ইজনে** ঃ- মাৰ অ' সেইটোক থলামূৰি দুপাতমান।

এই সংলাপ সংগতিবিহীন সংলাপ হিচাপেহে পৰিগণিত হৈছে। ইয়াৰ যোগে দৰ্শকে বুজি পাব যে মেট্ৰিক পৰীক্ষাত সেই সময়ত অকল সম্ভ্ৰান্ত শ্ৰেণীৰ লোকহে অৱতীৰ্ণ হ'ব পাৰিছিল। কিন্তু বাস্তৱিকতে তেনে ঠেকগণ্ডীৰ চিন্তা অসমৰ ক'তো আজিলৈকে উদয় হোৱা নাই।

'নৰহৰি শইকীয়াৰ ড্ৰয়িং ৰুম' শীৰ্ষক দৃশ্যত শইকীয়াই জীয়াৰী নিলীক কমলৰ লগত কথা পাতিবলৈ মাতিছে। নিলীয়ে 'চানুহঁতৰ ঘৰলৈ যাওঁ' বুলি গুচি গৈছে (পৃ.৫০)। খন্তেক পিছতে কিন্তু নিলীয়ে ঘৰৰ ভিতৰত কমলৰ গীতৰ ৰেকৰ্ড এখন গ্ৰামফোনত বজাইছে (পৃ.৫১)। মুঠৰ ওপৰত নাটকখনৰ সংলাপে নাটকীয়ত্ব দাবী কৰিব পাৰিব বুলি মনে নধৰে। নাট্যকাৰৰ দৃষ্টি অকল কমলৰ ওপৰত থকাৰ বাবে ঘটনা, সংলাপ আদিত এনে দুই-এটা বিসংগতি লক্ষ্য দেখা যায়। কিন্তু কমলৰ নিভাঁজ দেশপ্ৰেমে নাটকখনৰ মানদণ্ড যথেষ্টখিনি উন্নত কৰিছে।

এই নাটখন মুঠ বত্ৰিছটা দৃশ্যত সম্পন্ন হৈছে। পোনতে চকুত পৰা এটা বৈশিষ্ট্য হ'ল ইয়াত অন্য নাটৰ দৰে অঙ্ক বিভাজন নাই। নাট্য ঘটনা সম্পন্ন হোৱা স্থানৰ উল্লেখেৰে দৃশ্য সমূহৰ নামকৰণ কৰা হৈছে। এনেধৰণৰ অঙ্ক বিভাজন কৰা প্ৰথম অসমীয়া নাটকখন হৈছে ১৯৪৮ চনত নগাঁও নাট্য সমাজৰ দ্বাৰা প্ৰকাশিত ***পিয়লি ফুকন***। এই নাট ৭টা দৃশ্যত অঙ্কিত। অঙ্ক বিলাক সংখ্যাৰে চিনাকি নিদি অঙ্কৰ ঘটনাৰ পটভূমি অনুসৰি নাম দিয়া হ'ল - ৰজামৈদাম, অৰ্জুনগুৰিৰ মেলা, সন্ধান, তামুলি চৰা, খাৰঘৰ, বিচাৰ আৰু ফাঁচী। চলিহাই ***সিপাৰে*** নামৰ নাটকত অঙ্ক বিভাজন কৰোঁতে এই নাটকৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল বুলি ভবাৰ থল আছে, যিহেতু দুয়োখন নাটৰ ৰচনা কাল প্ৰায় সমসাময়িক।

অৱশ্যে প্ৰত্যেকটো দৃশ্যই নাট্যকাহিনী আগবঢ়াই নিয়াত সহায় কৰিছে বুলি ক'ব নোৱাৰি। "যিহেতু নাটক হৈছে সংক্ষিপ্ততাৰ মাজেদি প্ৰকাশ পোৱা সাহিত্য। সেই কাৰণে নাটকৰ ক্ষেত্ৰত বাহুল্যতা কাহানিও সহ্য কৰা নাই। সৰহীয়া অঙ্কই কেৱল নাটকৰ সফলতাৰ নিদৰ্শন নহয়।"

'এখন কেন্টিনত (সময় গধূলি)' শীৰ্ষক দৃশ্যটোত কমল কলেজৰ কেন্টিনত সোমাল বুলিয়েই দুজনমান লোকে কেন্টিনৰ মেনেজাৰৰ লগত তৰ্কত লিপ্ত হৈছে -

**এজন** ঃ গ্ৰাহকক সোধপোছ কৰিব নেলাগে নেকি?

**মেনেজাৰ** ঃ কিয়, আপোনালোকে পোৱা নাই জানো?

**আন এজন** ঃ পালোঁ, কিয় হল তথাপিও আপুনি আমাৰ ওচৰত থাকিব লাগিব।

**মেনেজাৰ** ঃ কিয়, মোৰতো আন গ্ৰাহকও আছে।

**এজন** ঃ আৰু আমি গ্ৰাহকেই নহয়?

**বিমলা** ঃ (উঠি আহি) ৰবচোন, আপোনালোকে এইবোৰ কি আছে?

**এজন** ঃ তোমাৰ আকৌ হল কি? ভালে ভালে নিজৰ ঠাইত বহি থাকা।

**কমল** ঃ ৰবচোন আপোনালোকে কিয় এনেখন কৰিছে?

**আন এজন** ঃ চুপ ৰহো। কৰ চাকৰ পোৱালি এটা আহি আমাৰ লগতে এক হবলৈ বিচাৰিছে চা। এই মেনেজাৰ warn মই কৰি দিছো পুনৰ যদি ইয়াক আপোনাৰ ইয়াত দেখোঁ তেতিয়া আপোনাৰ বেয়া হব একা।

এই দৃশ্যটোৰ পৰিবেশ অসমৰ কোনো কলেজৰে কেন্টিনত পাবলৈ নাই। কমল চাকৰ বুলি তৰ্ক কৰা দুজনে কেনেকৈ গম পালে সেই বিষয়ে নাটকখনত কোনো উল্লেখ নাই। কমল হ'ল কলিতা মানুহ - কমল কাকতি (পৃ.১০)। উচ্চ বংশৰ (পৃ.৫১) ল'ৰা যদিও অৰ্থনৈতিক দৰিদ্ৰতাৰ বাবেহে সি পৰৰ ঘৰত চাকৰ খাটিবলগীয়া হৈছে। কেনেবাকৈ সেই দুজনে গম পালেও চাকৰ ল'ৰাই কেন্টিনত চাহ-তামোল খোৱাত হাত ধৰাৰ দৰে জাতিভেদ প্ৰথাৰ প্ৰচলন অসমত অন্ততঃ এতিয়ালৈকে হোৱা নাই।

এনে দুই-এটা দৃশ্য নাটকখনৰ পৰা বাদ দিয়া হ'লে নাটকখনৰ কাহিনী গ্ৰন্থন কৌশল বেছি দৃঢ় হ'লহেঁতেন বুলি ক'ব পাৰি। উদাহৰণস্বৰূপে 'ডিবৰুৰ ব্যায়ামগাৰ (সময় আবেলি)' নামৰ দৃশ্যটোৰে নাটকখনৰ কাহিনী বিকাশত কোনো অৰিহণা

যোগাব পৰা নাই। মাত্ৰ কৃষ্ণধন বৰুৱাৰ আদৰ্শগত ভাষণৰ বাবেহে সংযোগ কৰা হৈছে। এইটো দৃশ্যত এজন শিক্ষক, কেইজনমান ছাত্ৰ আৰু কৃষ্ণধন বৰুৱাৰ কথোপকথন আছে।

বৰুৱাই ছাত্ৰসকলক ব্যায়াম চৰ্চা কৰিবলৈ উপদেশ দিছে। নাটকখনৰ কাহিনীৰ লগত এই ব্যায়াম চৰ্চাৰ কিন্তু কোনো যোগসূত্ৰ বিচাৰি পাবলৈ নাই। একেদৰে 'ডিবৰুৰ সদৰ আলি', 'এখন কেন্টিনত (সময় গধূলি)', 'গুৱাহাটীৰ ৰেলৱে ষ্টেচন (সময় গধূলি)' আদি দৃশ্যৰ সংযোজনে নাটকীয় সৌন্দৰ্য্য হ্ৰাসহে কৰিছে; নাটকীয় গতিত অথবা চৰিত্ৰায়ণত কোনো অৰিহণা যোগাব পৰা নাই।

নাটখনত অসমীয়া সমাজৰ এখন ছবিৰ আভাস ফুটি উঠিছে। তেতিয়াৰ গাঁৱৰ মানুহৰ জীৱন-ধাৰণ, আচাৰ-ব্যৱহাৰ, কথা-বাৰ্তাৰ ধৰণ আৰু সংস্কাৰ-বিশ্বাস এইবোৰৰ মাজেৰে চৰিত্ৰবোৰ ফুটি উঠিছে। নাটখনৰ উজনিৰ ৰহদৈ পথাৰৰ এটা চুক (সময় দুপৰীয়া) শীৰ্ষক দৃশ্যাংশত থকা বৰ্ণনাই পৰিবেশ চিত্ৰণৰ ওপৰত যে নাট্যকাৰ চলিহা সচেতন আছিল, সেই বিষয়ে অৱগত হ'ব পাৰি। যথা-

"(গৰু ম'হ চৰোৱা গাঁৱলীয়া ডেকাহঁতে গছৰ তলত বহি ৰবাব টেঙা খাইছে, গৰু-ম'হবোৰ ওচৰতে চৰি আছে। ঢোল, পেঁপা, তাল ডেকাহঁতৰ হাতত)

১ম ডেকা - হেৰৌ নদাই, এই যাচোন যা। মোৰ ৰাঙলীজনীক তহঁতৰ দমৰাটোৱে খেদি নিছে। যাচোন যা, নহ'লে সেইহাল ক'ৰবাত লাগি ধৰিবগৈ হেৰ?

২য় ডেকা - এ, ৰ'।

১ম ডেকা - হেৰ ৰবলৈ কিটো আছে। গৰুহাল এতিয়া তোলৈ ৰৈ থাকিবনে?

২য় ডেকা - (ভেকাহি মাৰি) এই আপদমখাৰ পৰা এখন্তেক জিৰাবৰো উপায় নাই। (যায়গৈ)

৩য় ডেকা - হেৰ ধৰ এতিয়া বিহু এখুন্দাকে মাৰো। আমাৰ গোলাপীহঁতো জাকৈ বাবলৈ আহিবৰ হৈছে।

৪ৰ্থ ডেকা - নহয়নো কি আকৌ। (সকলোৱে বিহু মাৰিবলৈ সাজু হয়, এজনে যোজনা দিবলৈ ধৰে। ইয়াৰ পিছত বিহু ভালদৰে পকি উঠে।"

**'আপোনালোকে ভাৰতৰ কিবা উন্নতি বিচাৰিলে এই সাত লাখ গাঁৱক পোনতে ধৰিবনে এই আঙুলিৰ মূৰত লেখিব পৰা নগৰবিলাকক ধৰিব? যুগাৰতাৰ গান্ধীয়ে দিনে নিশাই কি ৰিঙিয়াই আছে?'**

দ্বিতীয় দৃশ্যত নিধিৰামৰ পঁজা (গধূলি সময়)ত দিয়া নাট্য নিৰ্দেশনাই গাঁৱৰ দুখীয়া পৰিয়ালৰ প্ৰতিফলন ঘটাব পাৰিছে—

(চাকি এটা জ্বলাই পিৰা এখনৰ ওপৰত কিতাপ থৈ কমলে মন দি পঢ়িছে। ওচৰতে শোৱা বিচনা চেদেলি ভেদেলিকৈ লেংকানি, ফটাকানিবোৰ পৰি আছে। (পৃ.৩)

যন্ত্ৰযুগৰ প্ৰসাৰতাই চৌদিশে খলকনি তুলিছে যদিও অসমৰ গাঁও কিছুমানত এনে দৃশ্য এতিয়াও সুলভ। আনহাতে ডিবৰুৰ ইষ্টৰে পাৰ্ক (আবেলি)ত জীৱন, পৰিমল, হবিব, জীতেন, বীৰেনহঁতৰ চুৰট-ধপাত সেৱনৰ যোগে যুৱ মানসিকতাৰ অৱক্ষয় হোৱা ৰূপটো দেখুওৱাত নাট্যকাৰ সফল হৈছে। তথাপিও নাট্যকাৰে দুই-এঠাইত উজুতি খাবলগীয়া হৈছে। পৰিয়ালৰ ককাই-ভাইৰ মাজত কাজিয়া লাগিলে বিবাহ অথবা আদ্যশ্ৰাদ্ধ আদিত মিলামিচা হোৱাতো অসমীয়া সমাজৰ এটা নীতি আছিল। চলিহাই নাটকখন লিখাৰ সময়ত এই পৰম্পৰা বেছি গাঢ়হে আছিল। কাৰণ যান্ত্ৰিকতাই অসমীয়া মানুহক বেছিকৈ স্পৰ্শ কৰিব পৰা নাছিল। নাট্যকাৰে কিন্তু কমলৰ দেউতাকৰ মৃত্যুত দদায়েক নিধিৰামক কমলৰ ঘৰলৈ নিয়াৰ পৰা বিৰত আছে আৰু সহায় বিচাৰি যোৱা কমলক ঘৰৰ পৰা খেদি পঠিয়াইছে। একেদৰে তিলনীৰ দিনা পিণ্ড দিয়াটো গাঁওবাসীয়ে কমলক সহায় নকৰাৰ বাবে সি নদীৰ পাৰত অকলশৰে বহি আছেগৈ। অৰ্থাভাৱত এনেদৰে বহি থাকিবলগীয়া হোৱা পৰিস্থিতি অসমত গাঁওবাসীয়ে এতিয়াও হ'বলৈ দিয়া নাই। নাট্যকাৰে কমলৰ আদৰ্শ বিকশিত কৰাত চকু দিয়াৰ বাবে এনে পৰিৱেশত চিত্ৰিত হ'ল বুলি ভবাৰ অৱকাশ আছে।

নাটখনৰ সামৰণিৰ ফালে দাসৰ ঘৰৰ আগচ'ৰা (সময় পুৱা) শীৰ্ষক দৃশ্যত ৰায়চাহেবে তথাকথিত জাত-কুলৰ বিৰোধিতা কৰা মানসিকতা ফুটি উঠিছে-

জাত-কুলৰ কথা মোক নক'ব আৰু বুইছেনে? তাৰ

কথা ভাবিলে মোৰ হিন্দু জাতিটোৰ প্ৰতি ঘৃণা ওপজে। কওকচোন আমিও মানুহে তেওঁ। কিন্তু সমাজত আমাৰ স্থান ক'ত? এটাইয়ে লেই লেই ছেই ছেই নকৰেনে? সেইহে বোলে আমাৰ যত ল'ৰা-ছোৱালী আছে, সকলো ফিটাহি মৰা। ... ভাৰতৰ উন্নতি হ'ব দুটা বস্তুৰে - সেয়ে হ'ল ৰুটি আৰু ভেটি। মই হ'লে সেইবোৰৰ চেষ্টাতহে আছো। (পৃ.৫৯)

সৰ্বমুঠ পঞ্চাশৰো অধিক চৰিত্ৰ থকা এই নাটকখনত বিংশ শতিকাৰ চল্লিশ দশকমানৰ দুই-এটা সঁচা ঘটনা নাইবা সঁচা চৰিত্ৰইও যেন আলম হিচাপে ঠাই পাইছে এনে লাগে। সমাজত ৰায়বাহাদুৰ, ৰায়চাহাব আদিৰ প্ৰভাৱ, চাহ বাগিছাৰ মালিকৰ ধনৰ গৌৰৱ, গাঁৱৰ সমাজৰ অন্ধবিশ্বাস, নিৰক্ষৰতা, কুসংস্কাৰ আদিৰ প্ৰাদুৰ্ভাৱ, তদুপৰি মহাত্মা গান্ধীৰ অভ্যুদয় আৰু দেশৰ মুক্তি আন্দোলনত তেওঁৰ কাৰ্য্যসূচীৰ প্ৰচাৰ—এইবোৰৰ পটভূমিত কাহিনীক তুলি ধৰালৈ চাই নাটকৰ উপজীব্যৰ সমকালিন প্ৰাসংগিকতা কিছু হ্ৰাস পাইছিল বুলি ক'ব পাৰি।

নাটকত গীতৰ এক বিশেষ ভূমিকা আছে। গীতে নাটকত পৰিবেশ-পৰিস্থিতি চিত্ৰণত বিশেষ সহায়তা কৰাৰ লগতে চৰিত্ৰৰ ভাবানুভূতি প্ৰকাশতো ভূমিকা গ্ৰহণ কৰে। নাটকখনত থকা মুঠ পাঁচটা গীতেই সম্পাদক ত্ৰৈলোক্য শৰ্মাই ***বনপোনাৰ মনগীত*** নামৰ চলিহাৰ গীতৰ পুথিৰ পৰা তুলি দিছে। পাঁচোটি গীতেই নাটকীয় ঘটনা আগবঢ়াই নিয়াত সহায় কৰা নাই যদিও দুটামান গীতে অন্ততঃ চৰিত্ৰৰ মনোজগতৰ ভাব প্ৰকাশ কৰাত সহায় কৰিছে। উদাহৰণস্বৰূপে নাটকখনৰ আৰম্ভণিৰ দৃশ্যত থকা কমলৰ মুখত দিয়া - 'কাকনো বিলাম দুখৰে কাহিনী কোনেনো শুনিব শোকৰে গান।' কোন বিৰহীয়ে চকুলো টুকিব উতলি উঠিব কাৰ পৰাণ।' - এই গীতটোৱে কমলৰ অন্তৰত নিহিত হৈ থকা দুখৰ বতৰা অতি সুন্দৰভাৱে দিব পাৰিছে। একেদৰে 'ৰায়চাহেবৰ ড্ৰয়িং ৰুম' শীৰ্ষক দৃশ্যত অৰুৱে গোৱা গীতৰ যোগে কমলৰ ভাগ্য পৰিবৰ্তনৰ এটা আভাস পাব পাৰি।

চলিহাৰ ***সিপাৰে*** নামৰ এই নাটকখনৰ ভাষা, কাহিনী বিন্যাস আদিলৈ মন কৰিলে নাটখন যে চলিহাৰ পৈণত বয়সৰ ৰচনা নহয় সেই কথা স্পষ্ট হয়। নাটখনৰ ৰচনাকাল সম্পৰ্কে কোনো লিখিত তথ্য পোৱা নাযায়। ত্ৰৈলোক্য শৰ্মাই সম্পাদনা কৰা ***অজানৰ অমিয়া বাট*** শিৰোনামৰ সংকলনটোতো এই বিষয়ে একো তথ্য পোৱা নাযায়। কটন কলেজত পঢ়ি থকা সময়ত নাইবা তাৰ ঠিক পাছতে এইখন ৰচনা কৰা হ'ব লাগিব। কলেজ হোষ্টেলৰ প্ৰথম অভিজ্ঞতা সন্নিবিষ্ট কৰালৈ চাই সেই কথা ক'ব পাৰি। নাটখনৰ 'কলাগুৰিৰ হামদৈ পথাৰৰ এটা চুক (সময় পুৱা)' শীৰ্ষক দৃশ্যত এঠাইত কমলৰ সংলাপত আছে—

'আপোনালোকে ভাৰতৰ কিবা উন্নতি বিচাৰিলে এই সাত লাখ গাঁৱক পোনতে ধৰিবনে এই আঙুলিৰ মূৰত লেখিব পৰা নগৰবিলাকক ধৰিব? যুগাৱতাৰ গান্ধীয়ে দিনে নিশাই কি ৰিঙিয়াই আছে?'

এই সংলাপৰ দ্বাৰা নাটখন যে 'যুগাৱতাৰ গান্ধী' জীয়াই থাকোঁতে ৰচনা কৰা সেই বিষয়ে অৱগত হ'ব পাৰি। আনহাতে ৰায়চাহেব মি. দাস আৰু অৰুণাৰ কথোপকথনত নাটখন মুছোলনীৰ উল্লেখে এই কথাৰ সত্যতা প্ৰতিপন্ন কৰে।

নাটখন সেই সময়ৰ সমাজৰ এক সাৰ্থক প্ৰতিনিধি। কিন্তু নাটকখনত সংঘাত আশাব্যঞ্জকভাৱে বিকশিত নহ'ল। নাটকীয় মূল্যমান নিৰ্দ্ধাৰণত নাটখনে যি ভূমিকাই গ্ৰহণ নকৰক লাগে স্বাধীনতাৰ সমসাময়িক কালৰ অসমীয়া মানুহৰ মানসিকতাক উদঙাই দেখুওৱাত কিন্তু এই নাটকে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সেইফালৰ পৰা এই নাটকৰ মূল্য যথেষ্ট বুলি স্বীকাৰ কৰিব লাগিব।

# ইতিহাসৰ পাতৰ পৰা কৈছো



**প্ৰেম গগৈ**
জয়সাগৰ, শিৱসাগৰ

মই ইতিহাসৰ পাতৰ পৰা কৈছো
প্ৰতিটো সত্য আৰু নিৰ্মম ঘটনাৰ কথা কৈছো
প্ৰতিজন পিতৃ আৰু প্ৰতিগৰাকী মাতৃৰ কথা কৈছো
তেওঁলোকৰ বুকুত আছিল
সেউজীয়া শব্দৰ গান আৰু কবিতা
তেওঁলোকে উচ্চাৰণ কৰা
প্ৰতিটো শব্দৰ মাজত আছিল
শইচৰ বাবে উৎসৰ্গা কৰা শ্ৰমৰ দিনলিপি।

পিঠি আৰু বুকুত নিদাৰুণ ক্ষতলৈও
জীয়াই আছিল তেওঁলোক
জীয়াই আছিল তেওঁলোকৰ আত্মীয় স্বজন
পৰিবাৰ সন্তান।

অৰণ্য, নদী আৰু সমুদ্ৰৰ সতে
তেওঁলোকৰ আত্মীয়তা আছিল
প্ৰজ্বলিত সূৰ্যক মূৰত লৈ
পথাৰবোৰ শস্যৱতী কৰিছিল
নিৰৱে সহ্য কৰিছিল আঘাটবোৰ
বুকুত লিখি লৈছিল কালজয়ী কবিতাবোৰ।

ইতিহাসৰ বাটে বাট বুলি
ভাগৰি পৰা নাছিল তেওঁলোক
স্মৰণ কৰিছিল পিতা প্ৰপিতামহৰ শৌৰ্য-বীৰ্য।
স্মৰণ কৰিছিল অৰণ্যবাসৰ দিনবোৰ।

সেই ইতিহাসৰ বুকুৰেদি খোজকাঢ়ি কাঢ়ি
ভাল পাবলৈ শিকিছিল মানুহক
পৰ্বত-পাহাৰ আৰু অৰণ্যক
শিকিছিল কেনেকৈ সমৃদ্ধ কৰিব পাৰি
বিশাল শইচৰ পথাৰ
শিকিছিল প্ৰৱাহমান নদীক
কেনেকৈ কৰিব পাৰি আপোনৰো আপোন।

অৰণ্য এৰি ইতিহাসৰ নতুন বাটেৰে
এদিন গুচি আহিছিল তেওঁলোক
য'ত আছিল ক্ষুধা মাথো ক্ষুধা
বহুবোৰ বিনিদ্ৰ ৰজনী পাৰ কৰিছিল
মানুহৰ বাবে পৃথিৱীৰ বাবে
এটা কবিতাৰ সন্ধানত।
কেতিয়াবা বিচলিত হৈও বুটলি আনিছিল
ইতিহাসৰ বুকুৰ পৰা সহস্ৰ সুন্দৰ কবিতা
যাৰ সাংগীতিক মূৰ্চনাত
জাগি উঠিছিল সোণ বৰণীয়া পথাৰবোৰ
সমৃদ্ধ হৈছিল প্ৰতিজনৰ বুকু।

ইতিহাসৰ বাটে বাটে খোজকাঢ়ি
আজিও আহি আছে তেওঁলোক
এখন মানুহৰ পৃথিৱীৰ সন্ধানত।
এটা যুগজয়ী, কালজয়ী কবিতাৰ সন্ধানত।

# শিক্ষক-শিক্ষয়িত্ৰীৰ শিতান


**(In respect to the Essay competition on Lachit Borphukan by Govt. of Assam)**

# Lachit Borphukon, the mightiest General of Medieval India

**Probin Sarmah**
Deptt. of History

Lachit Borphukon, the youngest son of Momai Tamuly Borbarua, who had known invigorous and indomitable determination and sense of responsibility during the period of Swargadeo Pratap Singha (1603-1641), proved himself to be the one of the greatest general blessed by Indian subcontinent. Many of the historians have lavishly bestowed of his patriotic feelings and his astounding capability on restoring the Ahom dynasty from the lands of Mughals and finally kept it in his own lands by defeating Mughal at the cricial battle known as the Battle of Saraighat.

The massive and well sounded battle swards the calibre of the Ahoms soldiers and Lachit Borphukon himself. But the circumtances were very responsible for the battle of Saraihat. As we know it since 1527, the Mughals contimed its aggression towards Assam and in 1661, they were able to occupy the Gorgaon, the Ahom capital under the leadership Mirjumla, the Mughal General sent by Emperor Aurangzeb. The humiliating treaty at 1663, known as the truely Ghidazani or Ghiladhari by which Ahoms lost many things and had to remain as tributary. After this humiliation treaty, Joydharaj Singh breathed his last and he was succeeded by consin supungmung known as Chakradhraj Singha.




The king was an independent mind like and ready to Ahom the yoke of the Mughal by any cost. Early in 1667, Sayed Firoz Khan succeeded Rashid Khan as Thanadar sent a strongly worded letter to Ahom king seeking the balance of Raymant of the Ghilazari Treaty. The Buranjis refers the total war indemnity was 1,12,000. But Chakradhraj refused to pay the money and instcad of it he says "Death is praferable to a life Subardination to foreigners. I have to surrender my independence for a suit of garments. My ancestors were never subservient to any other people and for myself cannot remain the vassalage of the Mughal" - (Life of

Aurangzeb J.N. Sankar). So, in order to occupy the lost, Lachit Borphukon the son of illutrated Momai Tamuly Borbarua with a well framed design, advanced toward Guwahati. War Preparation were made on land and water Joydhraj Singha and Chakradhraj Singha. At the Burha Gohain's suggestions they were enpedited. For tification were made along the Brahmaputra a strategic centre. The road upto Gargaon was duly guarded. A new road was built between Jhanji and Teliadonga. Bar Pukhuri near the month of the river Jhanji to transport an army to Guwahati. In the field of diplomacy, a secret alliances were made with rulers like Koches, Bihar, Jayantia, Darrang vassals, Cachar etc. Besides Lachit Borphukon other principal commanders on the two banks.

a) In the North were Guimela Barghain Phukon Dighingia Sandilar Phukon Kalanchu Sandikoi, Rajkowa. Lalanch's son Betmala, Haladhithenga Abhayapuria Rajkowa (son of Lanmakhru) and Pani Abhaypuria Rajkowa.

In the south were Kaliabaria Bahgaria Phukon, Charing Phukon Miri Sandikai Phukon and Dauki Bheba Phukon and Namdangiya Rajkhowa.

"Gauhati then on the north was defended on the two banks by fortifications on the north bank defended by Baduli Phukon now a Mughal protege at Shah Bunuj two Assamese fell fighting in a land encounter. Haladhia Chenga, Abhaypuriya Rajkhowa (son of Lanmakhru) and Kalanchu Sandikoi, Dikhowmukhia Rajkowa."(Freedom struggle in Medieval Assam, J.N. Sankar, P. 98)

The Ahom army advancing towards Guwahati the forts of Kajali, Sonapur Panikhati and Tatimara between the Kapili and Guwahati were captured after still fighting. "Hundreds of Assamese captives were released from there places" - (Ahom Buranji, S.K. Bhuyan).

"The main objectives of the Assamese force were to capture Itakhuli or the Sukreswar hill in Guwahati, Strategically located to command and the most invulnerable position on the river Brahmapurta The Mughals concentrated their men and provisions including big Cannons. The capture of the fort was a prestigious issue for the Assamese as well as a penetration into the enemy's straghold" militay aetimitics in medieval Assam (Dr. Bharat Kalita, Page 97.)

However the fort of Itakhuli was captured and in 4 November, several Mughal soldiers were captured including Syed Firoz Khan, the Fouzdar of Guwahati. Syed Sana were captured the enemy was chased down to the Mouth of Manaha and the old boundary between Ahoms and Mughals.

"Thus within two month time the Ahoms succeeded in recovering their lost possessions. A large number of countrymen who had been taken prisioner by Nowab Mirjumla were rescued by the Assamese soldiers." - (Assam Buranji, S.K. Bhuyan, Page 91-92.)

On receiving the happy tidings of victory king Chakradhraj Singha said "It is now that I can eat my morscl of food with pleasure." (Asssam Buranji, S.H. Bjuyan, Page 91-92). Occupaying Guwahati under their possession, the delpoyment force to secure maximum strategic and tactical advantage was organised as follows :

"Overall commander and C-in-C Lachit Borphukon with Headquater of Itakhuli.

**Sector and commanders - South Banks**

Rangali Buruj to Western steps of Kamakhya - Tarua, son of Dihingia Rajkhowa.

Duargonila : Latum Barua.

Parghopa to Dhenukhirua - Barukia Gohain. Gotanagar to Asurar Ali Hazarika Neog. Asurar Ali - Kaliabaria Phukon.

South of Asurar Ali - Marangikhowa Chetia.

Usha Haran Hill - Namdangia Rajkhowa Ubhata Shimalu Road - Chakrapani Rajkhowa.

**Sectors and Commanders - North Bank.**

Junia to Saraighat - Abhaipuria Rajkhowa.

In front of Sarai - Younger Abhaipuria Rajkhowa.

Kekuri to Lathia- Maharu Rajkhowa. At Lathia Hill - Bahgaria Burhagohain (Aton Buragohain)

Lathia to Chila - Miri Sandiquoi Phukon.

Sandurighopa to Kharagarua Ali - Tarua Rajkhowa.

Lathia to Chila Parbat - Gajpuria Rajkhowa.

**In the water in front of Aswakanta :**

Rangmahal to Kurua - Charingia Phukon.
At Chahburaj - Rub Sandiquai.
At Kurua - Barpatra Raidongia Phukon.

The loss of Guwahati under Ahoms reached to carry of Emperor Aurangzeb in 1667 and to wipe out disgrace appointed Raja Ram Singha, with a huge amount of army consisting of the cavalry naval and infantry including archers. Ram Singha in order to get ride of the black magic he brought the Sikh Guru with five Muslims peers to undo the effect of Kamrupi Black magic.

Both diplomatic negoitation were continued. Even after there were some pitched battles but nobody was seen as victorious. Whenever the system adoption Guwahati as a Tringle bas in Kamakhya. Itakhuli, Aswakanta, Lachit adopted a new strategy of luring the invades to surround by hills on all sides with forts and garrisons. He desided to battle from this defensive position. Accordingly he despatched three Rajkhowas to Manaha to lure the enemy into the neighbourhood of Guwahati. The detachment of the Rajkhowas sailed upto the river remaining within sight of Ram Singha army but outside the range of Mughal canons. They sailed back in advance of Ram Singha fleet, thus giving an impression of retreat, thereby after the Mughal army the pleasure of pursuing the retreating Ahom contiget." - (S.K. Bhuyan, Lachit Borphukon, Page -45).

Guwahati was encircled with readymade fort and ramparts where there were no national protection. A ramport was constructed in southern port and the liability of the work was under the maternal uncle who had somewhat extent neglected his duty. For neglecting his duty Lachit killed him with the famous quote. "Maternal uncle is not greater than my country". Ram Singha having found the impregnable fortification by the Ahoms, used some other tactics like luring the Assamese general etc. In the mean time the Ahom king became so desperate to the attact the Mughals at anywhere. Ram Singha also took position at Hajo under the desperate order from royal side, Assamese soldiers were attacted by the Mughal in Agiathuti where with cavalry force and 10,000 Assamese soldier laid their lives. Lachit Borphukon got rude shock by losing such a huge number of the soldiers. But the premier Aton Buragohain gave him counsel.

"Well General, such a reverse should never shake your confidence in our ultimate victory. Eventualities at this character are normal in a protected warfare whom you agitate the water of a pond for catching long fishes, the fish catches will be pierced by the throny scales at the smaller fishes, you should judge your success by the number of large cathes." Lachit Borphukon, (S.K. Bhuyan Page, 68-69.)

After this great debacle, king Chakradhraj Singha died and he was succeeded by Udoyadita Singha who was man of bold and determination. He ensured that the Alabai massacre's disgraec to be ouiped out and finally ordered Lachit to stern actions against them. Again Aurangzeb sent strong worded message to Ram Singha that he should immediately make attack. But there was reply from Ram Singha that "I have not refrained from fighting but it was proved as there are no fields, fighting by spears shields and guns in an impossible affair. The Assamese have erected an impenetrable wall of defence on both the banks. There is the possibility of our naval battle only." (Purani Asom Buranji, P.N. Gohain, Page 119.)

Whatever, it may be, Finding no other alternative, Ram Singha directly wanted to enter Assam through the Brahmaputra. At that time Lachit Borphukon was seriously ill. Without him, the Nara Hazarika maintained the Ahom soldiers. Lachit Borphukon ordered his bodyguard to carry him down the boat steps on his bed stead. "Accompanied by six other was vessels and signalling through fire, the Barphukon's battleship entered into thick of the river battle." (Lachit Borphukon, S.K. Bhuyan, Page 78-79.)

"A trrible contest ensured between the two armies. The whole Brahmaputra at the triangle Kamakhya Itakhuli and Aswakanta become littered with boats and men struggling to escape. The Ahoms erected an improgenable bridge across the Brahmaputra by placing one boat after another,

acrossing the whole breath of the river. The Mughals could not stand the dash and fury of the Assamese onslaught. The Assamese were fighting for their life and freedom and the Mughals for the mere luxury of a triumph and territorial expansion. Heavy casualities were suffered by the invaders. Those who survived were chased away 3 miles from the scenc. The Borphukon intended to chase them further by Royal astrologes who was in the war Boat with General dissuaded him from doing so. The combat came to an with a decisive victory for the Assamese." (Translated from Saraighatar Yuddha in Usha Vol. I, PP. 213-16, 235-9 by H.C. Goswami.)

This kind of battle Lachit not only showed great valour or patrotism, but proved himself as a great General of contemporary India.

This is the great heroric was which showed a great extent Lachit endeavour to save the motherland as well South-East Asian History as observed by S.K. Chatterjee. "Assamese kings stopped the Muslim flood from pertetreating into Burma and beyond. A land root for aggressive advance was denied to the Indian Muslims by the Ahoms of Assam. Otherwise, the history of Burma Siam and Indo-China might have been different."

**Again :**

"Saraighat left an undying legacy of unflinching, bravery and unalloyed patriotism of the Assamese. Lachit become the symbol of Assamese nationalism if we may tiseth at term in that age. Saraighat, again more than avenged Alaboi. A small state like Assam had humbled the mighty Mughal empire in its plamy days. Striking as it does the golden cards of memory in the hearts of the people, the battle of Saraighat holds a memorable place in Assamese history and Lgends. It was, a decisive battle in the history of Assam.

The victory conferred some tangible gains to the defenders. Not only was the Mughal offensive hurled back for good but the results of the sacrifices of the Assamese past and present, were also preserved the retantion of Guwahati and Kamrup, Darrong and Beltala were also recovered from the Mughals. True a stealthy effort was made ten years later to penetrate into the same area through the back door, but the flood tide of self-confidence and territorial patriotism, endengered at Saraighat was strong enough to sweep away everything that was anti-national. It Saraighat hurled the Mughal invaders in a defensive war Itakhuli completed it work, twelve years later in a alternative war 'Freedom struggle in Medieval Assam (J.N. Sarkar).

সৃষ্টিশীল অভিব্যক্তি আৰু জ্ঞানৰ মাজত আনন্দ জগাই তুলিব পৰাটো শিক্ষকৰ সৰ্বোত্তম কলা।

—এলবাৰ্ট আইনষ্টাইন

# 'মানৱ অধিকাৰ' সম্পৰ্কে সজাগতা আনয়নৰ বাবে শিক্ষা বিভাগৰ ছাত্ৰীসকলে চলোৱা এক জৰীপ

**গৌৰিকা ভট্টাচাৰ্য**
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

'মানৱ অধিকাৰ' বৰ্তমান সময়ৰ বহুচৰ্চিত বিষয়। কিয়নো বহু সময়ত মানুহ হিচাবে এজন ব্যক্তিয়ে যিখিনি স্বাধীনতা লাভ কৰিলে সন্মানজনক জীৱন যাপন কৰিব পাৰে সেয়া খৰ্ব হোৱাৰ অভিযোগ বৰ্তমান সময়ত সততে শুনিবলৈ পোৱা গৈছে।

'মানৱ অধিকাৰ' এই অধিকাৰৰ ধাৰণা অধিক জনপ্ৰিয় হৈছে দ্বিতীয় মহাযুদ্ধৰ পাছৰ পৰা। দ্বিতীয় বিশ্বযুদ্ধই মানৱ জাতিৰ অস্তিত্বৰ প্ৰতি অনা ভাবুকিয়ে সকলোকে ভীতিগ্ৰস্ত কৰি তুলিছিল। সমগ্ৰ বিশ্বতে শান্তি স্থাপন কৰাৰ উদ্দেশ্যে ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে 'মানৱ অধিকাৰ'ৰ সাৰ্বজনীন ঘোষণা পত্ৰ (Universal Declaration of Human Right) জাৰী কৰা হৈছিল। এই ঘোষণা ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ



**মানৱ অধিকাৰ** সম্পৰ্কে যদিও চিন্তাবিদসকলে পৃথক পৃথক মত দিছে। এইসমূহ কিন্তু বিপৰীতধৰ্মী নহয়। সকলোৱে এই অধিকাৰৰ প্ৰকৃতিসমূহ **একে ধৰণে বিচাৰ** কৰিছে। মানৱ অধিকাৰৰ অধিকাৰো **জন্মসূত্ৰে** লৈ আহে। অৰ্থাৎ এই অধিকাৰ দেশভেদে বেলেগ নহয়। এয়া এক প্ৰাকৃতিক অধিকাৰ। এই অধিকাৰ খৰ্ব হ'লে ব্যক্তিয়ে **আদালতৰ ওচৰ চাপিব** পাৰে। এই অধিকাৰ ৰাষ্ট্ৰসংঘৰ **আন্তৰ্জাতিক আইনৰ** দ্বাৰা সুৰক্ষিত।

দ্বাৰা কৰা হৈছিল।

মানৱ অধিকাৰ আৰু মৌলিক অধিকাৰৰ মাজত কিছু পৃথক আছে। মানৱ অধিকাৰ সৰ্বোচ্চ অধিকাৰ। এজন ব্যক্তিয়ে এজন মানুহ হিচাবে সন্মানজনক আৰু মৰ্যদাপূৰ্ণ জীৱন যাপন কৰিবলৈ যিখিনি প্ৰাথমিক অধিকাৰৰ প্ৰয়োজন, সেই অধিকাৰ খিনিয়েই মানৱ অধিকাৰ। বৰ্তমান সময়ত এই অধিকাৰৰ সুৰক্ষা প্ৰত্যেক দেশৰে আদালতত নিশ্চিত কৰা হৈছে। পৃথিৱীৰ প্ৰায় সকলো দেশতে দেশৰ নাগৰিক সকলক কিছুমান অধিকাৰ প্ৰদান কৰা হৈছে যিবিলাক মৌলিক অধিকাৰ হিচাপে জনা যায়। এই অধিকাৰসমূহৰ উপৰিও সমগ্ৰ মানৱ জাতিৰ অধিকাৰ সুৰক্ষিত ৰাখিবৰ বাবে ৰাষ্ট্ৰসংঘৰ The Human Right Councilএ দায়িত্ব গ্ৰহণ কৰে।

মৌলিক অধিকাৰ এখন দেশৰ নাগৰিকৰ বাবে নিৰ্দ্দিষ্ট, কিন্তু মানৱ অধিকাৰ এই পৃথিৱীৰ প্ৰতিজন ব্যক্তিক প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰক ব্যক্তিৰ প্ৰাকৃতিকভাৱে লাভ কৰা অধিকাৰ হিচাবে স্বীকৃতি দিছে। পৃথিৱীৰ যি স্থানতে নাথাকক কিয় সকলোৱে এই অধিকাৰ পাবলৈ সমৰ্থ হ'ব।

মানৱ অধিকাৰ সম্পৰ্কে যদিও চিন্তাবিদসকলে পৃথক পৃথক মত দিছে। এইসমূহ কিন্তু বিপৰীতধৰ্মী নহয়। সকলোৱে এই অধিকাৰৰ প্ৰকৃতিসমূহ একে ধৰণে বিচাৰ কৰিছে। মানৱ অধিকাৰৰ অধিকাৰো জন্মসূত্ৰে লৈ আহে। অৰ্থাৎ এই অধিকাৰ দেশভেদে বেলেগ নহয়। এয়া এক প্ৰাকৃতিক অধিকাৰ। এই অধিকাৰ খৰ্ব হ'লে ব্যক্তিয়ে আদালতৰ ওচৰ চাপিব পাৰে। এই অধিকাৰ ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক আইনৰ দ্বাৰা সুৰক্ষিত।

এইটো স্বীকাৰ কৰিব লাগিব যে বহু শিক্ষিত ব্যক্তিও এই অধিকাৰ সম্পৰ্কে সজাগ নহয়। সজাগতাৰ অভাৱত বহু মানুহে বিভিন্ন কাৰণত, বিভিন্ন ঠাইত নিজৰ মৰ্যাদা হেৰুৱাব লগা হৈছে। ফলত হতাশগ্ৰস্ততাৰ কবলত পৰিছে। অজ্ঞতাৰ বাবে মানৱ অধিকাৰ ভংগৰ ঘটনা প্ৰতিনিয়ত সংঘটিত হৈ আহিছে। এই ক্ষেত্ৰত সজাগতা অনাৰ বাবে 'মানৱ অধিকাৰ শিক্ষা' (Human Right Education) এক শক্তিশালী পদক্ষেপ বুলি ক'ব পাৰি। এই শিক্ষাই সমাজত ন্যায় আৰু মৰ্যদাৰ পৰিৱেশ সৃষ্টি কৰিব পাৰে। মানৱ অধিকাৰৰ প্ৰকৃত স্বৰূপ জানিব পাৰি মানৱ অধিকাৰ শিক্ষাৰ দ্বাৰা।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পচন্দভিত্তিক পাঠ্যক্ৰম (Choice base credit system) অনুসৰি দ্বিতীয় যান্মাসিকসহ সন্মান পাঠ্যক্ৰম আৰু পঞ্চম যান্মাসিক সন্মান পাঠ্যক্ৰম হিচাবে মানৱ অধিকাৰ শিক্ষাই সকলোৱে সন্মানজনক আৰু মৰ্যদাপূৰ্ণ জীৱন যাপনৰ অধিকাৰক সন্মান কৰিবলৈ শিকায়। লগতে নিজৰ মানৱ অধিকাৰ ভোগ কৰিবলৈ সহায় কৰে। এই জ্ঞানৰ দ্বাৰা যাতে আনকো সজাগ কৰি তুলিব পাৰে তাৰ উদ্দেশ্যে আমাৰ ছাত্ৰীসকলক এক জৰীপ কৰিবলৈ উৎসাহিত কৰিছিলো। মানৱ অধিকাৰৰ বিষয়ে বিশেষভাৱে জ্ঞাত নোহোৱা ব্যক্তিসকলৰ মাজত এই অধিকাৰ সম্পৰ্কে সজাগ কৰিব পৰাকৈ কিছুমান আঁচনি প্ৰস্তুত কৰি লোৱা হৈছিল। এই ক্ষেত্ৰসমূহৰ ব্যক্তিসকলৰ লগত আন্তঃক্ৰিয়া কৰোৱাটোৱেই আমাৰ মূল লক্ষ্য আছিল। আমাৰ বিভাগৰ সহকাৰী অধ্যাপক ড° ৰণ্টু গোহাঁই, শ্ৰীমতী বৰ্ণালী লহকৰ আৰু ৰাবুল হুছেইনৰ পৰামৰ্শ মতে ছাত্ৰীসকলে এই ক্ষেত্ৰত কাৰ্য সম্পাদন কৰিছিল। ছাত্ৰীসকলক কেবাটাও গোটত ভাগ কৰি তেওঁলোকৰ আগ্ৰহ অনুযায়ী কেবাটাও দলৰ লগত আন্তঃক্ৰিয়া কৰাৰ বাবে প্ৰস্তুত কৰিছিলো।

প্ৰথম দল ছাত্ৰীয়ে ১১ জুন, ২০২২ তাৰিখে মহাবিদ্যালয় ওচৰৰ শিৱদৌল প্ৰাংগনত যিসকল দৰিদ্ৰ ব্যক্তিয়ে ভিক্ষা খুজিবৰ বাবে অৱস্থান কৰে তেওঁলোকৰ লগত কথা পাতিছিল। অতি নিম্ন মানদণ্ড জীৱন যাপন কৰা এই দুৰ্ভগীয়া ব্যক্তিসকলৰ দুখৰ কথাবোৰ, তেওঁলোকৰ অজ্ঞতাসমূহ সম্পৰ্কে আমাৰ ছাত্ৰীসকলে জানিব পাৰিছিল। এক অসন্মানজনক জীৱন যাপন কৰাৰ বাবে তেওঁলোক নিজে অপৰাধবোধ কৰিবলৈও অজ্ঞ। এই দুঁহ ব্যক্তিসকলক এই ক্ষেত্ৰত আমি সমাজৰ ব্যক্তিসকলে, চৰকাৰে সহায় কৰিব লাগিব। দৰিদ্ৰতাই মৰ্যদাহীন জীৱন যাপন কৰিবলৈ বাধ্য কৰোৱা এইসকল ব্যক্তিক মানৱ অধিকাৰ লাভ কৰাত আমাৰ সকলোৱে সহায়,

সমৰ্থনৰ প্ৰয়োজন আছে।

আমাৰ ছাত্ৰীসকলে তেওঁলোকৰ প্ৰতিবেদনত খুব সুন্দৰকৈ তেওঁলোকৰ লগত হোৱা কথোপকথন আৰু তেওঁলোকৰ বাবে কি কি কৰিলে ফলপ্ৰসু ফল পোৱা যাব সেই সম্পৰ্কে বৰ্ণনা কৰিছিল।

দ্বিতীয় গোটৰ ছাত্ৰীসকলে শিৱসাগৰ জিলা কাৰাগাৰ পৰিদৰ্শনৰ বাবে ইচ্ছা প্ৰকাশ কৰিলে। আমাৰো এই ক্ষেত্ৰত কোনো অভিজ্ঞতা নথকাৰ বাবে কাৰাগাৰৰ অন্তঃভাগ জানিবৰ বাবে ইচ্ছা আছিল। ৰণ্টুৱে বিশেষ সামাজিক কামত পূৰ্বতেও কাৰাগাৰলৈ গৈছে। বৰ্ণালী, ৰণ্টু আৰু মই ছাত্ৰীসকলক এই ক্ষেত্ৰত কিছু নিৰ্দেশনা প্ৰদান কৰি ২ জুন, ২০২২ তাৰিখে লৈ গৈছিলো। ঐতিহাসিক বৰপুখুৰীপাৰত শিৱসাগৰ জিলা কাৰাগাৰ অৱস্থিত। কাৰাগাৰত থকা কাৰাবন্দীসকলক তেওঁলোকে পাবলগীয়া সা-সুবিধাসমূহ পাইছেনে নাই, যিখিনি স্বাধীনতা পাব লাগে সেয়া পাবলৈ সমৰ্থ হৈছেনে নাই এই কথা জানিব পৰাকৈ প্ৰশ্নাৱলীসমূহ প্ৰস্তুত কৰা হৈছিল। কাৰাগাৰৰ গোপনীয়তা ৰক্ষা কৰি আমি কাৰাবন্দীসকলৰ লগত কিছু আন্তঃক্ৰিয়া কৰিম বুলি কাৰাগাৰৰ অধীক্ষকৰ পৰা অনুমতি লৈছিলো।

কাৰাগাৰৰ গেটত অনুমতি লৈ আমি ছাত্ৰীসকলক লৈ ভিতৰত প্ৰৱেশ কৰিলো। ছাত্ৰীসকলক বাহিৰৰ পৰাই (কাৰাবন্দী থকা স্থান) কাৰাগাৰৰ ভিতৰখন দেখুৱালে। মুকলি অংশত থকা স্থান বিলাকৰ বিষয়ে ভালদৰে বুজাই দিলে। ছাত্ৰীসকলক মহিলা আৰু পুৰুষ কাৰাবন্দী থকা স্থান বিলাক দেখুৱালে। ইয়াৰ পাচত জেলৰ নিয়ম-কানুন, পৰিচালনা প্ৰক্ৰিয়াৰ বিষয়ে খুটি-নাটি মাৰি বুজাই দিলে। ছাত্ৰীসকলে গুৰুত্বপূৰ্ণ তথ্যসমূহ লিখি ল'লে।

আমাৰ পৰম সৌভাগ্য যে জেইলৰ শ্ৰী নৃপেন দাসে কাৰাগাৰৰ ভিতৰখন দেখুৱাৰ প্ৰস্তাৱ দিলে। ৰণ্টুৰ যিহেতু পূৰ্বৰ অভিজ্ঞতা আছিল সেয়েহে আমাৰ (মোৰ আৰু বৰ্ণালীৰ) মনত সৃষ্টি হোৱা ভীতি দূৰ কৰিলে আৰু আমি কাৰাগাৰৰ ভিতৰত প্ৰৱেশ কৰিলো। কাৰাগাৰৰ ভিতৰত কি কি আছে, কিদৰে কয়দীসকলৰ দৈনন্দিন জীৱন চলে, সকলো বিলাক কথা আমাক ক'লে। মনৰ এক অন্ধকাৰ দিশ যেন পোহৰ হৈ গ'ল। কি নাই কাৰাগাৰৰ ভিতৰত, মন্দিৰ, মছজিদ, চাৰ্চ, শিৱ মন্দিৰ, পুথিভঁৰাল, চিকিৎসালয়, প্ৰেক্ষাগৃহ, খেল পথাৰ, বাগিচা সকলো আছে। বহু ভাল অভিজ্ঞতা লাভ কৰি আমি উলটিলো। মহিলা কয়েদী সকলোকে খুব সুৰক্ষিত আৰু ভাল পৰিৱেশত ৰখা হৈছে। মুঠতে মই এইটো ক'ব পাৰো যে মোৰ যি নেতিবাচক পৰিৱেশ এটাৰ কথা মনত আছিল কাৰাগাৰৰ ভিতৰৰ অৱস্থা সম্পৰ্কে সেয়া সমুলঞ্চে দূৰ হ'ল। গোপনীয়তাৰ খাতিৰত কিছুমান কথা আমাক কোৱা হোৱা নাছিল আৰু আমিও জানিব বিচৰা নাছিলো। আমাৰ ছাত্ৰীসকলে খুব সুন্দৰকৈ তথ্যসমৃদ্ধভাৱে প্ৰতিবেদন দাখিল কৰিছিল। তেওঁলোকৰ প্ৰতিবেদনৰ পৰাও বহুখিনি কথা জানিব পৰা গৈছিল। অতি পৰিষ্কাৰ-পৰিচ্ছন্নকৈ কাৰাগাৰখন ৰখা হৈছে। পূৰ্বতে মনত কাৰাগাৰ সম্পৰ্কে ধাৰণা আছিল যে এটা বন্ধ কুঠৰীত কাৰাবন্দীসকলে জীৱন যাপন কৰে। কিন্তু সেই ধাৰণা সলনি হ'ল। কাৰাগাৰ কৰ্তৃপক্ষৰ কাৰাবন্দীসকলৰ প্ৰতি থকা সুন্দৰ ব্যৱহাৰে আমাৰ তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা উপজাইছিল।

তৃতীয় গোটৰ ছাত্ৰীসকলে আন এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ সুবিধা পালে। সেয়া হ'ল জয়সাগৰ অঞ্চলত থকা এখন বৃদ্ধাশ্ৰম। তেওঁলোকে বৃদ্ধাশ্ৰমত থকা ককা-আইতাসকলৰ লগত আন্তঃক্ৰিয়া কৰিবৰ বাবে কিছুমান প্ৰশ্নাৱলী প্ৰস্তুত কৰিছিল। এই ক্ষেত্ৰত ৰণ্টু আৰু বৰ্ণালীয়ে তেওঁলোকক সহায় কৰিছিল। বৃদ্ধাশ্ৰমখনৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি সহায় কৰিছিল শ্ৰী অংকুৰ হাজৰিকাই। তেওঁলৈ অশেষ ধন্যবাদ থাকিল। ১৩ জুন, ২০২২ তাৰিখে ছাত্ৰীসকলক লগত লৈ মই আৰু বৰ্ণালী বৃদ্ধাশ্ৰমলৈ যাত্ৰা কৰিলো। বৃদ্ধাশ্ৰম সম্পৰ্কে থকা ভুল ধাৰণা পলকতে নাইকিয়া হ'ল। আবাসীসকলে এক সুন্দৰ পৰিৱেশত আনন্দৰে হাঁহি-মাতি এক ঘৰুৱা পৰিৱেশত বাস কৰিছে। ছাত্ৰীসকলক পাই আইতা-ককাহঁতৰ আনন্দে নধৰা হ'ল। বৃদ্ধাশ্ৰমখনৰ পৰিচালনা দায়িত্বত থকা ইমদাদুল হুছেইন ধন্যবাদ জনাইছো আইতা-ককাহঁতক মৰমৰ বান্ধোনেৰে বান্ধি ৰাখিছে। নিজৰ আপোন ঘৰৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই। আমাৰ ছাত্ৰীসকলে তেখেতসকলক বহু আনন্দ দিলে। তেওঁলোকৰ লগত বহু কথা পাতিলে। তেওঁলোকৰ জীৱনৰ বহু কথাই লিপিবদ্ধ কৰি ৰাখিছে।

ছাত্ৰীসকলে খুব সুন্দৰকৈ প্ৰতিবেদন প্ৰস্তুত কৰি বিভাগত জমা দিছিল।

চতুৰ্থ গোটৰ ছাত্ৰীসকলৰ বাবে নিৰ্বাচন কৰা হৈছিল স্কুলীয়া ছাত্ৰ-ছাত্ৰীক অধিকাৰ সম্পৰ্কে সজাগতা প্ৰদান কৰা।

এই উদ্দেশ্যে কিছু ছাত্ৰীক বিদ্যালয় আৰু কিছু ছাত্ৰীক শ্ৰী সত্য ছাই বাল বিকাশ প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক বিদ্যালয়লৈ লৈ যোৱা হৈছিল ১৫ জুন, ২০২২ তাৰিখে। ছাত্ৰীসকলৰ হোৱা আন্তঃক্ৰিয়াত কণ কণ শিক্ষাৰ্থীসকলে নিজৰ মনৰ কথা ব্যক্ত কৰিছিল। তেওঁলোকে মাক-দেউতাক, শিক্ষক, ওচৰ-চুবুৰীয়া, লগৰ বন্ধুৰ পৰা কেনে ব্যৱহাৰ বিচাৰে, এনে ধৰণৰ দিশসমূহৰ বিষয়ে আমাৰ ছাত্ৰীসকলে জানিব বিচাৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে খুব আনন্দেৰে আন্তঃক্ৰিয়াত অংশ লৈছিল। কথাৰ ফাঁকে ফাঁকে কবিতা আবৃত্তি, গান, নাচ আদিও কৰি দেখুৱাইছিল। মৰমলগা কণমানিহঁতৰ মাজত আমাৰ ছাত্ৰীসকলে নিজৰ শৈশৱ বিচাৰি পাইছিল। অকণমানিহঁতৰো যে নিজৰ কিছুমান কাম কৰাৰ, নিজৰ মতে জীয়াই থকাৰ অধিকাৰ বিচৰাৰ এক দাবী আছে সেয়া তেওঁলোকক সোধা প্ৰশ্নৰ উত্তৰৰ পৰা জানিব পৰা গৈছিল।

পঞ্চম গোটৰ ছাত্ৰীসকলক ‘শিৱসাগৰ বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়’লৈ নিবলৈ মনস্থ কৰিলো। বয়ঃসন্ধি আৰু কৈশোৰ কালৰ ছাত্ৰ-ছাত্ৰীৰ মন জনাৰ প্ৰয়াসেৰে ১৫ জুন, ২০২২ তাৰিখে তেওঁলোকক বিদ্যালয়খনিলৈ লৈ গ'লো। অতি আন্তৰিকতাৰে বিদ্যালয়ৰ অধ্যক্ষা শ্ৰীমতী মঞ্জু চুতীয়া আৰু ভূগোল বিভাগৰ বিষয় শিক্ষয়িত্ৰী শ্ৰী মনীষা গোস্বামীয়ে আমাক সহায় কৰিছিল। আমাৰ ছাত্ৰীসকলে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগত কথোপকথনৰ জৰিয়তে মনৰ কথা জানিব বিচাৰিলে। মাজে মাজে গান, বাঁহীবাদন, নাটক আদিও ছাত্ৰ-ছাত্ৰীসকলে কৰি দেখুৱালে। আমাৰ ছাত্ৰীসকলে মানৱ অধিকাৰৰ বিষয়েও কিছু কথা ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। আনন্দকৰ অভিজ্ঞতাৰে আমাৰ ছাত্ৰীসকলে এই আন্তঃক্ৰিয়া উপভোগ কৰিলে।

কেউটা ক্ষেত্ৰতে আমাৰ ছাত্ৰীসকলে মানৱ অধিকাৰৰ বিষয়ে সজাগ কৰিবলৈ পৰোক্ষভাৱে চেষ্টা কৰিছিল। প্ৰতিটো অধ্যয়ন ক্ষেত্ৰৰ পৰা লাভ কৰা অভিজ্ঞতা ছাত্ৰীসকলে প্ৰতিবেদনত লিপিবদ্ধ কৰিছিল।

এইদৰে আমাৰ বিভাগৰ ছাত্ৰীসকলে মানৱ অধিকাৰ বিষয়ক তাত্বিক শিক্ষা লাভ কৰাৰ উপৰিও প্ৰায়োগিক দিশৰো জ্ঞান লাভ কৰিবলৈ সুযোগ পালে। ছাত্ৰীসকলে এই জৰীপ কাৰ্যত অংশগ্ৰহণ কৰি আনন্দিত হৈছিল বুলিও আমাক কৈছিল।


শেষত বিচাৰিছো আমাৰ ছাত্ৰীসকলে তেওঁলোকে লাভ কৰা এই অভিজ্ঞতা কেৱল পৰীক্ষাত লিখিবৰ বাবে যে নহয়, সেয়া যাতে উপলব্ধি কৰে। নিজৰ মৰ্যদা আৰু সন্মান ৰক্ষা কৰি চলাৰ উপৰিও সমাজৰ দুস্থ, নিৰক্ষৰ ব্যক্তিসকলকো সহায় কৰে। তেতিয়াহে প্ৰকৃত অৰ্থত শিক্ষা লাভ কৰা হ'ব।

**জ্ঞানতকৈ পবিত্ৰ বস্তু এই জগতত একো নাই।**

**—অনন্দ চন্দ্ৰ আগৰৱালা**

# তোমাৰ মৃত্যুত কোনে কান্দিব

**শিৱ প্ৰসাদ মিলি**
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ




ৰবীন শৰ্মাৰ **'তোমাৰ মৃত্যুত কোনে কান্দিব'** Who Will Cry When You die'

কিতাপৰ শিৰোনাম - **তোমাৰ মৃত্যুত কোনে কান্দিব**
লেখক ঃ ৰবীন শৰ্মা
ধাৰা ঃ আত্মবিকাশ
ভাষা ঃ ইংৰাজী
প্ৰকাশক ঃ জয়কো
মূল্য ঃ ২২০ টকা

দুমাহমানৰ আগতে দিল্লীৰ পৰা অহা মোৰ এজন বন্ধুৱে মোক এখন কিতাপ উপহাৰ দিছিল। কিতাপখন পঢ়ি অনুভৱ কৰিলোঁ যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসমীয়া ভাষাত এটা সৰু ৰিভিউ বা সমালোচনা লিখিব লাগিব যাতে তেওঁলোকে কিতাপখন পালে পঢ়ি ভাল পায়। মই তেওঁলোকক কোৱাটো উচিত হ'ব যে Self Help/ Development বা আত্মসহায়ৰ ক্ষেত্ৰত নতুন প্ৰজন্মৰ বাবে কিতাপখন অন্যতম উচ্চ পঠনযোগ্য কিতাপ।

'তোমাৰ মৃত্যুত কোনে কান্দিব?' ৰবিন শৰ্মাৰ এই আত্মসহায়ক গ্ৰন্থখনে কেনেকৈ আমি এটা পৰিপূৰ্ণ আৰু উদ্দেশ্যপ্ৰণোদিত জীৱন যাপন কৰিব পাৰি তাৰ অন্তৰ্দৃষ্টি আৰু

কৌশলৰ বিষয়ে সুন্দৰ ব্যাখ্যা প্ৰদান কৰিছে। গ্ৰন্থখন মুঠতে প্ৰায় ২২০ পৃষ্ঠাৰ ১০১টা চুটি অধ্যায় (প্ৰতিটো দুই-তিনি পৃষ্ঠাৰ ভিতৰত) অধ্যায়ত বিভক্ত আৰু প্ৰতিটো অধ্যায়ত জীৱনৰ বিভিন্ন দিশ, সম্পৰ্ক, স্বাস্থ্য, উৎপাদনশীলতা, আধ্যাত্মিকতাকে ধৰি কেনেকৈ উন্নত কৰিব পাৰি তাৰ ওপৰত চুটি আৰু সংক্ষিপ্ত পৰামৰ্শ সন্নিবিষ্ট কৰা হৈছে। তলত কিতাপখনৰ বিষয়ে পৰ্যালোচনা কৰা আগবঢ়োৱা হ'ল।

বৰ্তমান সময়ৰ দেশী বিদেশী লেখকে লিখা ব্যক্তিত্ব উন্নয়ন, আত্ম সহায়ক আৰু আধ্যাত্মিক চিন্তা আৰু অনুসন্ধানৰ বিষয়ৰ গ্ৰন্থ সমূহৰ ভিতৰত ৰবিন শৰ্মাৰ 'তোমাৰ মৃত্যুত কোনে কন্দিব' কিতাপখনক এটা সুন্দৰ সংযোজন বুলি অভিহিত কৰিব পাৰি। পৰ্যালোচনা কৰিলে দেখা পাওঁ গ্ৰন্থখনৰ উল্লেখযোগ্য দিশ - ইয়াত ব্যৱহৃত ভাষাৰ সৰলতা আৰু স্পষ্টতা। জটিল ধাৰণা আৰু ধাৰণাবোৰ সহজে বুজিব পৰাকৈ আৰু সম্পৰ্কিত কৰিব পৰাকৈ প্ৰকাশ কৰাৰ এক অনন্য ক্ষমতা লেখকৰ আছে। কিতাপখন কথোপকথনৰ সুৰত লিখা হৈছে যে লেখকে পাঠকৰ সৈতে পোনপটীয়াকৈ কথা কোৱা যেন অনুভৱ কৰে, যাৰ ফলত এক ঘনিষ্ঠতা আৰু সংযোগৰ অনুভূতিৰ সৃষ্টি হয়।

গ্ৰন্থখনৰ আন এক উল্লেখযোগ্য শক্তি হ'ল আলোচনা কৰা বিষয়সমূহৰ বৈচিত্ৰ্য। ইতিবাচক মনোভাৱ গঢ়ি তোলাৰ পৰা আৰম্ভ কৰি কৃতজ্ঞতাৰ অভ্যাস কৰালৈকে, লক্ষ্য নিৰ্ধাৰণৰ পৰা আৰম্ভ কৰি সময়ক ফলপ্ৰসূভাৱে পৰিচালনা কৰালৈকে, জীৱনৰ সকলো ক্ষেত্ৰতে কেনেকৈ উন্নতি কৰিব পাৰি তাৰ ব্যৱহাৰিক পৰামৰ্শ আগবঢ়োৱা হৈছে। প্ৰতিটো অধ্যায় তুলনামূলকভাৱে চুটি হোৱাৰ বাবে দিয়া তথ্যসমূহ পঢ়িবলৈ আৰু হজম কৰিবলৈ সহজ হৈ পৰে। ব্যক্তিগত বৃদ্ধি আৰু বিকাশৰ বাবে অপৰিহাৰ্য দিয়া পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ আৰু কাৰ্যকৰী কৰিবলৈও গ্ৰন্থখনে পাঠকসকলক উৎসাহিত কৰে।

লেখকে আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব দিয়াটো গ্ৰন্থখনৰ আন এক উল্লেখযোগ্য দিশ। তেওঁ নিজৰ আৰু পৃথিৱীৰ সৈতে কেনেকৈ গভীৰ সংযোগ গঢ়ি তুলিব পাৰি তাৰ কেইবাটাও ব্যৱহাৰিক কৌশল আগবঢ়াইছে, যিয়ে পাঠকসকলক জীৱনৰ উদ্দেশ্য আৰু অৰ্থ বিচাৰি উলিয়াবলৈ সহায় কৰিব পাৰে। গ্ৰন্থখনে পাঠকসকলক সেৱা আৰু অৱদানৰ জীৱন যাপন কৰিবলৈও উৎসাহিত কৰে, যিটো ব্যক্তিগত পৰিপূৰ্ণতাৰ এক গুৰুত্বপূৰ্ণ দিশ।

মুঠতে 'তোমাৰ মৃত্যুত কোনে কান্দিব?' হৈছে এখন চিন্তা-উদ্দীপক আৰু প্ৰেৰণাদায়ক কিতাপ যিয়ে কেনেকৈ এটা পৰিপূৰ্ণ আৰু উদ্দেশ্যপ্ৰণোদিত জীৱন যাপন কৰিব পাৰি তাৰ ব্যৱহাৰিক পৰামৰ্শ আগবঢ়ায়। লেখকৰ অনন্য লেখা শৈলী, ব্যৱহাৰিক পৰামৰ্শ, আৰু আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব দিয়াটোৱে এই কিতাপখনক নিজৰ জীৱন উন্নত কৰিব বিচৰা আৰু নিজৰ অস্তিত্বৰ অৰ্থ আৰু উদ্দেশ্য বিচাৰি উলিওৱা যিকোনো ব্যক্তিৰ বাবে এক উৎকৃষ্ট পঠন কৰি তুলিছে। ২২০ টকা মূল্যৰ এই গ্ৰন্থখন amazon, fipkart আদি অনলাইন ষ্টৰ সমূহত উপলব্ধ। কিতাপখন এবাৰ পঢ়ক আৰু নিজৰ জ্ঞান পিপাসু মনক নতুন চিন্তাৰ সোৱাদ দিয়ক।

**আমি আমাৰ ভৱিষ্যত সলনি কৰিবলৈ হ'লে প্ৰথমে নিজক সলনি কৰিব লাগিব।**

**—ড° এ.পি.জে. আব্দুল কালাম**

# লিংগ বৈষম্য আৰু আমাৰ সমাজ ব্যৱস্থা

**ৰেহনা চুলতানা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

নাৰী কি? নাৰীৰ সমাৰ্থক হিচাপে স্ত্ৰী, ৰমণী, মহিলা, অংগনা, নিতম্বিনী, সুন্দৰী, কামিনী ইত্যাদি প্ৰতিশব্দবোৰ ব্যৱহাৰ কৰা হয়। নাৰী মানেই কাৰোবাৰ মাতৃ, নাৰী মানেই কাৰোবাৰ ভগ্নী, নাৰী মানেই কাৰোবাৰ স্ত্ৰী, নাৰী মানেই কাৰোবাৰ কন্যা। এই 'নাৰী' - শব্দটোতেই যেন লুকাই আছে পৃথিৱীৰ সমস্ত সুখ, স্নেহ-মমতা, প্ৰীতি আৰু ভালপোৱাৰ অমৃত।

মানৱ প্ৰজাতিৰ দুটি সত্বা- নাৰী আৰু পুৰুষ। জন্মতেই শিশু এটি নাৰী-পুৰুষ হিচাপে জন্ম লৈ নাহে। মানৱ শিশু হিচাপেহে মাতৃগৰ্ভৰ পৰা এই পৃথিৱীত ভূমিষ্ঠ হয়। শাৰীৰিক ভিন্নতাৰ ভিত্তিত আমি মাথোন সেই নৱ শিশুক ল'ৰা সন্তান আৰু কন্যা সন্তান হিচাপে চিহ্নিত কৰোঁ, নাৰী পুৰুষ হিচাপে চিনাক্ত নকৰোঁ। কিন্তু সেই সন্তানটিক লাহে লাহে নাৰী অথবা পুৰুষ হ'বলৈ শিকায় পৰিয়ালে, সমাজে।

আমাৰ সমাজত নাৰী-পুৰুষৰ যি পাৰ্থক্য সেয়া যিমান প্ৰাকৃতিক বা বৈজ্ঞানিক তাতকৈ হাজাৰ গুণে বেছি সামাজিক। নাৰী হৈ কোনেও জন্ম লৈ নাহে, বৰং হৈ উঠে আৰু এই নাৰী গঢ় দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হয় জন্মৰ পিছৰ পৰাই। পুৰুষ শাসিত এই সমাজত এটি শিশু জৈৱিকভাৱে তাৰ জন্মলগ্নৰ পৰাই চিকাৰ হয় লিংগ বৈষম্যৰ। জন্মৰ পাছৰে পৰাই লিংগভেদে শিশুটি বাঢ়ি অহাৰ প্ৰতিটো যাত্ৰাতে জাপি দিয়া হয় সমাজৰ নানা আইন-কানুন।

শিশু এটি জন্ম লৈ যেতিয়া এই পৃথিৱীখনক চিনিবলৈ শিকে, অনুভৱ কৰিবলৈ শিকে তাৰ আগতেই সমাজে সেই শিশুটিৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰি দিয়ে কিছু নীতি-নিয়ম, কিছু প্ৰথা যিয়ে লাহে লাহে শিশুটিৰ মনত প্ৰভাৱ পেলায় আৰু এটা সময়ত সেই শিশুৱে পৰিয়াল বা সমাজে নিৰ্ধাৰণ কৰি দিয়া মতেই নিজকে গঢ় দিয়ে বা দিবলৈ শিকে। প্ৰথমতে যদি আমি মন কৰোঁ খেলাৰ উপকৰণ হিচাপে এটি শিশুৰ হাতত আমি কি তুলি দিওঁ? যদি ল'ৰা সন্তান হয় তেওঁৰ হাতত তুলি দিওঁ বন্দুক, পিষ্টল, বল, বেট, স্পৰ্টছ কাৰ। এই খেলাৰ সামগ্ৰীবোৰেই তাৰ মনত বোধ জন্মায় ক্ষমতাৰ, প্ৰতিযোগিতাৰ, সাহসিকতাৰ। চিনেমাৰ নায়কৰ দৰেই সি অভিনয় কৰে হাতত খেলনা বন্দুক লৈ, হাতত বেট-বল লৈ সি ক্ৰিকেটাৰৰ দৰে খেলিবলৈ বিচাৰে, জঁপিয়াবলৈ বিচাৰে। স্কুটাৰ, গাড়ীখন হাতত লৈ সি তাৰ ওপৰত উঠিবলৈ বিচাৰে, চলাবলৈ বিচাৰে। আনহাতে, কন্যা শিশুটিৰ হাতত তুলি দিয়া হয় পুতলা, পুতলাৰ ঘৰ আদি। কন্যা শিশুটিয়ে পুতলাটোক সজায়, সন্তানৰ দৰে আদৰ কৰিবলৈ শিকে, তাৰ বিয়া দিয়ে, বাচন-বৰ্তন দি শিশুটিয়ে ৰন্ধা-বঢ়া কৰে। পুতলা খেলাৰ যোগেদি প্ৰমাণ কৰি দিয়া হয় যে শিশুটি নাৰী যি নাৰীয়ে ইচ্ছা কৰিলেই তাই পুৰুষৰ দৰে ঘৰৰ বাহিৰ হ'ব নোৱাৰে, উচ্চস্বৰে কথা ক'ব নোৱাৰে, ডাঙৰকৈ শব্দ কৰি হাঁহিব নোৱাৰে, জেদী হ'ব নোৱাৰে। তাইৰ পোছাক ভিন্ন, খেলাৰ সামগ্ৰী ভিন্ন, খেলাৰ

ঠাইয়ো নিৰ্দিষ্ট। এই ভিন্নতাৰ বাবে দায়ী শিশুটিৰ লিংগ। এনেদৰেই শৈশৱ কালতেই খেলাৰ সামগ্ৰীৰ জৰিয়তেই এগৰাকী ল'ৰা সন্তানক গঢ় দিয়া হয় ভৱিষ্যতৰ পৃথিৱীত সংঘৰ্ষ কৰি জীয়াই থকাৰ শিক্ষাৰ জৰিয়তে; আনহাতে কন্যা সন্তানটিক ঘৰৰ ভিতৰতে প্ৰতিদিনে একেটা কামৰ পুনৰাবৃত্তি কৰি, সন্তান লালন-পালন কৰি জীৱন কটাই দিয়াৰ শিক্ষা দি নাৰী হিচাপে গঢ় দিয়ে। নাৰী হৈ জন্ম হোৱাৰ কাৰণেই শিশুটিৰ চাল-চলন, আচাৰ-আচৰণ, হাঁহি-তামসা, চিন্তা-মনন সকলোতে সমাজৰ কঠিন নীতি-নিয়ম মানি তাই দিনে দিনে বাঢ়ি আহে।

কন্যা শিশু এগৰাকী যেতিয়া অলপ ডাঙৰ হৈ কৈশোৰ কাল পায় তেতিয়াই লাহে লাহে তাইৰ বাবে বাহিৰৰ জগতখন আৰু সৰু হৈ যায়। তাইৰ খেলা-ধূলাৰ ঠাইডোখৰ নিৰ্দিষ্ট হৈ যায়, ঘৰৰ ভিতৰতে মাক-দেউতাকে খেলিবলৈ শিকায়। ল'ৰা সন্তানটিৰ দৰে তাই পথাৰত গৈ মুক্তমনে লগ-সমনীয়াৰ সৈতে খেলিবলৈ, জঁপিয়াবলৈ, দৌৰিবলৈ নোৱাৰে। অলপমান ডাঙৰ হ'লেই ছোৱালীজনীক মাকে ঘৰতে ৰন্ধা-বঢ়া কৰিবলৈ শিকায়, কাপোৰ চিলাবলৈ শিকায়, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰিবলৈ শিকায়, আলহী-অতিথি আহিলে কেনেকৈ আপ্যায়ন কৰিব সেই শিক্ষা দিয়ে। মাতৃগৰাকীক দেখি কন্যা সন্তানটিয়েও ঘৰৰ কাম-কাজ কৰিবলৈ শিকে, মাকৰ দৰেই সাজিবলৈ শিকে, মাকৰ দৰে সাজ-পোছাক, আ-অলংকাৰ পিন্ধিবলৈ ভালপায়। এনেদৰেই সময়ৰ লগে লগে, নিজৰ অজ্ঞাতে কন্যা শিশুটি এদিন লাহে লাহে এগৰাকী নাৰীলৈ পৰিণত হয়।

বয়ঃসন্ধিকালত ঋতুস্ৰাৱৰ পিছৰে পৰা এগৰাকী ছোৱালীৰ জীৱন আৰু বেছি জটিল হৈ পৰে। প্ৰথমবাৰৰ বাবে ছোৱালীজনী তেতিয়া এগৰাকী নাৰী হৈ উঠে। ঋতুস্ৰাৱৰ সময়ত তলপেটৰ বিষ, ৰক্তক্ষৰণ, স্বতঃস্ফূৰ্তভাৱে চলা-মেলা কৰিব নোৱাৰা, গাটো গধুৰ গধুৰ লগা আদি ভাবে নিজৰ শৰীৰ সম্পৰ্কে ছোৱালীজনীক বিৰক্ত কৰি তোলে। নিজৰ শাৰীৰিক গঠন নিজৰ ওচৰত অস্বস্তিত্বৰ হৈ পৰে। তেনে অৱস্থাত ছোৱালীজনীক আৰু বেছি অসহায় কৰি তোলা হয়। ছোৱালীজনীৰ চলা-ফিৰাৰ পথত নানা বাধা আৰোপ কৰা দেখা যায়। ছোৱালীজনীৰ মনত সুমুৱাই দিয়া হয় যে ঋতুস্ৰাৱ এক শাৰীৰিক ব্যাধি। ই নিষিদ্ধ, লজ্জাজনিত বিষয়। গতিকে আন কাৰো আগত এই সম্পৰ্কত কোনো কথা পতাটো লজ্জাজনক কাম। বিশেষকৈ মুছলমান সমাজত ঋতুস্ৰাৱ যেন নিষিদ্ধ, লজ্জাজনিত কোনো ঘটনা সেই প্ৰৱণতা বেছি। ছোৱালীজনীয়ে দোকানৰ পৰা 'ন্যাপকিন' কিনিবলৈ যোৱাটোও লজ্জাজনক, ক'লা পলিথিনৰ মাজত সুমুৱাই কাগজেৰে মেৰিয়াই আনে গম নোপোৱাকৈ 'পেড' কিনি অনা হয়। যেন অবৈধ, লজ্জাকৰ, নিষিদ্ধ কোনো ষড়যন্ত্ৰ চলিছে ছোৱালীজনীৰ দেহাটোৰ মাজত। অথচ একেই মুছলমান সমাজতে ল'ৰা সন্তানৰ 'মুছলমানি' (খৎনা উৎসৱ) অনুষ্ঠানত ওচৰ-চুবুৰীয়া মানুহক নিমন্ত্ৰণ কৰি আনি ঘৰত ভোজ-ভাত খুওৱা হয়। তেতিয়া কিন্তু কাৰো লজ্জাবোধ নহয়।

ছোৱালী এজনীৰ শাৰীৰিক গঠনৰ পৰিৱৰ্তন দেখা দিলেই পিতৃ-মাতৃ সচকিত হৈ উঠে। তাইৰ বুকুৰ ওপৰত দিয়া হয় দীঘল ওৰণি। বুকুৰ পৰা ওৰণি সামান্য খহি পৰিলেই যেন মহাভাৰত অশুদ্ধ হয়। ৰাস্তাত ওলালে, বাছ-ট্ৰেইন, ফুটপথ আনকি নিজৰ ঘৰৰ ভিতৰতো পিতৃ-ভাতৃৰ আগত খুব সাৱধানে পৰ্দাৰ মাজত চলিবলগীয়া হয়, বুকুৰ ওখ অংশ যেন কোনেও দেখা নাপায় তাৰ বাবে কিমান যে সজাগ হৈ থাকিবলগীয়া হয়।

*ছোৱালী এজনীৰ শাৰীৰিক গঠনৰ পৰিৰৰ্তন দেখা দিলেই পিতৃ-মাতৃ সচকিত হৈ উঠে। তাইৰ বুকুৰ ওপৰত দিয়া হয় দীঘল ওৰণি। বুকুৰ পৰা ওৰণি সামান্য খহি পৰিলেই যেন মহাভাৰত অশুদ্ধ হয়। ৰাস্তাত ওলালে, বাছ-ট্ৰেইন, ফুটপথ আনকি নিজৰ ঘৰৰ ভিতৰতো পিতৃ-ভাতৃৰ আগত খুব সাৱধানে পৰ্দাৰ মাজত চলিবলগীয়া হয়, বুকুৰ ওখ অংশ যেন কোনেও দেখা নাপায় তাৰ বাবে কিমান যে সজাগ হৈ থাকিবলগীয়া হয়।*

ল'ৰা সন্তানটিয়ে নিজৰ খেয়াল-খুচিমতে চলাত কাৰো কোনো বাধা নাই। কিন্তু ছোৱালীজনীৰ ক্ষেত্ৰত হাজাৰটা বাধা। ল'ৰাজনে গোটেই ৰাতি বাহিৰত থাকি, আড্ডা মাৰি শেষ ৰাতি ঘৰত আহিলেও বা নিশাটো ঘৰত নাহিলেও কোনো সমস্যা নাই, কিন্তু ছোৱালীজনী বেলি ডুবাৰ আগতে, আন্ধাৰ হোৱাৰ আগতেই ঘৰ সোমাব লাগে। সন্ধিয়া হোৱাৰ লগে লগে মুৰ্গীয়ে যেনেকৈ নিজৰ থকা ঘৰত আহি সোমাই থাকে, তদ্ৰুপ ছোৱালী এজনীও এন্ধাৰ হোৱাৰ লগে লগে মুৰ্গীৰ দৰে ঘৰৰ ভিতৰত আৱদ্ধ হৈ থকাৰ নিয়ম। চিগাৰেট হোপা, লগ-সমনীয়াৰ লগত আড্ডা দিয়া, বন্ধু- বান্ধৱৰ লগত ইচ্ছা গ'লেই ফুৰিবলৈ যোৱা আদি ল'ৰা এজনৰ বাবে যি নিতান্তই স্বাভাৱিক, ছোৱালী এজনীৰ বাবে সেয়া স্বাভাৱিক নহয়। এই ভাৱনাই ছোৱালী এজনীৰ মনত হতাশা জন্মায়। ল'ৰা এজনৰ দৰে ছোৱালীজনীয়েও যদি নিজৰ ইচ্ছামতে চলিবলৈ বিচাৰে, উৰিবলৈ বিচাৰে সেই ছোৱালী সমাজৰ দৃষ্টিত নষ্ট ছোৱালী। ছোৱালীজনীয়ে যদি চিগাৰেট হুপিবলৈ বিচাৰে, ল'ৰাজনৰ দৰে স্বতঃস্ফূৰ্তভাৱে পোছাক পৰিধান কৰিবলৈ বিচাৰে তেতিয়া সেই ছোৱালীজনীক দেখি সমাজে নাক কোঁচায়, ভাল চকুৰে নাচায়। এইবোৰেই ছোৱালীজনীক অনুভৱ কৰিবলৈ! বুজিবলৈ শিকায় যে সমাজৰ ওচৰত ছোৱালীজনী নিতান্তই এটি জড়বস্তু, এটি অক্ৰিয় বস্তু। ছোৱালীজনীৰ কোনো ইচ্ছা-কামনা থকাটো শোভাজনক নহয়। তাইৰ আছে মাত্ৰ এটি শৰীৰ যিটোৰে তাই সন্তুষ্ট কৰিব লাগিব তাইৰ স্বামীক, সন্তান জন্ম দি ৰক্ষা কৰিব লাগিব বংশধৰ।

সততে দেখা যায় যে ছোৱালী এজনীৰ আড্ডাত কাৰ কেতিয়া বিয়া হ'ল, কোনে কি গহনা কিনিলে, নতুন ফেশ্বনৰ কাপোৰ কোনে পিন্ধিলে, কাৰ স্বামী কেনেকুৱা ইত্যাদি কথা। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত পঢ়া ছোৱালীবোৰৰ আড্ডাতো এনে কথাই প্ৰায়ে ঠাই পায়। ল'ৰাবোৰৰ মুখতো ছোৱালী এজনীক উদ্দেশ্যি প্ৰায়েই এটা কথা শুনা যায়- 'তোমালোকৰ কি চিন্তা? ভাল ল'ৰা এজনক পটাই ল'লেই হ'ল আৰু একো নালাগে। সকলো সমস্যা শেষ।' আচৰিত ধৰণে বহুত ছোৱালীয়েও সেই কথাত সমৰ্থন জনাই তালত তাল মিলাই যায়। যেন ভাল ল'ৰা এজন বিচৰাটোহে ছোৱালী এজনীৰ একমাত্ৰ কাম, ভাল ল'ৰা এজন পোৱাটোতহে যেন ছোৱালী এজনীৰ জীৱনৰ সাৰ্থকতা। বহুত ছোৱালীয়েও নিজক দুৰ্বল হিচাপে প্ৰমাণ দিবলৈ ভাল পায় 'মই ছোৱালী হৈ এইটো কাম কেনেকৈ কৰিম?' তাৰে মাজতে দুই এজনী ছোৱালীয়ে যদি নাৰীৰ প্ৰতি বান্ধি দিয়া এই প্ৰথা ভাঙিবলৈ যায়, পুৰুষৰ দৰেই কাম কৰিবলৈ যায়, সেই ছোৱালীজনীৰ বিষয়ে কিমান যে মুখৰোচক কাহিনী শুনিবলৈ পোৱা যায় তাৰ কোনো হিচাপ নাই। ছোৱালী এগৰাকী যদি দহ-বাৰটা ল'ৰাৰ সৈতে অকলে বহি চাহ খাইছে, চিগাৰেট হুপিছে, ভৰিৰ ওপৰত ভৰি তুলি আড্ডাত যোগ দিছে তেতিয়াহ'লে সেইজনী ছোৱালীৰ চৰিত্ৰত হাজাৰটা প্ৰশ্ন তোলা হয়, বেশ্যা বুলি আখ্যা দিয়া হয়। পুৰুষ শাসিত সমাজত নাৰী মানে অবলা, নাৰী ৰমণী। নাৰীৰ কাম নিজক সুন্দৰ কৰি ৰাখি পুৰুষৰ বাবে আকৰ্ষিত হৈ থকা, নাৰীৰ কাম পুৰুষৰ প্ৰিয়ভাজন হৈ থকা, ঘৰ-সংসাৰ চোৱা-চিতা কৰা, নাৰীৰ কাম যেন সন্তান জন্ম আৰু পোহপাল দিয়া, স্বামীৰ আৰু ঘৰৰ আন সদস্যৰ শুশ্ৰূষা কৰা। ইয়াৰ ব্যতিক্ৰম হ'লেই সেই নাৰী কুলক্ষী, অসতী।

টিভি চেনেলসমূহত দেখুওৱা বহুল প্ৰচলিত বিজ্ঞাপনৰ কাহিনী দেখিলে হাঁহি উঠে। বিজ্ঞাপন সংস্থাৰ বেছিভাগ বিজ্ঞাপন থাকে অকল নাৰীৰ সাজ-পোছাক, চাবোন, মেক-আপৰ পাউদাৰ, নেইল পলিচ, লিপষ্টিক, ৰূপচৰ্চাৰ বিভিন্ন উপকৰণ, বিভিন্ন আকৃতিৰ ব্ৰা আদিক লৈ। বিজ্ঞাপনৰ কাহিনীবোৰেও প্ৰতিফলিত কৰি তোলে সমাজত নাৰীৰ সঠিক অৱস্থানটি।

মহিলাগৰাকীৰ বয়স বাঢ়িছে। চকুৰ তলত ক'লা দাগ পৰিছে, ছাল অনুজ্জ্বল হৈ পৰিছে। নিজৰ ছালৰ বৰণ লৈ, চেহেৰা বেয়া হোৱা দেখি মহিলাগৰাকী বিৰাট চিন্তিত। স্বামীয়ে আগৰ দৰে ভাল নাপায়। এনে অৱস্থাত এইজ মিৰাকল ক্ৰীম ব্যৱহাৰ কৰি মহিলাগৰাকীয়ে ঘূৰাই পাইছে আগৰ যৌৱন, ছাল উজ্জ্বল হৈ উঠিছে, স্বামীৰ প্ৰেমো আগৰ দৰে জাগি উঠিছে। আকৌ ৰ'দত ঘূৰি ফুৰি কাম কৰি কৰি ছোৱালীজনীৰ মুখৰ বৰণ ক'লা হৈ গৈছে, ছাল বেয়া হৈ গৈছে। কোনো ল'ৰাই তাইৰ ফালে চোৱা নাই, লগৰ ছোৱালীবোৰেও তাইক ইতিকিং কৰিছে। চিন্তা নাই এই সমস্যাৰ বাবে sunscreen lotion আছে নহয়? এই ক্ৰীম ব্যৱহাৰ কৰি ছোৱালীজনী দুদিনতে আগৰ ৰং ঘূৰাই পাইছে, ঘৰৰ পৰা ওলাই অহাৰ লগে সকলোৰে ঘূৰি ঘূৰি চাইছে, ল'ৰাৰ লাইন লাগিছে তাইৰ পিছত। এনেধৰণৰ সস্তীয়া বিজ্ঞাপন আমি প্ৰতিদিনে দেখা পাওঁ যিবোৰে যেন বাৰে বাৰে নিৰ্দেশ কৰে এই বুলি যে নাৰী তুমি যি ক্ষেত্ৰতেই বিচৰণ নকৰা কিয়, তুমি খেলুৱৈ হোৱা, সাংবাদিক হোৱা,

**এগৰাকী অভিভাৱকৰ আটাইতকৈ ডাঙৰ দুশ্চিন্তা থাকে কন্যা সন্তানগৰাকীৰ বিয়াৰ ক্ষেত্ৰত। ছোৱালীজনী ডাঙৰ হৈ অহাৰ লগে লগে পিতৃ-মাতৃৰ দুশ্চিন্তা আৰু আৰু বাঢ়ি যায়। কেতিয়া ছোৱালীজনীক উপযুক্ত পাত্ৰৰ হাতত বিয়া দি গতাই দিব পাৰিব এই চিন্তাতেই তেওঁলোকৰ কঁপালৰ ভাঁজ উত্তৰোত্তৰ বৃদ্ধি পাই থাকে। বিদ্যালয় পৰ্যায়ৰ, পৰিবাৰ পৰ্যায়ৰ অথবা সামাজিক পৰ্যায়ৰ সকলো স্তৰতেই বেছিভাগ পিতৃ-মাতৃয়ে ছোৱালীজনীক শিক্ষা দিয়াৰ একমাত্ৰ উদ্দেশ্যে কি ভাবে ছোৱালীজনীক বিয়াৰ উপযুক্ত কৰি তোলা যায়।**

গায়িকা হোৱা অথবা গৃহিণী হোৱা তুমি সদায় সুন্দৰ হৈ থাকিব লাগিব। এজন ল'ৰাৰ যোগ্যতাৰ মাপকাঠি য'ত তাৰ প্ৰতিভা, তোমাৰ প্ৰতিভাৰ মাপকাঠি তোমাৰ ৰূপ। কাৰণ তুমি ৰমণী, তুমি সুন্দৰ, তুমি উপভোগৰ বস্তু, তুমি সজাই থৈ চাবলগীয়া এটা বস্তু। সেইবাবেইতো গাড়ীৰ শ্বো-ৰুমত নতুন গাড়ীৰ উদ্বোধনত দুইফালে থিয় হৈ থাকে দুজনী সুন্দৰী, বিশ্বকাপৰ ফাইনেল খেল আৰম্ভ হোৱাৰ আগে আগে কাপ প্ৰদৰ্শনৰ সময়ত বিশ্বকাপৰ দুইফালে দুজনী নাৰীয়ে শোভা পায়। বাণিজ্যিক ক্ৰিকেট টি-টুৱেন্টিৰ নামত চিয়াৰ্ছ লিডাৰসকলৰ মাজতো চলে এক ধৰণৰ ব্যৱসায়। খেল পথাৰত খেলুৱৈসকলে বেট-বল লৈ খেলত ব্যস্ত থাকে আৰু পিছফালে সুন্দৰী ৰমণীসকলে খেলুৱৈসকলৰ অনুপ্ৰেৰণা আৰু দৰ্শকৰ মনোৰঞ্জনৰ বাবে নাচি থাকে।

প্ৰবাদত আছে 'প্ৰত্যেকগৰাকী সফল পুৰুষৰ আঁৰত থাকে এগৰাকী নাৰীৰ হাত'। ইয়াতেও নাৰীৰ কাম সেৱামূলক। পুৰুষে প্ৰতিযোগিতাত নামিব, সাফল্যৰ জয়গান গাব আৰু নাৰী তুমি অনবৰতে তাৰ পিছফালে থাকি, স্বামীক সেৱা কৰি যোগাই থাকিবা অনুপ্ৰেৰণা। মঞ্চৰ পৰ্দাৰ পিছফালেই তোমাৰ স্থান, মঞ্চত তোমাৰ আবিৰ্ভাৱ কেতিয়াও নহয়। তুমি নিজে কেতিয়াও সফল হোৱাৰ সপোন নেদেখিবা। তুমি অকল পুৰুষক কৰি তুলিবা সফল, কৰ্মোদ্যম। কাৰণ তোমাৰ অন্য নাম ত্যাগী, পুৰুষৰ নামত নিজক ত্যাগ কৰাটোৱেই তোমাৰ জীৱনৰ সাৰ্থকতা। সমাজে তোমাৰ ওচৰত তাৰেই প্ৰত্যাশা কৰে।

এগৰাকী অভিভাৱকৰ আটাইতকৈ ডাঙৰ দুশ্চিন্তা থাকে কন্যা সন্তানগৰাকীৰ বিয়াৰ ক্ষেত্ৰত। ছোৱালীজনী ডাঙৰ হৈ অহাৰ লগে লগে পিতৃ-মাতৃৰ দুশ্চিন্তা আৰু আৰু বাঢ়ি যায়। কেতিয়া ছোৱালীজনীক উপযুক্ত পাত্ৰৰ হাতত বিয়া দি গতাই দিব পাৰিব এই চিন্তাতেই তেওঁলোকৰ কঁপালৰ ভাঁজ উত্তৰোত্তৰ বৃদ্ধি পাই থাকে। বিদ্যালয় পৰ্যায়ৰ, পৰিবাৰ পৰ্যায়ৰ অথবা সামাজিক পৰ্যায়ৰ সকলো স্তৰতেই বেছিভাগ পিতৃ-মাতৃয়ে ছোৱালীজনীক শিক্ষা দিয়াৰ একমাত্ৰ উদ্দেশ্যে কিভাবে ছোৱালীজনীক বিয়াৰ উপযুক্ত কৰি তোলা যায়। ছোৱালীজনী উচ্চ শিক্ষাৰে শিক্ষিতা হওক, নিজেও সমাজত উচ্চ স্থান পাওক, স্বাধীনভাৱে ছোৱালীজনী সমাজত প্ৰতিষ্ঠা লাভ কৰক এনে কামনা বহুতৰ মাজতেই দেখা নাযায়। বৰঞ্চ উচ্চ মাধ্যমিক অথবা স্নাতক পৰ্যায়লৈকে পঢ়িলেই বা তাৰ আগতেই বহুত পঢ়া বুলি ভাবি ছোৱালীজনীৰ বাবে শিক্ষিত, সুপ্ৰতিষ্ঠিত, স্বাৱলম্বী পাত্ৰ সন্ধানত ব্যস্ত হৈ পৰে। ছোৱালীজনীৰ ওচৰত কিন্তু পিতৃ-মাতৃৰ এই আশা নাথাকে যে তাই শিক্ষিত হওক, সুপতিষ্ঠিত হওক। নাৰীক এক বিকলাংগ প্ৰাণী হিচাপেই ধৰি লোৱা হয়, যি কেতিয়াও স্বয়ংসম্পূৰ্ণ নহয়, যাক জীৱনৰ প্ৰতিটো পদক্ষেপত কোনো এজন পুৰুষৰ ছত্ৰ-ছায়াত প্ৰতিপালিত হ'বলগীয়া হয়। সেই পুৰুষজন হয়তো নাৰীগৰাকীৰ পিতৃয়ো হ'ব পাৰে, ভাতৃ অথবা স্বামীও হ'ব পাৰে, পুত্ৰ সন্তানো হ'ব পাৰে। বিয়াৰ বজাৰত সুন্দৰী ছোৱালীৰ দাম উঠে অনেক ওপৰত। পাত্ৰীৰ ক্ষেত্ৰত সুন্দৰ হোৱাটো প্ৰথম চৰ্ত। ইয়াৰ বাদেও কইনা গৰাকী হ'ব লাগিব নম্ৰ, ঘৰৰ জ্যেষ্ঠজনৰ আগত যিজনে চকু ওপৰত তুলি কথা নকয়। ছোৱালীজনী হ'ব লাগিব ঘৰৰ লখিমী, জানিব লাগিব সকলো ঘৰুৱা কাম। যিখন সমাজত কন্যা সন্তানটিক বোজা বুলি ভবা হয়, বিয়া দি উলিয়াই দিলেই সকলো দায়িত্ব শেষ হোৱা বুজায় সেইখন সমাজত নাৰীৰ অৱস্থান কিমান উন্নত সেয়া সহজেই অনুমান কৰিব পাৰি। নাৰীৰ কল্যান কেৱল শুভবিবাহ, সুখৰ সংসাৰ, সন্তান লালন-পালনতেই নহয় এই কথা অভিভাৱকসকলে বুজা উচিত, নাৰীয়ে নিজেও উপলব্ধি কৰা উচিত।

গ্ৰাম্য বিচাৰৰাজিত দেখা যায় যে ধৰ্ষিতা নাৰীৰ ধৰ্ষণৰ এটাই সমাধান, সেয়া হৈছে আজীৱন তাইক ধৰ্ষণ কৰাৰ সুযোগ কৰি দি ধৰ্ষণকাৰীৰ লগত বিয়া দিয়া। অৰ্থাৎ নাৰীৰ পৰিণতি যেন এটাই- বিয়া। নাৰীৰ প্ৰতি সমাজৰ নানা বৈষম্যৰ প্ৰতি

লক্ষ্য কৰি সেয়ে হয়তো প্ৰখ্যাত নাৰীবাদী লেখক সিমোন দ্য বোভোয়াৰে 'The Second Sex' নামৰ বিখ্যাত গ্ৰন্থত মত পোষণ কৰিছে এনেদৰে- 'নাৰী হৈয়ে কেউ জন্ম নেয় না, বৰং কেউ নাৰী হয়ে উঠে'। এই গ্ৰন্থৰ মাধ্যমেৰে লেখকে সমগ্ৰ পৃথিৱীতে নাৰীবাদী তত্বৰ এক নতুন প্ৰতিবাদী জোৱাৰ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। কেৱল লিংগ বৈষম্যৰ বাবেই পুৰুষতান্ত্ৰিক সমাজে নাৰীসকলক যেনেকৈ ভাষাহীন, স্বপ্নহীন আৰু সামাজিক দুৰ্বল জীৱ হিচাপে পৰিণত কৰি ৰাখিবলৈ সকলো সময়তে সচেষ্ট হৈ থাকে সিমোন দ্য বোভোয়াৰে তেওঁৰ 'ছেকেণ্ড ছেক্স' গ্ৰন্থটিত তাৰ মনস্তাত্বিক আৰু ইতিহাসগত ব্যাখ্যা দাঙি ধৰাৰ চেষ্টা কৰিছে। বোভোয়াৰে কৈছে যে সমাজত দুই শ্ৰেণীৰ প্ৰাণী আছে। তাৰ প্ৰথম শাৰীত থাকে পুৰুষ আৰু দ্বিতীয় শাৰীত আছে অন্যান্য গোত্ৰভুক্ত প্ৰাণী। আৰু পুৰুষ শাসিত আমাৰ সমাজে নাৰীসকলক অন্যান্য গোত্ৰৰ মাজত বসবাস কৰা এক কাল্পনিক জীৱ হিচাপে ভাবি বেছি ভালপায়। ইয়াৰ অন্যতম কাৰণ হিচাপে পুৰুষৰ মুখত প্ৰায়ে শুনিবলৈ পোৱা যায় যে নাৰীক বুজা টান, নাৰী সদায় ৰহস্যৰ আৱৰ্তত। সেইবাবেই নাৰী আৰু পুৰুষক কেতিয়াও একেলগে জোখা যুক্তিযুক্ত নহয়। উল্লেখ্য যে, পুৰুষৰ এই ধৰণৰ বক্তব্যৰ আঁৰত অনেক সামাজিক আৰু ধৰ্মীয় চিন্তাৰ অৱদান আছে। কিন্তু দেখা যায় যে কেৱল ধৰ্মৰ দোহাই দিয়েই নহয়, এগৰাকী নাৰীৰ আটাইতকৈ ডাঙৰ সীমাবদ্ধতা তাইৰ লিংগ পৰিচয়ত। এই বিষয়ত মাৰ্ক্সৰ দৃষ্টিভংগীও মন কৰিবলগীয়া। মাৰ্ক্সৰ মতে পুৰুষে বেছিভাগ সময় আৰ্থিক উপাৰ্জনৰ বাবে ঘৰৰ বাহিৰত কটায় আৰু যেতিয়া তেওঁ ঘৰত সোমায় তেতিয়া তেওঁ ঘৰটোকে এটি সৰু ৰাজ্য বুলি ভাবে আৰু সেই ৰাজ্যৰ ৰজা হ'বলৈ বিচাৰে। তেতিয়া সি নিজৰ পত্নী, ল'ৰা-ছোৱালীক নিজৰ বশতীয়া কৰি ৰাখিবলৈ ভালপায়। কেৱল অৰ্থনৈতিক শক্তি তেওঁৰ হাতত থকা বাবেই যে পুৰুষৰ এই মানসিকতা গঢ় লৈ উঠে তাকো মানি ল'বলৈ টান লাগে। কাৰণ এগৰাকী নাৰী আৰ্থিকভাবে স্বাৱলম্বী হোৱা মানেই যে সেই নাৰীগৰাকী পুৰুষৰ দৰে স্বাধীন সেয়া নহয়। এইক্ষেত্ৰত নাৰী পুৰুষসৃষ্ট সমাজত কিমানখিনি মানসিক আৰু মনস্তাত্বিক স্বাধীনতা পাইছে সেয়া বিচাৰ্য বিষয়। সিমানে এই বিষয়টোক সম্পূৰ্ণৰূপে সামাজিক আৰু পুৰুষৰ মনস্তাত্বিক অৱস্থানৰ পৰা বিচাৰ কৰি চাবলগীয়া বুলি কৈছে। তেওঁ কৈছে যে পুৰুষে সকলো সময়তে নাৰীক অবলা, দুৰ্বল, অস্বাভাৱিক বুলি ভাবি আহিছে। পুৰুষৰ মনোজগতত নাৰীৰ এই অৱস্থানৰ বাবেই নাৰী সকলো সময়তে পুৰুষৰ দৃষ্টিত তুচ্ছ হ'বলৈ বাধ্য।

এনেদৰেই আমাৰ সমাজত পৰম্পৰাগতভাৱেই অতি সাধাৰণ কিন্তু অস্বাভাৱিক কিছু প্ৰতিবন্ধকতা স্বাভাৱিকভাৱেই চলি আহিছে। আজিৰ বৈজ্ঞানিক যুগতো আমাৰ সমাজত লিংগ বৈষম্য অতি প্ৰকট ৰূপত বিদ্যমান। নাৰীক আৱদ্ধ কৰি ৰাখিবলৈ পুৰুষতান্ত্ৰিক সমাজে যি বৃত্ত নিৰ্মাণ কৰি দিছে, সেই বৃত্ত আজিও নাৰীয়ে ভাঙিব পৰা নাই। কিয়নো নাৰী এতিয়াও পূৰ্ণ শক্তিত উজলি উঠিব পৰা নাই। পুৰুষৰ মুখত প্ৰায়ে শুনা যায় নাৰী অক্ৰিয়, অবলা, নাৰী অপৰিপক্ক। আচলতে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীক অবলা বনাই ৰাখিছে। নাৰীক সক্ৰিয় কৰি তোলাৰ সকলো পথ বন্ধ কৰি ৰাখি কৈছে নাৰী অক্ৰিয়। গতিকে আজিৰ নাৰী নিজকে অবলা, অক্ৰিয় বুলি ভাবি ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থাকিলে নহ'ব। নাৰী নাৰী হিচাপে নহয় মানুহ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব লাগিব। সমাজে বান্ধি দিয়া বান্ধোনৰ পৰা মুক্ত হৈ সমাজে তেওঁলোকক স্বাধীনতা দিব এনে ধৰণৰ মানসিকতা এৰাই চলি নিজৰ প্ৰতিভাৰে, কৰ্মদক্ষতাৰে নিজক সুপ্ৰতিষ্ঠিত কৰিব লাগিব। নিজৰ অধিকাৰ, স্বাধীনতা, নিজৰ মৰ্যাদা নিজেই অৰ্জন কৰিব লাগিব। নাৰীয়ে নিজকে দুৰ্বল, পুৰুষৰ বশতীয়া বুলি ভাবি থকাৰ মানসিকতা ত্যাগ কৰি সাহসী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰশীল হ'ব লাগিব।

# প্ৰাকৃতিক উপায়েৰে পাণ্ডুলিপি অথবা বিৰল গ্ৰন্থ সংৰক্ষণৰ ব্যৱস্থা আৰু প্ৰয়োজনীয়তা

**অভিজিৎ বৰপূজাৰী**
গ্ৰন্থাগাৰিক

**১. আৰম্ভণি ঃ**

পুথিভঁৰাল অথবা সংগ্ৰাহালয় আদিত সংগৃহিত হৈ থকা নথিপত্ৰসমূহ হৈছে মানৱজাতিৰ অমূল্য ঐতিহ্য। আধুনিক শিক্ষাৰ উত্তৰণত পৌৰাণিক আৰু মধ্যযুগীয় পাণ্ডুলিপিবোৰক আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস হিচাপে গণ্য কৰা হয়। এই পাণ্ডুলিপিবোৰে আমাৰ ৰাষ্ট্ৰীয় আৰু সাংস্কৃতিক ঐতিহ্য গঠনৰ বাবে আটাইতকৈ মূল্যবান সম্পদ। দেশৰ বিভিন্ন গ্ৰন্থাগাৰত সংগৃহীত হৈ থকা এই পাণ্ডুলিপি সমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত বিভিন্ন গ্ৰন্থাগাৰিকসকল দায়বদ্ধ হৈ থাকে যিটো অতিশয় গুৰুত্বপূৰ্ণ বিষয়ৰূপে চিহ্নিত কৰা হয়। তেওঁলোকৰ উপৰিও বহু তথ্য বিজ্ঞানী, আৰ্কিভিষ্ট, কিউৰেটৰ আৰু পণ্ডিত এই ক্ষেত্ৰত দায়বদ্ধ হৈ থাকে। সকলো পাণ্ডুলিপি অথবা বিৰল গ্ৰন্থই একেই সাৰ্বজনীন সত্য পালন কৰে। বৰ্ধিত সময়ৰ ভিতৰত তেওঁলোকৰ অৱস্থা আৰু গাঁথনি সঠিকভাৱে বজাই ৰাখিবলৈ বিশেষ যত্নৰ প্ৰয়োজন। পুথিভঁৰাল আৰু সংগ্ৰহালয়বোৰে কিতাপ সংৰক্ষণৰ বাবে বিভিন্ন উপায় অৱলম্বন কৰিছে, ভৱিষ্যত ক্ষতি প্ৰতিহত কৰিবলৈ কাম কৰিছে আৰু আনকি বিদ্যমান অৱস্থাৰ সমস্যাবোৰ সমাধানৰ হেতু ন ন উপায় উদ্ভাৱন কৰিছে। উপযুক্ত সংৰক্ষণৰ বাবে বৰ্তমান সময়ত বিভিন্ন আধুনিক প্ৰক্ৰিয়াৰ আগমন স্বত্বেও বা ৰাসায়নিক পদাৰ্থৰ প্ৰয়োগ আৰু সেইবোৰৰ উপলব্ধতাৰ বিষয়টোৰ পৰিৱৰ্তে মানৱজাতিৰ সুৰক্ষাৰ প্ৰশ্নটো জড়িত হৈ আছে। তেনেক্ষেত্ৰত সংৰক্ষণৰ বাবে পৰম্পৰাগত আৰু প্ৰাকৃতিক পদ্ধতি কিদৰে প্ৰয়োগ কৰি পাণ্ডুলিপিবিলাক সংৰক্ষিত কৰিব পাৰি তাৰ ওপৰত এক আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে এই প্ৰবন্ধটিৰ জড়িয়তে।

**২. সংৰক্ষণৰ প্ৰয়োজনীয়তা ঃ**

সময়ৰ সৈতে পাণ্ডুলিপি অথবা বিৰল গ্ৰন্থ কেনেদৰে সংৰক্ষণ কৰিব লাগে তাৰ প্ৰতি সাৱধানে বিবেচনা কৰিব লাগিব। ইবিলাকৰ ক্ষণস্থায়ী প্ৰকৃতিৰ বাবে, তেওঁলোকৰ নতুন ঘৰটোৱে যাতে বয়স বৃদ্ধিৰ প্ৰক্ৰিয়াক ত্বৰান্বিত নকৰে বা নতুন সমস্যা সৃষ্টি নকৰে তাৰ বাবে অতিৰিক্ত পদক্ষেপ হাতত ল'ব লাগিব। ধূলি, আদ্ৰতাৰ স্তৰ আৰু আনকি অসম্পূৰ্ণ কাঠৰ শ্বেল্‌ফৰ পৰা অহা ৰাসায়নিক পদাৰ্থবোৰেও যিকোনো বয়সৰ কিতাপৰ ক্ষতি কৰিব পাৰে। পাণ্ডুলিপি অথবা বিৰল গ্ৰন্থৰ সংগ্ৰহটো গৌৰৱেৰে শ্বেল্‌ফত প্ৰদৰ্শন কৰা বা সংৰক্ষণৰ বাবে সেইবোৰ সঠিক অৱস্থাত থকাটো নিশ্চিত কৰিবলৈ এনে কিছুমান প্ৰাকৃতিক অথবা পৰম্পৰাগত পদ্ধতি অনুসৰণ কৰিব লাগিব।

**২.১ জলবায়ু আৰু আদ্ৰতা ঃ** পাণ্ডুলিপি অথবা বিৰল গ্ৰন্থৰ সংস্কৰণবোৰ বিশেষকৈ উষ্ণতা আৰু আদ্ৰতাৰ সামান্য তাৰতম্যৰ বাবে সংবেদনশীল। কাগজৰ বিভাজন বা ত্ৰুটিৰ পৰা

বাধা দিবলৈ, তাপমাত্ৰা ৬৫-৭০ ডিগ্ৰী ফাৰেনহাইটৰ ভিতৰত ৰাখিব লাগব, আদ্ৰতাৰ স্তৰ স্থিৰ ৩০-৫০ শতাংশত ৰাখিব। উষ্ণতা আৰু আদ্ৰতা নিয়ন্ত্ৰণ থকা কোঠাবোৰ সাধাৰণতে পুথিভঁৰালত পুৰণি শিল্পকলাবোৰ সংৰক্ষণ কৰিবলৈ ব্যৱহাৰ কৰা হয় আৰু দীঘলীয়া সময়ৰ বাবে সেইবিলাক সংৰক্ষণ কৰাত সহায় কৰিব পাৰে। এই ক্ষেত্ৰত আধুনিক শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থাৰ পৰিৱৰ্তে স্বাভাৱিকভাৱে তাপমাত্ৰা আৰু বায়ু চলাচলৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা ল'লে অধিক সুফল পোৱা যাব বুলি ধাৰণা হয় যিটো মানৱ জাতিৰ বাবে অনুকূল হিচাপে প্ৰতিপন্ন হয়।

**২.২ সূৰ্যৰ পোহৰ ঃ** যদিও সকলো পোহৰে কাগজত স্থায়ী ৰাসায়নিক পৰিৱৰ্তন আৰু কিতাপ ৰখাৰ কাৰণ হ'ব পাৰে, সূৰ্যৰ পোহৰৰ পৰা অতিবেঙুনীয়া (ইউভি) ৰশ্মি বিশেষভাৱে ক্ষতিকাৰক আৰু প্ৰাচীন কিতাপবোৰৰ অৱনতি ঘটাব পাৰে। কিতাপখন পোনপটীয়া সূৰ্যৰ পোহৰৰ পৰা আঁতৰাই নিয়াৰ পিছতো এই ইউভিয়ে ক্ষতি কৰিব পাৰে। গ্ৰন্থসমূহ একেবাৰে শুকান কৰা, হালধীয়া কৰা বা কাগজৰ বৰণ মূগাবৰণীয়া হোৱা, কপোৰৰ অৱনতি আৰু বাইণ্ডিঙত ফাট। কিতাপবোৰ সুৰক্ষিত কৰাত সহায় কৰিবলৈ, যিকোনো ধৰণৰ পোহৰৰ সংস্পৰ্শলৈ অহা হ্ৰাস কৰক, কিন্তু বিশেষকৈ পোনপটীয়া সূৰ্যৰ পোহৰ। ক্ষীণ পোহৰৰ কোঠা এটাত ৰখা বা ওচৰৰ যিকোনো খিৰিকী যাতে পোনপটীয়া ইউ.ভি. ৰশ্মি ব্যাহত কৰা আৱৰণ এটাত বিনিয়োগ কৰিলে সুফল পোৱা যায়।

**২.৩ ধূলি ঃ** পুথিভঁৰাল এটাত ধূলি প্ৰতিহত কৰাটো এটা যথেষ্ট জটিল কাম। গ্ৰন্থবিলাক সাধাৰণতে বৰ্ধিত সময়ৰ বাবে এটা স্থানত ৰখা হয় আৰু প্ৰায়ে তেল বা অন্যান্য প্ৰাকৃতিক উপাদানৰ কোনো অপ্ৰয়োজনীয় সংস্পৰ্শ পৰিহাৰ কৰিবলৈ কেতিয়াবাহে স্পৰ্শ কৰা হয়। এই স্থবিৰ প্ৰকৃতিৰ বাবে, এই ধ্বংসাৱশেষবোৰে ধূলি সংগ্ৰহ কৰাৰ সম্ভাৱনা থাকে যি পতংগৰ

নিয়মীয়াভাৱে পৰিষ্কাৰ কৰা পুথিভঁৰাল আৰু ইয়াৰ চাৰিওফালৰ সতেজ বায়ুৰ মুক্ত প্ৰবাহে অধিক উন্নত কৰিব পৰিস্থিতি। যান্ত্ৰিক বা চুম্বকীয় বাহকৰ জৈৱিক পেকেজিং সামগ্ৰী আৰু পুথিভঁৰালত খাদ্য সামগ্ৰীৰ অনুমতি দিয়া উচিত নহয়। নিষ্কাষণৰ পানী লিকেজ পাইপবোৰ পৰীক্ষা কৰিব লাগে কিয়নো সেইবোৰ সেমেকা হোৱাত সহায় কৰে। কীটনাশক ব্যৱহাৰে অস্থায়ী প্ৰভাৱ পেলাই বুলি কোৱা হয়। থাইমলৰ ব্যৱহাৰ আৰু একে ধৰণৰ ৰাসায়নিক পদাৰ্থ এতিয়া বেছিভাগ দেশতে নিষিদ্ধ কৰা হৈছে।

সংক্ৰমণ বৃদ্ধি কৰিব পাৰে। পাণ্ডুলিপি অথবা বিৰল গ্ৰন্থবোৰ তেওঁলোকৰ সৰ্বশ্ৰেষ্ঠ অৱস্থাত ৰাখিবলৈ, নিয়মীয়া ডাষ্টিঙৰ পৰামৰ্শ দিয়া হয়। কিতাপখনৰ ওপৰভাগত আটাইতকৈ বেছি লেতেৰা আৰু ধূলি ৰখাৰ সম্ভাৱনা থাকে আৰু মেৰুদণ্ডৰ বিপৰীত দিশত কোমল ৰঙৰ ব্ৰাছ বা কাপোৰেৰে ধূলি বিলাক আঁতৰাই দিব লাগে।

**২.৪ গ্ৰন্থত ব্যৱহৃত সামগ্ৰী ঃ** পুথিভঁৰাল সংগ্ৰহত কাগজ-আধাৰিত সামগ্ৰীৰ অৱনতি এক মুখ্য সমস্যা হিচাপে ধৰা দিয়ে। কাঠৰ মণ্ডত বেছিভাগ ৰাসায়নিক পদাৰ্থ থাকে কাঠৰ উপাদান য'ত এচিড থাকে। একেদৰে ব্যৱহৃত ৰেজিন কাগজৰ আকাৰত এচিড নিমখো থাকে। এইদৰে ৰাসায়নিক প্ৰক্ৰিয়াৰে নিৰ্মিত কাগজবোৰ এচিডিক হৈ পৰে আৰু যেতিয়া সিহঁত উচ্চ উষ্ণতা আৰু আদ্ৰতাৰ সংস্পৰ্শলৈ আহে তেতিয়া অৱনতি হোৱা দেখা যায়। ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা মুদ্ৰণত ব্যৱহৃত চিয়াহী লোৰ গলেৰে নিৰ্মিত হ'বলৈ আৰম্ভ কৰিছিল যিটো ইয়াত লৌহ ছালফেট আছিল। জাৰণৰ জৰিয়তে ই ছালফিউৰিক এচিড গঠন কৰে। চিয়াহী কাগজৰ এচিডিটিৰ সৈতে একেলগে কাকতখনৰ পৰা পাঠ হেৰুওৱা হয়। চামৰা ব্যৱহাৰৰ ক্ষেত্ৰত দেখা গৈছে বাইণ্ডিঙত ব্যৱহৃত চামৰাত সুৰক্ষামূলক নিমখৰ অভাৱ যিটো অতীজতে চামৰাত উপলব্ধ আছিল। ইয়াৰ কাৰণ আছিল তলত টেনিং পদ্ধতিৰ পৰিৱৰ্তে বাইণ্ডাৰৰ দ্বাৰা অধিক চামৰাৰ বাবে চাপ। এনে চামৰাবোৰ এটা সময়ৰ ভিতৰত শুকান হৈ পৰে।

**২.৫ জৈৱিক এজেন্ট ঃ** জৈৱিক কাৰকবোৰৰ ভিতৰত আছে ছাঁচ, পতংগ আৰু নিগনি। ছাঁচ দুৰ্বল হয় আৰু দাগ হয় কাগজ আৰু ছবিবোৰ বিলোপ কৰে। পোক-পতংগ যেনে তেলাপোকা, ৰূপালী মাছ, উইঁ আদিয়ে গোটেই

পৃথিৱীৰ পুথিভঁৰালৰ সামগ্ৰীৰ ক্ষতি কৰে। নিগনিবোৰে কিতাপত বাহ সাজিব আৰু কিতাপৰ পৃষ্ঠাবোৰ কাটি পুথিভঁৰাল সংগ্ৰহৰ ক্ষতি কৰিব। পোক-পতংগ আৰু নিগনিৰ দ্বাৰা হোৱা ক্ষতি অপূৰণীয় জৈৱিক এজেণ্টবোৰক দূৰত ৰখাৰ আটাইতকৈ কাৰ্যকৰী উপায় হৈছে ৰক্ষণাবেক্ষণ কৰা অনুমোদিত স্তৰত উষ্ণতা আৰু আপেক্ষিক আদ্ৰতা। নিয়মীয়াভাৱে পৰিষ্কাৰ কৰা পুথিভঁৰাল আৰু ইয়াৰ চাৰিওফালৰ সতেজ বায়ুৰ মুক্ত প্ৰবাহে অধিক উন্নত কৰিব পৰিস্থিতি। যান্ত্ৰিক বা চুম্বকীয় বাহকৰ জৈৱিক পেকেজিং সামগ্ৰী আৰু পুথিভঁৰালত খাদ্য সামগ্ৰীৰ অনুমতি দিয়া উচিত নহয়। নিষ্কাষণৰ পানী লিকেজ পাইপবোৰ পৰীক্ষা কৰিব লাগে কিয়নো সেইবোৰ সেমেকা হোৱাত সহায় কৰে। কীটনাশক ব্যৱহাৰে অস্থায়ী প্ৰভাৱ পেলাই বুলি কোৱা হয়। থাইমলৰ ব্যৱহাৰ আৰু একে ধৰণৰ ৰাসায়নিক পদাৰ্থ এতিয়া বেছিভাগ দেশতে নিষিদ্ধ কৰা হৈছে।

**২.৬ বায়ু প্ৰদূষক ঃ** বায়ু প্ৰদূষকবোৰক গেছৰ ৰূপত পাৰস্পৰিক প্ৰদূষক বুলিও কোৱা হয়, যেনে ছালফাৰ ডাই অক্সাইড বা নাইট্ৰাছ অক্সাইড আৰু অ'জন, কাৰখানা বা মটৰৰ পৰা নিৰ্গত বাহনবোৰে এচিড আক্ৰমণ বা জাৰণৰ জৰিয়তে অৱনমিত ঘটায়। কঠিন প্ৰদূষক যেনে ধূলিৰ লেতেৰা আৰু বালিৰ কণাবোৰ প্ৰকৃতিত ঘৰ্ষণীয় আৰু ইয়াৰ ফলত জৈৱিক এজেণ্টৰ বিকাশ হোৱা দেখা যায়। এইবোৰে সামগ্ৰীবোৰত এচিড গঠনত সহায় কৰে।

**৩. সংৰক্ষণৰ পৰম্পৰাগত পদ্ধতি ঃ**

গ্ৰন্থাগাৰিকসকলৰ বাবে নথিপত্ৰ সংৰক্ষণ এক গুৰুত্বপূৰ্ণ বিষয়, তথ্যবিজ্ঞানী, আৰ্কিভিষ্ট, কিউৰেটৰ, পণ্ডিত আৰু লগতে বিভিন্ন প্ৰকাৰৰ প্ৰতিষ্ঠাৰ বাবেও ই এটি অতি স্পৰ্শকাতৰ বিষয়। পুৰণি দিনৰ তালপাত অথবা সাঁচিপাতৰ পাণ্ডুলিপিবোৰ আমাৰ আটাইতকৈ মূল্যবান ৰাষ্ট্ৰীয় সম্পদ, জ্ঞানৰ অমূল্য ভাণ্ডাৰ। এই পাণ্ডুলিপিবোৰ হৈছে শক্তিশালী মাধ্যম আমাৰ ভাষা, সাহিত্য, শিল্প, সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণৰ বাবে। এইবোৰেই একমাত্ৰ অজ্ঞাত জ্ঞানৰ উৎস। গতিকে ভৱিষ্যত প্ৰজন্মৰ বাবে এই ধনবোৰ সঞ্চয় কৰিবলৈ সকলো সম্ভৱ প্ৰচেষ্টা ল'ব লাগিব।

**৩.১ থলুৱা পদ্ধতি কিয়? ঃ** পাণ্ডুলিপিৰ সুৰক্ষিত ৰক্ষণাবেক্ষণৰ বাবে বৰ্তমান আধুনিক ৰাসায়নিক কীটনাশক আৰু ৰিপেলেণ্টৰ কোনো অভাৱ নাই। প্ৰযুক্তিবিদ্যাৰ আগমনেও অধিক সংৰক্ষণৰ পদ্ধতিৰ জন্ম দিছে আধুনিক প্ৰযুক্তি গ্ৰহণ কৰি পাণ্ডুলিপি সংৰক্ষণ কৰা হয় যদিও সংৰক্ষণৰ পৰম্পৰাগত পদ্ধতি আজিও প্ৰচলিত আৰু প্ৰশংসিত, কিয়নো এই পদ্ধতিবোৰৰ নিজা গুণাগুণ আছে। যেনে— ১। এইবোৰ মানৱ স্বাস্থ্যৰ বাবে বিপদজনক নহয়। ২। এইবোৰে সামগ্ৰীৰ ওপৰত কোনো বিৰূপ প্ৰভাৱ পেলাব নোৱাৰে। ৩। পদ্ধতিবোৰত বেছি দক্ষতা, সঁজুলি আৰু ধনৰ প্ৰয়োজন নাই।

পৰম্পৰাগত পদ্ধতি, ভাৰতীয় ভেষজ কীটনাশক আৰু পতংগ প্ৰতিৰোধক ব্যৱহাৰৰ দ্বাৰা পাণ্ডুলিপিৰ ভঁৰালত পোকৰ সংক্ৰমণ কিদৰে ৰোধ কৰিব পাৰি তাৰে এটা আভাষ দিয়াৰ প্ৰয়াস কৰা হৈছে।

**৪. ভাৰতত পৰম্পৰাগত সংৰক্ষণ পদ্ধতি ঃ**

ভাৰতীয়সকলৰ মাজত সংৰক্ষণৰ জ্ঞান অতি প্ৰাচীন। প্ৰাচীন কালৰ পৰা পাণ্ডুলিপি সংৰক্ষণৰ বাবে বিভিন্ন থলুৱা পদ্ধতি ব্যৱহাৰ কৰা হৈছে। পাণ্ডুলিপিবোৰৰ অৱনতিৰ মৌলিক কাৰকবোৰৰ বিষয়ে সেইসময়ৰ পণ্ডিতসকল যথেষ্ট অৱগত আৰু সজাগ আছিল, যেনে পাতল ধূলি, তাপ আৰু আদ্ৰতা গতিকে পাণ্ডুলিপিবোৰক এই সাম্ভাব্য কাৰকবোৰৰ পৰা সুৰক্ষিত কৰিবলৈ, পাণ্ডুলিপিবোৰ সাধাৰণতে ঢাকি ৰখা হৈছিল। তথাপিও কিছুমান পৰম্পৰাগত প্ৰথা, যিবোৰ পাণ্ডুলিপিৰ ৰক্ষকসকলে গ্ৰহণ কৰিছিল আৰু যিবিলাক এতিয়াও অনুশীলন কৰি থকা হৈছে। সেইবোৰ হৈছে—

১। পাতত লিখাৰ আগতেই পাণ্ডুলিপিবোৰৰ সুৰক্ষিত ৰক্ষণাবেক্ষণ নিশ্চিত কৰা হয়। ঋতুকালীন পাতবোৰ পতংগৰ দ্বাৰা হোৱা ক্ষতিৰ বিৰুদ্ধে কিছু এণ্টিচেপ্টিক প্ৰভাৱ পেলোৱাৰ বাবে বোকাৰ তলত পুতি বা পানীত উতলাই দিয়া হৈছিল।

২। সাধাৰণতে পাণ্ডুলিপিবোৰ বান্ধিবলৈ, পাতবোৰত ফুটা কৰা হয় আৰু সূতাৰে বন্ধা হয়। এই সূতাই যাতে পাতবোৰৰ ক্ষতি কৰিব নোৱাৰে তাৰবাবে দুটা টান সমতল কাঠৰ বোৰ্ডৰ মাজত ৰখা হয় সূতাবোৰ পাৰ কৰাৰ বাবে কাঠ দুখনত ছিদ্ৰ ৰখা হয় কাঠৰ বোৰ্ডবোৰ দুয়োফালৰ পৰা পাতবোৰ, কাষবোৰত ঘঁহনি প্ৰতিহত কৰে।

৩। পাণ্ডুলিপিবোৰ কাপোৰত মেৰিয়াই, সেইবোৰক ধূলি, পোকৰ পৰা সুৰক্ষিত কৰা হৈছিল আৰু বায়ুমণ্ডলীয় আদ্ৰতাৰ তাৰতম্য আৰু এচিডিক ধোঁৱা শোষণৰ পৰা যথেষ্ট পৰিমাণে ৰক্ষা কৰিব পৰা গৈছিল।

৪। সাঁচি পাতবোৰ সাধাৰণতে ৰঙা বা হালধীয়া ৰঙৰ কাপোৰত মেৰিয়াই ৰখা হয়। এইটো বিশ্বাস কৰা হয় যে ৰঙা

হৈছে পতংগৰ বাবে এক প্ৰতিৰোধী ৰং আৰু হালধিৰ দ্বাৰা উৎপন্ন হয় কিছুমান গেৰ্মিচিডেল শক্তি থাকে যি পতংগবোৰৰ সংস্পৰ্শলৈ অহাৰ পৰা বিৰত ৰাখিবলৈ ব্যৱহাৰ কৰা হৈছিল।

৫। পাণ্ডুলিপিবোৰ ৰেচমৰ কাপোৰত মেৰিয়াই ৰখা হয় কিয়নো ৰেচম কিতাপৰ পোকৰ পৰা মুক্ত যাৰ বাবে ইয়াৰ ব্যাপক ব্যৱহাৰ দেখা গৈছে।

৬। পাণ্ডুলিপি বাণ্ডলবোৰো গধূৰ কাঠৰ বুকুত ৰখা হয় যাতে জলবায়ুৰ কঠোৰ পৰিৱৰ্তন কম হয়।

৭। পাকঘৰত তালৰ পাত উন্মুক্ত কৰাৰ বৈজ্ঞানিক সত্য আছে যে ধোঁৱাৰ কণাবোৰে তালপাতৰ পাণ্ডুলিপিৰ ওপৰত পতংগবোৰৰ আক্ৰমণ প্ৰতিহত কৰাৰ ক্ষমতা আছে। যদিও ধোঁৱা জমা হোৱাৰ ফলত পাণ্ডুলিপিবোৰৰ ক্ষতি হ'ব পাৰে তথাপিও ই এক কাৰ্যকৰী পদ্ধতি আছিল।

৮। উদীত বা অস্ত যোৱা সূৰ্যৰ কোমল ৰশ্মিৰ সৈতে পাতৰ সংস্পৰ্শলৈ অহাৰ ফলত পতংগ আৰু অনুজীৱৰ বিকাশ ধ্বংস হয়।

৯। কিছুমান ঠাইত পাণ্ডুলিপি সংৰক্ষণৰ বাবে ভূগৰ্ভস্থ কোষ প্ৰস্তুত কৰা হয়।

১০। পাণ্ডুলিপিবোৰ সাধাৰণতে ভাদ্ৰাবাৰ চন্দ্ৰ মাহত সূৰ্যৰ সংস্পৰ্শলৈ আনিব লাগে অৰ্থাৎ আগষ্টত যিহেতু সেই নিৰ্দিষ্ট মাহত সূৰ্যৰ ৰশ্মি অতি অনুকূল। ইয়াৰ দ্বাৰা কৃমিবোৰ সূৰ্যৰ তলত হত্যা কৰা হয়।

**৫. ভেষজ আৰু প্ৰাকৃতিক সামগ্ৰীৰ ব্যৱহাৰ ঃ**

কিছুমান উদ্ভিদ আৰু সেইবোৰৰ সামগ্ৰী, যিবোৰ প্ৰাচীন কালৰ পৰা স্বীকৃত হৈ আহিছে তেওঁলোকৰ বিজানুনাশক গুণাগুণ আৰু পতংগৰ সম্ভাৱনীয়তা হ্ৰাস কৰে। তলত উল্লেখ কৰা হৈছে—

১। পোক-পতংগৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ কাপোৰত ঢাকি থোৱা পাণ্ডুলিপিৰ সৈতে সৰু পেকেটত অস্বগন্ধাৰ শুকান আৰু গুৰি ৰখা হয়।

২। পাণ্ডুলিপিৰ টুকুৰাৰ সৈতে শুকান আদাৰ টুকুৰাবোৰ ৰখা হয় এইবোৰ পোক-পতংগৰ আক্ৰমণৰ পৰা ৰক্ষা কৰে।

৩। পাণ্ডুলিপিৰ পাত শক্তিশালী কৰিবলৈ নেমু-ঘাঁহ তেলৰ আৱৰণ দিয়া হয় যি অণুজীৱৰ বিকাশ ধ্বংস কৰে।

৪। কিছুমান পুথিভঁৰালত সেন্দুৰ বা কুমকুম ফলৰ গুৰি ব্যৱহাৰ কৰে (যিটো ৰঙা ৰঙৰ হয়) যি এক অতি ভাল পতংগ প্ৰতিযেধক হিচাপে কাম কৰে।

৫। তালপাতৰ পাণ্ডুলিপিৰ নমনীয়তা পুনৰুদ্ধাৰত কিছুমান প্ৰাকৃতিক সামগ্ৰী যেনে জালুক, চন্দন, কাঠ বা লবঙ্গৰ তেলৰ নিষ্কাষণ সুবিধাজনক।

৬। পাউডাৰ কৰা আজৱাইনে পতংগ হত্যাকাৰী আৰু ভেঁকুৰনাশক হিচাপেও কাম কৰে।

৭। পাণ্ডুলিপিৰ ওপৰত বিকশিত হোৱা পতংগবোৰ মাৰিবলৈ কৰ্পূৰৰ পাউডাৰ ব্যৱহাৰ কৰা হয়।

৮। নিমপাত আৰু চিট্ৰোনেলাৰ মিশ্ৰণত পতংগনাশক গুণ আছে বুলি জনা যায় যাৰবাবে ইয়াক পাণ্ডুলিপি সংৰক্ষণৰ ক্ষেত্ৰত পুথিঁভঁৰালত ব্যৱহাৰ কৰিব পাৰি।

৯। শুকান ধঁপাটৰ পাতবোৰ পাণ্ডুলিপিবোৰক পোক-পতংগৰ আক্ৰমণৰ পৰা সুৰক্ষিত কৰে। এই পাতবোৰ সাধাৰণতে সৰু কাপোৰৰ মোনাত ভৰাই পাণ্ডুলিপি থকা শ্বেল্‌ফত বিয়পাই দিয়া পাতৰ নিকোটিনক এচিডে পোক-পতংগবোৰক দূৰত ৰাখে।

১০। পুদিনা পাতবোৰে পিপৰা আৰু তেলাপোকাকো প্ৰতিহত কৰে।

১১। ক'লা-জিৰা (কালা জিৰা) যি এক তীব্ৰ সুগন্ধি গোন্ধ দিয়ে আৰু লগতে এক পতংগ প্ৰতিৰোধক হিচাপে ব্যৱহাৰ কৰা হয়।

১২। চন্দন কাঠৰ ধূলি সাধাৰণতে বহুতো পুথিভঁৰালৰ দ্বাৰা পোক-পতংগৰ বাবে ব্যৱহাৰ কৰা হয়।

১৩। নিম তেলত এক শ্ৰেণীৰ যৌগ থাকে যি পতংগৰ বিকাশ নিয়ন্ত্ৰক হিচাপে কাম কৰে। ইয়াৰ ব্যৱহাৰ হৈছে প্ৰাচীন কালৰ পৰাই বহুলভাৱে স্বীকৃত।

১৪। যিহেতু পাণ্ডুলিপিৰ বাণ্ডেলৰ সৈতে সংলগ্ন কাঠৰ তক্তাবোৰ পোক-পতংগৰ আক্ৰমণৰ প্ৰৱণতা থাকে সেয়ে কিছুমান পুথিভঁৰালত তক্তাবোৰ নিম কাঠেৰে তৈয়াৰ কৰা হয় যি উঁই ৰক্ষা কৰিব পাৰে।

১৫। কৰ্পূৰৰ তেলো পাণ্ডুলিপিৰ সুৰক্ষাৰ হেতু প্ৰয়োগ কৰা হয়।

১৬। ঋতুকালীন তাল পাতত বিসংক্ৰমণকাৰী প্ৰভাৱৰ বাবে হালধিৰ পেষ্ট প্ৰয়োগ কৰাটো সুপৰিচিত।

১৭। ইয়াৰোপৰি কাপোৰত ঢাকি থোৱা পাণ্ডুলিপিবোৰ পোক-পতংগৰ পৰা ৰক্ষা কৰিবলৈ তেজপাত, তুলসী, ইউকেলিপ্টাচ গছৰ পাত ইত্যাদি।

**৬. উপসংহাৰ ঃ**

যিহেতু পুথিভঁৰালৰ সামগ্ৰীবোৰ একপ্ৰকাৰৰ জৈৱিক সামগ্ৰী, সেইবোৰ প্ৰাকৃতিকভাৱে অৱনতি হোৱাটো অৱশ্যম্ভাৱী, সেয়েহে পুথিভঁৰালবোৰে সংৰক্ষণৰ বাবে থলুৱা সামগ্ৰী গ্ৰহণ কৰিব লাগিব যাতে পুথিভঁৰালবিলাকৰ সামগ্ৰীসমূহ দীৰ্ঘদিনৰ বাবে কাৰ্যক্ষম কৰি ৰাখিব পাৰি। থলুৱা সামগ্ৰীবোৰ দীঘলীয়া সময় বৰ্তি থাকে। পাণ্ডুলিপিবোৰ হৈছে আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰাথমিক উৎস, পাণ্ডুলিপিৰ সংগ্ৰহ দেশৰ বৌদ্ধিক উত্তৰণৰ বাবে অতিশয় প্ৰয়োজনীয়। এই বিলাক সংৰক্ষণৰ ক্ষেত্ৰত বেছিভাগেই অতীতত বহুতো কাৰণত বহুতো সমস্যাৰ সন্মুখীন হৈছিল ইয়াৰ বাবে আমি বহুসংখ্যক পাণ্ডুলিপি হেৰুৱাইছো। ইয়াৰ মূল কাৰণটো হৈছে সজাগতাৰ অভাৱ। পাণ্ডুলিপিবোৰ সঠিক যত্ন অবিহনে জীয়াই থাকিব নোৱাৰে, সেয়েহে সংৰক্ষণ কৰাটো আমাৰ কৰ্তব্য আৰু সেই পাণ্ডুলিপিবোৰ সংৰক্ষণ কৰক, পৰৱৰ্তী প্ৰজন্মই তেতিয়াহে দেশৰ, জাতিৰ ইতিহাসৰ বিষয়ে জানিব পাৰিব।

### ৭. সহায়ক নথি ঃ

1. Mishra, Vinay Kumar (2021), Indigenous Method of Manuscripts Conservation. Global Research, Methodology Journal, 4th issue feb-mar-apr, 2021.ISSN-300x
2. Dashrath Patidar & Ashish Soni, INDIGENOUS MATERIAL OF PRESERVING MANUSCRIPTS IN LIBRARY, International Journal of Research in Library Science, Volume 2 Issue 2 (July-December) 2016, 183-187, 2016
3. IGNOU, MLIE-101 Preservation And Conservation of Library Material, Block-1 Library Materials: Preservation and Conservation, http://egyankosh.ac.in//handle/123456789/11142
4. Devanthan.R, Conservation of Manuscripts-The Natural Way, International Journal of Current Pharmaceutical Review and Research, 3(4),99-104,ISSN:0676-822X
5. Mrs. Jyotshna Sahoo and Mr. Basudev Mohanty, indigneous Methods of Preserving Manuscripts: An Overview, The Orissa Historical Research, Vol.XLVII,NO.3,available from http://orissa.gov.in/emagazine/Journal/Journalvol3/Journal.htm cited on 5th September 2011

**ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য।**

**—চক্ৰেটিছ**

# কুঁহিপাঠ এক বেটুপাত গাঁথা

**ড° কিশোৰ কুমাৰ দেউৰী**
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

হৃদয়ৰ স্পন্দনত আছে এখন ছবি
শৈশৱৰ এখন বেটুপাতৰ ছবি,
কুঁহিপাঠৰ ছবি।
সময়ৰ আঁকবাঁক আৰু স্মৃতিৰেখা!

সেই যে ছবিখন।
এখন গাঁও, এজোপা বৃহৎ গছ,
ডালে পাতে ৰ'দ কাঁচিয়লি,
বৃহৎ বৃহৎ পাত সেউজীয়া।
তাৰে এপাতত বহি
মই পাঠ কৰিছোঁ কোমল কুঁহিপাঠ
আৰু আন এখিলা পাতত বহি
তুমি আওঁৰাইছা বুনিয়াদী ধাৰাপাট!
তোমাৰো চাগে মনত আছে সেই ছবিখন
এতিয়াও বৈ আছে সোঁৱৰণীৰ এখন নদী,
পাৰত পোত খাই আছে
স্তৰে স্তৰে স্মৃতিৰ বালিচন্দা!
শীতৰ ৰাতি নিতৌ
জোনাকত জিলমিলাই এই বালিচন্দা।

অ' শীতলতা,
অ' শীতলতা,
তোমাৰ নিয়ৰে মচিব নোৱাৰে এই স্মৃতি কথা,
কুঁৱলিয়েও ঢাকিব নোৱাৰে এই বেটুপাত গাঁথা।

# দধিচি

**সঞ্জয় দাস**
সহকাৰী অধ্যাপক
ভূগোল বিভাগ

মাৰ গৰ্ভত মমতাৰ পোহৰত খেলি থাকোতে
হয়তো গমেই পোৱা নাছিলো এই স্পন্দনৰ নেপথ্য।
যিদিনা ভূমিষ্ঠ হ'লো কেওদিশে কেৱল অন্ধকাৰ
ভৰষা মাত্ৰ মাতৃৰ উম
উৎকণ্ঠিত পিতায়ে চোতালৰ এচুকৰ পৰা
আকাশলৈ চাই পঠিয়াইছিল নামি আহিছিল
দুধাৰি আনন্দৰ অশ্ৰু।
মাৰ কোমল স্পৰ্শত একলা-দুকলাকৈ ডাঙৰ হৈছিলো যদিও
অ' পিতাই তোমাৰ লৌহ কঠিন হৃদয়ৰ চূড়াত
বাৰ্তা আৰু সংকল্পৱদ্ধ কঠোৰ
আঙুলিকেইটাৰ দিক দৰ্শনে মোক ক্ৰমশ ধৈৰ্যশীল কৰি তুলিছে।
তোমাৰ ধীৰ পদধ্বনি আৰু ঘৰ্মাক্ত দেহৰ লুণীয়া গোন্ধ
মোৰ এই জনমৰ সৰগীয় উপহাৰ।
শেষ নিশা আকাশ পোহৰাই থকা ধ্ৰুৱ তৰাটিৰ দৰে
দাৰ্শনিক তুমি মোৰ জীৱনৰ।
ডিমেন্সিয়া আৰু দৰৱত হৃত চেতন যদিও
সময়মতে মোৰ মোবাইলটো বাজি উঠে
'বাবা ভালে আছা? ধুনুবাবা আৰু বুমনে কি...'
পিছৰখিনি ভালদৰে শুনা নাপাওঁ
অৰ্ধ-বিকল শৰীৰ যদিও
তোমাৰ প্ৰতিটো অংগ সমৰ্পিত সন্তানত
দধিচি তুমি।

# প্ৰতিযোগিতা

**অন্বেষা বিজয় চেতিয়া**
সহকাৰী অধ্যাপিকা
গাৰ্হস্থ্য বিজ্ঞান বিভাগ

প্ৰতিযোগিতা! অঘোষিত প্ৰতিযোগিতা!
ৰেফাৰীৰ হুইছেলবিহীন প্ৰতিযোগিতা
মানুহৰ দৌৰ।
গণিব নোৱাৰাকৈয়ে দৌৰ।
জুখিব নোৱাৰি দূৰত্ব অথবা সময়।
কোনে কয় আমি মানুহবোৰ সুখী?
সঁচাকৈয়ে সুখী নে?
আনৰ সফলতাত নিজৰ বিফলতা দেখা মানুহৰ
যুক্তিহীন দৌৰ।
ধনীৰ প্ৰতিযোগিতা ধনীৰ লগত,
ক্ষমতালুভীৰ ক্ষমতাৰ প্ৰতিযোগিতা
চাৰিওফালে কেৱল জনপ্ৰিয়তাৰ প্ৰতিযোগিতা
দৌৰি থাকোঁতেই এদিন যৱনিকা পৰে জীৱনৰ।
অথচ জীৱন এটাই।
প্ৰতিযোগিতাৰ শেষ নহয়,
শেষ হয় কেৱল জীৱনৰ।
প্ৰতিযোগিতাৰ দৌৰত ম্লান হোৱা শৰীৰে
চিতাৰ মাজৰ পৰাই মাথো ইংগিত দি যায়
নিজক ভালে ৰখাৰ প্ৰতিযোগিতা কৰা
জীৱনটো যে বৰ আদৰৰ।

# The Rant

**Pooja Bhuyan**
Assistant Professor
Department of English

Shouts she from the top of a hill
The rills stood still
Her voice grew loud and shrill
Not meant to be a rant.
She was sure it was but death,
Death of her soul.
The hawks tore her apart,
Naked she stood,
Her hands tied
Worms crawling into her nose,
Her eyeballs gouged
And she, a wretched being.

The hawks werebut safe, for
Enormous are their wings that cover.
They roost till she divides herself,
To kill or to die?
To die or to kill?
For nothing can be undone now,
Except for her self.

And, the hawks?
They stay…
Searching for another prey.

# শহাপহুৰ বিষয়ে কিছু জানো আহাঁ

**সংগীতা দাস বৰুৱা**
গ্ৰন্থাগাৰ সহায়িকা

আজিকালি বহু মানুহেই শহাপহু পুঁহিবলৈ লৈছে। আজি ইয়াৰ বিষয়ে দুটামান কথা জানো আহাঁচোন। মজলীয়া বা ডেকা আকাৰৰ শহাপহুক সাধাৰণতে Bunny বা Bunnies বুলি কোৱা হয় আৰু পোৱালিবোৰক Kti/kitten বুলি কোৱা হয়। শহাপহু দেখিবলৈ বৰ ধুনীয়া যদিও ইহঁত বৰ ভয়াতুৰ আৰু নিৰীহ জন্তু। হাবি-জংঘলৰ মাজত সকলোবোৰ জন্তুৰেই ইহঁতৰ বাবে শত্ৰু বুলি জনা যায়। এতিয়ালৈকে শহাপহুৰ ৩০ টামানৰ ওপৰ প্ৰজাতিক অধ্যয়ন কৰা হৈছে। তথ্যত পোৱা মতে আৰু জীৱাশ্ম (Fossils)ৰ অধ্যয়ন অনুসৰি শহাপহুৰ পৰিয়ালৰ জন্ম সকলোতকৈ প্ৰথমে উত্তৰ আমেৰিকাত হৈছিল বুলি জনা যায়। স্পেইন, নিউজিলেণ্ড, নেদাৰলেণ্ড, অষ্ট্ৰেলিয়া, ফ্ৰান্সকে আদি কৰি ব্ৰিটেইনৰ বিভিন্ন দেশত আৰু ভাৰতবৰ্ষতো শহাপহুৰ বিভিন্ন প্ৰজাতি পোৱা গৈছে।



সকলো শহাপহুৰ কাণ ইয়াৰ শৰীৰৰ আকাৰতকৈ যথেষ্ট ডাঙৰ হয়, কিয় জানানে ইয়াৰ কাণ ইমান দীঘল হয়? কিয়নো শহাপহু এক ভয়াতুৰ জন্তু হয় আৰু ইহঁতৰ চাৰিওফালে বহুত শত্ৰু। সেইবাবে প্ৰকৃতিয়ে সেই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবৰ বাবে ইয়াৰ কাণৰ আকাৰ দীঘলকৈ বনাইছে। ডাঙৰ কাণৰ বাবে অলপ শব্দত হোৱা ধ্বনি-তৰংগও অধিক মাত্ৰাত ইয়াৰ কাণত বহুত ডাঙৰকৈ বাজে। ফলত ই ডাঙৰ বিপদ আহিছে বুলি ভাবি দৌৰি গৈ নিজক ৰক্ষা কৰাৰ চেষ্টা কৰে। তাৰ বাবে ইহঁত অনবৰতে বিপদ আহিব পাৰে বুলি সজাগ হৈয়ে থাকে।

দিনৰ ভাগত শহাপহু হাবিৰ মাজত বা বিলৰ কাষত গাঁতত বা গছৰ খোৰোঙত থাকে। গাঁতবিলাক মাটিৰ তলত প্ৰায় ৩-৪ মিটাৰ দীঘল হয় আৰু সেই গাঁওবোৰত কেইবাখনো মুখ থাকে যাতে কোনোবাই আক্ৰমণ কৰিলে

ফটকৰে গাঁতত সোমাব পাৰে। গাঁতবোৰক Warren বুলি কোৱা হয় গাঁতবোৰত পোৱালি জগোৱা আৰু শুবৰ বাবে বেলেগ ভাগ থাকে। ইহঁত সামাজিক প্ৰাণী, বহু সংখ্যক একেলগে Colony বনাই বাস কৰে। ইহঁতে পোহৰ হোৱাৰ অলপ আগতে বা আন্ধাৰ হোৱাৰ আগতে খাদ্যৰ সন্ধানত গাঁতৰ পৰা বাহিৰ ওলায়। কাৰণ ইহঁতৰ শত্ৰু বহুত যেনে- মানুহ, ফেঁচা, চিলনী, ঈগল, বনৰীয়া শিয়াল, মেকুৰী, কেৰ্কেটুৱা আদি। ইহঁতৰ গোন্ধ লোৱা শক্তিও বৰ তীব্ৰ। ইহঁতৰ পিছফালৰ ঠেং দুটা যথেষ্ট দীঘল আৰু আগঠেং দুটা চুটি হয়। যাৰ ফলত ই তীব্ৰগতিত দৌৰিব পাৰে। ইহঁতে ৫০-৬০ কিলোমিটাৰ প্ৰতিঘণ্টাত দৌৰিব পাৰে। ইহঁত পথালিয়ে ৩৫-৪০ ছে.মি. মান ডাঙৰ হয় আৰু ডেৰ কেজিৰ পৰা এঘাৰ-বাৰ কেজিলৈকে ডাঙৰ শহাপহু পোৱা যায় আৰু কিছুমান তাতোকৈও ডাঙৰ হয়। সাধাৰণতে শহাপহুৱে ঘাঁহ খাই জীয়াই থাকে, লগতে বিভিন্ন বনস্পতিও খাদ্য হিচাপে গ্ৰহণ কৰে। যেনে— গাজৰ, শাক, ব্ৰকলি, বন্ধাকবি, মূলা, গছৰ কোমল বাকলি, ফলমূল, গছৰ গুটি বা কুঁহি ইত্যাদি। ই পানী একেবাৰে কম পৰিমাণে গ্ৰহণ কৰে। বেছি পৰিমাণৰ খাদ্য গ্ৰহণ কৰিলে ই বহু পৰিমাণে মলত্যাগ কৰে। ইয়াৰ প্ৰস্ৰাৱ Chemical Communicationৰ বাবে ব্যৱহাৰ কৰা হয়। (See Chemical Communication) ই আঠ-ন ঘণ্টা টোপনি যায়।

ইয়াৰ জন্মবৃত্তান্তও বৰ খৰতকীয়া। গৰ্ভধাৰণৰ ৪০ দিন মানৰ পাছতে মাইকী শহাপহুৱে ১০-১২টালৈকে পোৱালী জন্ম দিয়ে। যাৰ ফলত বংশবৃদ্ধি হৈয়ে থাকে। যথেষ্ট পৰিমাণৰ শত্ৰু থকাৰ পিছতো ইহঁতৰ এতিয়ালৈকে বংশগতিত বাধা অহা নাই অৰ্থাৎ ইহঁতৰ বিনাশ হোৱা নাই। ইহঁত সাধাৰণতে ৮-১২ লৈকে জীয়াই থাকে। ইহঁতৰ বিভিন্ন ৰঙৰ লগতে ওখ-ডাঙৰ, সৰু-চাপৰ বিভিন্ন প্ৰজাতি পোৱা যায়। ইহঁতৰ মাতটো তেনেই সৰু। ৬-৭টা মান চকুৰ ৰঙৰ হয় ইহঁত। যেনে- ক'লা, ৰঙা, নীলা, মাটিয়া আদি। ইহঁত স্তন্যপায়ী জন্তু যদিও শহাপহুৱে ঘৰচীয়া জন্তু হিচাপে পোহ মানে। তথাপি ইয়াৰ মাংস আৰু বিভিন্ন ৰঙৰ নোমবোৰৰ বাবেহে ই বেছি বিখ্যাত। ই সাধাৰণতে ঘৰচীয়া হিচাপে সজাৰ ভিতৰত থাকে যদিও মুকলি নিৰাপদ ঠাইহে বেছি পছন্দ কৰে। পূৰ্বতে ৰোমান ৰজাই বিভিন্ন দেশৰ লগত ব্যৱসায় বৃদ্ধিৰ বাবে শহাপহু ইউৰোপ আৰু এছিয়াৰ বিভিন্ন দেশলৈ পঠাইছিল। ক'বলৈ পাহৰিছো ইহঁতৰ নেজডাল চুটি আৰু নোমাল হয়।

পঞ্চদশ শতিকাত ফ্ৰান্সৰ বিভিন্ন অঞ্চলত ভিক্ষু সন্যাসী বিলাকে শহাপহুক সজাত ভৰাই ৰাখিছিল। বিশেষকৈ খাদ্যৰ উৎস হিচাপে আৰু ইয়াৰ উৎপাদন বৃদ্ধিৰ বাবে।

অন্যান্য জন্তুৰ দৰে ইয়াৰ বংশ বৃদ্ধি হয়। উপযুক্ত যতন আৰু মনোযোগ, দৰৱ আৰু ইনজেকচন আৰু স্বাস্থ্যৰ যতন ল'লে ই বহু বছৰলৈ পৃথিৱীখন সুন্দৰ কৰি ৰাখিব।

অ' আৰু এটা কথা কওঁ যে- আজিকালি শহাপহুকো বাস্তুশাস্ত্ৰত যথেষ্ট গুৰুত্ব দিছে। বাস্তু শাস্ত্ৰ মতে শহাপহু ঘৰত ৰাখিলে Negative Energy নাইকিয়া হয়। ঘৰত ধন-সম্পত্তি বৃদ্ধি হয় বেমাৰ-আজাৰৰ সংখ্যা কম হয় ইত্যাদি ইত্যাদি।


**এটা যুগৰ পৰা আন এটা যুগলৈ, এটা পুৰুষৰ পৰা আন পুৰুষলৈ পৰম্পৰা কঢ়িয়াই নিবলৈ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল বিদ্যালয় আৰু ইয়াৰ বাহক শিক্ষকসকল।**

**—আইনষ্টাইন**

চিন্তা শিল্প

# নাৰী শিক্ষা

**জীতাশ্ৰী চাংমাই**
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ



"If you educate a man, you educate and individual, But if you educate a woman; you educate a nation.
–African Proverb

উল্লিখিত কথাষাৰে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা স্পষ্টভাৱে প্ৰকাশিত কৰিছে। প্ৰকৃততে, শিশুৰে নিজৰ সম্ভৱপৰ উৎকৃষ্ট সামৰ্থৰে মানৱ জীৱনলৈ এক অভিনৱ অৱদান আগবঢ়াবৰ বাবে তেওঁৰ স্বকীয়তাৰ সম্পূৰ্ণ বিকাশ সাধনেই হ'ল শিক্ষা। শিক্ষা মানে প্ৰজ্ঞাৰ প্ৰশিক্ষণ, অন্তৰৰ পৰিশুদ্ধতা আৰু আত্মাৰ সংযম। শিক্ষাই মন আৰু অন্তৰ পবিত্ৰ কৰে আৰু মানুহৰ অন্তৰ্নিহিত পূৰ্ণতাৰ প্ৰস্ফুতিত কৰে। সেয়েহে শিক্ষা পুৰুষ আৰু নাৰী নিৰ্বিশেষে সকলোৰে বাবে অতি প্ৰয়োজন।

শিক্ষিত নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে একোটি সুস্থ পৰিয়াল, পৰিয়ালৰ পৰা সমাজ, সমাজৰ পৰা দেশ গঠন হোৱাটো সম্ভৱ। জৱহৰলাল নেহৰুৱে কৈছিল, 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা; কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।' প্ৰকৃততে এখন দেশৰ নাৰীসকল শিক্ষিত হ'লেহে দেশৰ সৰ্বাংগীন উন্নতি সাধন হ'ব। কিয়নো এগৰাকী মাতৃ জন্মদাত্ৰী হোৱাৰ লগতে সন্তানৰ প্ৰথম শিক্ষাদাত্ৰীও। মাতৃগৰাকী শিক্ষিতা নহ'লে সন্তানক সুপথেৰে পৰিচালনা কৰিবলৈ অসমৰ্থ হ'ব। স্বামী বিবেকানন্দ, মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ, ৰাধাকৃষ্ণন আদি বৰেণ্য ব্যক্তিসকলেও নাৰী শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। সম্প্ৰতি নাৰীৰ স'তে পুৰুষৰ লগত শিক্ষাৰ ক্ষেত্ৰত বিশেষ কোনো পাৰ্থক্য নাই যদিও সমাজৰ সামাজিক, অৰ্থনৈতিক, জাতিগত, ধৰ্মীয় বিশ্বাস তথা অন্যান্য কাৰণত যুগে যুগে নাৰীসকল শিক্ষা লাভৰ পৰা বঞ্চিত হোৱা দেখা যায়। ২০২১ বৰ্ষৰ ভাৰতৰ সাক্ষৰতা হাৰ অনুসৰি পুৰুষৰ সাক্ষৰতা হাৰ হ'ল ৮০.৮৯ শতাংশ আৰু নাৰীৰ সাক্ষৰতা হাৰ হ'ল ৬৪.৬৪ শতাংশ। পুৰুষ আৰু নাৰীৰ সাক্ষৰতা হাৰৰ ১৬.২৫ শতাংশ

ব্যৱধানে যেন নাৰী শিক্ষাৰ অনগ্ৰসৰতা আৰু অপচয় তথা অনুন্নয়নকে সূচায়।

সামাজিক লিংগ বৈষম্য, পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা, সামাজিক পৰম্পৰা আৰু অন্ধবিশ্বাস, অভিভাৱকৰ আৰ্থিক দুৰৱস্থা, স্ত্ৰী শিক্ষাৰ প্ৰতি অনিহাৰ মনোভাৱ, নিৰক্ষৰতা, ল'ৰাৰ ওপৰত বেছি নিৰ্ভৰশীলতা আৰু আশা কৰা, ছোৱালীক বিয়া দিবৰ বাবে প্ৰস্তুত হ'ব পৰাকৈ কাম-বন শিকাত অধিক গুৰুত্ব দিয়া আদি কাৰণসমূহেই স্ত্ৰী শিক্ষাৰ উন্নয়নৰ বাটত বাধা স্বৰূপে বৰ্তমানেও থিয় হৈ থকা দেখা যায়।

উল্লেখযোগ্য যে, ভাৰতত পুৰণি কালৰ পৰাই বৈদিক সমাজত নাৰীৰ স্থান উচ্চ আছিল। কিন্তু বৌদ্ধযুগৰ আৰম্ভণিৰে পৰা নাৰী শিক্ষাৰ ক্ৰমান্বয়ে অৱনমন ঘটে আৰু মুছলমানসকলৰ ৰাজত্বকালৰ নাৰী শিক্ষাৰ অধিক অৱনতি ঘটে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰাৰম্ভিক কালছোৱাত নাৰী শিক্ষা সম্পূৰ্ণভাৱে অৱহেলিত হৈছিল। কিন্তু পৰৱৰ্তী অৱস্থাত খ্ৰীষ্টান মিছনেৰীসকলে গুৰি ধৰাত আৰু বিভিন্ন সমাজ সংস্কাৰকসকলে আগবঢ়াই নিয়া ব্যক্তিগত প্ৰচেষ্টাৰ দ্বাৰা নাৰী শিক্ষাই অগ্ৰগতি লাভ কৰিছিল।

ভাৰতৰ স্ত্ৰী শিক্ষাৰ ক্ৰমোন্নতিক তথা উত্থান-পতনক প্ৰধানকৈ পাঁচটা স্তৰত বিভক্ত কৰিব পাৰি - ১) বৈদিক যুগৰ স্তৰ, ২) বৌদ্ধ যুগৰ স্তৰ, ৩) মধ্যযুগীয় স্তৰ, ৪) প্ৰাক স্বাধীনতাকালীন স্তৰ আৰু ৫) স্বাধীনোত্তৰ কালৰ স্তৰ।

প্ৰাচীন ভাৰতত তথা বৈদিক যুগত আৰ্য সমাজত পুৰুষৰ সমানেই নাৰীসকলেও যোগ্য স্থান লাভ কৰিছিল। বহুতো নাৰীয়ে বেদৰ মন্ত্ৰও ৰচনা কৰিছিল। সংহিতাবোৰত বেদমন্ত্ৰ ৰচনা কৰা নাৰী তথা 'ব্ৰহ্মবাদিনী'ৰ নাম পোৱা যায়। ঋক বেদৰ কিছুমান শ্লোক খ্ৰীঃপূঃ ২০০ বছৰৰ আগতে ২০ গৰাকী মহিলা কবিয়ে ৰচনা কৰা বুলি পোৱা যায়। তেওঁলোকৰ কেইগৰাকীমান হ'ল নিভা বাৰী, ৰোমাশা, লোপামুদ্ৰা, অপলা ইত্যাদি। ৰামায়ণত সীতাই বৈদিক শ্লোক আবৃত্তি কৰি যাগ-যজ্ঞ কৰাৰো উদাহৰণ পোৱা যায়। ইয়াৰোপৰি দৰ্শন, তৰ্কশাস্ত্ৰ আদি বিষয়ত বহুতো নাৰীৰ জ্ঞানৰ সীমাই পুৰুষকো অতিক্ৰম কৰিছিল আৰু তেওঁলোকে আগবঢ়াই থৈ যোৱা জ্ঞান সমৃদ্ধই ভাৰতীয় সাহিত্যৰ জ্ঞানৰ ভাণ্ডাৰ চহকী কৰি থৈ গৈছে।

বৈদিক যুগৰ পৰৱৰ্তী যুগ বৌদ্ধ যুগত বৌদ্ধ শিক্ষা ব্যৱস্থাত প্ৰথমাৱস্থাত নাৰীক বৌদ্ধ বিহাৰত প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাছিল যদিও মহাপ্ৰজাপতি গৌতমী আৰু বুদ্ধদেৱৰ প্ৰিয় শিষ্য আনন্দৰ অনুৰোধ মৰ্মে পৰৱৰ্তী সময়ত মহিলাক বৌদ্ধ বিহাৰত চৰ্ত সাপেক্ষেহে প্ৰৱজ্যা গ্ৰহণৰ দ্বাৰা প্ৰৱেশৰ অনুমতি দিয়া হৈছিল। মহিলাসকলৰ আধ্যাত্মিক শিক্ষা তথা তেওঁলোকৰ সংস্কৃতি আৰু সামাজিক উন্নয়নৰ প্ৰতি সংঘসমূহত বিশেষ মনোযোগ দিয়া হৈছিল। সেই মহিলাসকলৰ মাজৰ পৰাই কবি, সাহিত্যিক, শিক্ষাবিদ, দাৰ্শনিকৰ সৃষ্টি হৈছিল। সম্ৰাট অশোকৰ ভগ্নী সংঘমিত্ৰাই শিক্ষা গ্ৰহণ কৰি বৌদ্ধ ধৰ্ম প্ৰচাৰৰ বাবে লংকালৈ যোৱাৰ কথাও উল্লেখ আছে। শীলভট্টাৰিকা, প্ৰভুদেৱী আৰু ভিয়ংকা আদি নাৰীয়ে সেই সময়ত সাহিত্যিক হিচাপে যথেষ্ট খ্যাতি লাভ কৰিছিল আৰু শোভা, অনুপমা, সুমিধা আদি ভিক্ষুণীসকলে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাইছিল। উল্লেখযোগ্য যে, প্ৰায় চাৰি শতিকামানৰ পৰা ভিক্ষুণীসকলৰ সংঘসমূহ বিলুপ্ত হোৱাৰ প্ৰমাণ পোৱা যায়। অৰ্থাৎ যি উৎসাহেৰে উচ্চ বংশ তথা ধনী মানুহৰ মহিলাই সংঘত যোগদান কৰি ধৰ্ম আৰু দৰ্শন চৰ্চা কৰিছিল সেই সকলোবোৰ লাহে লাহে নাইকিয়া হৈছিল। পাছত ভিক্ষুণীসকলৰ সংঘ বন্ধ কৰি দিয়া হৈছিল।

বৌদ্ধ যুগৰ পৰৱৰ্তী স্তৰ মধ্যযুগত মুছলমানসকলৰ ৰাজত্বকালত স্ত্ৰী শিক্ষাৰ অধিক অৱনতি হৈছিল। মুছলমানসকলৰ ৰক্ষণশীল মনোভাৱ আৰু পৰ্দা প্ৰথাই স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত অন্তৰায় সৃষ্টি কৰিছিল। সৰ্বসাধাৰণ মহিলাসকলৰ বাবে শিক্ষা এক অৱহেলিত বিষয় আছিল যদিও ৰাজকীয় আৰু সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালীক ঘৰতে প্ৰয়োজনীয় শিক্ষা দিয়া হৈছিল। গুলবদন, ছালমা চুলতানা, নুৰজাহান, মমতাজ, জেবুন্নিছা, জাহানাৰা, ৰেজিয়া আদি মহিলাই বিভিন্ন বিষয় অধ্যয়নৰ দ্বাৰা বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰি খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। এই নাৰীসকলে আৰবী আৰু ফাৰ্চী ভাষাৰ বিশেষভাৱে চৰ্চা কৰি সমকালীন সাহিত্যলৈ নিজস্ব অৱদান আগবঢ়াইছিল। ইয়াৰোপৰি মুছলমান যুগত চুলতান জালালুদ্দিন, গিয়াছুদ্দিন খিলজি, আকবৰ আদি শিক্ষাপ্ৰেমী সম্ৰাটে নাৰী শিক্ষাৰ বিকাশ আৰু প্ৰসাৰৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন কৰিছিল।

মধ্য যুগৰ পৰৱৰ্তী স্তৰ প্ৰাক্ স্বাধীনতাকালীন স্তৰ হ'ল ভাৰতীয় নাৰীৰ বাবে অতি উল্লেখযোগ্য সময়। এই সময়ছোৱাত ইংৰাজ সাম্ৰাজ্য বিস্তাৰ হোৱাৰ লগে লগে পশ্চিমীয়া ধ্যান-ধাৰণা, শিক্ষা আৰু সমাজ ব্যৱস্থাৰ লগত ভাৰতীয়সকলৰ পৰিচয় ঘটে। ফলত 'এছিয়াটিক চছাইটি', 'শ্ৰীৰামপুৰ মিছন',

'ফৰ্ট উইলিয়াম কলেজ' আদিয়ে ভাৰতীয় আৰু অ-ভাৰতীয়ৰ সহযোগত ভাৰতীয় সমাজ সংস্কাৰৰ নৱজাগৰণৰ সূচনা কৰে আৰু ৰাজা ৰামমোহন ৰায়, দয়ানন্দ সৰস্বতী, ৰামকৃষ্ণ পৰমহংস আদি বৰেণ্য ব্যক্তিৰ উদ্যোগত স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত নৱজাগৰণৰ সৃষ্টি হয়। ১৮৮২ চনত হাণ্টাৰ আয়োগে স্ত্ৰী শিক্ষাৰ শিতানত অধিক ধন বিনিয়োগ কৰিবলৈ বৃটিছ চৰকাৰক দিয়া পৰামৰ্শ উল্লেখযোগ্য। ইয়াৰোপৰি, স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে জ্যোতিবা ফুলে নামৰ সমাজ সংস্কাৰক গৰাকীয়ে পুনেত প্ৰথম মহিলা বিদ্যালয় স্থাপন কৰে। ইয়াৰোপৰি, উডৰ ঘোষণা পত্ৰ, ১৮৫৪ টো স্ত্ৰী শিক্ষাত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল।

প্ৰাক্ স্বাধীনতাকলীন স্তৰৰ পৰৱৰ্তী স্তৰ স্বাধীনোত্তৰ কাল অৰ্থাৎ বিংশ শতিকাৰ আৰম্ভণি মানেই নাৰীৰ বাবে শৈক্ষিক দিশটোৰ শুভ উদ্বোধনী বুলিব পাৰি। পুৰুষৰ লগতে ক্ৰমশঃ নাৰীয়েও শিক্ষা আহৰণৰ পথ প্ৰশস্ত হ'ল আৰু এই ক্ষেত্ৰত ভাৰতীয় সংবিধান তথা সংবিধানৰ ৪৫ নং, ১৫(১) নং আৰু ১৬(১) নং, ১৬(২) নং অনুচ্ছেদে স্ত্ৰী শিক্ষা লাভৰ পথ সুগম কৰাত অৰিহণা আগবঢ়ালে। ইয়াৰোপৰি স্বাধীনোত্তৰ ভাৰতৰ স্ত্ৰী শিক্ষাৰ বিকাশৰ বাবে নিয়োজিত বিভিন্ন কমিটি আৰু আয়োগসমূহ যেনে - National Committee on Women (1957-59), Differentiation of curricular for boys and girls (1961-64), ভক্তৱতচলম কমিটি (1963-65), Committee on Status of Women (1971-74) আদিয়েও স্ত্ৰী শিক্ষাৰ ক্ৰমবিকাশত যথেষ্ট অৰিহণা আগবঢ়াইছে। তাৰোপৰি বিভিন্ন শিক্ষা আঁচনি তথা আয়োগ আৰু শিক্ষা নীতিয়েও স্ত্ৰী শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে যথেষ্ট অৱদান আগবঢ়োৱা দেখা যায়। যেনে - বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৯, ভাৰতীয় শিক্ষা আয়োগ ১৯৬৪-৬৬, ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৬৮, সৰ্বশিক্ষা অভিযান ইত্যাদি।

প্ৰকৃততে, বৰ্তমান আমাৰ দেশৰ অনেক মহিলাই বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গৈ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। কিন্তু অনেক ব্যৱস্থা লোৱা সত্বেও এতিয়াও ভাৰতত বহু নাৰী নিষ্পেষিত অৱস্থাত আছে। ভোগবাদী সংস্কৃতিয়ে এচাম নাৰীক পুনৰ পণ্যলৈ ৰূপান্তৰিত কৰিছে। ইয়াৰ বিপৰীতে এচাম নাৰীয়ে সামান্যতম শিক্ষাৰ পৰাও বঞ্চিত হৈ হাড়ভগা পৰিশ্ৰম কৰিও প্ৰাপ্য অৰ্থ নাপায় ক্ষুধাত দিন কটাইছে। ৮ মাৰ্চৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰাসংগিকতা এনে ক্ষেত্ৰত উপহাস বুলি ক'লেও নিশ্চয় অত্যুক্তি কৰা নহ'ব।

সেয়েহে, নাৰীয়ে ভোগ কৰি অহা নেতিবাচক দিশবোৰৰ বিপক্ষে থিয় হ'বলৈ প্ৰতিগৰাকী নাৰী উপযুক্ত শিক্ষাৰ শিক্ষিত হ'ব লাগিব। কেৱল ঘৰুৱা কামতে নিজকে আৱদ্ধ নাৰাখি আত্মনিৰ্ভৰশীল হ'বলৈও প্ৰতিগৰাকী নাৰীয়ে চেষ্টা কৰা উচিত। এই ক্ষেত্ৰত প্ৰয়োজনীয় পৰামৰ্শ দান তথা সচেতনতা সৃষ্টি কৰাত উচ্চ শিক্ষিতা নাৰী আৰু চৰকাৰে বিভিন্ন কাৰ্যসূচী হাতত লোৱা উচিত। বিবাহেই যে ছোৱালী জীৱনৰ চৰম প্ৰাপ্তি সেই ধাৰণাও সলনি কৰাৰ অত্যন্ত প্ৰয়োজন।

উল্লেখযোগ্য যে, নাৰী শিক্ষাৰ প্ৰসাৰেহে সমাজলৈ পৰিৱৰ্তন আনিব। পুৰুষৰ লগতে নাৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে সমাজ, দেশ, জাতিৰ সৰ্বতোপ্ৰকাৰ উত্তৰণ সম্ভৱ। মহিলা সৱলীকৰণৰ লক্ষ্য বাস্তৱায়িত কৰিবৰ বাবে ছোৱালীৰ শিক্ষা প্ৰাৰম্ভিক পৰ্যায়ত বিশেষভাৱে প্ৰয়োজন। নাৰী শিক্ষাই মহিলা সৱলীকৰণৰ ক্ষেত্ৰত মূল চাবি-কাঠি বা প্ৰধান ভিত্তি হিচাপে কাম কৰে। তাৰোপৰি শিক্ষা আৰু কৰ্মক্ষেত্ৰত ছোৱালী বা নাৰীৰ নৈপুণ্যতা বৃদ্ধি কৰি ছোৱালীৰ কৰ্ম সময় বৃদ্ধি কৰা আৰু অধিক উৎকৃষ্টতা তথা কৰ্মক্ষেত্ৰত সফলতা আৰু ফলপ্ৰসূতা দেখুৱাব পৰাকৈ ছোৱালীক উপযুক্ত কৰি গঢ়ি তোলাত সহায় কৰিবৰ বাবে স্ত্ৰী শিক্ষাৰ প্ৰয়োজন।

# নাৰী শিক্ষা
# (Women Education)

**ৰিম্পী বৰগোহাঁই**
স্নাতক তৃতীয় যান্মাসিক
শিক্ষা বিভাগ

জৱাহৰলাল নেহৰুৱে কৈছিল, 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা; কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।' নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা ক্ষেত্ৰত এই কথাষাৰ বিশেষভাৱে প্ৰযোজ্য। শিক্ষাই মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে, পৰিচালনা কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰণ কৰে। এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে দেশখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। সেই শিক্ষা ব্যৱস্থাৰ ওপৰত বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈছে মহিলাসকলৰ শিক্ষা। মহিলাসকলৰ শিক্ষাৰ ওপৰত দেশখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। মহিলাসকল শিক্ষিত হৈ নুঠিলে দেশখন শিক্ষিত হ'ব নোৱাৰে। মাতৃ হ'ল শিশুসকলৰ প্ৰথম শিক্ষয়িত্ৰী। জন্মৰ পৰা বিদ্যালয়লৈ যোৱাৰ সময়খিনিলৈ শিশুৰ বিকাশৰ ক্ষেত্ৰত মাকৰ ভূমিকা গুৰুত্বপূৰ্ণ। সেয়ে মাতৃসকলৰ শিক্ষা শিশুৰ বাবে বেছি প্ৰয়োজনীয়। মাতৃয়ে আদৰ্শৰ প্ৰতীকৰূপে শিশুৰ মনত ধৰা দিয়ে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল, 'শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হ'লে নাৰী শিক্ষাৰ সমস্যা দূৰ কৰিব লাগিব। যেতিয়ালৈকে আমাৰ দেশত প্ৰকৃত মাতৃ শিক্ষয়িত্ৰী সৃষ্টি নহয় তেতিয়ালৈকে আমি যিমানেই স্কুলত শিক্ষা নিদিও লাগিলে, শিক্ষা ফলপ্ৰসূ হ'ব নোৱাৰে বুলি ক'বলৈ মই কুণ্ঠাবোধ নকৰো।' মহিলাসকল সমাজৰ এক অবিচ্ছেদ্য অংগ। পুৰুষে যেনেকৈ সমাজৰ বিকাশত সহায় কৰে তেনেকৈয়ে মহিলাসকলেও সমাজৰ বিকাশত অৰিহণা যোগায়। মহিলাসকল শিক্ষিত হ'লেহে শিশুসকল শিক্ষিত হ'ব আৰু শিশুসকল শিক্ষিত হ'লেহে দেশৰ পৰা নিৰক্ষৰতাৰ দৰে সামাজিক ব্যাধি আঁতৰ হ'ব। শিক্ষাই মনৰ অজ্ঞানতা দূৰ কৰি বৌদ্ধিক দিশত মুকলি কৰে। জগতৰ সৰ্বতো প্ৰকাৰৰ মংগলৰ বাবে নিজকে যোগ্যবান কৰি তোলাৰ একমাত্ৰ মাধ্যম শিক্ষা। সুশিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উন্নীত কৰে। অন্ধৰ লাখুটিস্বৰূপ শিক্ষা, সেয়েহে পুৰুষ-নাৰী নিৰ্বিশেষে সকলোৰে বাবে অতি আৱশ্যকীয়। সুস্থ, সবল, শান্তিপূৰ্ণ সামাজিক জীৱন যাপন কৰিবৰ বাবে প্ৰত্যেক ব্যক্তিৰে উপযুক্ত শিক্ষাৰ প্ৰয়োজন। শিক্ষাৰ কোনো বিকল্প নাই। মানৱ জাতি নাৰী আৰু পুৰুষৰ লৈয়ে গঠিত। সেয়ে পুৰুষ আৰু নাৰী দুয়োৰে সুশিক্ষাৰ প্ৰয়োজন আছে। কিন্তু বাস্তৱত পুত্ৰ সন্তানক শিক্ষা দিয়াৰ ক্ষেত্ৰত যিমান গুৰুত্ব দিয়া হয়, কন্যা সন্তানৰ ক্ষেত্ৰত সিমান গুৰুত্ব দিয়া দেখা নাযায়।

প্ৰাচীন বৈদিক সাহিত্য সমূহত নাৰী শিক্ষাৰ তথ্য পোৱা যায়। সেই সময়ত পুৰুষৰ লগতে নাৰীসকলকো শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। আমি বেদত পাওঁ যে বৈদিক যুগত যাগ-যজ্ঞ, পূজা-পাতল, ধৰ্মীয় কাৰ্য আদিত পুৰুষৰ লগতে নাৰীসকলেও অংশ গ্ৰহণ কৰিছিল। খ্ৰীঃপূৰ্ব ষষ্ঠ শতিকাত বৌদ্ধ ধৰ্মৰ অভ্যুদয়ৰ সময়তো নাৰী স্বাধীনতা আৰু নাৰী শিক্ষাৰ উমান পোৱা যায়। সম্ৰাট অশোকে নিজ কন্যা সংঘমিত্ৰাক বৌদ্ধ ধৰ্মৰ প্ৰচাৰৰ বাবে সিংহলৈ পঠোৱা ঘটনাৰ পৰা নাৰী যে পুৰুষৰ সমকক্ষ আছিল তাকেই প্ৰমাণ কৰে। ভাৰতীয় সমাজত দুৰ্গা, কালী, সৰস্বতী, লক্ষ্মী আদি দেৱীক পূজা কৰা হয়। ইয়াৰ পৰাও প্ৰতীয়মান হয় যে অতীতত ভাৰতবৰ্ষত নাৰী শিক্ষাৰ প্ৰচলন আছিল আৰু সমাজত নাৰী সকলৰ মৰ্যদা উচ্চ আছিল। যীশুখ্ৰীষ্টৰ জন্মৰ প্ৰায় দুশ বছৰৰ পাছত লিপিবদ্ধ হোৱা মনুৰ ধৰ্মশাস্ত্ৰত সন্নিবিষ্ট নাৰীকেন্দ্ৰিক দমন নীতি সমূহে নাৰী স্বাধীনতাক মষিমূৰ কৰি পেলালে। ভাৰতীয় সমাজত, জনমানসত খোদিত হ'ল নাৰীৰ প্ৰতি শোষণ নীতি, দমন নীতি। মধ্য যুগত ভাৰতবৰ্ষত সঘনাই হোৱা বিদেশীৰ আক্ৰমণে নাৰীক চাৰিবেৰৰ মাজত আৱদ্ধ কৰাবলৈ

বাধ্য কৰালে। বাল্য বিবাহ প্ৰথ প্ৰচলিত হ'ল। সৃষ্টি হ'ল পুৰুষ প্ৰধান সমাজৰ। পুৰুষ প্ৰধান সমাজত নাৰী হৈ পৰিল পণ্য সামগ্ৰী। এফালে আদ্যা শক্তিৰূপে দুৰ্গা, কালী, ভৈৰৱী, লক্ষ্মী, সৰস্বতীক উপাসনা কৰা আনফালে পণ্য সামগ্ৰী ৰূপে ক্ৰয়-বিক্ৰয় কৰা। যৌতুক আনিব নোৱাৰা বাবে হত্যা কৰা বা অত্যাচাৰ উৎপীড়ন কৰাৰ পৰিঘটনা ভাৰতীয় সমাজত সুলভ হৈ পৰিল। তাৰ মাজতো ভাৰতীয় নাৰীয়ে যোগ্যতা, অৰ্হতাৰে সমাজ, ৰাজনীতিত সন্মানীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈ আহিছে। বৈদিক যুগৰ পৰা সাম্প্ৰতিক কাললৈকে কীৰ্তিৰে নাম উজ্বলাই ৰখা গাৰ্গী, মৈত্ৰেয়ী, সীতা, কুন্তী, দ্ৰৌপদী, মনা, লীলাৱতী, মীৰাবাই, ঝাণীৰ ৰাণী লক্ষ্মীবাই, জয়মতী, কনকলতা, ইন্দিৰা গান্ধী, সৰোজনী নাইডু, শান্তিৰ নোবেল বঁটা বিজয়ী মাডাৰ টেৰেচা, ভাৰতৰ প্ৰথম মহাকাশচাৰী মহিলা কল্পনা চাওলা আদি বৰণ্যে বিদুষী নাৰীৰ নাম প্ৰাতঃস্মৰণীয়।

পৰিয়াল এটা সুচাৰুৰূপে পৰিচালনা কৰাত এগৰাকী নাৰীৰ ভূমিকা অপৰিসীম। শিক্ষিত নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে একোটা সুস্থ পৰিয়াল, পৰিয়ালৰ পৰা সমাজ, সমাজৰ পৰা দেশ গঠন হোৱাটো সম্ভৱ। কিন্তু আমাৰ সমাজত নাৰী শিক্ষাৰ গুৰুত্ব কিমান! একাংশ মাক-দেউতাকৰ মন্তব্য, 'ছোৱালী পঢ়ি-শুনি কি কৰিব, দুদিন পিছত বিয়া দিব লাগিব।' এনেকুৱা পৰিস্থিতিত কিমানজনী ছোৱালীয়ে নিজৰ শিক্ষা সমাপ্ত কৰিব পাৰিব। বছৰ বছৰ ধৰি শিক্ষাৰ ক্ষেত্ৰত পুৰুষৰ তুলনাত নাৰী অৱহেলিত হৈ আহিছে। সমাজৰ বদ্ধমূল ধাৰণাৰ বশৱৰ্তী হৈয়েই সমাজৰ এচাম মানুহে পুত্ৰ সন্তান কামনা কৰে। পুৰুষপ্ৰধান সমান্তযুগীয় দৃষ্টিভংগী, ৰক্ষণশীল মনোভাৱ আদিৰ প্ৰভাৱত এনে পিতৃ-মাতৃয়ে ল'ৰাৰ শিক্ষাৰ ক্ষেত্ৰত যিমান গুৰুত্ব প্ৰদান কৰে ছোৱালীৰ ক্ষেত্ৰত সিমান নকৰে। বহু কন্যা শিশুৱে এতিয়াও দুটামান শ্ৰেণী পঢ়িয়েই অভিভাৱকৰ হেঁচাত শিক্ষা জীৱনৰ পৰিসমাপ্তি ঘটাই আৰু ঘৰুৱা কাম-বনত নিয়োজিত হ'ব লগাত পৰে। নতুবা কম বয়সতে বিয়া হৈ পিতৃ-মাতৃৰ বোজা পাতলায়। এইসকল অল্পশিক্ষিত নাৰীয়ে ভৱিষ্যত প্ৰজন্মক পুনৰ উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিবগৈ নোৱাৰে, অশিক্ষিত লোকক আৱেগৰ দ্বাৰা পৰিচালিত কৰিবলৈ অতি সহজ। এচাম সুবিধাবাদী লোকে নিজ স্বাৰ্থ পূৰণ কৰিবলৈ গ্ৰহণ কৰা এনে এক সুবিধাবাদ ফলশ্ৰুতিতে আজিৰ এই একবিংশ শতিকাতো আমাৰ চকুৰ আগত ঘটি আছে ডাইনী হত্যা, সোপাধৰাৰ আতংক, বেজালী আদি নানা পশ্চাৎঘাতী ঘটনাবোৰ। বৰ্তমান সময়ত শিক্ষাৰ অধিকাৰ আইনৰ জৰিয়তে ৫-১৪ বছৰ সকলো শিশুৱে বাধ্যতামূলক কৰা হৈছে যদিও এই আঁচনিয়ে বিভিন্ন কাৰণবশত বহুসংখ্যক শিশুৱে ঢুকি পোৱা নাই, বিশেষকৈ ছোৱালীবোৰক। ২০১১ চনত অসমত শিক্ষিতৰ হাৰ আছিল ৭৩.১৮ শতাংশ। পুৰুষৰ হাৰ হ'ল ৭৮.৮১ শতাংশ আৰু মহিলাৰ হাৰ ৬৭.২৭ শতাংশ। শিক্ষিতৰ হাৰ পুৰুষৰ তুলনাত মহিলাৰ নিম্নগামী। নাৰী শিক্ষা বিকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ সমস্যা আজিও আমাৰ মাজত বিদ্যমান। যদিও মহিলা আৰু পুৰুষৰ সম অধিকাৰৰ কথা কোৱা হয়, কাৰ্যক্ষেত্ৰত কিন্তু স্ত্ৰী-পুৰুষৰ মাজত বৈষম্য আজিও আঁতৰ হোৱা নাই। পিতৃ-মাতৃয়ে কন্যা সন্তানক শিক্ষানুষ্ঠানলৈ পঠোৱাত হেলা কৰা দেখা যায়। মহিলাসকলৰ বাবে সুকীয়া শিক্ষানুষ্ঠানৰ অভাৱেও নাৰী শিক্ষাৰ বিকাশত সমস্যাৰ সৃষ্টি কৰিছে। যিসকল অভিভাৱক আৰ্থিকভাৱে দুৰ্বল তেওঁলোকে ল'ৰা সন্তানকহে কোনোমতে পঢ়াৰ সুবিধা দিয়ে, ছোৱালীৰ ক্ষেত্ৰত মনোযোগ নিদিয়ে। কিছুমান অঞ্চলত কু-সংস্কাৰ আৰু ৰক্ষণশীল মনোভাৱৰ বাবে নাৰীয়ে পৰপুৰুষক মুখ দেখুৱাব নোৱাৰে বুলি শিক্ষানুষ্ঠানত যোৱাৰ পৰা বিৰত থাকে। কিছুমান অভিভাৱকৰ অজ্ঞতা আৰু নিৰক্ষৰতাৰ বাবে নাৰী শিক্ষাৰ সমস্যা সৃষ্টি হয়। আন একাংশ অভিভাৱকে তেওঁলোকৰ কন্যা সন্তানজনীক

**সমাজৰ বদ্ধমূল ধাৰণাৰ বশৱৰ্তী হৈয়েই সমাজৰ এচাম মানুহে পুত্ৰ সন্তান কামনা কৰে। পুৰুষপ্ৰধান সমান্তযুগীয় দৃষ্টিভংগী, ৰক্ষণশীল মনোভাৱ আদিৰ প্ৰভাৱত এনে পিতৃ-মাতৃয়ে ল'ৰাৰ শিক্ষাৰ ক্ষেত্ৰত যিমান গুৰুত্ব প্ৰদান কৰে ছোৱালীৰ ক্ষেত্ৰত সিমান নকৰে। বহু কন্যা শিশুৱে এতিয়াও দুটামান শ্ৰেণী পঢ়িয়েই অভিভাৱকৰ হেঁচাত শিক্ষা জীৱনৰ পৰিসমাপ্তি ঘটাই আৰু ঘৰুৱা কাম-বনত নিয়োজিত হ'ব লগাত পৰে।**

পঢ়া-শুনাতকৈ বিয়া দিয়াতহে বেছি আগ্ৰহী হোৱা দেখা যায়। নাৰী শিক্ষা বিকাশৰ ক্ষেত্ৰত নানা ধৰণৰ অন্তৰায় পৰিলক্ষিত হয়। এই অন্তৰায় সমূহ আঁতৰাব বাবে বিজ্ঞানসন্মত দৃষ্টিভংগী হাতত ল'ব লাগিব। নাৰী-পুৰুষৰ মাজত থকা ভেদভাৱ আৰু সমাজৰ পৰা কু-সংস্কাৰ আৰু ৰক্ষণশীল মনোভাৱ আঁতৰ কৰি এক সুস্থ পৰিৱেশ সৃষ্টি কৰিব লাগিব। নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে নাৰী শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত থকা সমস্যাসমূহ দূৰ কৰি নাৰীসকলক শিক্ষাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিব পাৰিলে এই সমস্যাসমূহ সমাধান হ'ব। এই ক্ষেত্ৰত পিতৃ-মাতৃ, অভিভাৱকসকলৰ লগতে সামাজিক সহযোগিতা নিতান্ত প্ৰয়োজন। তেতিয়াহে নাৰীৰ জাতিৰ শিক্ষাৰ আকাশৰ কলীয়া ডাৱৰ আঁতৰ হ'ব আৰু নাৰীয়ে সমাজ উন্নতিত হাত আগবঢ়াব পাৰিব। এগৰাকী শিক্ষিতা মহিলাৰ চিন্তাধাৰা, ভাৱভংগী যিকোনো দিশতে এগৰাকী অশিক্ষিতা মহিলাতকৈ বহুগুণে ওপৰত। এগৰাকী শিক্ষিতা মহিলাৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতা বহু বেছি। যিকোনো বিষয় তেওঁলোকে সমালোচনাৰ দৃষ্টিভংগীৰে ফঁহিয়াই চাই নিজে সিদ্ধান্ত ল'ব পাৰে। এগৰাকী শিক্ষিতা মহিলাৰ দৈনন্দিন জীৱনৰ ঠেক পৰিসৰ ভাঙি চুৰমাৰ কৰি দিব পাৰে। শিক্ষাই ঘৰৰ চাৰি বেৰৰ দেৱালৰ মাজত আৱদ্ধ এগৰাকী নাৰীৰ বাবেই সুন্দৰ বহিৰ্জগতত প্ৰৱেশ কৰা এক উন্মুক্ত দ্বাৰ। এগৰাকী শিক্ষিত নাৰীয়ে দেশৰ আইন কানুনবোৰ ভালদৰে বুজিব পাৰে। নাৰী জাগৰণ তথা নাৰী সৱলীকৰণো শিক্ষিতা মহিলাই আনিব পাৰে। দৰিদ্ৰতা দূৰীকৰণ, স্বাস্থ্য সমতা, সুস্থিৰ অৰ্থনীতি, পুষ্টিহীনতা, মহিলা সৱলীকৰণ আদি বিভিন্ন দিশত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

সম্প্ৰতি নাৰীৰ স'তে পুৰুষৰ শিক্ষাৰ কোনো পাৰ্থক্য নাই, কিন্তু এই পৰ্যায় পাবলৈকে নাৰীয়ে মধ্য যুগৰ পৰা ঊনবিংশ শতিকাৰ মাজভাগলৈকে অপেক্ষা কৰিবলগীয়া হৈছিল। বাল্য বিবাহৰ গ্ৰাসত শিক্ষাৰ পোহৰ নোপোৱাকৈয়ে বহু কন্যা শিশুৱে হোমৰ কাষত বহিবলগীয়া হৈছিল। ঊনবিংশ শতিকাৰ তৃতীয় চতুৰ্থ দশকটো নাৰীৰ বাবে অতি উল্লেখযোগ্য সময়। এই সময়ছোৱাত ভাৰতত এক নৱজাগৰণৰ উন্মেষ ঘটে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজত্ব সুদৃঢ় হৈ অহাৰ লগে লগে পশ্চিমীয়া শিক্ষা ভাৰতত সম্প্ৰসাৰিত হয়। এই নৱজাগৰণৰ উন্মেষ কালতে ভাৰতলৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰথম গৰ্ণৰ জেনেৰেল হৈ আহে লৰ্ড উইলিয়াম বেণ্টিক। বেণ্টিংকে আন সংস্কাৰমূলক কাৰ্যৰ লগতে স্ত্ৰী শিক্ষাৰ প্ৰচলন, বাল্য বিবাহ, সতীদাহ প্ৰথ নিবাৰণত গুৰুত্ব দিছিল। ৰাজা ৰামমোহন ৰায়, দয়ানন্দ সৰস্বতী আদি বৰেণ্য ব্যক্তিৰ উদ্যোগত স্ত্ৰী শিক্ষাৰ নৱজাগৰণৰ সৃষ্টি হয়।

বিংশ শতিকাৰ আৰম্ভণি মানেই নাৰীৰ বাবে শৈক্ষিক দিশটোৰ শুভ উদ্বোধনী বুলি ক'ব পাৰি। পুৰুষৰ লগতে ক্ৰমশঃ নাৰীয়েও শিক্ষা আহৰণ কৰাৰ পথ প্ৰশস্ত হ'ল। কলা, বিজ্ঞান, বাণিজ্য, সুকুমাৰ কলা যেনে - সংগীত, নৃত্য, চিত্ৰকলা, অভিনয়, ৰাজনীতি আদি সকলো দিশতে নাৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুওৱাৰ পথ উন্মোচিত হ'ল। আজি একবিংশ শতিকাত বিশ্বৰ কথাতো বাদেই ভাৰতীয় নাৰীয়ে জল, স্থল, মহাকাশত বিশেষ ব্যুৎপত্তি দেখুৱাবলৈ সক্ষম হৈছে।

এনে চৰম উৎকৰ্ষ লাভৰ সময়তো ভাৰতবৰ্ষৰ তথা অসমৰ গ্ৰামাঞ্চল আৰু অনুন্নত অঞ্চলত এতিয়াও নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা, গুৰুত্ব উপলব্ধ হোৱা নাই। ১৯৭১ চনৰ লোক পিয়লৰ তথ্য মতে ভাৰতৰ প্ৰায় ২১.৫ কোটি নাৰী অশিক্ষিতা। উল্লেখযোগ্য যে ১৯৯৮ চনত ইউনিচেফে প্ৰকাশ কৰা তথ্য অনুযায়ী বিশ্বৰ মুঠ জনসংখ্যাৰ এক ষষ্ঠাংশ নিৰক্ষৰ লোকক লৈ মানৱ জাতিয়ে একবিংশ শতিকাৰ দুৱাৰ ডলিত ভৰি দিছে। এই সংস্থাই ১৯৯৯ চনত প্ৰকাশ কৰা পৰিসংখ্যাৰ তথ্য অনুযায়ী ব্যৱহাৰিক সাক্ষৰতা নথকা লোকৰ মাজত দুই-তৃতীয়াংশই হ'ল নাৰী। এইবোৰ দিশলৈ লক্ষ্য ৰাখিয়েই সমগ্ৰ বিশ্বতে ১৯৭৫ চনৰ বছৰটো 'আন্তঃজাৰ্তিক নাৰী বৰ্ষ' হিচাপে উদ্‌যাপন কৰাৰ লগতে ৮ মাৰ্চ তাৰিখটো আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস হিচাপে পালন কৰা হৈছে। নাৰী শিক্ষাৰ জাগৰণ অবিহনে সমাজ তথা দেশৰ প্ৰগতি অসম্ভৱ। নাৰীৰ স্থান ঘৰৰ চাৰিসীমাৰ ভিতৰত আৱদ্ধ কৰি ৰখাৰ দিন এতিয়া উকলিল। আজিৰ কন্যা কাইলৈ দেশৰ ভৱিষ্যত প্ৰজন্মৰ জননী। অন্ধবিশ্বাস, আওপুৰণি কু-সংস্কাৰৰ পৰা পৰিয়ালৰ সকলো সদস্যক মুক্ত কৰা, পৰিৱেশ সচেতনতা বৃদ্ধি কৰা, বেমাৰ-আজাৰ আদি আগতীয়া প্ৰতিৰোধৰ ব্যৱস্থা লোৱা, সাক্ষৰতা অভিযান আদি নানা ইতিবাচক দিশবোৰ পৰিচালনা কৰা এগৰাকী শিক্ষিতা গৃহিণীৰ পক্ষেহে সম্ভৱ।

ভাৰতীয় সংবিধানত পুৰুষ আৰু নাৰীৰ সমস্থান বুলি ঘোষিত হ'লেও আজিও সংসদ আৰু বিধানসভাত মহিলাও ৩৩ শতাংশ আসন সংৰক্ষণৰ বিধেয়কখন গৃহীত হোৱা নাই। নাৰী শিক্ষাই ৰাজনৈতিক আৰু সামাজিক সচেতনতা বৃদ্ধি

কৰাৰ সময়ত এতিয়াও বাটে-পথে নাৰী শ্ৰমিকৰ সংখ্যাই অধিক। শিশু কন্যা শ্ৰমিকে আজিও প্ৰায়বোৰ পৰিয়ালতে হাত ধৰি লিগিৰী হৈ দিন কটাবলগীয়া হৈছে। গোলকীকৰণ প্ৰভাৱে আজি ভাৰতীয় অধিকাংশ নাৰীক পাশ্চাত্য সংস্কৃতি আকোঁৱালি ল'বলৈ প্ৰৰোচিত কৰিছে। বহুজাতিক পাশ্চাত্যৰ সংস্থাবোৰৰ উৎপাদিত বিলাসী সামগ্ৰীবোৰ হাততে পোৱা কৰি দিয়াত এফালে ভোগবাদী সংস্কৃতিয়ে এচাম নাৰীক পণ্যলৈ পুনৰ ৰূপান্তৰিত কৰিছে। ইয়াৰ বিপৰীতে এচাম নাৰীয়ে সামান্যতম শিক্ষাৰ পৰাও বঞ্চিত হৈ হাড়ভগা পৰিশ্ৰম কৰিও প্ৰাপ্য অৰ্থ নাপায় ক্ষুধাত দিন কটাইছে। নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ঢাক-ঢোল বজোৱাৰ সময়তে ভাৰতৰ বিভিন্ন চুকে-কোণে সতীদাস, ডাইনী হত্যা, শিশু কন্যা বধ, শিশু কন্যা ভ্ৰূণ হত্যা, ধৰ্ষণ, বলাৎকাৰ, যৌতুকৰ বাবে বোৱাৰী হত্যা আদি পৰিঘটনা সঘনাই ঘটিব ধৰিছে। কন্যা বৰ্ষ, ৮ মাৰ্চৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰাসংগিকতা এনে ক্ষেত্ৰত উপাহাস বুলি ক'লেও নিশ্চয় অত্যুক্তি কৰা নহ'ব।

নাৰীয়ে ভোগ কৰি অহা নেতিবাচক দিশবোৰৰ বিপক্ষে থিয় হ'বলৈ প্ৰতি গৰাকী নাৰী হ'ব লাগিব উপযুক্ত শিক্ষাৰে শিক্ষিতা। শিক্ষাই দিয়া সজাগতাৰে নাৰীয়ে ভোগ কৰিবলৈ ওলাই আহিব লাগিব সাংবিধানিক স্বাধীনতা। প্ৰাপ্তবয়স্ক শিক্ষা নীতিৰ জৰিয়তে বয়স্ক মহিলাসকলে প্ৰাথমিক শিক্ষাৰ আদিপাঠ লৈ আত্মসহায়ক গোটৰ জৰিয়তে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ পথ সম্প্ৰতি প্ৰশস্ত হৈছে। কেৱল প্ৰাত্যাহিক ঘৰুৱা কামতে নিজক আৱদ্ধ নাৰাখি প্ৰতিগৰাকী নাৰীয়ে স্ব-আৰ্জিত শিক্ষাৰ জৰিয়তে সমজুৱাভাৱে শিল্প বাণিজ্যত মনোনিবেশ কৰিলে অৰ্থনৈতিক স্থিতি সৱল হোৱাৰ লগতে সমাজৰো উন্নতি হ'ব। কেৱল পুথিগত শিক্ষাই মূল ভেটি বুলি ভবাৰ দিন এতিয়া উকলিল। কেৱল পুৰুষ সদস্যৰ ওপৰতে পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব নিদি পুথিগত কিম্বা শিল্পগতভাৱে আয়ত্ব কৰা হস্তবিদ্যাৰ জৰিয়তে মহিলা সদস্য সকলেও অৰ্থনৈতিকভাৱে সহায়ৰ হাত আগবঢ়াব লাগিব। পৰিয়ালৰ মুৰব্বীয়েও নিজ কন্যা সন্তানক সৰুতে বিয়া নিদি উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ পথ দেখুৱাব লাগিব।

শৈক্ষিক বিষয়ত প্ৰতিগৰাকী নাৰীক, কন্যা শিশুক দক্ষ কৰি তুলিবৰ বাবে এচাম সচেতকৰ নিতান্ত প্ৰয়োজন। প্ৰচাৰ মাধ্যমৰ জৰিয়তে সজাগতা বৃদ্ধি কৰিব পাৰি। মুঠতে গাঁৱে-ভুঁঞে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে জনজাগৰণৰ সৃষ্টি কৰিব লাগিব। উপযুক্ত বয়সত প্ৰতি গৰাকী কন্যা শিশু বিদ্যালয়লৈ গৈছে নে নাই দৃষ্টি ৰাখিব লাগিব, দৰিদ্ৰৰ সীমাৰেখাৰ তলৰ কন্যাক শিক্ষাৰ উচ্চতম পৰ্যায়লৈকে চৰকাৰীভাৱে মাচুল ৰেহাই দিয়া বা বৃত্তি দিয়াৰ ব্যৱস্থা কৰিব লাগিব; কন্যা শিশুৰ শ্ৰমদান আইন মতে দণ্ডনীয় কৰিব লাগিব। প্ৰাপ্তবয়স্ক শিক্ষা নীতিৰ পুনৰ প্ৰচলন কৰাব লাগিব; কুটীৰ শিল্পৰ শিক্ষাদান গাঁৱে-ভুঁঞে অপৰিহাৰ্য কৰাব লাগিব; সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক দিশত কাম কৰাৰ পথ নাৰীৰ বাবে মুক্ত ৰাখিব লাগিব। তেতিয়াহে নাৰী শিক্ষাৰ প্ৰাসংগিকতা প্ৰকৃতাৰ্থত সফল হ'ব। মন কৰিবলগীয়া কথা এয়ে যে শিশুৰ অধিকাৰ আইন, সাক্ষৰ ভাৰত মিছন বা অন্য কোনো শিক্ষা বিষয়ক আঁচনিয়েই হওক বিভিন্ন কাৰণত এতিয়াও সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। আজি শিশুৰ অধিকাৰ আইনে শিশুৰ শিক্ষা বাধ্যতামূলক কৰিছে যদিও এতিয়াও সকলো শিশুকে সামৰি ল'ব পৰা নাই। ঠিক তেনেদৰে সাক্ষৰ ভাৰত মিছনেও এতিয়াও বহুত ভিতৰুৱা ঠাইৰ মহিলাসকলক চুবগৈ পৰা নাই। তাৰ বাবে অকল চৰকাৰ বা সমাজখনক দোষাৰোপ কৰি থাকিলে সমস্যাৰ সমাধান নহয়। চৰকাৰী কাৰ্যসূচী বা আইন প্ৰণয়নৰ ওপৰত ভৰষা কৰি বহি থাকিলেই নাৰী শিক্ষা সম্ভৱ নহয়। তাৰ বাবে আমি প্ৰত্যেকজন নাগৰিকে সচেতন হ'ব লাগিব। সমাজৰ প্ৰতিগৰাকী লোকে স্ত্ৰী শিক্ষাৰ বিস্তাৰৰ বাবে হাতে-কামে লাগিব লাগিব। তেতিয়াহে নাৰী শিক্ষাৰ সুফল পোৱা যাব। আমি বিভিন্ন নাৰী সংগঠনে ঠায়ে ঠায়ে কৰ্মশালা, সজাগতা শিবিৰ, বিভিন্ন ধৰণৰ অনুষ্ঠান পাতি নাৰীসকলক অনুপ্ৰাণিত কৰাব পাৰিলে নিশ্চয় মহিলাসকল আগবাঢ়ি আহিব। বিভিন্ন অনুষ্ঠানৰ যোগেদি নাৰীসকলক অনুপ্ৰাণিত কৰিব পাৰিলে নিশ্চয় আত্মনিৰ্ভৰশীল হ'ব। নহ'লে অদূৰ ভৱিষ্যতে এই নিৰক্ষৰ লোকসকল সমাজৰ বোজা হৈ পৰিব। দেশৰ প্ৰগতিত হেঙাৰ হৈ পৰিব। নাৰী জাতি শিক্ষিত হ'লেহে দেশৰ উন্নয়নত হাত আগবঢ়াব পাৰিব।

# নাৰী শিক্ষা

**মনস্বিনী শৰ্মা**
স্নাতক পঞ্চম ষান্মাসিক
অৰ্থনীতি বিভাগ



শিক্ষাই অজ্ঞনতাৰ তমসা আঁতৰায় জ্ঞানৰ পোহৰ বিলায়। শিক্ষা হৈছে মানুহৰ জীৱনৰ দিগ্-দৰ্শন। এখন দেশ তথা সমাজৰ ভৱিষ্যত নিৰ্ভৰ কৰে দেশ তথা সমাজখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। সেই শিক্ষা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োটাই হ'ব পাৰে। দেশ এখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে মহিলাসকলৰ শিক্ষাৰ ওপৰত। দেশ এখনৰ শিক্ষিত হাৰ নিৰ্ধাৰণত মহিলাৰ শিক্ষিত হাৰে যথেষ্ট প্ৰভাৱ পেলায়। পণ্ডিত জৱাহৰলাল নেহৰুৱে সেয়ে কৈছিল, 'এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষা দিয়া।' ২০১১ চনৰ লোকপিয়ল অনুসৰি পুৰুষৰ শিক্ষিত হাৰ ৭৮.৮১ শতাংশ আৰু মহিলা শিক্ষিত হাৰ ৬৭.২৭ শতাংশ। এই ক্ষেত্ৰত পুৰুষৰ শিক্ষিত হাৰৰ সমপৰ্যায় মহিলাৰ শিক্ষিত হাৰ হ'ব পৰা নাই।

ভাৰতবৰ্ষত নাৰী শিক্ষাৰ পৰম্পৰৰ ওপৰত বৈদিক সাহিত্যসমূহত অনেক তথ্য পোৱা যায়। প্ৰাচীন শাস্ত্ৰত গাৰ্গী, মৈত্ৰেয়ীৰে শ্লোক ৰচনা কৰিছিল। লোপামুদ্ৰা, সাৱিত্ৰী, ইন্দ্ৰানী, অত্ৰিকন্যা আদি নাৰীয়ে সেই সময়ত সমাজত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু খ্ৰীষ্টিয় দ্বিতীয় শতাব্দীত ঋষি মনুৱে ৰচনা কৰা 'মনু সংহিতা'ই সমাজত নাৰী মৰ্যদাৰ ওপৰত কুঠাৰঘাত কৰে। তেওঁ নাৰীক অকল ভোগ্য পণ্য বুলি মত প্ৰকাশ কৰি নাৰীক সকলো শিক্ষা-দীক্ষা গ্ৰহণ কৰাৰ পৰা বিৰত ৰখাৰ দৰ্শন প্ৰকাশ কৰে। 'মনু সংহিতা' ৰচনা হোৱাৰ পৰা ঊনবিংশ শতিকাৰ আদি ভাগলৈ নাৰী শিক্ষাৰ বাবে ভাৰতত কোনো উদ্যোগ লোৱা নাছিল আৰু নাৰীয়ে চাৰিবেৰৰ মাজত আৱদ্ধ হৈ থাকিবলৈ বাধ্য হৈ পৰিছিল। ভাৰতত ইংৰাজ লৰ্ড উইলিয়াম বেণ্টিংকে

নাৰী শিক্ষাৰ অধিকাৰ প্ৰদান কৰে।

আধুনিক ভাৰতৰ সংবিধানে নাৰীক পুৰুষৰ সমান অধিকাৰ প্ৰদান কৰিছে আৰু পুৰুষ-নাৰী উভয়ৰে বাবে শিক্ষা বাধ্যতামূলক কৰিছে। কিন্তু দুখৰ বিষয় যে বিজ্ঞানৰ এই চৰম উন্নতিৰ যুগতো শিক্ষাৰ ক্ষেত্ৰত নাৰী পিছ পৰি আছে। নাৰী শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ সমস্যা আজিও আমাৰ সমাজত বিদ্যমান। এতিয়াও কিছুমান অঞ্চলত পিতৃ-মাতৃয়ে কন্যা সন্তানক শিক্ষানুষ্ঠানলৈ পঠোৱাত হেলা কৰা দেখা যায়। আৰ্থিকভাৱে দুৰ্বল অভিভাৱকে ছোৱালীতকৈ ল'ৰা সন্তানকহে শিক্ষানুষ্ঠানলৈ পঠিয়ায়। অভিভাৱকৰ অজ্ঞতা আৰু নিৰক্ষৰতাৰ বাবে নাৰী শিক্ষাৰ সমস্যাৰ সৃষ্টি হয়। ছোৱালীক বোজা বুলি গণ্য কৰি পঢ়া-শুনাতকৈ বিয়া দিয়াৰ বাবেহে বেছি চিন্তা কৰে।


স্বাধীনতাৰ পাছত ৰাধাকৃষ্ণন আয়োগ, মুডালিয়াৰ আয়োগ, কোঠাৰী আয়োগ আদিয়ে স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়বোৰত নাৰীসকলৰ উপযোগী বিভিন্ন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰি নাৰীসকলক শিক্ষাৰ বাবে বৰ্ধিত সা-সুবিধাৰ ব্যৱস্থা কৰা হয়। সাধাৰণ শিক্ষাৰ লগত কাৰিকৰী শিক্ষাৰ দিশতো নাৰীসকলে পুৰুষৰ লগত সমানে আগবাঢ়ি যায়। চৰকাৰী সহায়, বিভিন্ন নাৰী সংস্থাৰ উদ্যোগ আদিৰ যোগেদি বৰ্তমান নাৰীসকলৰ মাজৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ প্ৰয়াস আৰম্ভ হৈছে। বৰ্তমান ভাৰতত স্বীকৃতিপ্ৰাপ্ত ১৪ খন মহিলা বিশ্ববিদ্যালয় আছে যিসমূহে নাৰীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত অৱদান যোগায় আহিছে। আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীসকলৰ প্ৰচেষ্টাত শিৱসাগৰ, নগাঁও, কামৰূপ জিলাত কেইবাখনো ছোৱালীৰ বাবে স্কুল স্থাপিত হয়। ইয়াৰ পাছত অসমৰ বিভিন্ন ঠাইত ছোৱালী কলেজ স্থাপন হ'বলৈ ধৰিলে। ইয়াৰ লগে লগে নাৰীৰ মাজত শিক্ষাৰ প্ৰতি আগ্ৰহ বাঢ়িবলৈ ধৰে। কলেজত সাধাৰণ শিক্ষা গ্ৰহণৰ উপৰিও নাৰীসকলে কাৰিকৰী শিক্ষাৰ দিশত প্ৰগতি লাভ কৰে। বৰ্তমান পুৰুষৰ সমানে সকলো ক্ষেত্ৰতে নাৰী আগুৱায় যোৱা দেখা গৈছে।

নাৰী শিক্ষাৰ বাবে সমগ্ৰ ভাৰতৰ লগতে অসমতো চৰকাৰে কিছুমান ব্যৱস্থা হাতত লৈছে। শিক্ষানুষ্ঠানসমূহত ছোৱালীৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা আছে।

স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত ল'লেও সমাজখনৰ কিছুমান সংকীৰ্ণ মনোভাৱ, অন্ধবিশ্বাসৰ বাবে স্ত্ৰী শিক্ষাৰ প্ৰসাৰত কিছুমান বাধাৰ সৃষ্টি নোহোৱাও নহয়। বিশেষকৈ গ্ৰামাঞ্চলত স্ত্ৰী শিক্ষাৰ বিশেষ প্ৰসাৰ লাভ কৰা নাই। অৰ্থনৈতিক অনগ্ৰসৰতাৰ বাবে গাঁৱৰ ছোৱালীবোৰে খুব কম বয়সত পঢ়া-শুনা বাদ দি গাৰ্হস্থ্য জীৱনত সোমাবলৈ বাধ্য হৈ পৰে। ৰক্ষণশীল মনোভাৱে ছোৱালীক পঢ়ুৱাতকৈ বিয়া দিয়াৰ প্ৰতিহে আগ্ৰহী কৰি তোলে। অনুন্নত ভিতৰুৱা ঠাইৰ পৰা ছোৱালীসকলে স্কুল-কলেজলৈ যাবলৈ অসুবিধাৰ সন্মুখীন হয়।

এজন শিশুৰ প্ৰথম শিক্ষা আৰম্ভ হয় ঘৰখন তথা মাতৃগৰাকীৰ পৰা। মাত ফুটাৰ পৰা আৰম্ভ কৰি জীৱনৰ আদিপাঠ প্ৰথম মাকৰ পৰা শিকে। দেশৰ ভৱিষ্যত শিশুসকলক সুশিক্ষা দিবলৈ মহিলাসকল শিক্ষিত হোৱা বাঞ্চনীয়। তাৰোপৰি এগৰাকী শিক্ষিতা মহিলাৰ চিন্তাধাৰা, ভাৱভংগী যিকোনো দিশতে এগৰাকী অশিক্ষিতা মহিলাতকৈ বহুগুণে ওপৰত। এগৰাকী শিক্ষিতা মহিলাৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতা বহু বেছি। যিকোনো বিষয় তেওঁলোকে সমালোচনাৰ দৃষ্টিভংগীৰে ফঁহিয়াই চাই নিজে সিদ্ধান্ত ল'ব পাৰে। শিক্ষা হৈছে ঘৰৰ চাৰি বেৰৰ দেৱালৰ মাজত আবদ্ধ এগৰাকী নাৰীৰ বাবেই সুন্দৰ বহিৰ্জগতত প্ৰৱেশ কৰাৰ এক উন্মুক্ত দ্বাৰ। নাৰী সবলীকৰণো শিক্ষিতা মহিলাইহে আনিব পাৰে।

কেৱল চৰকাৰী আইন বা কাৰ্যসূচীৰ ওপৰত ভৰষা কৰি বহি থাকিলে নাৰী শিক্ষা সম্ভৱ নহয়। তাৰ বাবে সমাজৰ প্ৰতিগৰাকী লোকে স্ত্ৰী শিক্ষাৰ বিস্তাৰৰ বাবে হাতে-কামে লাগিব লাগিব। তেতিয়াহে নাৰী শিক্ষাৰ সুফল পোৱা যায়। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ যোগেদি নাৰীসকলক বৃত্তিমূলক প্ৰশিক্ষণ দি আত্মনিৰ্ভৰশীল কৰিব লাগিব। সম্প্ৰতি লাভলীনা বৰগোহাঁই, মীৰাবাই চানু, হীমা দাস, পি.ভি.সিন্ধু, মেৰীকম আদি মহিলাই বিভিন্ন দিশত আগবাঢ়ি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে।




# ড° নাহেন্দ্ৰ পাদুন ছাৰৰ সৈতে কথোপকথন

**সাক্ষাৎ গ্ৰহণ ঃ ৰীমা দত্ত আৰু সুপ্ৰিয়া ভট্টাচাৰ্য্য**

**১। প্ৰৱাহিনী ঃ নমস্কাৰ মহাশয়, শিৱসাগৰ ছোৱালী কলেজৰ পৰিয়ালৰ তৰফৰ পৰা আপোনালৈ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জনাইছো।**

**পাদুন ছাৰ ঃ** ধন্যবাদ জনাইছো।

**২। প্ৰৱাহিনী ঃ প্ৰথমেই আপোনাৰ জন্ম, শৈশৱ আৰু পৰিয়ালৰ বিষয়ে আমি জানিব বিচাৰিছো।**

**পাদুন ছাৰ ঃ** মোৰ জন্ম ১৯-০৩-১৯৪১ চনত লক্ষিমপুৰ জিলাৰৰ নৈ-পৰীয়া এখন আওহতীয়া গাঁও ৰিগৰি মিচিং গাঁৱত। ৰিগৰি গাঁওখন পুৰণি মুৰ্কংচেলেকৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে আছিল। মোৰ পিতৃৰ নাম বেলুৰাম পাদুন আৰু মাতৃৰ নাম অৰুতি পাদুন। আমাৰ পাঁচোটি সন্তানৰ দ্বিতীয়টি সন্তান মই। 'ক' শ্ৰেণীৰ প্ৰাথমিক শিক্ষা পিতৃৰ যত্নত ঘৰতে আহৰণ কৰোঁ। ১৯৫১ চনত ফিল'বাৰীত নতুনকৈ স্থাপন কৰা ৰবৰগুৰি প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰোঁ।

**৩। প্ৰৱাহিনী ঃ আপোনাৰ শিক্ষা জীৱনৰ বিষয়ে আমি জানিব বিচাৰিছোঁ।**

**পাদুন ছাৰ ঃ** ১৯৫৭ চনত মই ফিল'বাৰী এম.ই. স্কুলৰ পৰা উত্তীৰ্ণ হৈ ডুমডুমাৰ হৰলাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ সপ্তম



শ্ৰেণীত নামভৰ্তি কৰোঁ। মোৰ প্ৰাথমিক শিক্ষা বুলি ক'বলৈ হ'লে আমাৰ ঘৰতে হৈছিল বুলি ক'ব পাৰি। দেউতাই দ্বিতীয় মহাসমৰৰ আগতেই এল.পি.স্কুল পাছ কৰিছিল। সেই সময়ত এল.পি.স্কুল পাছ কৰাটো এক বৰ ডাঙৰ কথা। তাৰ পিছৰ পৰাই দেউতাই ক'ৰবাত ক'ৰবাত শিক্ষকতা কৰিছিল। যুদ্ধ-বিগ্ৰহ আৰু নানান কাৰণত চাকৰি এৰি ঘৰলৈ গুচি আহিছিল। তাৰ পাছত ঘৰত থাকিয়েই ককাইদেউ আৰু মোক ঘৰতেই পঢ়াবলৈ ল'লে। আমি 'ক' মান ঘৰতেই শেষ কৰিলোঁ। তাৰ পাছত ১৯৪৯ চনত আমাৰ গাঁৱত এখন এল.পি.স্কুল গঢ় লৈ উঠিল। তাত ৬ মাহমান মিচিং ভাষা শিকিহে পঢ়িব পৰা হৈছিল। ইয়াৰ পাছত ১৯৫১ চনত ফিল'বাৰীলৈ আহিলোঁ। ফিল'বাৰীৰ ৰবৰগুৰি এল.পি.স্কুলত পঢ়িলোঁ। এইখন স্কুলত পঢ়োতে আন ল'ৰাবোৰে আমাক খুব ইতিকিং কৰিছিল। বিশেষকৈ সেই সময়ছোৱাত আমাক 'মিৰি' বুলি ইতিকিং কৰি তাচ্ছিল্য কৰিছিল। সেই তুচ্ছ-তাচ্ছিল্যবোৰ চেলেঞ্জ কৰি আমি গ্ৰহণ কৰিবলগা হৈছিল। অসমীয়া ক'ব নজনাৰ বাবেও এই ইতিকিং। যেতিয়া দ্বিতীয় আৰু তৃতীয় শ্ৰেণী পালোগৈ তেতিয়া কিছু সচেতন হ'লো। উচ্চাৰণ শুদ্ধ কৰিবলৈ শিকিলো। ব্যাকৰণ পঢ়িবলৈ ল'লোঁ। মহাপ্ৰাণ বৰ্ণৰ বিষয়ে গম পালোঁ। মহাপ্ৰাণ বৰ্ণৰ উচ্চাৰণ কৰিবলৈ শিকিলোঁ। তৃতীয় শ্ৰেণীলৈ পাওঁতে উচ্চাৰণ সম্পৰ্কত কিছু সচেতনতা আছিল ১৯৬১ চনত ডুমডুমা হাইস্কুলৰ পৰা সুখ্যাতিৰে শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিলোঁ।

হাইস্কুলীয়া শিক্ষা সমাপ্ত কৰি ১৯৬২ চনৰ পৰা ১৯৬৫ চনলৈকে ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজত প্ৰাক্ স্নাতক আৰু স্নাতক শ্ৰেণীত অধ্যয়ন কৰোঁ। ১৯৬৩ চনত মই প্ৰাক্-স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ ইংৰাজী বিষয়ত অনাৰ্চ লৈ স্নাতক শ্ৰেণীত নামভৰ্তি কৰোঁ। কিন্তু নতুনকৈ আৰম্ভ কৰা বাবে ইংৰাজী বিষয়ত প্ৰয়োজনীয় কিতাপ পত্ৰৰ নাটনি তথা অভিজ্ঞ শিক্ষকৰ অভাৱৰ বাবে মই পৰৱৰ্তী বছৰটোত খোলা অসমীয়া বিষয়ত অনাৰ্চ লওঁ। ১৯৬৫ চনত হনুমানবক্স সুৰযমল কানৈ কলেজৰ পৰা অসমীয়া বিষয়ত স্নাতক পৰীক্ষাত উত্তীৰ্ণ হওঁ। স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ মহলাৰ বাবে আবেদন কৰিছিলো। কিন্তু নামৰ তালিকাত মোৰ নাম নাছিল। এই সন্দৰ্ভত অসমীয়া বিভাগৰ মুৰব্বী ড° মহেশ্বৰ নেওগক সাক্ষাৎ কৰি জানিব পাৰিলো যে সমকালীন কাকত-আলোচনীত প্ৰকাশিত কবিতা আৰু অন্যান্য লেখাৰে পৰিচিত নাহেন্দ্ৰ পাদুন এজন বয়সস্থ লোক বুলি ভাবি নামভৰ্তিৰ বাবে বিবেচনা কৰা নাছিল। তেতিয়া মই এজন নিয়মিত ছাত্ৰৰূপে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ অহাৰ প্ৰমাণ দাঙি ধৰাত অৱশেষত শেহতীয়াকৈ স্নাতকোত্তৰ মহলাত পঢ়াৰ সুযোগ পাওঁ। স্নাতকোত্তৰ পৰীক্ষা সমাপ্ত কৰি মই আইন মহাবিদ্যালয়ত নামভৰ্তি কৰোঁ।

**৪। প্ৰৱাহিনী ঃ আপোনাৰ সাহিত্যৰ প্ৰথম খোজটো কেনেদৰে আৰম্ভ কৰিছিল?**

**পাদুন ছাৰ ঃ** সাহিত্যৰ প্ৰথম খোজ বুলি ক'বলৈ হ'লে স্কুলীয়া শিক্ষাৰ আৰম্ভণিৰ পৰাই বুলি ক'ব লাগিব, মই এম.ই. স্কুল পাছ কৰি ডুমডুমা হুনলাল হাইস্কুলত ১৯৫৭ চনত নাম লগোৱা সময়ৰ ঘটনা, সেই সময়ত স্কুলত 'জিলিঙনি' নামৰ এখন আলোচনী প্ৰকাশ কৰিবলৈ আয়োজন কৰিছিল। সেই আলোচনীত ময়ো এটা গল্প লিখি দিছিলোঁ। এইটোৱেই মোৰ

প্ৰথম লেখা নহয়, পঞ্চম শ্ৰেণীত থাকোঁতে এটা কবিতা গৌৰীকান্ত তালুকদাৰৰ সম্পাদিত 'দীপক'ত প্ৰকাশ হৈ ওলাই গৈছে। 'জিলিঙনি'ত সম্পাদিত হ'বলগীয়া গল্পটো নিৰ্বাচন কৰিবৰ সময়ত সম্পাদকে মোক সুধিলে— 'তুমি ক'ৰপৰা গল্পটো নকল কৰিলা?' মই উত্তৰত ক'লো 'মই নিজেই লিখিছোঁ।' কিছুদিনৰ পাছত আলোচনীৰ ভাৰপ্ৰাপ্ত শিক্ষক হৰেণ ভট্ট ছাৰে পোনপটীয়াকৈ সুধিলে— 'তুমি ক'ৰপৰা নকল কৰিছা?' মই ক'লো- 'ছাৰ মই নিজেই লিখা।' সকলোৱে এনেধৰণৰ প্ৰশ্ন সোধাৰ কাৰণটো হ'ল আমি (অৰ্থাৎ মিচিং ল'ৰাবোৰে) তেতিয়ালৈ অসমীয়া মাত-কথাবোৰ সম্পূৰ্ণকৈ আয়ত্ব কৰিব পৰা নাছিলোঁ। স্কুলত মোক বাৰে বাৰে একেটা কৰাত মই বৰ অপমানিত হ'লো। শেষত গল্পটো প্ৰকাশ নহ'ল। তেতিয়া হয়তো গল্পটো লেখাত ভাল আছিল সেইবাবে তেওঁলোকে সন্দেহ কৰিলে। তেতিয়াৰ পৰা থিৰাং কৰিলো জীৱনত আৰু কেতিয়াও গল্প নিলিখোঁ। মোৰ আৰু গল্প লিখা নহ'ল। তাৰ পাছত চেলেঞ্জতেই অষ্টম শ্ৰেণীত পঢ়ি থাকোঁতেই 'ৰামধেনু'ত প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰিলোঁ। এনেদৰেই প্ৰবন্ধ, ৰচনা, কবিতা, আলোচনা চক্ৰ আদিৰ মাধ্যমেৰে মোৰ সাহিত্য জীৱনৰ প্ৰথমটো খোজ আগবঢ়াইছিলোঁ।

**৫। আপুনি লাভ কৰা বঁটা আৰু উপাধিসমূহৰ বিষয়ে আমাক জনাব নেকি?**

**পাদুন ছাৰ ঃ** মই লাভ কৰা ৰাষ্ট্ৰীয়/দেশীয় বঁটাসমূহ হ'ল—

- 'মোৰ লগৰীয়া' কবিতাপুথিৰ বাবে ভাৰত চৰকাৰৰ শিক্ষা আৰু সমাজ কল্যাণ মন্ত্ৰালয়ৰ পৰা পুৰস্কাৰ (১৯৭৪)
- অসমীয়া সাহিত্য সন্মিলনীৰ দ্বাৰা 'কেংচাম কেংলাম সোঁৱৰণি' সন্মিলনী সাহিত্য-সংহতি বঁটা।
- আহোম জাতীয় গণমঞ্চ, অসমৰ দ্বাৰা 'হেমচন্দ্ৰ বৰুৱা ভাষা সাহিত্য সাধনা বঁটা (২০১৩)
- মিচিং স্বায়ত্ব সাহিত্য পৰিষদ, গোগামুখ, ধেমাজিৰ দ্বাৰা ১৫ আগষ্ট ২০১৮ বৰ্ষত বিশেষভাৱে সন্মান।
- নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ দ্বাৰা 'আনন্দৰাম ঢেকিয়াল ফুকন বঁটা' প্ৰদান, ২০১৮ চন।

**উপাধি ঃ**

- শিৱসাগৰ (অবিভক্ত) জিলা ট্ৰাইবেল সংঘৰ দ্বাৰা মিচিং ভাষাৰ 'আগম নিগম' (ভাষা সম্ৰাট) উপাধি প্ৰদান (১৯৮৭)।
- 'নিতাই-পানীদিহিং' বাংকে আগম্ কৌবাঙৰ দ্বাৰা মিচিং ভাষাৰ মিচিং ভাষা সম্ৰাট (Mising Agom Migam) উপাধি প্ৰদান (১৯৯৩)
- মিচিং আগম কৌবাঙৰ গোগামুখত বহা ১৯তম অধিৱেশনত 'আগম মিগাং' Agom migang ভাষাবিদ) উপাধি প্ৰদান। (২০০০)
- 'দিল্লী ইণ্টাৰনেশ্যনেল পাব্লিচিং হাউচ'ৰ দ্বাৰা ২০১০ চনৰ শ্ৰেষ্ঠ নাগৰিক (Best citizen of India Award, 2010) হিচাপে নিৰ্বাচিত আৰু বঁটা প্ৰদান।
- অসম সাহিত্য সভাৰ দ্বাৰা 'সাহিত্যাচাৰ্য' সন্মান প্ৰদান (২০১৯)
- সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসমৰ দ্বাৰা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা প্ৰদান (২০২১)
- শিৱসাগৰ জিলা সাহিত্য সভাৰ দ্বাৰা 'শিৱসাগৰ ৰত্ন' উপাধি প্ৰদান (৯ এপ্ৰিল, ২০২২ চন)
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান। (০৩-০৫-২০২২)

**বঁটা বিচাৰক ঃ**

সাহিত্য অকাডেমী, সৰস্বতী সন্মান, অসম উপত্যকা বঁটা, অসম সাহিত্য সভাৰ বঁটা আদিৰ বঁটা নিৰ্বাচনৰ সদস্য।

**৬। প্ৰৱাহিনী ঃ ছাৰ আপুনি 'মিচিং আগম কৌবাং' নামৰ যিহেতু এটা অনুষ্ঠানৰ গঠন কৰিছিল। এই অনুষ্ঠানটি গঠনৰ উদ্দেশ্য কি আছিল আৰু এই অনুষ্ঠানটি গঠনৰ পূৰ্বৰ পৰা বৰ্তমানৰ পৰিস্থিতি কেনেধৰণৰ?**

**পাদুন ছাৰ ঃ** মিচিং আগম কৌবাং সহজ অৰ্থত অসমীয়াত হ'ব 'মিচিং সাহিত্য সভা'। কিন্তু মিচিং ভাষাৰ শব্দটোৰ মূল অৰ্থ হ'ব মিচিং ভাষাৰ সভা। পূৰ্বৰ পৰাই দেখা গৈছে যে আমাৰ জনগোষ্ঠীয় ভাষাসমূহ একেবাৰে অৱহেলিত। ভাষাৰ ক্ষেত্ৰত পণ্ডিতসকলৰ মাজতো ভুল ধাৰণা আছে। গৱেষণাৰ পাছত ভাষা বিজ্ঞান অধ্যয়ন কৰিবলৈ ললো। তাৰ পাছত গম পালো যে পৃথিৱীত কোনো এটা ভাষা ব্যাকৰণ নোহোৱাকৈ প্ৰচলিত হ'ব নোৱাৰে। কথাবোৰ অৱগত হোৱাৰ পাছত ভাবি পালো যে এই অৱহেলিত জনগোষ্ঠীয় ভাষাবোৰৰ একোটাকৈ ব্যাকৰণ আৰু বৈশিষ্ট্য আছে আৰু এই ভাষাবোৰক উদ্ধাৰ কৰিব লাগিব।

সকলোবোৰ চিন্তা-চৰ্চা কৰি শেষত দেখিলো যে মিচিং ভাষাটো শুদ্ধকৈ লিখি উলিয়াবৰ কাৰণে এটা প্ৰণালী উলিয়াবই লাগিব। এই কথাবোৰৰ গুৰুত্বতা উপলব্ধি কৰিয়েই গুৱাহাটী মিচিং কৌবাং নামৰ অনুষ্ঠানটি গঢ় দিয়া হ'ল আৰু তাৰে সম্পাদক হ'লো মই আৰু সভাপতি টাবুৰাম টাইড। অনুষ্ঠানটিৰ যোগেদি মিচিং ভাষাক লিখিত ৰূপত প্ৰকাশ কৰিবৰ কাৰণে পৰীক্ষামূলক এটা প্ৰচেষ্টা আৰু আঁচনি লোৱা হ'ল।

**৭। আপুনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ আগবঢ়াইছিলে। ছাত্ৰ অৱস্থাৰ পৰাই সাহিত্যৰ প্ৰতি থকা আগ্ৰহে ভৱিষ্যত জীৱনত আপোনাক কেনেদৰে সহায় কৰিছিল?**

**পাদুন ছাৰ ঃ** স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ মই স্নাতকোত্তৰ মহলাত পঢ়াৰ বাবে গুৱাহাটীলৈ ঢাপলি মেলিলো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাত নামভৰ্তি কৰিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলোঁ। নিজৰ অধ্যয়নৰ মাজতে মই গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ 'স্নাতকোত্তৰ মহলা আলোচনী' (১৯৬৬-৬৭) প্ৰকাশ পাইছিল। মই ভাষাতত্বৰ ছাত্ৰ হিচাপে আৰু আলোচনী সম্পাদকৰূপে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত যশস্যা অৰ্জন কৰিবলৈ সক্ষম হৈছিলোঁ।

ছাত্ৰ অৱস্থাৰ পৰা সক্ৰিয়ভাৱে সাহিত্য চৰ্চাৰ লগত জড়িত আছিলো আৰু ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক হিচাপে মই বিশ্ববিদ্যায়ৰ সাহিত্য চৰ্চাৰ লগত জড়িত দিশসমূহত কাম কৰিবলৈ সুবিধা লাভ কৰিছিলোঁ। এনেদৰেই মোক সাহিত্য চৰ্চা আগুৱাই যোৱাত সহায় কৰিছিল।

**৮। আপুনি লাভকৰা 'শিৱসাগৰ ৰত্ন' বঁটাৰ বিষয়ে জনালে ভাল পাম।**

**পাদুন ছাৰ ঃ** শিৱসাগৰ জিলাই মোক এই সন্মান দিলে তাৰ বাবে মই কৃতজ্ঞ। 'শিৱসাগৰ ৰত্ন' বঁটাৰ দৰে সন্মান দিয়াৰ লগে লগে শিৱসাগৰৰ প্ৰতি মোৰ দায়িত্ববোধ বাঢ়িল। এতিয়া মই আৰু সচেতন হ'ব লাগিব। মই মোৰ লেখনিৰ জৰিয়তে মানুহক ভাল বাৰ্তা দিবলৈ চেষ্টা কৰিব লাগিব। এই সন্মানৰ মূল্য মই দিব লাগিব। আমাৰ মাজত এক পাৰস্পৰিক সম্পৰ্ক থকাতো প্ৰয়োজন। মোৰ বিভিন্ন ধৰণৰ সাহিত্যৰ গ্ৰন্থ প্ৰকাশ পাইছে। এনেধৰণৰ সাহিত্য জগতত মোৰ কিছুপৰিমাণে অৱদান আছে বুলি ভাবি জিলা সাহিত্য সভাই মোক শিৱসাগৰ ৰত্ন বঁটা প্ৰদান কৰিলে।

**৯। আপুনি সাহিত্য জগতৰ লগত জড়িত ব্যক্তি হিচাপে সমাজৰ বাবে কৰণীয় কি বুলি ভাৱে?**

**পাদুন ছাৰ ঃ** সমাজৰ বাবে কৰণীয় সকলোৰে বাবে বেলেগ বেলেগ হয়। সকলোৰে সমাজৰ বাবে সংস্কাৰ সাধনৰ বিষয় বেলেগ বেলেগ হয়। মিচিং ভাষাৰ লিপি নাছিলে মই এই দিশত কাম কৰিলোঁ। কোনো লোকে এই দিশত অধ্যয়ন কৰিব বিচাৰিলে সুবিধা হ'ব বুলি ভাবো। মোৰ কৰ্মৰাজীৰ জৰিয়তে সমাজলৈ যাতে এক ভাল বাৰ্তা প্ৰেৰণ কৰিবলৈ চেষ্টা কৰিম।


**১০। প্ৰৱাহিনীৰ জৰিয়তে 'শিৱাসগৰ ছোৱালী কলেজ'ৰ ছাত্ৰীসকলৰ লগতে যুৱপ্ৰজন্মৰ প্ৰতি কিবা বাৰ্তা দিব বিচাৰিব নেকি?**

**পাদুন ছাৰ ঃ** বৰ্তমানৰ যুৱপ্ৰজন্মক বিশেষভাৱে বাৰ্তা দিব লাগে বুলি মই নাভাবো। প্ৰত্যেকেই নিজৰ আগ্ৰহ থকা দিশত আগবাঢ়ি যাবলৈ চেষ্টা কৰিব লাগে। তেওঁলোকে একাগ্ৰতা আৰু সাধনাৰ জৰিয়তে সফলতা অৰ্জন কৰিব পাৰিব। ইয়াৰ লগতে তেওঁলোকৰ কৰ্মৰাজীৰ জৰিয়তে সমাজলৈ যাতে এক সু-বাৰ্তা আগবঢ়াব পাৰে। ইয়াৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা উচিত। এয়ে যুৱপ্ৰজন্মৰ প্ৰতি মোৰ বাৰ্তা। ধন্যবাদ।

# গ্ৰন্থ সমালোচনা

## দেওলাংখুই ঃ এক চমু অৱলোকন

**নেন্‌চি বৰগোহাঁই**
স্নাতক চতুৰ্থ যান্মাসিক, বুৰঞ্জী বিভাগ




অসমীয়া উপন্যাস সাহিত্যৰ জগতখনৰ জনজাতীয় জীৱনভিত্তিক উপন্যাসসমূহৰ স্থান সদায় একক আৰু অনন্য। উপন্যাসৰ পাতত জনজাতীয় সমাজ এখনৰ বিভিন্ন দিশ ধৰি ৰখাৰৰ সফল স্বাক্ষৰ বহন কৰিছে। ড° ৰীতা চৌধুৰীৰ 'দেওলাংখুই' উপন্যাস তিৱা জনগোষ্ঠীৰ পটভূমিত লিখা। 'দেওলাংখুই' হ'ল ইতিহাস আৰু কিম্বদন্তীৰ এক সুমধুৰ সংমিশ্ৰণ।

আজিৰ পৰা প্ৰায় ৬০০ বছৰৰ পূৰ্বৰ অৰ্থাৎ চতুৰ্দশ-পঞ্চদশ শতিকাৰ তিৱা সমাজ আৰু তিৱা ৰজাৰ জীৱন গাঁথাই উপন্যাসখনৰ মূল বিষয়। ইয়াৰ কাহিনীভাগ ৰজা প্ৰতাপচন্দ্ৰ, আৰিমত্ত আৰু জোঙালবলহু এই তিনি পুৰুষলৈ বিস্তৃত। কাহিনীৰ আৰম্ভণিত ৰজা প্ৰতাপচন্দ্ৰই এক বিশেষ ঘটনাৰ পাকচক্ৰত পৰি নিজৰ পত্নী চন্দ্ৰপ্ৰভাক নিৰ্বাসন দণ্ড দিয়াৰ কথা উল্লেখ আছে। চন্দ্ৰপ্ৰভা গুচি গৈছে গোভা ৰাজ্যলৈ। গোভাত থাকি আৰ্যনাৰী চন্দ্ৰপ্ৰভা তিৱা সমাজখনৰ লৈতে একাত্ম হৈ ৰূপান্তৰিত হৈছে কণচাৰিলৈ। একে কুলৰ মাজত বিবাহ নিষিদ্ধ হোৱা তিৱা সমাজৰ কঠোৰ নিয়মৰ গণ্ডী ভাঙি ওলাই আহিব পৰা নাই কণচাৰিৰ পুত্ৰ আৰিমত্ত আৰু গংগাৰতী। দুয়োৰে মিলন হৈছে অবৈধভাৱে। ইয়াৰ পাছত আৰিমত্ত বৈদ্যাগড়লৈ গৈ ৰত্নাৱলীৰ লগত সংসাৰ কৰিছে। তেওঁলোকৰ দুটি সন্তান- ৰত্নসিংহ আৰু লখাইতৰা। ঘটনাক্ৰমে আৰিমত্তই পিতৃ প্ৰতাপচন্দ্ৰক হত্যা কৰিছে আৰু পত্নী ৰত্নাৱলীৰ বিশ্বাসঘাতকতাৰ বলি হৈছে। এই সকলোখিনি কথাৰ প্ৰভাৱত শোকে-দুখে জৰ্জৰিত হৈ আৰিমত্তই সৈন্যাস ধৰ্ম গ্ৰহণ কৰিছে আৰু ঢৌমৰা পাহাৰত অকলে বাস কৰিবলৈ আৰম্ভ কৰিছে। আৰিমত্তৰ ফালৰ পৰা গংগাৰতীয়ে জন্ম দিয়া সন্তান জোঙাল বলহুৱে নিৰ্দয়ভাৱে সন্ন্যাসী পিতৃ আৰিমত্তক হত্যা কৰিছে। গোপনে দেউতাকৰ ৰাজ্য ডিমাবঙলৈ 'দেওলাংখুই' পঠিয়াই পত্নী সুকোমলাই

বিশ্বাসঘাতকতা কৰিছে জোঙাল বলহুক। মুহূৰ্ততে সুকোমলাৰ প্ৰাণ লৈছে জোঙাল বলহুৱে। শেষত জোহাল বলহুৰো নিৰ্মমভাৱে কছাৰী সৈন্যৰ হাতত প্ৰাণ হেৰাইছে। এনেদৰেই উপন্যাসখনত ঘটনাক্ৰম আৰু পৰিণতিৰ এক কৰুণ পৰিসমাপ্তি ঘটিছে।

উপন্যাসখনত প্ৰকাশ পোৱা প্ৰাচীন তিৱাসকলৰ সমাজ জীৱনৰ বিভিন্ন দিশ তলত আলোচনা কৰা হ'ল।

**সমাজত নাৰীৰ স্থান ঃ** তিৱা সমাজত নাৰীৰ স্থান সদায়ে সন্মানীয়। আন বহু সমাজৰ দৰে তিৱা সমাজত নাৰীক গৃহাবদ্ধা কৰি ৰখা নহয়। তিৱা নাৰীসকলে পুৰুষৰ সমানে সকলো কামতে আগভাগ লয় আৰু এটা মুকলিমূৰীয়া জীৱনৰ অধিকাৰ লাভ কৰে। উপন্যাসখনত উল্লেখ আছে— 'নাৰীক ইচ্ছা কৰিলেই কোনো পুৰুষে অত্যাচাৰ কৰিব নোৱাৰে, ত্যাগো কৰিব নোৱাৰে। ঐশ্বৰ্য বিভূতি হয়তো তিৱাসকলৰ অধিক নাই, কিন্তু তেওঁলোকৰ সমাজত অনুশাসন আছে।

**সাজ-পাৰ/আ-অলংকাৰ ঃ** তিৱা সমাজত প্ৰচলিত বিভিন্ন সাজপাৰ আৰু আ-অলংকাৰ যেনে— মেজাংকৰিৰ থেনাচ, সোণমণিৰ বতীয়া, কুহুমবুলীয়া পাটৰ সোণপোৱাল খটুওৱা ফাগা, শিলিখামণি, মুঠিখাৰু, বাখৰুৱা, জাংফাই আদিৰ উল্লেখ উপন্যাসখনত আছে। তিৱা নাৰীয়ে সাধাৰণতে কাছং ফাচকাই পৰিধান কৰে। সাজ-পাৰ আৰু আ-অলংকাৰৰ বৰ্ণনা উপন্যাসখনত খুব সজীৱ। উপন্যাসখনত আছে— 'গংগাৱতীয়ে আজি হালধীয়া আৰু ৰঙা ফুলবছা ফাচকাই পিন্ধিছে...।'

**নৃত্য-গীত/বাদ্যযন্ত্ৰ ঃ** উপন্যাসখনত তিৱাসমাজৰ বিভিন্ন নৃত্য-গীত আৰু বাদ্যযন্ত্ৰ উল্লেখ পোৱা যায়। সোণজিৰা চৰিত্ৰটোৰ বক্তব্যত নৃত্য-গীতৰ প্ৰকাশ আছে। যথা— 'আমাৰ মাগ্ৰ'ৱালী ফৈদৰ নাচ। মাগ্ৰ'মিছাৱা বুলিও কয় মইনাৰী কাণ্ঠি মিছাবা বুলিও কয়। ডেকা ল'ৰা ছোৱালীয়ে একেলগে নাচে...।' তিৱাসকলৰ মাজত বহুল প্ৰচলিত লালি হিলালি গীতৰ উল্লেখো উপন্যাসখনত আছে। ছাগ্ৰা মিছাৱা উৎসৱত পৰিৱেশিত 'খুমখাটি নৃত্য' মলশ্ব অনুষ্ঠানৰ সৈতে জড়িত বিভিন্ন গীত-মাত, জনাগাভৰুৰ গীত, নিচুকনি গীত আৰু খ্ৰাম, মহৰ শিঙা আদি বাদ্যৰ বিষয়েও ইয়াত প্ৰকাশ ঘটিছে।

**বিশ্বাস, পৰম্পৰা ঃ** অন্য জনগোষ্ঠীয় সমাজৰ দৰেই তিৱা সমাজতো বিভিন্ন বিশ্বাস আৰু পৰম্পৰা আছে। উপন্যাসখনত এনে বহু নিয়মৰ বিষয়ে সাৱলীলভাৱে প্ৰকাশ কৰা হৈছে। তেওঁলোকৰ সমাজত একে কুলৰ মাজতবিবাহ হ'ব নোৱাৰে। সমাজৰ এই কঠোৰ নিয়মৰ বাবেই উপন্যাসখনত গংগাৱতী আৰু আৰিমত্তৰ মাজত বিবাহ হোৱা নাই। মা বসুন্ধৰীৰ পূজা নপতাকৈ ব'হাগ বিহু পাতিলে মাৰিমৰক, গাঁও-ভূই উছন হয় বুলি তিৱাসকলে বিশ্বাস কৰে। তিৱা সৈন্যৰ যুঁজৰ আখৰা শেষ হোৱাৰ দিনা সকলোৱে ভোজ-ভাত খোৱাৰ নিয়ম আছে। দেওলাংখুই হাতত থাকিলে, আই কালিখাৰ আশীৰ্বাদ থাকিলে কোনেও একো কৰিব নোৱাৰে বুলি তেওঁলোকে বিশ্বাস কৰে। উপন্যাসখনৰ জোঙাল বলহু চৰিত্ৰটো পিতৃ হত্যাকাৰী আৰু অভিশপ্ত হিচাপে অংকিত কৰা হৈছে। সেয়ে জোঙালৰ নিৰ্মম মৃত্যুক পাপৰ ফল বুলি ভবা হৈছে। এনে বহুবোৰ বিশ্বাস আৰু পৰম্পৰা উপন্যাসখনত প্ৰবাহিত হৈ আছে।

**খাদ্যাভাস ঃ** 'দেওলাংখুই'ত তিৱা সমাজৰ খাদ্যাভাৰ বহল উল্লেখ পোৱা যায়। তেওঁলোকৰ প্ৰধান পানীয় হ'ল জু। তুলসী জহা চাউলৰ ভাত, শুকান মাছেৰে ৰন্ধা লাইশাক, জু-চা, জু-লাম্‌ফা, মহৰ দৈ, চুঙা পিঠা, পোৰা কাঠ, আলুৰ পিটিকা, বন নহৰুৰে ৰন্ধা ক'লা মাহৰ আঞ্জা, খাৰ দিয়া মাছ, তেল নিদিয়াকৈ ৰন্ধা তংফ্ৰাই, চামচুৰি শাকেৰে ৰন্ধা মাছৰ আঞ্জা, নাফল, খাৰেৰে ৰন্ধা পামজাৰি আদি বিবিধ খাদ্যাভাসৰ কথা উপন্যাসত আছে।

ৰীতা চৌধুৰীৰ 'দেওলাংখুই' উপন্যাসত এনেদৰেই প্ৰাচীন তিৱা সমাজৰ বিভিন্ন দিশৰ আভাস পাব পাৰি। ইতিহাস আৰু কল্পনাৰ আশ্ৰয়ত ৰচিত এখন উপন্যাস হিচাপে সকলোফালৰ পৰা কলাত্মক দিশ অক্ষুন্ন থাকিও ইয়াত তিৱাসকলৰ সমাজ জীৱনৰ বিভিন্ন দিশৰ বিশ্বাসযোগ্য প্ৰতিফলন ঘটিছে।

# পাঠকৰ দৃষ্টিৰে
## *"মোৰো এটা সপোন আছে"*

**প্ৰাঞ্জনা দিহিঙ্গীয়া**
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

যদিহে মনত থাকে গভীৰ আত্মবিশ্বাস, কিবা এটা কৰাৰ দুৰ্বাৰ হেঁপাহ তেতিয়া জীৱনৰ প্ৰতিটো খোজতে মানুহ সফলতাৰ চূড়ান্ত শিখৰত আৰোহন কৰিব পাৰে। হঠাৎ এদিন বান্ধৱীৰ কিতাপৰ টেবুলত দেখি পঢ়িবলৈ মন মেলা গ্ৰন্থখনে যে মোক মোৰ সপোন পূৰাবলৈ উৎসাহিত কৰিব গ্ৰন্থখন পঢ়াৰ আগতে অনুভৱেই কৰা নাছিলো। গ্ৰন্থখন সমালোচনা কৰিব পৰা ধৃষ্টতা মোৰ নাই। তথাপিও এগৰাকী পাঠক হিচাপে মোৰ মনৰ ভাৱহে ব্যক্ত কৰিব খুজিছো।




শেহতীয়াকৈ পঢ়া এখন গ্ৰন্থ যিখনে মোক শিকালে জীৱন যুঁজত হাৰ নমনা যুদ্ধা হ'বলৈ, যিখনে মোক শিকালে সপোন দেখিবলৈ, যিখন গ্ৰন্থই দি গ'ল সাহস, প্ৰেৰণা, মানসিক তৃপ্তি। সেইখনেই হ'ল- ড° ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে' শীৰ্ষক গ্ৰন্থখনি। গ্ৰন্থখনিত তেখেতে দৰিদ্ৰতাৰ বিৰুদ্ধে কৰা যুঁজখনৰ বৰ্ণনা দিছে। ৰুবুল মাউতে সোণৰ চামুচ মুখত লৈ জন্ম হোৱা নাছিল। অসমৰ অতি পিছপৰা গাঁও এখনৰ পৰা গৈ এদিন ৱাছিংটন বিশ্ববিদ্যালয়ৰ স্কুল অৱ মেডিচিনত জীৱ বিজ্ঞানৰ এক যুগান্তকাৰী আৱিষ্কাৰ জিন এডিটিঙৰ বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ এই পথছোৱা বৰ মসৃণ নাছিল। নাঙলৰ মুঠিকেই জীৱন কৰি লোৱা খেতিয়কৰ পুত্ৰই এদিন সফলতাৰ চূড়ান্ত শিখৰ স্পৰ্শ কৰে।


মাউত ডাঙৰীয়াই তেখেতৰ আত্মজীৱনীখনত চাৰিটা অধ্যায়ৰ মাজেৰে জীৱন সংগ্ৰামৰ ছবিখন প্ৰকাশ কৰিছে— শৈশৱ, সংগ্ৰাম, সুযোগ আৰু পিতৃৰ অসুখ। উৰুখা পঁজাৰ পৰা সপোন দেখা মাউত ডাঙৰীয়াই পৰিস্থিতিত পৰি বজাৰত শাক-পাচলি বিক্ৰী কৰিবলৈও গৈছিল। মাটি বন্ধক দি, গৰু-ছাগলী বিক্ৰী কৰি ঘৰৰ মানুহে তেখেতক পঢ়ুৱাইছিল। তেওঁ যথেষ্ট মেধাসম্পন্ন আছিল। তিনিচুকীয়াত পঢ়াৰ কালছোৱাত অভাৱৰ বাবে কু-কাৰ্যতো লিপ্ত হৈছিল। দৰিদ্ৰতাই কোঙা কৰিলেও কিন্তু তেওঁ কেতিয়াও আশা এৰি দিয়া নাছিল। ঘৰুৱা সমস্যাৰে জৰ্জৰিত মাউতে অদম্য সাহস, দৃঢ়বিশ্বাস বুকুত লৈ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাবলৈ সক্ষম হয়। কিছুবছৰৰ পিছতে পিতৃয়ে ইহ সংসাৰ ত্যাগ কৰে।

লেখকে নিজৰ জীৱন সংগ্ৰাম নিখুঁতভাৱে বৰ্ণনা কৰিছে। গ্ৰন্থখনিত সময়ৰ উল্লেখ থকা হ'লে পাঠকে হয়তো আৰু অধিক হৃদয়ংগম কৰিব পাৰিলে হয়। তথাপিও গ্ৰন্থখনিয়ে প্ৰতিজন পাঠকক বিশেষকৈ ছাত্ৰ সমাজক অধিক আশাপ্ৰদ বাট দেখুৱাবলৈ সক্ষম হৈছে। মানুহে জীৱনলৈ অহা বাধা অতিক্ৰম কৰিব পৰাকৈ মানসিকভাৱে শক্তিশালী হ'ব লাগে। জীৱনলৈ হতাশ অহাটো স্বাভাৱিক, কিন্তু হতাশা আঁতৰাই আশাৰ বাট বুলাতো আমাৰ উদ্দেশ্য হোৱা উচিত।

যিকি নহওক, 'মোৰো এটা সপোন আছে' শীৰ্ষক গ্ৰন্থখনে মোৰ মনত গভীৰ সাঁচ বহুৱাই থৈ গ'ল। গ্ৰন্থই মানুহৰ মনৰ পৰা কলীয়া ডাৱৰ আঁতৰাই পোহৰ সঞ্চাৰিত কৰিব পাৰে এই কথাষাৰ মাউত ডাঙৰীয়াৰ গ্ৰন্থখন পঢ়িলেই মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰি।

# মোক অনুপ্ৰেৰণা যোগোৱা এখন গ্ৰন্থ

**অনন্যা গগৈ**
ৰাজনীতি বিজ্ঞান বিভাগ




'অস্ত্ৰতকৈ কলম শ্ৰেষ্ঠ'- এই আপ্তবাণী সাৰোগত কৰি মানুহে লিখি যায় অগ্নিস্ফুলিংগ সম গ্ৰন্থ। গ্ৰন্থত প্ৰাণ পাই উঠে শব্দ। শব্দ ব্ৰহ্ম। দেশ-জাতিৰ বিপৰ্যয়ৰ মুহূৰ্তত লেখকৰ কলম পৰিণত হয় একো একাপাট শব্দাস্ত্ৰত। লেখকৰ কলমে যে কেৰল অগ্নিস্ফুলিংগ সম গ্ৰন্থই উপহাৰ দিয়ে এনে নহয়, তেওঁলোকে উপগাৰ দিয়ে ব্যক্তি তথা সমাজৰ জীৱনৰ প্ৰাপ্তি-অপ্ৰাপ্তি, বিদ্ৰোহ-ঘৃণা ইত্যাদি পুঞ্জীভূত বিভিন্ন স্বাদৰ গ্ৰন্থ।

সাঁচাকৈয়ে গ্ৰন্থ সেউজ সৃষ্টিৰ এক অপূৰ্ব সোপান। য'ত সমাহাৰ ঘটে মুঠি মুঠি জোনাকেৰে জাতিস্কাৰ শব্দৰ। ইয়াৰ নিবিড় পৰশে জীপাল কৰি তোলে সকলোৰে হৃদয়ৰ আকাশ। গতানুগতিক জীৱন বাটত গ্ৰন্থই আমাক দি যায় ভিন্ন স্বাদ। যিবোৰ হৈ পৰে কাৰোবাৰ বাবে অনুপ্ৰেৰণাৰ সমল। গ্ৰন্থৰ বিষয়বস্তু তথা কাহিনীৰ গভীৰতাই কেতিয়াবা বাৰুকৈয়ে আমাৰ মন চুই যায়, আন্দোলিত কৰি তোলে হৃদয়ৰ নিভৃত প্ৰাংগন। তেতিয়া সেই গ্ৰন্থহে পৰে কালজয়ী অক্ষয়, অব্যয় তথা পাঠকৰ বাবে হৈ পৰে অনুপ্ৰেৰণাৰ উৎস। মোক অনুপ্ৰেৰণা যোগোৱা তথা মোৰ হৃদয়ৰ নিভৃত কোণত অনুপম ভাস্কৰ্য খোদিত কৰি থৈ যোৱা গ্ৰন্থখন হ'ল 'মাকাম'। এগৰাকী জনপ্ৰিয় বিশিষ্ট উপন্যাসিকা ৰীতা চৌধুৰী ৰচিত এই গ্ৰন্থখনি অসমীয়া সাহিত্যৰ এক ব্যতিক্ৰমী সৃষ্টি।

'মাকাম' নামটোতেই যেন লুকাই আছে এক কৰুণ অধ্যায়, সনা আছে অতীতৰ প্ৰলেপ। চীনা ভাষাত এই মাকাম

শব্দৰ অৰ্থ সোণালী ঘোঁৰা।

অসমৰ তিনিচুকীয়া জিলাৰ 'মাকুম' অঞ্চলক কাহিনীৰ কেন্দ্ৰস্থল হিচাপে লৈ চীন-ভাৰতৰ যুদ্ধৰ পটভূমিত এই উপন্যাসখন ৰচনা কৰা হৈছে। অসমত বাস কৰা চীনামূলীয়া সমাজখনলৈ বাষষ্ঠি চনৰ যুদ্ধই নমাই অনা বিভিষীকাৰ সম্পৰ্কে উপন্যাসখনত এক সুন্দৰ চিত্ৰ প্ৰতিফলিত হৈছে। ঐতিহাসিক উপন্যাস মাকামত চীনা সমাজৰ এই অলিখিত অধ্যায় তথা তেওঁলোকৰ অস্তিত্বহীন পৰিচয়বিহীন জীৱন গাঁথা প্ৰকাশ পাইছে।


প্ৰায় ১৮২০ চন মানত অসমত ব্ৰিটিছসকলে চাহ শিল্পৰ কাম আৰম্ভ কৰিছিল। এই চাহ শিল্প আৰু ইয়াৰ লগত সাঙোৰ খাই দক্ষিণ চীন অঞ্চলৰ পৰা অসমলৈ ঘটা প্ৰবজন আৰু ইয়াৰ সুদীৰ্ঘ পৰিক্ৰমাক অতি সুন্দৰভাৱে উপন্যাসৰ পাতত লিপিবদ্ধ কৰা হৈছে। অসমৰ তিনিচুকীয়া জিলাৰ মাকুমতো চীনা-অসমীয়াৰ মাজত গঢ়ি উঠিছিল এখন একত্ৰিত সমাজ। সমন্বয়ৰ সুদৃঢ় এনাজৰীৰে বান্ধি ৰাখিছিল প্ৰত্যেকৰে মন-প্ৰাণ। অসমৰ বিভিন্ন সম্প্ৰদায়ৰ নাৰী আৰু চীনা পুৰুষৰ মাজত থকা বৈবাহিক সম্বন্ধৰ ফলস্বৰূপে সৃষ্টি হোৱা চীনামূলীয়া সমাজখন বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ হৈ পৰিছিল। কিন্তু ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধই খান্দি পেলালে সেই সমাজৰ পুৰণি ভেঁটি। তচনচত কৰি পেলায় সুচাৰু এখন ঘৰ। একোটা সুবৰ্ণ জীৱন। মাত্ৰ চীনামূলীয়া হোৱাৰ অপৰাধত কষ্টাৰ্জিত সম্পদ ৰাখি মাতৃ, পত্নী, সন্তান আৰু অন্য আত্মীয়ৰ পৰা আঁতৰাই মুৰলী গোলাৰ গোহালি, দেওলি কেম্পত ৰখা হৈছিল আৰু শেষত তেওঁলোকক জাহাজেৰে এই দেশৰ পৰা চীন দেশলৈ খেদি পঠিওৱা হৈছিল। তেতিয়া নিৰস হৈ পৰিছিল মাকুমৰ চীনাপট্টি। এনিমি প্ৰপাৰ্টিত নিলাম হৈ গৈছিল টুঙচিন, আকঙ, কফুক, লীচাঙহঁতৰ ঘৰ, জোতাৰ দোকান, শ্ব'মিল ইত্যাদি সকলোবোৰ। যুদ্ধৰ অলন শিখাই এনেদৰে আছন্ন কৰি তুলিছিল চীনা লোকসকলৰ জীৱন যাত্ৰা।

এটা প্ৰাচীন গলি। মাকুমৰ চীনাপট্টিৰ এই প্ৰাচীন গলিত আজিও যেন ভাঁহি উঠে চীনামূলীয়া সমাজৰ সেই স্মৃতি। মাকুম হিন্দী স্কুলৰ চৌহদত আজিও যেন প্ৰতিধ্বনিত হয় যুয়ি, অঞ্জলি, আহলীনহঁতৰ মাত। এখন মাত্ৰ যুদ্ধৰ নিৰ্মম বিভিষীকাই অসমীয়া চীনাসকলৰ মাজত গঢ়ি তুলিছিল দুৰ্ভেদ্য প্ৰাচীৰ। বিচ্ছিন্ন কৰি তুলিছিল এখন সমাজ যুদ্ধৰ এনে নিৰ্দয়তাত স্তব্ধ হৈ গ'ল মাকুমৰ একতাৰ গান।

গ্ৰন্থ হৈছে জীৱনৰ এক সুবাসিত পদ্য। কেতিয়াবা এই গ্ৰন্থ হৈ পৰে ব্যক্তিৰ বাবে অনুপ্ৰেৰণাৰ উৎস। ৰীতা চৌধুৰী ৰচিত তিনিটা খণ্ডত বিভক্ত এই উপন্যাসখনত প্ৰকাশ পাইছে অসমত চাহ শিল্পৰ আৰম্ভণিৰ পৰা চীনামূলীয়া লোকসকলৰ জীৱন সংগ্ৰামৰ সুদীৰ্ঘ উপত্যকা। এই সুদীৰ্ঘ সময়ত চীনাসকলে নিজকে পৰিচয় দিছে কঠোৰ সংগ্ৰামৰ মাজেৰে। কেৱল সুন্দৰ ভৱিষ্যতৰ আশাত প্ৰত্যেকেই অৱতীৰ্ণ হৈছে কঠোৰ সংগ্ৰামত। চীনা সকলৰ এই কঠোৰ সংগ্ৰামে মোক বাৰুকৈ অনুপ্ৰাণিত কৰিছে। নিজৰ আৱেগক দমিত কৰি একো একোটা আশাত প্ৰত্যেকে চলাই যোৱা জীৱন সংগ্ৰামে মুখৰিত কৰি তুলিছে মোৰ হৃদয়ৰ আকাশ। ইয়াৰ উপৰিও চীনৰ নেতা মাও চে টুঙে চীনৰ অৰ্থনীতি বিকাশৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছিল সেইয়াও প্ৰত্যেক দেশৰ বাবে অনুপ্ৰেৰণাৰ উৎস।

গ্ৰন্থ এক জীৱন। এই কথা মাকামেই প্ৰতীয়মান কৰে। মাকাম পঢ়াৰ সময়ছোৱাত এক অনামী শোকে বাৰে বাৰে মোৰ মনত দোলা দি থৈ যায়। সেই চীনামূলীয়া সমাজখনৰ প্ৰতি বেদনাত দুচকু অশ্ৰুসিক্ত হৈ পৰে। যুয়ি, মেইলিন, আকঙ, টুঙচিন, পুলক, ৰবীন, প্ৰমীলা আদি চৰিত্ৰসমূহে হৃদয়ত তুলি যায় বেদনাৰ কৰুণ মূৰ্চ্ছনা। গ্ৰন্থখনৰ প্ৰতিটো পৃষ্ঠাতে সিঁচৰতি হৈ আছে যুদ্ধভূমিৰ ৰক্তাক্ত পৰিণত আৰু ধ্বংসলীলা ইতিহাস। সভ্যতাৰ পতন আৰু মানৱতাৰ স্খলনে গ্ৰন্থখনত বিশেষ গুৰুত্ব লাভ কৰিছে। ৰাষ্ট্ৰীয় স্তৰতো আলোড়নৰ সৃষ্টি কৰা এই উপন্যাসখনে সমাজ তথা জনসাধাৰণক এক পৰিৱৰ্তনকামী সমাজৰ বাৰ্তা প্ৰেৰণ কৰিছে। য'ত যুদ্ধ বিধস্ততাৰ সলনি থাকিব কেৱল শান্তি আৰু মানৱতাৰ সুবাস।

'মাকাম'ৰ জৰিয়তে সমগ্ৰ বিশ্বতে যুদ্ধ বিৰোধী শান্তি সমাজ গঢ় লৈ উঠক এই আশা ৰাখিলো।




# অসমীয়া সমাজ জীৱনত গুৰুজনাৰ প্ৰভাৱ

**পৰিস্মীতা দত্ত**
স্নাতক তৃতীয় ষান্মাসিক
শিক্ষা বিভাগ


মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমীয়া সাহিত্য-সংস্কৃতিৰ জনক। যাৰ অবিহনে অসমীয়া সভ্যতাই বাট নেদেখে। অসমীয়া সমাজখনক চিনাকি দিবলৈ যিবোৰ সমলৰ প্ৰয়োজন হয় এই সকলোবোৰৰ মূল কাণ্ডাৰী মহাপুৰুষ শ্ৰীমন্ত বুলি ক'লেও বঢ়াই কোৱা নহয়। কিয়নো বিশ্বজনীন এক ঈশ্বৰবাদী চিন্তাৰে বৃহত্তৰ অসমীয়া সমাজ গঢ়িবলৈ গুৰুজনাই যি ধৰ্ম বিপ্লৱৰ সূচনা কৰিছিল যাৰ জৰিয়তে অসমীয়া জাতিৰ সাংস্কৃতিক পৰিচয় বৰ্তমান বিশ্বৰ জ্ঞাত হ'বলৈ লৈছে তাৰ মূল উৎসই হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজি।

অস্পৃশ্যতাৰ অন্ধকাৰত ডুব গৈ থকাৰ সময়ত, যি সময়ত ধৰ্মীয় ভেদাভেদ, উচ্চ বৰ্ণ বৈষম্য আমাৰ সমাজ কলুষিত কৰি ৰাখিছিল, মানুহৰ মনত এক সংকীৰ্ণতাই বিৰাজ কৰিছিল তেনে সময়তে সমগ্ৰ অসমীয়াক আধ্যাত্মিক চিন্তা-চেতনাৰে উজ্জীৱিত কৰি মুক্তিৰ পথ দেখুৱাবলৈকে তেৰাজনাৰ জন্ম হৈছিল।

পৃথিৱীত একমাত্ৰ বোধ আৰু বুদ্ধিৰ গৰাকীয়েই হৈছে। অৰ্থাৎ মানৱক পৃথিৱীৰ সকলো জীৱৰ তুলনাত শ্ৰেষ্ঠ আসন দিয়া হৈছে। কিন্তু মানৱেই আজি নিজৰ সুখ, সুবিধা স্বাৰ্থৰ নিমিত্তে নিজে নীতি-নিয়ম গঢ়ে আৰু ভাঙে। বৰ্তমান সময়ত হোৱা ব্যক্তিবাদী জীৱনৰ ব্যাপক অনিয়মবোৰেই মানুহৰ সভ্যতা আৰু সংস্কৃতি ধ্বংস কৰি ভগ্নাৱশেষত পৰিণত কৰিবলৈ অগ্ৰসৰ হৈছে। ব্যক্তিয়ে এটি সুন্দৰ মন লৈ নামঘৰ, মছজিদ আদি বিভিন্ন ধৰণৰ ধৰ্মানুষ্ঠানলৈ প্ৰৱেশ কৰে। যাতে তেওঁলোকৰ মনৰ পৰা পশু প্ৰবৃত্তিবোৰৰ নিবৃত্তি হয় আৰু সেই মানসেৰে ভগৱন্তৰ ওচৰত আশীষ বিচাৰে। কিন্তু আজি অতি নিৰ্মমভাৱে এই পবিত্ৰ স্থানৰ পৰাই আৰম্ভ হৈছে পৃথিৱীখনক অশুভ কৰাৰ চিন্তা আৰু প্ৰচেষ্টা। যি স্থানত শান্তিৰ পৰিৱৰ্তে অশান্তিৰ বীজ প্ৰোথিত হয় সংস্কৃতিৰ পৰিৱৰ্তে দুষ্কৃতিৰ জন্ম হয়, সেই স্থানত ঈশ্বৰ, আল্লা থাকিব পাৰেনে? ঈশ্বৰ, আল্লা থকা স্থান হ'ল বৈকুণ্ঠ। কিন্তু বৰ্তমান সময়ত ধৰ্মৰ নাম এচামে কণ-কণ ল'ৰা-ছোৱালী, যুৱক-যুৱতী আৰু বৃদ্ধ-বৰ্ণিতাক নিৰ্বিচাৰে জীৱন্তে দগ্ধ কৰি হৰ্ষোল্লাস কৰিছে, সেইসকল জানো মানুহ?

বৰ্তমান সময়ত আমাক এনে কিছু অনুষ্ঠানৰ প্ৰয়োজন হৈ পৰিছে, যিয়ে মানুহক দয়া, মমতা, প্ৰেমৰ শিক্ষা দিয়ে, যিয়ে মানুহক জন্ম আৰু মৃত্যুৰ মাজৰ বৃহৎ বন্দীত্বৰ অসহায় অৱস্থাটোলৈ সৰ্বদা মনত পেলাই দিব পাৰে, যিয়ে প্ৰেৰণা দিয়ে মানুহক বুজি পাবলৈ, শিক্ষা দিয়ে মানহক মানৱীয় আচৰণ কৰিবলৈ।

নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱে যেনেকৈ গঢ়ি গৈছে এখন সংস্কাৰমুক্ত সমাজ, সেই উদ্দেশ্য তেৰাই সৃষ্টি কৰি থৈ যোৱা নামঘৰ, হৰিনাম, কীৰ্ত্তন, ভাওনা আদি আমাৰ প্ৰাণত আজিও বাজি আছে। পৰৱৰ্তী সময়ত সমাজত পুৰুধা ব্যক্তিসৰে স্বীকাৰ কৰি গৈছে মহাপুৰুষদ্বয়ৰ সমাজ সংস্কাৰিত ৰূপ। অনুষ্ঠিত কৰিছে বহুতো আধ্যাত্মিক উৎসৱ-অনুষ্ঠান।




# দিখৌ নৈৰ ইতিবৃত্ত

**জয়শ্ৰী চাংকাকতি**
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

শিৱসাগৰ বুৰঞ্জীয়ে পৰশা এখন ইতিহাসপ্ৰসিদ্ধ জিলা। ইতিহাস প্ৰসিদ্ধ ঠাইসমূহৰ ভিতৰত শিৱসাগৰ জিলা অন্যতম। ঐতিহ্যমণ্ডিত শিৱসাগৰৰ ইতিহাসে এক সুকীয়া গৌৰৱোজ্জ্বল অধ্যায়েৰে বুৰঞ্জীত থুপিতৰা বাহ সাজি সোণালী আখৰেৰে জিলিকি আছে। বৰ্তমানেও শিৱসাগৰৰ এই অতীত গৌৰৱ অটুত আৰু অম্লান। শিৱসাগৰৰ যি ঠাইলৈকে যোৱা নহওঁক কিয় সকলো ঠাইতে বুৰঞ্জীৰ সমল বিচাৰি পোৱাটো নিশ্চিত।

দিখৌ ব্ৰহ্মপুত্ৰৰ এখন পূব বাহিনী নৈ। দিখৌ নদীও শিৱসাগৰ জিলাৰ এখন ইতিহাসপ্ৰসিদ্ধ নৈ। এই দিখৌ নামটো বড়ো ভাষাৰ পৰা উৎপত্তি হোৱা। যোগিনীতন্ত্ৰত দিখৌক তীৰ্থশ্ৰেষ্ঠ দিক্ষু নদী আৰু হিন্দুৰুৱা বুৰঞ্জীত বশিষ্ঠী-গংগা হিচাপে উল্লেখ আছে। বড়ো, কছাৰীসকলে পানীক 'দি' বা 'টি' শব্দৰে বুজায়। গতিকে 'দিখৌ' শব্দটিৰ অৰ্থ হৈছে 'দি' মানে পানী। 'খৌ' মানে 'দ' অৰ্থাৎ দ-পানী। অসমৰ আন নদ-নদীৰ তুলনাত দিখৌ যথেষ্ট দ। ইয়াৰ উৎপত্তি স্থল সাগৰ পৃষ্ঠৰ পৰা ১৮০০ মিটাৰ উচ্চতত অৱস্থিত নাগালেণ্ডৰ আছুক খোমি নামৰ ঠাইত। নাং-গা নামেৰে নাগালেণ্ডৰ মাজেৰে বৈ আহি নাগিনীমৰা অঞ্চলত অসমত প্ৰৱেশ কৰি চণ্টক, নাজিৰা, গড়গাঁও, শিৱসাগৰ, গৌৰীসাগৰ আদি পাৰ হৈ দেওঘৰীয়াৰ ওচৰত দিখৌ ব্ৰহ্মপুত্ৰত পৰিছে।

নগা পৰ্বতৰ অঞ্চলৰ ২৬.৫ উত্তৰ অক্ষাংশ আৰু ৯৮.৩৩ পূব দ্ৰাঘিমাংশত দিখৌ নদীৰ উৎপত্তি হৈছে।

টপগ্ৰাফিকেল অধ্যয়ন মতে দিখৌৰ মূল সুঁতিটোৰ উৎস ম্যানমাৰৰ টেনাচেৰিম পাৰ্বত্য অঞ্চল। উৎসভূমিত ইয়াৰ নাম লংগা। ম্যানমাৰৰ য়ুংগায়ুৰ নামৰ জান এটাও লংগাৰ সৈতে মিলিত হৈছে। শিৱসাগৰৰ মাজেৰে দিখৌৱে প্ৰায় ৬০ কিঃমিঃ পথ অতিক্ৰম কৰিছে। অৱশ্যে ৪০০ বছৰৰ আগৰ দিখৌ প্ৰায় ৪০০ কিঃমিঃৰো অধিক দীঘল আছিল। সেই সময়ত দিখৌ দিহিং নদীৰ সমান্তৰালভাৱে বৈ গৈ মধ্য অসমৰ কলং-ব্ৰহ্মপুত্ৰ সংগমস্থলত পৰিছিল। পিছত দিহিং আৰু দিখৌ একেলগ হৈ বৰ্তমানৰ দিহিংমুখৰ পৰা দিহিং-দিখৌ-লুইত আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ সুঁতি হৈ মাজুলী নামৰ বৃহৎ ভূ-খণ্ডৰ নদী দ্বীপ সৃষ্টি কৰিলে। ইয়াৰ পিছৰে পৰা দিখৌ দীঘ চুটি হৈ পৰে।

দিখৌ নদীৰ উপনৈ তিনিখন দৰিকা, দিজৈ আৰু নামদাং। দৰিকাখন অলপ বুজন আৰু লাহি কঁকালেৰে আজিও বৈ আছে। দৰিকা নদীয়েও বিভিন্ন ঠাইত বিভিন্ন নাম লৈছে। যেনে - দৰিকা, দিলিহ, গৰিয়াজান আদি।

দিখৌৰ পাৰৰ মাটি পলসুৱা। সেইবাবে ইয়াত শস্যৰ উৎপাদনো ভাল হয়। ত্ৰয়োদশ শতিকাত এই নদীৰ দুয়োপাৰক কেন্দ্ৰ কৰিয়েই দ পানী খেতি আৰম্ভ কৰিছিল। বাৰিষা দিখৌৰ বানে প্ৰবল ৰূপ ধাৰণ কৰিলেও দুয়ো পাৰৰ মাটি উৰ্বৰা কৰি থৈ যায়।

দিখৌৰ পাৰৰ বিস্তীৰ্ণ অঞ্চলটো প্ৰাচীন কামৰূপৰ অৰ্থাৎ প্ৰাগজ্যোতিপুৰৰ ভিতৰুৱা আছিল বুলি কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰই সাক্ষ্য দিয়ে। চ্যু-কা-ফা অহাৰ সময়ত দিখৌৰ দুয়োপাৰৰ জনবসতি তেনেই সেৰেঙা আছিল। দিখৌৰ পাৰতেই মৰাণ-বৰাহী-চুতীয়া-কছাৰী ৰাজশক্তিৰ মিলন ঘটি অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

মধ্যযুগত দিখৌ নদীৰ অববাহিকা অঞ্চলত ৰাজ্য পাতি বাস কৰা মৰাণ-কছাৰী আদি জনগোষ্ঠীসমূহক ১২২৮ খ্ৰীষ্টাব্দত এই মুলুকলৈ অহা চাওল্যুং-চ্যু-কা-ফাই একত্ৰিত কৰি বাৰেৰহণীয়া অসমীয়া সংস্কৃতিৰ বৰভেটি গঢ়িছিল। দিখৌ আৰু নামদাঙৰ মাজৰ অঞ্চলটো অধিকাৰ কৰিবৰ বাবে আহোম আৰু কছাৰীসকলৰ মাজত দীৰ্ঘদিন যুঁজ-বাগৰ চলিছিল। অৱশেষত দিহিঙীয়া ৰজাই এই অঞ্চলটো আহোম ৰাজ্যৰ লগত স্থায়ীভাৱে চামিল কৰিছিল। ৰজা চ্যু-ক্লেং-মুঙে দিখৌৰ পাৰৰ গড়গাঁৱত আহোম ৰাজ্যৰ নতুন ৰাজধানী পাতিছিল। দিখৌৰ মোহনাতেই ১৫৬২ খ্ৰীষ্টাব্দত আহোম আৰু কোঁচসকলে পৰস্পৰে পৰস্পৰৰ লগত যুদ্ধ কৰিছিল। সেই যুদ্ধত আহোম সৈন্য পৰাজিত হোৱাত চিলাৰায়ৰ আগ্ৰসনৰ পৰা পৰিত্ৰাণ পাবৰ বাবে আহোম ৰজা চ্যু-মাম-ফাই চৰাই খোৰোং পাহাৰলৈ পলায়ন কৰিছিল। ১৬৯৮ খ্ৰীষ্টাব্দত ৰুদ্ৰসিংহই দিখৌৰ পাৰৰ মেটেকাত নতুন ৰাজধানী পাতিছিল। নতুন ৰাজধানীৰ ৰাজকাৰেঙৰ পৰা দিখৌ নদীলৈ এটা গোপন সুৰংগ আছিল যিটো বৰ্তমান বন্ধ কৰি ৰখা হৈছে। প্ৰবাদ আছে যে, চোৰাংচোৰা সন্দেহত আহোম ৰজাই আজান-ফকীৰৰ চকু কাঢ়ি দিখৌ নদীত পেলাই দিয়াত দিখৌ নৈ ওভতি বৈছিল।

আহোম ৰাজত্বৰ পতনৰ পাছত, ব্ৰিটিছ সকলৰ আগমনৰ লগে লগেই দিখৌ উজনি অসমৰ জল পৰিবহন ব্যৱস্থাৰ প্ৰধান অংগ হৈ পৰিছিল। ১৮৩৮ খ্ৰীষ্টাব্দত নাজিৰাত অসম চাহ কোম্পানী স্থাপিত হোৱাত কোম্পানীৰ জাহাজ পৰিবহনৰ বাবেই ১৯৩৫ চনত দিখৌ নদীৰ ওপৰত শিৱসাগৰ নগৰৰ কাষত নিৰ্মাণ কৰা বৰ্তমানৰ পুৰণি দলঙখনত কপিকলৰ ব্যৱস্থা কৰা হৈছে। স্বাধীনতাৰ পিছত গৰাখহনীয়া ৰোধ কৰিবৰ বাবে দিখৌত জাহাজ চলাচল বাতিল কৰে।

*(বিঃদ্রঃ উক্ত প্ৰবন্ধটি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত নবীন বুঢ়াগোহাঁইদেৱৰ দ্বাৰা ৰচিত 'শিৱসাগৰ' নামৰ গ্ৰন্থখনিৰ সহায় লোৱা হৈছে।)*

# বন্ধুত্ব

**সুনীধি বৰগোহাঁই**
স্নাতক তৃতীয় ষাণ্মাসিক



ফোনটো বাজিছে— 'হেল্ল' মই ৰিংকুৰে ক'লো। উম, কোৱা। হঠাৎ বুকুৰ ঢপঢপনি আৰম্ভ।

কিয় নাহিলি আজি কলেজলৈ, সকলোৰে তোলৈকে আশা কৰি আছিল।

ঃ গা বেয়া, মন বেয়া, সকলোবোৰ বেয়া, মইয়ো বেয়া। এইবোৰ কৈ ফোনটো কাটি দিলে তাই।

মোক এৰি সি কিয় তাইৰ আশ্ৰয় ল'বলগা হ'ল। ইমানখিনি প্ৰতিশ্ৰুতি দিয়াৰ কি প্ৰয়োজন। একো কথা ৰাখিবই নোৱাৰে যদি কথা দিয়ে কিয়? ভাঙিবলৈকে বিশ্বাসৰ জন্ম হয় নেকি?

পিছদিনা কলেজলৈ গ'ল তাই। পিছফালৰ পৰা ৰিংকুৰে মাতিলে—

ঃ ঐ আধা পাগলী, ইমান খৰখেদাকৈ ক'ত জুই নুমুৱাবলৈ যাৱ, ৰহ মইয়ো গৈছো।

এইডাল মানে যিমান ঠেকেচা-বেঙেনা দিলেও নাযায়। - পৰীয়ে ভাৱে। দুয়োটা লগে-ভাগে খোজ লয় কলেজলৈ।

ঃ কচোন কি হৈ আছে তোৰ?

ঃ নাই, কি হ'ব মোৰ। ঠিকেই আছো।

ঃ হা..হা...মিছা কথাডাল ঘপকৈ কৈ নিদিবিচোন, গোবৰ দেখিলেই গম পাওঁ কাৰ ঘৰৰ গৰুৱে হাগিছে।

ঃ ধেৎ... যাহ এইডাল।

ঃ হওক দে, অথনিৰে পৰা যুঁজি যুঁজি পুৰণি পৰীৰ ঝলক এটা দেখা পালো।

তালৈ একেথৰে চাই বৈ কান্দি দিলে পৰীয়ে। হুকহুকাই কৈ গ'ল—

ঃ ইমান মৰম, ইমান আদৰ, মোৰ প্ৰতিটো কথা নোকোৱাকৈ বুজি পাই যাৱ তই, কেনেকৈ বুজ কচোন?

ঃ ইয়ে ৰিংকু তেৰে ৰগ ৰগ চে ৱাকিফ হে' লড়কী।

ঃ ধেৎ এইডাল।

দুয়োটাই খিলখিলাই হাঁহে।

আৰম্ভণিৰ পৰা শেষলৈকে পৰীয়ে ৰিংকুক এফালৰ পৰা সকলো কৈ যায়— সি কেনেকৈ বিশ্বাসঘাতকতা কৰিলে, কেনেকৈ বেলেগ ছোৱালীৰ ওচৰলৈ তাইক এৰি গুচি গ'ল। সকলো কৈ কান্দি দিলে। শেষত তাই ৰিংকুক প্ৰশ্ন কৰিলে—

ঃ মোৰ ভালপোৱাৰ প্ৰাচুৰ্যতা, মোৰ মৰমৰ গভীৰতাক সি গচকি গুচি গ'ল কিয়? আৰু আনফালে এটা তই... ঠেকেচা-বেঙেনা তোক অযুত নিযুত গালি, নোকোৱাকৈ সকলো পঢ়ি বুজি লৱ কেনেকৈ?

ঃ শুন, এদিন প্ৰেমে বন্ধুত্বক প্ৰশ্ন কৰিছিল, মই থাকোঁতে তোমাৰ প্ৰয়োজন ক'ত? বন্ধত্বই কৈছিল- তুমি যি বিষাদ প্ৰেমৰ নামত এৰি থৈ যোৱা সেই বিষাদ আঁতৰাই আনন্দৰ সম্ভাৰ গঢ়ি দিয়াটোৱেই বন্ধুত্বৰ দায়িত্ব। মইয়ো সেই কৰ্তব্য তোৰ জীৱনত কৰি গৈছো। অকলশৰীয়া অনুভৱ নকৰিবি, সদায় লগত আছো।

# মোৰ অনুভৱৰ দলিলখনি

**দিম্পী চুতীয়া**
স্নাতক তৃতীয় ষান্মাসিক

সপোন যাৰ নামত লুকাই আছে এক নতুন অৰ্থ। যাৰ কোনো বাস্তৱ ঠিকনা নাই। ই এক অলীক কল্পনাহে মাথোন। দূৰ দিগন্তক ভেদি পৃথিৱীৰ উজ্জ্বল নক্ষত্ৰৰ ছাঁত এক জিলকনি। শূন্যৰ পৰা আহি পালোহি এখন বাস্তৱ পৃথিৱী। য'ত দিন-ৰাতি হয় আৰু পবে বেলি উদয় হয় আৰু পশ্চিমে মাৰ যায়। মনুষ্য হৈছে মায়াপী জীৱ। এই পৃথিৱীখনলৈ মানুহ চামে চামে আহে আৰু যায়। কিছুলোক নিজৰ আদৰ্শ কৰ্মযোগৰ মাজেদি নিজৰ নাম উজ্জ্বলাই থৈ যায়। জন্ম, মৃত্যু, বিবাহ ই এক চিৰন্তন সত্য - যাক কোনেও কল্পনা কৰিব নোৱাৰে। অনাদি কালৰে পৰা চলি অহা এই চিৰন্তন সত্য বিলাকক কোনেও বাধা দিব নোৱাৰে। মই কোন বা আমি কোন এই কথাযাৰ বৰ আচৰিত নহয়নে বাৰু? আমি বাস্তৱ জগতখনৰ লগত ইমানেই মচগুল হৈ আছো যে এই বিলাক খবৰ ল'বৰ বাবে আমাৰ আজৰি নাই। সঁচাকৈয়ে এই কথাবোৰ শুনিবলৈ সহজ যদিও বৰ আচৰিত।

প্ৰকৃতি আৰু বাস্তৱ জগতখনৰ লগত আমি নিবিড় সম্বন্ধ গঢ়িছো। কিন্তু বাস্তৱ জগতখনৰ মায়া-মোহত আৱদ্ধ হৈ আমি কেতিয়াও এই চিৰন্তন সত্য বিলাকক জানিবলৈ চেষ্টা কৰা নাই আৰু কেতিয়াও হয়তো ক'ৰবাত থমকি ৰওঁ।

জন্মৰ পিছতেই প্ৰকৃতিখনৰ নিবিড় কোলাত আপোন পাহৰা হৈ পৰিলো। প্ৰকৃতিৰ শীতল, বায়ু, বতাহ, মাটি-পানী আদিত আকৃষ্ট হৈ পৰিলো। ঘৰখনৰ বিভিন্ন নীতি-নিয়ম, এক সুকীয়া পৰিৱেশৰ লগত চিনাকি হ'লো। হাঁহি-ধেমালিৰ মাজেৰে মই মোৰ ল'ৰালিকাল অতিবাহিত কৰিছিলো। লগৰীয়াৰ সৈতে লুকা-ভাকু, চেংগুটি, ৰজা-ৰাণী, পাৰ-পানী, পথাৰৰ বঁকিয়াইদি নৰাৰ পেঁপা সাজি বজোৱা, ধান বুটলা আদি কথাবোৰ মনত পৰিলে আজিও হাঁহি উঠে। ৰবাব টেঙা, আমলখি গছৰ তলৰ পৰা বুটলি আনি খোৱা, চকা ঘূৰোৱা আৰু ক'ত যে কি! এই কথাবোৰ মোক বাৰুকৈয়ে আমনি দিয়ে। যিবোৰ মানসপটত স্মৃতিৰ দৰে সজীৱ হৈ আছে।

সময় গতিশীল আৰু ক্ষণস্থায়ী। ই কাৰো বাবে ৰৈ নাথাকে। আমি মাথো সময়ৰ বাবে অপেক্ষাকৃত। ল'ৰালিৰ সেই দিন বিলাকক নেওঁচি শৈশৱত ভৰি দিলো। য'ত স্কুলীয়া জীৱনৰ লগত নিবিড়ভাৱে জড়িত হৈ পৰিছো। আৰু এক সম্বন্ধ গঢ় লৈ উঠিল। স্কুলৰ ছাৰ-বাইদেউহঁতৰ লগত চা-চিনাকি আৰু কথা-বাৰ্তা, লগৰীয়াৰ সৈতে একেখন বেঞ্চতে বহি কিতাপ পঢ়া, ছাৰ-বাইদেউহঁতৰ বেতৰ কোব, নিয়ম অনুযায়ী স্কুল অহা-যোৱা, ব্ৰেক টাইমত শাৰী পাতি মধ্যাহ্ন ভোজন কৰা, খেলা-ধূলা এই এৰি অহা সময়বোৰলৈ মনত পৰিলে আকৌ ঘূৰি যাব মন যায় সেই অতীতলৈ।

স্কুলীয়া জীৱনৰ অন্তিম ক্ষণত ছাৰ-বাইদেউহঁতৰ স্মৃতি, লগৰীয়াক এৰি অহা বেদনা কিমান যে গধূৰ তাক ক'বলৈ শব্দৰ নাটনি। স্কুলীয়া জীৱনক অতিক্ৰম কৰি এক নতুন দিগন্তৰ দিশে উৰা মাৰিলো। ভৰি দিলোহি আন এখন কলেজ অৰ্থাৎ হায়াৰ চেকেণ্ডৰিত। দুটা বছৰে পঢ়ি অহা সেই দুল্লৰ্ভ চন্দ্ৰ চকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগত থকা মধুৰ স্মৃতি বিলাক, প্ৰতিটো পল-অনুপল এনাজৰীৰে বান্ধি ৰাখিছিলো। কিন্তু সময়ৰ লগে লগে খোজ মিলাই যাওঁতে অতীতক এৰি আহিব লগা হ'ল।

'বন্ধুত্ব' এই শব্দটো বৰ বিশাল। এই শব্দটিৰ প্ৰতিটো আখৰৰ মাজত লুকাই আছে এক নতুন অৰ্থ। সেই বিশালতাৰ মাজত বিচাৰি পাওঁ হাঁহি-ধেমালি, কান্দোন আৰু মধুৰ স্মৃতিবোৰ। সেই সময়বোৰক নেওঁচি কলেজীয়া আৰু স্কুলীয়া এই দুয়োখনকে এৰি আহিব লগা হ'ল। চিনাকি হ'লো আন এখন কলেজৰ লগত। যিখন কলেজৰ লগত আগতে মোৰ কোনো ধৰণৰ সম্পৰ্ক নাছিল। যাৰ নাম শিৱসাগৰ ছোৱালী কলেজ। মনত এটা হেঁপাহ পুহি ৰাখিছিলো যে হায়াৰ ছেকেণ্ডৰী পঢ়ি এইখন কলেজত নাম লগাম। শিৱসাগৰ নগৰত অৱস্থিত মহিমামণ্ডিত শিৱদৌলৰ কাষতে থকা এই কলেজখনৰ লগত এখ সুকীয়া সম্বন্ধ গঢ়ি পেলালো। নিজতকৈও আপোন যেন লগা মোৰ

এই কলেজখনি। ইয়াৰ প্ৰতিটো দিনেই মোৰ বাবে স্মৃতি হৈ ৰ'ব। যুগমীয়া হৈ ৰ'ব চিৰদিৰ বাবে। মই পোন প্ৰথমে এইখন কলেজৰ প্ৰতিষ্ঠাতা মনীষীসকলক প্ৰণিপাত জনাইছো। মই আহিছিলো বি.এ. পঢ়িম বুলি। কিন্তু এটা কথা মনত পৰিলে বৰ বেয়া লাগে। মনত থকা কথাবোৰ কৈ দিলে অলপ হ'লেও সকাহ পোৱা যায়। মোৰ ক্ষেত্ৰতো একে। প্ৰথম ষান্মাসিকৰ ছাত্ৰী হিচাপে পঢ়িম বুলি থিৰাং কৰি এডমিশ্বন ল'লো অৰ্থাৎ তেতিয়া আছিল অনলাইন মাধ্যমযোগে এডমিশ্বন। অনলাইনত এডমিশ্বনৰ বাবে ফ্ৰম ফিলাপ কৰিলো। কিন্তু আকৌ যে পুনৰ এডমিশ্বন ল'ব লাগে সেই কথা মই ভালদৰে জনা নাছিলো। সিদিনা আছিল ২০২০ চনৰ ৮ জুলাই। মই আহিছিল NSP স্কলাৰশ্বিপৰ বাবে কলেজৰ ৰোল নম্বৰ বিচাৰি। তাৰ পিছত কথটো তেতিয়াহে গম পালো যে মই এডমিশ্বনেই লোৱা নাই। ছোৱালী বিলাকৰ সম্পূৰ্ণ ভাৱে এডমিশ্বন হৈ গ'ল। আশা-সপোন সেই মুহূৰ্ততে ভাগি পৰিল। ভাবি পোৱা নাছিলো মই কি ক'ৰো। কান্দোন ৰখাব নোৱাৰিলো। মনত দুখ লাগিছিল এইটো কাৰণে যে যিখন কলেজক মই নিজতকৈও ভাল পাইছিলো য'ত মোৰ সপোন বিলাক পূৰণ কৰিবৰ বাবে চাৰিওঁৰ পৰা ওলাই আহিছিলো পঢ়িম বুলি, সেইখনক আজি হেৰুৱাব লাগিব। ভবা মতে কাম নহ'ল। সকলোৰে ভবাৰ দৰে মইও ভাবো এজন ভগৱান আছে বুলি। অৱশেষত ভগৱানে চকু মেলি চালে। এইখিনিতে মই কলেজৰ G.S. আৰু অংকুৰ ছাৰকো ধন্যবাদ নিদি নোৱাৰিম হয়তো। ছাৰে সুধিছিল যে তুমি আগতে এডমিশ্বনৰ কথা একো গম পোৱা নাছিলা নি আৰু তোমাৰ ৰিজাল্ট কেনেকুৱা? তেতিয়া প্ৰশ্নৰ উত্তৰত ছাৰক ক'লো, 'ছাৰ, মই এডমিশ্বনৰ বিষয়ে বিশেষ একো গম নাপালো আৰু মোৰ ৰিজাল্ট প্ৰথম বিভাগ, ৩ খনত লেটাৰ।' তেতিয়া ছাৰে ক'লে যে তুমি ইমান এটা ভাল ৰিজাল্ট লৈ কিয় এনেকুৱা কৰিছা। মই বাৰু কিবা এটা কৰিব পাৰো নেকি চাওঁ বুলি কৈ মনত এটা সকাহ দিছিল। আৰু সেই আশাটোকে লৈ কেইবাদিনো কলেজলৈ গৈছিলো আৰু শেষত মই বি.এ. প্ৰথম ষান্মাসিকৰ ছাত্ৰী হিচাপে স্বীকৃতি দিবলৈ সক্ষম হ'লো। এনেদৰেই মোৰ এইখন কলেজলৈ আগমন ঘটিল। ইয়াত অনুভৱ কৰিব পৰা প্ৰতিটো বস্তুৰ মাদকতা অভিন্ন। নিবিড় সম্বন্ধ গঢ় লৈ উঠিছিল এই কলেজখনৰ লগত। ইয়াত কটোৱা প্ৰতিটো মুহূৰ্ত তথা একেলগে বহি ক্লাছ কৰা, লাইব্ৰেৰী যোৱা, ছাৰ-বাইদেউহঁতৰ ভাষণ, সভা-সমিতিৰ পৰ্ব, কেণ্টিনত বহি একেলগে খোৱা, বৰপুখুৰীৰ পাৰৰ সেই নিজান পৰিৱেশৰ মাজত থকা ফুচকা দোকানত ফুচকা খোৱা, লগৰীয়াৰ সৈতে ইটো-সিটো কৰা এই সকলোবোৰ মনত পৰিব যেতিয়া নেকি কলেজখনক এৰি যাম। ভাবিলে মনটো বেয়া লাগে। কিন্তু কি কৰিবা এদিন হয়তো যাবই লাগিব। গতিশীল সময়ৰ লগত নিজকে আগবঢ়াই নিব লাগিব। শিৱসাগৰৰ কৃৰ্তিচিহ্ন হিচাপে মহিমামণ্ডিত কলেজৰ গাতে লাগি থকা শিৱদৌলৰ যি দৃশ্য! বৰপুখুৰীৰ পাৰতে হওক বা দ'লৰ কাষেদিয়েই হওক নাইবা শিৱসাগৰ নগৰেদি পাৰ হৈ যোৱা সেউজীয়া দুপাট্টা, বগা কুৰ্ট্টা, প্লাজো পিন্ধি থকা ছাত্ৰীসকলক দেখিলেই ক'ব পাৰি এয়া শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী। সঁচাকৈও আমি শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী হিচাপে গৌৰৱবোধ কৰো। অনাগত দিন বিলাকত কলেজখনৰ প্ৰতি যি আমাৰ দায়িত্ব তাক পালন কৰিবলৈ দায়বদ্ধ হোৱাৰ লগতে এই কলেজখনক লৈ যি সপোন তাক বাস্তৱায়িত কৰিবলৈ চেষ্টা কৰিম বুলি দৃঢ় প্ৰতিজ্ঞ।

**সপোন সেইটো নহয় যিটো টোপনিত দেখে, সপোন হ'ল সেইটো যি সপোন পূৰণৰ বাবে টোপনি নাহে।**

**—ড° এ.পি.জে. আব্দুল কালাম**

স্মৃতি

# স্মৃতিৰ বৰবাকচ

**উপাসনা দিহিঙ্গীয়া**
স্নাতক চতুৰ্থ ষান্মাসিক, ভূগোল বিভাগ

২০১৮ চন। উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হ'লো। এতিয়া ক'ত পঢ়িম কিহত মেজৰ ল'ম কোনখন কলেজত পঢ়িলে মোৰ উন্নতি হ'ব। ইত্যাদি বিভিন্ন প্ৰশ্নৰ মাজেৰে এদিন গৈ উপস্থিত হ'লোগৈ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত। ভবাই নাছিলো অসমৰ ঐতিহ্যমণ্ডিত বুৰঞ্জীপ্ৰসিদ্ধ এখন ঠাইৰ মাজ মজিয়াত একেৰাহে তিনিটা বছৰ থাকি সোণৰ কলচিৰ তলত বৰপুখুৰীৰ পাৰত ইমান মনোমোহা এখন ঠাইৰ লগত বিলীন হৈ গঢ়িবলৈ পাম।

মোৰ মনৰ আশা পূৰণ হ'ল। নিজকে শিৱসাগৰৰ বাসিন্দা বুলি ভাবিবলৈ সুযোগকণ দিলে, এইখন শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে। ধন্যবাদ তাত কৰ্মৰত ছাৰ-বাইদেউসকল, 'জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়'। মোক দুলিয়াজানৰ পৰা আদৰি লোৱাৰ বাবে।

ভূগোল বিভাগক বাছনি কৰি নিজৰ পৰিচয়ৰে জয়গান গালো। 'মই শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰথম যান্মাসিক ছাত্ৰী' বুলি গৌৰৱত উৎফুল্লিত হৈ পৰিলো। সিদিনা ২৫ চেপ্তেম্বৰ, ২০১৮ বৰ্ষ। মোৰ জীৱনত আৰম্ভ হ'ল কলেজীয়া দিনৰ। পদাপৰ্ণ হ'লো নিজৰ কলেজখনত। নিজৰ ডিপাৰ্টমেণ্টত, মনত ফুৰ্তি বুকুত ধপধপনি, কাকো চিনি নাপাওঁ। ক'ত কি কৰিব লাগে একোকে নাজানো; বৰ অকলশৰীয়া, দুলিয়াজানৰ পৰা যোৱা মই একমাত্ৰ। এদিন দুদিনকৈ দিন বাগৰিল সময়ৰ সোঁতত এজন এজনকৈ সকলোকে চিনি পোৱা হ'লো। খুউব কম সময়ৰ ভিতৰতে সকলোৰে পৰিচিতা হৈ আপোন হৈ পৰিলো কলেজখনৰ বাবে। ঠিক সেইদৰে ৰংপুৰ ছাত্ৰী নিবাসখনো হৈ পৰিল মোৰ নিজৰ ঘৰখন, নিজৰ পৰিয়ালটো দৰে। লাহেকৈ ভয় মনৰ শংকাবোৰ দূৰ হ'ল। চিনাকি হৈ পৰিল কলেজ কেণ্টিনৰ দাদা-বাসকল, গেটৰ সন্মুখত থকা বৰতা-বৰমাকো নিজৰ কোনোবা যেন লগা হ'ল। ডিপাৰ্টমেণ্টৰ ছাৰ-বাইদেউসকলৰ লগত সহজ হৈ পৰিলো। তেখেতসকলে মোক মোৰ লক্ষ্যত আগুৱাই যাবলৈ বহুত সাহস দিলে। নজনা নুবুজাখিনি কৰি ৰাখিব লগীয়া হ'লো। পঞ্চম ষান্মাসিক এটা স্মৃতিয়ে জীৱনত সাঁচ বহাই গ'ল। সেয়া হ'ল আমাৰ ডিপাটমেণ্টৰ উৰিয়ামঘাটৰ যাত্ৰা। সকলো সহপাঠী আৰু ছাৰ-বাইদেউসকলৰ লগত এই অন্তৰঙ্গ যাত্ৰা। ভূগোল বিভাগৰ ক্ষেত্ৰ অধ্যয়নে হয়তো আমাক এই যাত্ৰাতে পৰিসমাপ্তি ঘটালে। পুনৰ কৰোণাৰ দ্বিতীয়টোৰ ত্ৰাসত গৃহবন্দী কৰিবলৈ বাধ্য হ'লো।

এনেকৈয়ে দিন আহে ৰাতি যায়। সূৰুযৰ লুকা-ভাকুৰ লগতে খেলি খেলি ষষ্ঠ যান্মাসিকৰ ছাত্ৰী হ'লোহি। ফাইনেল দিলোহি। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে হাত বাউলি মাতি আছে আমাক বিদায় জনাবলৈ। মোৰ জীৱন পৰিক্ৰমাৰ মাজত এইখন মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ ভূমিকাখিনি মোৰ স্মৃতিপটত চিৰদিনেই নমস্য হৈ থাকিব। দুলিয়াজানৰ বাসিন্দা হৈও সগৌৰৱেৰে সদায়ে নাম লম 'চিৰ নমস্য মোৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়', তোমাক সদায়ে প্ৰণাম। চিৰকৃতজ্ঞ মই আপোনালোক সকলো শিক্ষাগুৰু, দাদা, বাইদেউ, বৰতা-বৰমাৰ ওচৰত। বিদায় ক্ষণত মোৰ অশ্ৰুসিক্ত দুনয়নে আপোনালোক সবাৰে পৰা আঁতৰি আহিছো মোৰ পৰৱৰ্তী গন্তব্য স্থানলৈ। সকলোৰে আশীৰ্বাদৰ কামনা কৰিলো পুনৰ লগ পাম।

# কলেজীয়া জীৱনৰ জীয়া অভিজ্ঞতা

**উপাসনা ৰাজখোৱা**
শিক্ষাতত্ব বিভাগ

এক ন পৰিচয়, ন পৰিৱেশ, ন শিক্ষক-শিক্ষয়িত্ৰী আৰু বহুতো অচিনাকি মুখ। ডাঙৰ ডাঙৰ আখৰেৰে লিখিত এখন তোৰণ 'শিৱসাগৰ ছোৱালী কলেজ'। প্ৰথম দিনৰ অনুভৱবোৰে আজিও হৃদয় ৰোমাঞ্চিত কৰি তোলে। প্ৰথমতেই NCCৰ বাবে চিনাকি হোৱা পূৰবী বা, মনালিচা বা, চয়নিকা বা, কথিতা বাহঁতৰ বাবে আপোন মানুহবোৰৰ বান্ধোনেৰে নতুন হৈও বহু যুগৰ আপোন হৈ পৰিছিল ছোৱালী কলেজখন। প্ৰথমতেই ডিপাৰ্টমেণ্টত সোমাই সেৱা লৈছিলো অনাগত দিনবোৰ যাতে সুন্দৰ হয়। ডিপাৰ্টমেণ্টৰ ছাৰ-বাইদেউসকলৰ মৰমীয়াল মাত কেইষাৰে পুৰণি কলেজখনক এৰি অহাৰ দুখবোৰ মচি পেলাইছিল। বেলেগ বেলেগ কলেজৰ পৰা অহা নতুন নতুন বান্ধৱীবোৰৰ সৈতে বন্ধুত্বৰ এক আপোনতা বান্ধোন গঢ়ি উঠিছিল। মুঠতে সকলোৰে লগত মিলা-প্ৰীতি বন্ধুত্বৰে আমি সকলোবোৰ জী উঠিছিলো নতুনকৈ।

সময় সভ্যতাৰ ইতিহাস। সময়ক হাতৰ মুঠিত ধৰি ৰখাৰ সাহস কাৰোৰেই নাই, সময়ে দি যায় মাথো বাকচ ভৰ্তি সদৃশ এসোপা সোঁৱৰণি আৰু স্মৃতি। সেউজীয়াৰ দেশত সেউজী ৰাংঢালীজনী হৈ আমি পাৰ কৰিলো তিনিটা বসন্ত আৰু এতিয়া আমি বিদায় পথৰ যাত্ৰী। ডিপাৰ্টমেণ্টল ফ্ৰেচাৰ্চ, ফেয়াৰৱেল, জুনিয়ৰ-চিনিয়ৰৰ সহযোগিতা, স্ফুৰ্তি, গ্ৰুপে গ্ৰুপে আলোচনা। 'অ'ই আমি এতিয়া চিনিয়ৰ, ৰহ্ আজি জুনিয়ৰবোৰক ভয় খোৱামচোন। আকৌ আৱেগ .... এহ .... নকওঁ একো, ছাৰক কৈ দিলে গালিহে খাম আমি! খিলখিলাই হাঁহি, যেন প্ৰাণ পাইছে ছোৱালী কলেজে। দিনে দিনে প্ৰিয় হৈ পৰিছিল সকলোবোৰ। 'শিক্ষাতত্ব বিভাগ'ৰ ছাত্ৰী বুলি বুকু ফিন্দাই ঘূৰি ফুৰিছিলো কলেজ কেম্পাচত। গৰিকা মেম, ৰণ্টু ছাৰ, বৰ্ণালী মেম, বাবুল ছাৰৰ দিহা-পৰামৰ্শবোৰে অনাগত দিনত আগবাঢ়ি যাবলৈ উৎসাহিত কৰিছিল। ব্ৰেক টাইমখিনি যেন কোনো বিয়নী মেলাতকৈও কম নহয়। কমন ৰোমত ঘূৰণীয়া মেজমেল পাতি তিতা, টেঙা, মিঠাৰে অভিজ্ঞতাৰ বকিয়াইদি জুকিয়াই চাইছিলো আমাৰ সময়বোৰক। Excursion, Field Study এইবোৰ যেন সুখৰ একোটা উৎস। কোনো এখন ঠাইলৈ গৈ সেই মানুহসকলৰ জীৱনশৈলী, প্ৰকৃতিৰ বিনন্দীয়া ৰূপত মুগ্ধ হোৱা এইবোৰ এতিয়া সোঁৱৰণিৰ এখিলা পৃষ্ঠা। সেউজীয়াৰ বুকুত খোদিত হোৱা ঠিকনাৰ সেউজীয়াতেই উপহাৰ। Assaignment, Seminar, Group discussion জুৰুলা কৰিলেও আমি যেন হাঁহি হাঁহি জী উঠা এজাক সেউজীয়া পখিলা। ৰণ্টু ছাৰৰ খুহুতীয়া কথা, বৰ্ণালী মেমৰ councellingৰ মিটিং অনুপস্থিত থকা ক্লাছত বাবুল ছাৰে প্ৰশ্ন সোধাৰ ভয়, গৰিকা মেমৰ মানৱতাবোধ সকলোবোৰৰ পৰা লাহে লাহে এতিয়া যেন আমি ক্ৰমশ আঁতৰি গৈছো। সময় ... সাৰটি ৰাখিব পৰা হ'লে তোক, আজীৱন, উদ্‌যাপন কৰিলো হয় বন্ধুত্বৰ উমাল মুহূৰ্তৰ সোণালী সময়বোৰ। কেতিয়াবা লুটিয়াই চাম অতীতৰ পৃষ্ঠা। অশ্ৰুভৰা দুচকুৰে জানো মচিব পাৰিম সোণালী সময়ৰ গাঁথা। আদৰ, হেঁপাহ, মৰমৰ পৰশেৰে আমি আজীৱন কঢ়িয়াম সেউজীয়া দেশৰ জীয়া অভিজ্ঞতাৰ সেউজীয়া পখিলাজনীক সোণোৱালী আভা।

কথা শিল্প

# কিতাপ পঢ়ো আহক

**ইলোৰা লুখুৰাখন**
বুৰঞ্জী বিভাগ

কিতাপ হৈছে মানুহৰ জ্ঞান অন্বেষণৰ গুৰুত্বপূৰ্ণ মাধ্যম। মনীষীসকলৰ সাধনাৰ ফল অৰ্থাৎ জ্ঞান কিতাপতেই সংৰক্ষিত হৈ থাকে। প্ৰাচীন কালত ঋষিমুনিসকলে জ্ঞানৰ অন্বেষণৰ বাবে কিতাপ ৰচনা কৰিছিল। পৰৱৰ্তী সময়ত সেই গ্ৰন্থসমূহে উপনিষদ, কাব্য, মহাকাব্য আদি বিভিন্ন পুথি-পাজি নামেৰে পৰিচিত হ'ল।

গ্ৰন্থ মানৱ জীৱনৰ অমূল্য সম্পদ। সভ্যতাৰ বিকাশত যুগে যুগে গ্ৰন্থই গ্ৰহণ কৰে বৰণীয়া ভূমিকা। সেয়ে কিতাপক জ্ঞান বিস্তাৰৰ অন্যতম মাধ্যম হিচাপে ধৰা হয়। কিতাপৰ জৰিয়তে কোনো এটা নিৰ্দিষ্ট সময়ৰ নিৰ্দিষ্ট এডোখৰ ঠাইৰ সামাজিক ব্যৱস্থা, ধৰ্মীয় ব্যৱস্থা, সাংস্কৃতিক ব্যৱস্থা, অৰ্থনৈতিক ব্যৱস্থা ইত্যাদি বহুতো কথা জানিব পৰা যায়।

**কিতাপ পঢ়াৰ গুৰুত্ব বা উপকাৰিতা ঃ** কিতাপ হৈছে জ্ঞান অৰ্জনৰ এটা মাধ্যম। ইয়াৰ উপৰিও কিতাপে মানুহক আনন্দ প্ৰদান কৰে। সেয়ে জ্ঞানীলোকক সকলে কৈছে যে এখন ভাল কিতাপ ফলা বা এজন ভাল বন্ধুক হত্যা কৰা একেই কথা। কিতাপৰ জৰিয়তে মানুহে বহুতো নজনা কথা জনাত, নেদেখাক বস্তু কল্পনা কৰাত সহায় হয়। সেয়ে, কিতাপ মানুহৰ পৰম বন্ধু। সেয়ে পণ্ডিতসকলে কয়, তোমাক সকলো বন্ধুৱে এৰি গুচি যাব পাৰে কিন্তু কিতাপে তোমাক কেতিয়াও সংগ এৰি নাযায়। কিতাপৰ সেয়ে প্ৰয়োজনীয়তা অসীম। কিতাপৰ দ্বাৰাই এখন দেশৰ ভৌগোলিক পৰিৱেশ, সামাজিক, সাংস্কৃতিক, শৈক্ষিক আদি সকলো ধৰণৰ পৰিৱেশৰ বিষয়ে জানিব পাৰো।

সেয়ে প্ৰাচীন কালৰে পৰা জ্ঞানী পণ্ডিতসকলে কিতাপৰ মূল্য বুজি পাইছিল আৰু তেওঁলোকে গ্ৰন্থ ৰচনা কৰিছিল। সেই সমূহৰ ভিতৰত মহাকাব্য কেইখনৰ কথাকে ক'ব পাৰি। বাল্মিকীৰ ৰামায়ণ, ব্যাসদেৱৰ মহাভাৰত, হোমাৰৰ

কিতাপৰ দ্বাৰা মানুহৰ পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ সৃষ্টি হৈছে। পৰিৱেশ সম্পৰ্কীয় কিতাপসমূহত পৰিৱেশৰ গুৰুত্ব গছ থাকিলেহে যে মানুহ থাকিব, গছ-গছনি কমি অহাৰ ফলত বায়ুমণ্ডলত কেনেকুৱা ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে ইত্যাদি বিভিন্ন ধৰণৰ কথা জনা যায়। ইয়াৰ উপৰিও বায়ুমণ্ডলৰ ভাৰসাম্যতা, উষ্ণতা বৃদ্ধি ইত্যাদি বিভিন্ন ধৰণৰ পৰিৱেশীয় তথ্য পোৱা যায়।

ইলিয়াড আৰু ওদিচি অন্যতম। সেই সমূহকে বাট বুলি বৰ্তমান পণ্ডিতসকলে জ্ঞানৰ চৰ্চা কৰিছে। তেওঁলোকে বিভিন্ন ধৰণৰ গ্ৰন্থ ৰচনা কৰিছে। ইয়াৰ দ্বাৰাই জনসাধাৰণক জ্ঞানৰ বিস্তাৰত সহায়ক হৈছে।

**কিতাপৰ পৰিৱেশিক গুৰুত্ব ঃ** কিতাপৰ দ্বাৰা মানুহৰ পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ সৃষ্টি হৈছে। পৰিৱেশ সম্পৰ্কীয় কিতাপসমূহত পৰিৱেশৰ গুৰুত্ব গছ থাকিলেহে যে মানুহ থাকিব, গছ-গছনি কমি অহাৰ ফলত বায়ুমণ্ডলত কেনেকুৱা ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে ইত্যাদি বিভিন্ন ধৰণৰ কথা জনা যায়। ইয়াৰ উপৰিও বায়ুমণ্ডলৰ ভাৰসাম্যতা, উষ্ণতা বৃদ্ধি ইত্যাদি বিভিন্ন ধৰণৰ পৰিৱেশীয় তথ্য পোৱা যায়। পৰিৱেশৰ সামাজিক প্ৰভাৱ মানুহৰ গাত কেনেদৰে পৰিছে ইত্যাদি বহুতো কথা গ্ৰন্থ অধ্যয়নৰ পৰা পাব পাৰি।

**কিতাপৰ সামাজিক গুৰুত্ব ঃ** কিতাপ হৈছে জ্ঞানী লোকৰ জ্ঞানৰ ভঁৰাল। কিতাপৰ সামাজিক গুৰুত্ব অপৰিসীম। কিতাপ পঢ়াৰ ফলত মানুহৰ মাজত জ্ঞানৰ সাগৰ বিস্তাৰিত হৈছে। ইয়াৰ ফলত মানুহে সমাজত প্ৰচলিত কু-প্ৰথা, অজ্ঞানতা, বিশৃংখলতা আদি আঁতৰ কৰি সমাজখনক সুস্থিৰ কৰাত সহায় কৰিছে। কিতাপ বিভিন্ন ধৰণৰ হ'ব পাৰে। যেনে— আধ্যাত্মিক, পাৰিৱেশিক, বিজ্ঞানপ্ৰযুক্তি, কলা-কৌশল, সভ্যতা-সংস্কৃতি ইত্যাদি বিভিন্ন ধৰণৰ। এইসমূহৰ দ্বাৰা জ্ঞানৰ বিস্তাৰ হয়। লগতে মানুহৰ কল্পনাশক্তি বৃদ্ধি হয়। এই সমূহৰ উপৰিও মানুহে আনন্দ লাভ কৰিবৰ বাবেও কিতাপ পঢ়ে। বৰ্তমান সময়ত বহুলভাৱে প্ৰভাৱ বিস্তাৰ কৰা অন্যতম কিতাপ বা গ্ৰন্থ হৈছে উপন্যাস, বৈজ্ঞানিক দৃষ্টিভংগীসম্পন্ন কিতাপ, গল্প, আলোচনী, সৰু ল'ৰা-ছোৱালীৰ সাধু কিতাপ ইত্যাদি। উপন্যাসসমূহৰ দ্বাৰা আনন্দ-বিষাদ, উচ্চাকাংক্ষা আদি বৃদ্ধি হয়।


**কিতাপৰ বৰ্তমান সময়ত প্ৰভাৱ ঃ** বৰ্তমান সময়ত কিতাপৰ প্ৰভাৱ আছে যদিও প্ৰায় কমি যোৱা দেখা যায়। বৰ্তমান হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ফলত মানুহে কিতাপ পঢ়িবলৈ সময় নাপায় বা পালেও অলপ পঢ়ি সামৰণি মাৰে। কম্পিউটাৰ ম'বাইল, লেপটপ আদিৰ বিকাশৰ ফলত মানুহে ইয়াৰ দ্বাৰা কাৰ্য্য পৰিচালনা কৰিছে যদিও উঠি অহা যুৱ-প্ৰজন্মই অৱাবত সময় নষ্ট কৰিছে। সেয়ে উঠি অহা যুৱ-প্ৰজন্মক কিতাপৰ প্ৰতিত উৎসাহ প্ৰদান কৰা কিছুমান মাধ্যমৰ ব্যৱস্থা কৰিব লাগে।

বৰ্তমান সময়ত কিতাপ কেৱল গ্ৰন্থমেলাসমূহতে উপলব্ধ নহয়। ছাত্ৰ-ছাত্ৰীসকলে ম'বাইল, লেপটপ আদিত অবাবত সময় নষ্ট কৰাতকৈ সেইসমূহত অধ্যয়নৰ সুবিধা কৰি ল'ব লাগে। ইয়াৰ ফলত নৱপ্ৰজন্মই আগবাঢ়ি যোৱাত বহুতো সুবিধা হ'ব বুলি মই ভাবোঁ।

**সামৰণি ঃ** কিতাপ হৈছে সমাজ এখনক সুস্থভাৱে পৰিচালনা কৰাৰ অন্যতম মাধ্যম। মানুহে কিতাপ পঢ়িব লাগে। কিতাপৰ দ্বাৰাই পৃথিৱীৰ এটা চুকে অন্য এটা চুকত যি ঘটি আছে সেই বিষয়ে জনাত সহায় কৰে। সেয়ে কিতাপ কিনি মানুহে অধ্যয়নৰ লগত জড়িত হোৱাতো এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে ভাবিব লাগে আৰু ভাল ভাল গ্ৰন্থ অধ্যয়ন কৰিব লাগে। যাতে অদূৰ ভৱিষ্যতে মানুহৰ জ্ঞানৰ বিস্তাৰ অধিক হয়।

**কাইলৈৰ কথা নাভাবিবা। দৃষ্টি নিবদ্ধ কৰা কেৱল আজিৰ দিনটোৰ ওপৰত। আজিৰ দিনটোৰ পৰম বিস্ময়েই তোমাৰ কাৰণে যথেষ্ট।**

**—খলিল জিব্ৰান**



# উন্নতি

**অনন্যা গগৈ**
স্নাতক তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ব্ৰহ্মপুত্ৰত দলং হ'ল নাৱৰীয়া বুকু শিল হ'ল। ভাতমুঠিৰ চিন্তাত যেন সৰকি নাহে নিশাহ দেশৰ উন্নতিয়ে কাঢ়ি নিলে নাৱৰীয়াৰ ভাতমুঠি এতিয়া নাৱৰীয়াৰ এটাই প্ৰশ্ন জীৱনৰ জাৱণিৰ পৰা ছিঙি পৰা ফুলপাহ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তুলি দিব নে?



# Recalled Happiness

**Rajlakhi Boruah**
B.A. 6th Semester, Geography

We all have cherishable memories and moments of our childhood days. These memories ultimately stay for loge and always bring a smile on our faces. The 90's TV shows like Shaktimaan, Sonpari, Hatim, Shararat, Shaka laka boom boom etc. contributes to our childhood nostalgia.

I still fondly remember how excitedly we would sit in front of the idiot box and watch the shows which made our hearts jump with joy. Few shows really took a special place in my heart forever. One such show is 'Shaka Laka Boom Boom'. A show based on a magic pencil and anything that is drawn using the pencil becomes reality. After watching the show I too longed for such a magic pencil in my life. But now it is hilarious to think that I wished will always remain superior and remind us to reminisce our treasures of childhood.

# মই সৰাপাত.... সুৰৰ মুৰ্চ্ছনা অনন্ত বসন্তৰ শিৱসাগৰ ছোৱালী কলেজ

**বাবলি বেগম**
স্নাতক ষষ্ঠ যান্মাসিক, অসমীয়া বিভাগ

স্মৃতি আৰু সোঁৱৰণী সতে আজি মোৰ সন্ধিয়া।

এটি কবিতাৰ পংক্তিয়ে মোৰ জীপালময় পৃষ্ঠাত আৱেগিক হ'লেও কৈ যাওঁ এনেদৰে শিৱসাগৰ ছোৱালী কলেজ। মোৰ স্বপ্ন কাৰেঙৰ অনুভূতিৰ পৰিক্ৰমা। স্ৰোতস্বিনীৰ তৰঙ্গত ধ্বনিত হয় আত্মাৰ অনিন্দ্য সুন্দৰ ৰূপৰ কলতাল, ভাবো অন্তৰঙ্গতা আছে মোৰ সৈতে, সেয়ে পান কৰো মন্দাকিনীৰ অমৃত সুধা। জীৱনৰ ওৰেটো বাট আঁকিছো আলপনা উপলব্ধি। সেই যে বৰ্ষাসিক্ত ৰঙীন সময়বোৰ আকুলতাৰে ভৰা স্বপ্নিল পথ। মোৰ আৱেগিক সন্ধিয়াত মই আজি আবদ্ধ স্মৃতি আৰু সোঁৱৰণিৰ মাজত সেউজীয়া দোপাট্টাৰ বিশাল ময়দানত। নাজানো তুমি প্ৰাণৱন্তানে? সৃষ্টিৰ পাতনিৰে পৰা ক'ত অগনিত খোজৰ শব্দ পাৰ হৈ গ'ল। পাৰ হৈ যায় নিৰন্তৰ মানৱ জীৱনৰ একা-বেঁকা গতি। হাজাৰ ফুলৰ মৌ বিচৰা, মৌ-মাখিৰ পৰিক্ৰমাৰে সংৰক্ষণ কৰে মানৱতাৰ হাজাৰ অভিজ্ঞতাক শিৱসাগৰ ছোৱালী কলেজে।

নিঃসঙ্গতাত সৃষ্টি হয় সুন্দৰৰ, ভাৱাত্মক পৰিধিৰ সীমা ভাঙি, কোমল নিৰ্জনতাত নৈঃশব্দৰে বতাহত উৰি আহে, সৌন্দৰ্যৰ ইতিহাস। থুনুকা দেশ মোৰ এন্ধাৰটো ৰঙীন। পাৰ হৈ যায় নিৰন্তৰ মানৱ জীৱনৰ একা-বেঁকা গতি। শিৱসাগৰ ছোৱালী কলেজেও আদৰি লয় নৱ যৌৱনক, এইদৰে পাৰ হৈ বহু বছৰ, খোজত ছন্দ মিলাই নৱ যৌৱন হৈ ৰয়, ৰঙালী আকাশত উৰুৱাই সুৰভিত আবিৰ। ভাঁহি আহে পৰিমল নীলিম আকাশ আৰু সেউজী বননিৰ স্নিগ্ধতাত হ'বতো পাৰে অনিন্দ্য সুন্দৰ। লানি নিছিগা গাড়ীৰ শব্দবোৰ ধূসৰিত হ'লেও ঐতিহ্যমণ্ডিত শিৱসাগৰৰ বাকৰিত প্ৰমূৰ্ত্ত ৰূপ সোণৰ কলচী শিৱদৌলৰ পাৰত শিৱসাগৰ ছোৱালী কলেজ। সেউজীয়া দেশৰ নাটকৰ আখৰা অনিশ্চিত ভৱিষ্যতৰ সদায়েই চলি থাকে, আমাৰ মন পখিলীৰ অন্তহীন যায়। এই আলোম মন্দিৰত। এই যে আমাৰ অহা আৰু যোৱা তোমাৰ কাৰণে বহু জোনাক ... বহু অমানিশা পাৰ হ'ল শিৱসাগৰ ছোৱালী কলেজৰ বুকুতে ....। আজন্ম প্ৰতীক্ষা কৰা উন্মনা বতাহ ছাটিত ধোৱাই নিয়ে চঞ্চলতা মনবোৰক। তৃষ্ণাতুৰ চকুত এবাৰলৈ চাবলৈ চেষ্টা কৰা, উদং বুকুৰ শব্দৰ কোলাহলবোৰ, মৰম পিয়াসী চকু থৈ চোৱা, আইজনীহঁতৰ উদীপ্ত যৌৱনৰ লহৰ ৰোমাঞ্চিত হয় শিৱসাগৰ ছোৱালী কলেজৰ বাকৰিত। আকৌ যেন ঘূৰাই পাই ... হেৰাই যোৱা হাজাৰ বসন্ত। পুৰা আবেলি সদায় একে সময়তে একে ব্যক্তিত্বৰ ময়দানত লগ পোৱা, অশীতিপৰ ব্যক্তিত্বইতো শেষ আবেলিৰ স্তিমিত সূৰ্যৰ ম্লান পোহৰৰ লগে লগে এই ময়দানত গোট খায়হি অসংখ্য চঞ্চলা উন্মনা সেউজীয়া পক্ষী। সঁচাই ইয়াৰ মাজতেইতো আছে অনিন্দ্য সুন্দৰ আত্মাৰ ভাষা আৰু অফুৰন্ত কৰ্মশক্তিৰ অনুপ্ৰেৰণা। বাকী ৰাখিছো মাত্ৰ বেটুপাত। শিৱসাগৰ ছোৱালী কলেজৰ হাতৰ তুলিকাৰে বাবে প্ৰকাশিকা হ'ব যুগে যুগে এই আলোক মন্দিৰ যাৰ বেটুপাতত অংকিত হ'ব, নিৰলস সাধনাৰ পক্ষীজাক।

আজি এয়া এই মন্দিৰৰ স্মৃতিৰ তুলাচনীত আৱিষ্কাৰ কৰিছো সখী পতাৰ তীব্ৰ বাসনাৰ সেই মধুৰতাখিনি। মানৱৰ বিচিত্ৰময় ৰঙীন আশা আৰু জীৱনৰ প্ৰমূল্যবোধৰ শাশ্বত উত্তৰণ। এয়া মুখামুখি হৈছো সত্বাৰ নিৰিবিলি প্ৰান্ত অনুভৱ মোৰ জীৱনৰ চিৰজ্যোতিষ্মান বৌদ্ধিক প্ৰৱাহলে কবিতাৰ এসন্ধ্যাত। নীলিম আকাশত পেখম ধৰিব ৰামধেনু সাতো ৰঙে .... দিগন্ত ব্যাপি ঘনঘোৰ ডাৱৰৰ কালিমা আঁতৰাবলৈ।

জ্ঞানৰ পীঠত সুবাসিত সেউজীয়া দেশৰ পক্ষীৰ বৌদ্ধিক সত্বাৰ পৰিচয় শিৱসাগৰ ছোৱালী কলেজ। চঞ্চলা নিৰ্বাৰিণীৰ গতিময় ছন্দৰে উত্তৰণ হওঁক বহু প্ৰজ্ঞাৰ।

# We Can

**Shivani Bhattacharya**
TDC 3rd Semester, Chemistry Department

Without continual growth and progress
Such words as improvement, achievement
and success have no meaning.'

- Benjamin Franklin

The great American Scientist and writer Benjamin Franklin said that if we want to achive a goal in our life we need to do regular and continous practice. So, that we can achive that goal. It is neither very hard nor very easy to achive it. We just need the most valuable thing of our life i.e. time and focus for that particular goal. Everyone have a dream, a goal and a hope in their lives. But in somewhere some of them get distracted and this is only and only because of the mis-use of time and pressure of their daily life.

One life is the most valuable thing that God gave us. In this life we have so many things to do. We must have courage to take a right step towards our goal. We will get victory easily if we do right works in right time. If we fail in somewhere, it doesnot mean that we lost our goal. We know that "Everything happens for our own good," So, don't be panic and don't took a wrong step in this situation. We have our parents, friends and God to guide us to our goal. Some people will talk behind your back don't take it as important and don't focus on it, it may destroy your dream which you dreamt for years. A failure can't change your dream and your goal. We all know that "Failure is the either of success." So instead of thinking about failure we should thank God that he gave us another oppertunity to show what we can do.

Now a days, failure leads a person to a wrong way like suicide. Don't think it will give you happiness by ending your precious life. Every people have to face difficult time in their lives. When you face difficult times, know that challenges are not sent to destroy you. There sent to promote, increases and strengthen you. Suicide is enemy to our life so don't take it as a right option. Which you dreamt of your goal, you thought that you can achive it and you have that strength to achive it, so don't be weak to take wrong decision for a small mistake because in this world everyone does mistakes and at last I want to memorize you that "You are not weak" and we can achive out goal in any way and we have that potential to say "We Can".

সোণগুটি সোণালী ধাননি ডৰা লখিমী হৈয়ে হালি-জালি নাচি থাকিলে হয়। আঘোণৰ পথাৰৰ আনে অনন্যা প্ৰকৃতিৰ ন-ন ৰূপে সুৰগা হ'লহেঁতেন। এইবোৰে ভাৱনাই আমাৰ চকুৰ টোপনি, কান্দোনৰ সুৰ আৰু চিন্তাৰ কাৰণ হৈ পৰিল।

# কবলত পৰা সোণালী ধাননী

**প্ৰস্তুতি কোঁৱৰ**
স্নাতক পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

আহিন মাহৰ সংক্ৰান্তি আজি। কাতি বিহুত গধূলি সোণালী ধাননী ডৰাত বন্তিগছী জ্বলোৱাৰ হেঁপাহেই কিমান! এতিয়াৰ পৰায়ে হ'ব অহা-যোৱা আমাৰ পথাৰলৈ। কেইদিনমানৰ পাছত ধান পকী দোৰ খাই পৰিব। তেতিয়া পথাৰলৈ গ'লে চিঞৰি চিঞৰি গাব পাৰিম। মই সৰুৰে পৰা ভালপোৱা গানটো - 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি অ' ....'। সঁচাই বহুত ভাল লাগে সেই দিনবোৰ, স্মৃতি হোৱা আৰু ভৱিষ্যতে আহি থকা দিনবোৰ।

এতিয়া মোৰ মনত বাস্তৱায়িকভাৱে এক কাহিনী স্বৰূপে সত্য জাগী উঠিছে। স্মৃতি হোৱা দিনবোৰৰ দৰে সফল হ'ব নোৱাৰা বেদনা মোৰ অনুভৱ। পথাৰৰ সেই ন-ধানৰ সোণগুটিৰ গোন্ধ, মুখত গুৱা লৈ, দীঘল হাতৰ চোলা পিন্ধি, মূৰত পাগুৰি মাৰি ধান চপোৱা, ঘৰলৈ বুলি ধান কঢ়িওৱা, পথাৰৰ বকিয়াত বহি ভাইটি-ভন্টিৰ বাবে নৰাৰে পেঁপা আৰু ছাটি বনোৱা আৰু ধান দাই শেষত ন-খোৱা আৰু অনেক সত্যৰ ছবি। কাতি মহীয়া বেলিৰ ৰ'দত ৰবাব টেঙায়ে দেহটো যে শাঁত পেলোৱাই হ'ল শক্তিৰ উৎস।

কিন্তু এইবাৰ সেই সপোন কাহিনীৰ দৰে হৈ পৰিল। পথাৰৰ গাতে লাগি থকা G.G.S.4য়ে যেন সকলোবোৰ কাহিনী কৰি পেলালে। আমাৰ সোণালী ধাননী ডৰা তাৰ প্ৰকোপত বৃহৎ এৰিয়াৰ বেৰ ফাটি নিগৰিল খাৰুৱা তেল। সেইবোৰে বিয়পি পৰিল সোণগুটিৰ ওপৰত। লাহে লাহে বৰষুণত আৰু ৰ'দত সোণগুটিৰ লগতে আশা, ভৰসা, হেঁপাহ থকা অনেক চাৰশাৰ হ'ল।

এইবাৰেই নহয় শুনামতে ২০০১ত ...ৰ লাইটৰ পোহৰত শস্য নষ্ট হোৱাৰ উদাহৰণো আছে আমাৰ পৰিয়ালৰ হাতত।

এতিয়া মোৰ অনুভৱৰ পাতত প্ৰশ্ন হয় বহুতো, কলেজৰ পৰা আহোতে দেখা

ধাননীবোৰৰ পৰিৱৰ্তে আমাৰ খাৰুৱা তেলে নষ্ট কৰা ধাননী ডৰা চকুত পৰিলে বুকুখন ... 'ধান বনাদি বানিব ধৰে।' ভাব হয় ভগৱানে কিয় আমাক এনে কৰি পৰীক্ষা লয়। য'ত আছিল আমাৰ বছেৰেকৰ ভাত সাঁজ।

আন দিনৰ দৰে ধান চপোৱাৰ ইচ্ছা মুঠেই অপ্ৰকাশীত। ৰম আমি হেঁতা পৰা উদাসীনতাৰ মুখমণ্ডলে। নিজে লিখা কবিতাৰে ক'বলৈ মন যায় -

সোণগুটি ধাননি আজি নিমাত কিয়!
তাত নাই কোনো কাঁচিৰ জন্ জন্ শব্দ
পৰি ৰ'ল কিয় স্তব্ধ।

সোণগুটি সোণালী ধাননি ডৰা লখিমী হৈয়ে হালি-জালি নাচি থাকিলে হয়। আঘোণৰ পথাৰৰ আনে অনন্যা প্ৰকৃতিৰ ন-ন ৰূপে সুৱগা হ'লহেঁতেন। এইবোৰে ভাৱনাই আমাৰ চকুৰ টোপনি, কান্দোনৰ সুৰ আৰু চিন্তাৰ কাৰণ হৈ পৰিল।

চহা লোকৰ বাৰিষাৰ জেঠ মহীয়া কষ্টৰে সপোনৰ বীজ সিঁচাৰ পৰা কঠীয়া ৰোৱালৈকে এদিনতে এনেদৰে শেষ হ'ব লাগে জানো।

ধাননী ডৰাত যি উত্তেজিত পৰিৱেশৰ লগতে দুটা এটা ৰসাল কথাৰ মাজতে কিৰিলী আৰু মৃদু বতাহে চুই যোৱা দেহতো শীতল হৈ পৰে। সেই পৰিৱেশ এইবাৰ নিস্তব্ধ নিৰৱ। কৃষকৰ বানে কৰা জলাশয়ৰ ওপৰতে এতিয়া আকৌ তেলৰ নৈ বৈ গৈ গুটি গুটি ধানক তেলময় কৰি সোণালী ধাননি ডৰাক বাৰুকৈয়ে কবলত পেলালে। এতিয়া আৰু চহা লোকৰ সপোনবোৰ শেষ হোৱা দৃশ্যই হ'ল আমাৰ বৰ্তমানৰ দশা।

এইবাৰ তাত নাথাকিব কোনো কৃষকৰ কাণৰ ভাড়ত দাঙৰীৰ জোনোক জোনোক শব্দ হৈ ৰ'ব এক হুমুনিয়া বিৰাজ কৰিব নিস্তব্ধ পৰিৱেশ।

সন্ধিয়াৰ গভীৰতাৰ মৌনতাই কঢ়িয়াই আনে, চকুৰ আগত ভাঁহি আহে সেই দৃশ্যটো ...। এতিয়া মাথো সহ্য আৰু ধৈৰ্য প্ৰতিপল। ভালকৈ পৰিলে আজি আমাৰ সোণগুটি ধাননি ডৰা খাৰুৱা তেলৰ কবলত।

এয়াতো প্ৰকৃতিৰ নহয় প্ৰাকৃতিক গেছৰ প্ৰভাৱ ... আমিটো বাধ্য মানি ল'বলৈ। G.G.S.4ৰ কৰ্তৃপক্ষৰ অনুমোদনে জানো পাৰিব কৃষকৰ মনৰ উৎসাহক উত্তেজিত কৰিব। মুখত হাঁহি বিৰিঙাব।

ন-ধানৰ পথাৰৰ গোন্ধৰ বিপক্ষে আজি খাৰুৱা তেলৰ দুগন্ধই বিয়পাই পেলাইছে .....। প্ৰদূষণ, প্ৰদূষণ আজি যে সকলোতে বিৰাজমান ....। সেই ধানবোৰ হ'ব নোৱাৰে হাঁহ, কুকুৰাৰ বাবে খাদ্যৰ উপযোগী।

কৃষকৰ মনত পুহি ৰখা সেই ভাৱবোৰ, যদি আমাৰ কেইবা বছৰৰো খেতি নহয়। এনেদৰে থাকিলে যদি এদিন অজানিতে জুইৰ সৃষ্টি হয় ....। কি হ'ব আমাৰ .....। নহওঁক আমাৰ বাকজানৰ দৰে .....।

শেষত,

উপায়বিহীন হৈ, সহায়ৰ হাতৰ বাবে, আশাৰ ৰেঙনি অহালৈ ....।

**বলপূৰ্বকভাৱে লাভ কৰা বিজয়ৰ স্থায়িত্ব দীৰ্ঘদিনীয়া নহয়।**
**—আব্ৰাহাম লিংকন।**

ব্যঞ্জন

# ৰেচিপি

**ৰাহিদা বেগম**
স্নাতক চতুৰ্থ ষান্মাসিক, ইংৰাজী বিভাগ

**১। বেঙেনাৰ গ্ৰেভী ঃ**

**উপকৰণ ঃ** ১) বেঙেনা, ২) বিলাহী, ৩) পিয়াঁজ বটা, ৪) নহৰু বটা, ৫) মছলা (জিৰাগুড়ি, ধনীয়া গুৰি, গৰম মছলাৰ গুড়ি), ৰঙ জলকীয়া, নিমখ, হালধিৰ সৈতে পানী দি পেষ্ট আকাৰাত), ৬) মেথি, ৭) নৰসিংহ, ৮) শুকান জলকীয়া, ৭) ধনীয়া পাত।

**প্ৰণালী ঃ** বেঙেনা ডাঙৰকৈ কাটি তেলত ভাজি ল'ব। ভজা বেঙেনাখিনি বেলেগকৈ থৈ একেখন পেনতেই তেল দি দুটামান মেথি, শুকান জলকীয়া আৰু নৰসিংহ পাত দি তেল মাৰি লওঁক। গোটা মছলা পক উঠালৈকে ভাজি তাত পিয়াজ বটা আৰু নহৰু তথা ওপৰৰ ব্যক্ত কৰা মছলাৰ পেষ্টটো দি দিয়ক। মছলাখিনি তেল নেৰালৈকে ভাজি তাত বিলাহীখিনি দি দিয়ক। বিলাহীখিনি ভালদৰে ভাজি সিজাই অলপ পানী দি গ্ৰেভীটো ডাঠ কৰি ল'ব। অলপ পাছত ভজা বেঙেনা দি শেষত ধনীয়া পাত দি লৰাই পৰিৱেশন কৰিব দিয়ক।



**২। সৰু কাটা নিমকি ঃ**

**উপকৰণ ঃ** ১) মৈয়দা, ২) ৰিফাইন তেল, ৩) নৰসিংহ পাত, ৪) হালধি, ৫) নিমখ, ৬) চফ, ৭) কলা-জিৰা, ৮) ঘিউ।

**প্ৰণালী ঃ** মৈদয়াখিনি পাত্ৰ এটাত লৈ গৰম ঘিউ দি অলপ মিহলাই ল'ব। তাৰ পাছত তাত নৰসিংহ পাতখিনি মিহিকৈ পিহি, কেইটামান চফ আৰু ক'লা জিৰাৰ লগতে নিমখ আৰু হালধি অলপ দি পানীৰ সৈতে ফেটি হাতেৰে মুঠি বনাব পৰা কৰি ল'ব। তাৰ পাছত ৰুটিৰ দৰে বেলি সৰু সৰুকৈ নিমকিৰ দৰে কাটি ৰিফাইনত ভাজি নমাই থ'ব তাৰ পাছত চাহৰ লগত পৰিৱেশন কৰক।

## প্ৰাক্তন ছাত্ৰীৰ স্পৰ্শ

# দিখৌৰ পৰা টেমছলৈ

**অৰ্চিতা বৰুৱা**
ইংলেণ্ড
ৰেচ্‌ ঃ ২০০৪-২০০৯

শিৰসাগৰ ছোৱালী কলেজ। স্কুলীয়া জীৱনৰ নঙলা খুলি যেতিয়া এই কলেজখনৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত নামভৰ্তি কৰিছিলো তেতিয়াৰে পৰা কলেজখনৰ লগত গঢ়ি উঠিছিল এক এৰাব নোৱাৰা মধুৰ সম্বন্ধ। সঁচা কথা ক'বলৈ গ'লে শিৰসাগৰ তথা উজনি অসমৰ নাৰীৰ উচ্চ শিক্ষাৰ ধ্বজাবাহক কলেজখনে মোৰ মনত স্কুলীয়া দিনবোৰৰ পৰাই সুকীয়া আসন পাতি বহিছিল। প্ৰত্যেকজন ছাৰ-বাইদেউৰ মৰমৰ ডেউকাৰ ছায়াত নামভৰ্তিৰ কিছুদিনৰ ভিতৰতে শিৰসাগৰ ছোৱালী কলেজখন হৈ পৰিছিল মোৰ অতিকৈ আপোন।

বিজ্ঞান শাখাত কলা শাখাতকৈ ছাত্ৰীৰ সংখ্যা কম আছিল। সেইবাবে সকলো বিভাগৰ ছাৰ-বাইদেউসকলে সকলো ছাত্ৰীকে অতি ভালদৰে চিনি পাইছিল। উচ্চতৰ মাধ্যমিক দুটা বছৰ আৰু হাইস্কুল শিক্ষান্তৰ বছৰৰ মাজত যথেষ্ট পাৰ্থক্য আছে। উচ্চতৰ মাধ্যমিক কৰ্ছতো যথেষ্ট ডাঙৰ আৰু সময়ো তুলনামূলকভাৱে কম। লগতে সকলোৰে মুখত শুনিবলৈ পাইছিলো যে অসমীয়া মাধ্যমৰ পৰা গৈ ইংৰাজী মাধ্যমত বিজ্ঞানত পঢ়া ইমান সহয় নহয়। মেট্ৰিকত প্ৰথম বিভাগত দুটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰি উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখাত ইংৰাজী মাধ্যমত নামভৰ্তি কৰো। ইংৰাজী মাধ্যম এই কাৰণেই লৈছিলো যিহেতু ডিগ্ৰীত ইংৰাজী মাধ্যম বাধ্যতামূলক আছিল। গতিকে আৰম্ভণিৰ পৰাই যদি কষ্ট কৰো তেতিয়া পাছলৈ বেছি অসুবিধা নহ'ব। এতিয়াও মনত আছে জাকিৰ ছাৰে এদিন Glycolgsisৰ গোটেই কেইটা ষ্টেপ লিখিবলৈ দিছিল। কিন্তু চাৰিটা নে পাঁচটা ষ্টেপহে মই ইংৰাজীত লিখিব পাৰিছিলো। মই নিজে লিখিব পৰা নাছিলো কিন্তু ছাৰ-বাইদেউসকলে যেতিয়া কোনো এটা বিষয় পঢ়াই তেতিয়া ইংৰাজী আৰু অসমীয়া দুয়োটা মাধ্যমতে আমাক বুজাই দিছিল আৰু লগতে নোটো দিছিল। যিয়ে ইংৰাজী শব্দবোৰ মনত ৰখাত যথেষ্ট সহায় কৰিছিল। তেতিয়াই বুজিছিলো উচ্চতৰ মাধ্যমিকৰ দুবছৰ যথেষ্ট গুৰুত্ব দি পঢ়িব লাগিব। ২০০৬ চনত উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ পুনৰ এই কলেজত স্নাতক ডিগ্ৰীত নামভৰ্তি কৰো। ডিগ্ৰীত প্ৰাণী বিজ্ঞান সন্মানীয় বিষয় হিচাপে বাছি লওঁ। ৰসায়ন বিজ্ঞানো মোৰ প্ৰিয় বিষয় আছিল কিন্তু ৰসায়ন বিজ্ঞান মেজৰ হিচাপে ল'লে পদাৰ্থ বিজ্ঞান আৰু গণিত পাছকৰ্ছ হিচাবে ল'ব লাগিব আৰু যাৰ লগত মোৰ ৰাহি যোৱা নিমিলে। সেইবাবে মই প্ৰাণী বিজ্ঞান মেজৰ হিচাবে লৈ উদ্ভিদ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান পাছকৰ্ছ লৈছিলো। ডিগ্ৰীৰ তিনিটা বছৰ খুব হাঁহি-স্ফুৰ্তিৰ মাজেৰে পাৰ হৈছিল। কলেজ উইকত যোগদান কৰা, প্ৰাচীৰ পত্ৰিকা বনোৱা, আবেলিলৈকে কৰা প্ৰেক্টিকেল ক্লাছবোৰ, সকলোৰে একেলগে বহি নোটছ বনোৱা, তাৰ পাছত ঈদৰ কেক, বিহুৰ পিঠা খোৱা, সৰস্বতী পূজাত সাজি-কাছি কলেজলৈ যোৱা, কেণ্টিনত বহি ঘুগুণি খোৱা, দ্বিপশিখা মেমৰ শাৰীৰ কালেকচনৰ হিচাপ ৰখা, ভৰালী ছাৰৰ বাইকত বহি ডালবুট দলিওৱা (আৰু বহুতো) সকলোবোৰেই একো একোটা মিঠা স্মৃতি। প্ৰথমবাৰৰ বাবে কলেজৰ পৰা লগৰবোৰৰ লগত Excursionত ছিকিম দাৰ্জিলিঙ ফুৰিবলৈ গৈছিলো। আমাৰ স্ফুৰ্তিৰ কিৰিলি আৰু উৎপাতৰ প্ৰকোপত ছাৰ-বাইদেউসকলে খঙেই কৰিব নে আমাৰ লগত স্ফুৰ্তি কৰিব তেনে অৱস্থা হৈছিলগৈ। ডিগ্ৰীৰ সেই তিনিটা বছৰ আমাক ছাৰ-বাইদেউসকলৰ আৰু ওচৰ চপাই আনিলে আৰু ২০০৯ চনত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰো।

গ্ৰেজুৱেছন সম্পূৰ্ণ কৰালৈকে ভৱিষ্যতে কি কৰিম তাৰ পৰিকল্পনা নাছিল। প্ৰাণী বিজ্ঞান বিষয়টো পঢ়ি ভাল পাইছিলো কাৰণে মেজৰ হিচাপে লৈছিলো। গ্ৰেজুৱেছন সম্পূৰ্ণ কৰাৰ পাছত স্নাতকোত্তৰ ডিগ্ৰীত নামভৰ্তি কৰিলো। মোৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়াৰ মন আছিল যদিও আসন সংৰক্ষণ ব্যৱস্থাৰ বাবে তাত নামভৰ্তিৰ পৰা বঞ্চিত হওঁ। সেইবাবে মই কটন কলেজ (এতিয়া কটন বিশ্ববিদ্যালয়)ত

স্নাতকোত্তৰ ডিগ্ৰীত নামভৰ্তি কৰো।

স্নাতকোত্তৰ ডিগ্ৰী আছিল ছেমিষ্টাৰ পদ্ধতিৰ। স্নাতক ডিগ্ৰীত আমি ছেমিষ্টাৰ পদ্ধতি পোৱা নাছিলো। পঢ়াতকৈ নোটছ জেৰক্স কৰাহে হৈছিল আৰু তাৰ মাজত হোষ্টেলীয়া আড্ডাবোৰতো আছেই। সেয়াও এক বেলেগ ধৰণৰ অভিজ্ঞতা আছিল। মাষ্টাৰ ডিগ্ৰীত মোৰ স্পেশ্যলাইজেছন পতঙ্গবিজ্ঞান (Entomology)ত আছিল আৰু শেষ ছেমিষ্টাৰত আমি এটা ডিজাৰটেশ্যন জমা কৰিব লাগে। মোৰ চুপাৰভাইজাৰ আছিল ড° ৰাতুল ৰাজখোৱা ছাৰ। তেখেতে মোক আৰু তেখেতৰ তত্বাৱধানত থকা আন এগৰাকী ছাত্ৰীক গুৱাহাটীত থকা মেলেৰিয়া অফিচ, ৰেচম শিল্পৰ অফিচ আদিবোৰলৈ লৈ গৈ তাৰ বিষয়াসকলৰ লগত চিনাকি কৰাই দিছিল আৰু আমি কি বিষয়ত আমাৰ গৱেষণা কৰিব পাৰো তেখেতসকলে আমাক বাট দেখুৱাই দিছিল মই মেলেৰিয়া প্ৰতিৰোধ কৰাত Information, Education and Communication (IEC)ৰ প্ৰভাৱ শীৰ্ষক বিষয়টো বাছি লৈছিলো। তেনেকৈয়ে লাহে লাহে মোৰ এই পোক-পতংগৰ পৃথিৱীখন ভাল লগা হ'ল। কেনেদৰে আমাৰ জীৱনত এই সৰু সৰু জীৱবোৰে ভাল-বেয়া দুই ধৰণে প্ৰভাৱ বিস্তাৰ কৰি আছে। অকণমাণি মৌ-মাখি এটাই পৰাগ সংযোগ কৰিলেও ফুলৰ পৰা ফল হয়, আমি পিন্ধা মুগা কাপোৰ সাজৰ সৃষ্টি ক'ৰ পৰা হয়, মেলেৰিয়া, জাপানীজ, এনকেফেলাইটিছ আদি বিভিন্ন ৰোগৰ বীজাণু কোনে ক'ৰ পৰা বহন কৰে ইত্যাদি বহুতো।

হয়তো মোৰ ভাগ্য ভাল আছিল। ২০১১ চনত স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ কৰাৰ পাছতেই যোৰহাটৰ টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ পতঙ্গ বিজ্ঞান (Entomology) বিভাগত গৱেষক ছাত্ৰী হিচাপে এটা প্ৰকল্পত যোগদান কৰিবলৈ সুবিধা পাওঁ। মোৰ দেউতাই চাহ বাগানত চাকৰি কৰিছিল। সেইবাবে জন্মৰ পৰা কলেজীয়া জীৱনলৈকে মই বাগানত ডাঙৰ হোৱা। কিন্তু চাহ গৱেষণা কেন্দ্ৰত যোগদান কৰাৰ আগলৈকে মই ইমান ভালদৰে জনা নাছিলো যে এজোপা চাহ গছ বিভিন্ন ধৰণৰ পোক (যাক আমি Pest বুলি কওঁ) ভাইৰাছ, বেক্টেৰিয়া আদিৰ দ্বাৰা আক্ৰান্ত হয় আৰু উৎপাদন কমি যায়। লাহে লাহে মোৰ এই বিষয়ৰ প্ৰতি আগ্ৰহ বাঢ়ি আহিছিল আৰু মই এই দিশতে কাম কৰি যোৱাৰ সিদ্ধান্ত লৈছিলো। টোকলাইত আমি বাগানৰ পৰা বিভিন্ন চাহৰ অনিষ্টকাৰী পোকবোৰ ধৰি আনি তাৰ ওপৰত পেষ্টিচাইড প্ৰয়োগ কৰি সেইবোৰৰ জৈৱ প্ৰভাৱ পৰীক্ষা কৰো। পেষ্টিচাইডৰ পৰীক্ষা কৰাৰ লগতে আমি বেলেগ বেলেগ অ-ৰাসায়নিক পদ্ধতি যেনে - হালধীয়া আধাৰ জাল, ফেৰোম'ন জাল আদিয়ো পোক ধৰিবলৈ বাগানবোৰত প্ৰয়োগ কৰিছিলো যাতে পেষ্টিচাইডৰ প্ৰয়োগ চাহত কাম হয়।

এদিন এনেকৈয়ে মই মোৰ প্ৰকল্প তত্ত্বাৱধায়ক লগত ক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ যাওঁতে এটা পোক (Beatle) পালো যিটোৱে চাহৰ ৰেড স্পাইডাৰ মাইট পেষ্টটো খাই আছিল। অৰ্থাৎ নতুনকৈ পোৱা পোকটো চাহৰ অনিষ্টকাৰী ৰেড স্পাইডাৰ মাইটৰ জৈৱিক শত্ৰু (Natural Enemy)। চাহ বাগান এখনত যেনেকৈ বিভিন্ন ধৰণৰ অনিষ্টকাৰী পোক থাকে ঠিক তেনেদৰে কিছুমান উপকাৰী পোকো থাকে, যিয়ে চাহৰ অনিষ্টকাৰী পোকবোৰ খাদ্য হিচাপে গ্ৰহণ কৰে। পাছত অলপ পঢ়ি-শুনি গম পালো যে এই নতুনকৈ পোৱা উপকাৰী পোকটোৰ ওপৰত বৰ বিশেষ কাম হোৱা নাই। গতিকে মই তাৰ ওপৰতেই মোৰ গৱেষণাৰ কাম আৰম্ভ কৰিম বুলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পি.এইচ.ডি.ৰ বাচনি পৰীক্ষাত অৱতীৰ্ণ হওঁ। বাচনি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত মই টোকলাইত ২০১২ চনত ড° আযাৰিয়াহ বাবু আৰু ড° ৰাতুল চন্দ্ৰ ৰাজখোৱা চাৰৰ তত্ত্বাৱধানত মোৰ গৱেষণাৰ কাম আৰম্ভ কৰো আৰু ২০১৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় পি.এইচ.ডি. ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হওঁ।

পি.এইচ.ডি. লাভ কৰাৰ পাছতেই মোৰ বিয়া হৈছিল আৰু সেই সময়ত মোৰ স্বামীয়ে ইংলেণ্ডৰ মানচেষ্টাৰ বিশ্ববিদ্যালয়ত পি.এইচ.ডি. কৰি আছিল। ২০১৮ চনত টুৰিষ্ট ভিজাত প্ৰথম ইংলেণ্ডলৈ যাবলৈ সুবিধা পাওঁ। তাত ছয় মাহ থাকি ভাৰতলৈ ঘূৰি আহো। তাত থকা সময়খিনিৰ বেছিভাগ সময়ে মই পাৰ কৰিছিলো মানচেষ্টাৰ বিশ্ববিদ্যালয়ৰ বৃহৎ পুথিভঁৰালৰ কিতাপবোৰৰ মাজত, যিয়ে মোৰ ভৱিষ্যৎ গৱেষণা কাৰ্যত যথেষ্ট অৰিহণা যোগাইছিল। ভাৰতলৈ ঘূৰি আহি মই দিল্লীত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ অধীনত 'বিজ্ঞান প্ৰচাৰ' নামৰ এটা চৰকাৰী অনুষ্ঠানত প্ৰকল্প সহযোগী হিচাপে যোগদান কৰো। তাত পাঁচ মাহ চাকৰি কৰাৰ পাছতেই মই পুনৰ ইংলেণ্ডলৈ উভতি আহো। এই মাহ কেইটা আছিল মোৰ জীৱনৰ অতিকৈ গুৰুত্বপূৰ্ণ পাঁচোটা মাহ। যিয়ে মোক শিকাইছিল আত্মনিৰ্ভৰশীল হ'বলৈ লগতে মোৰ ব্যক্তিগত বিকাশতো ই যথেষ্ট সহায়ক হৈছিল। কেতিয়াবা ক'ৰবাত চেমিনাৰ এখনত যোগদান কৰাৰ বাদে মোৰ শিক্ষা জীৱনত অসমৰ বাহিৰত

থকাৰ অভিজ্ঞতা একেবাৰেই নাছিল। দিল্লীত চাকৰিটো পাই মনলৈ সাহস এটা আহিছিল অকলে ঘৰৰ বাহিৰ হ'বলৈ শিকিছিলো, অকলে ঘূৰি ফুৰিব পৰা হৈছিলো, নতুন নতুন কথা শিকিছিলো, বহুতো তিতা-মিঠা অভিজ্ঞতা হৈছিলো।

ইংলেণ্ডলৈ এইবাৰ উৰা মাৰো ডিপেণ্ডেট ভিজাত। প্ৰথম প্ৰথম ইংলেণ্ডলৈ আহি মই যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো। মোৰ অকলে ক'ৰবালৈ যাবলৈ, বাছত উঠিবলৈ ভয় লাগিছিল। কাৰণ বাছ ড্ৰাইভাৰজনে কি সুধিছে মই বুজি নাপাও। তেওঁলোকৰ শব্দৰ উচ্চাৰণ আমাতকৈ যথেষ্ট বেলেগ আৰু মোৰ প্ৰথমতে বুজি পোৱাত অসুবিধা হৈছিল। তেতিয়া মই বুজি পাইছিলো যে ইয়াত কিবা এটা কৰিবলৈ হ'লে প্ৰথমতে মই তেওঁলোকে কি কৈছে সেইটো আয়ত্ত কৰিব পাৰিব লাগিব। এই ক্ষেত্ৰত মোৰ স্বামীয়ে মোক যথেষ্ট সহায় কৰিছিল। মোক আগুৱাই নিয়াত তেওঁৰ অৰিহণা যথেষ্ট। তেওঁ নিজে যাব পাৰিলেও মোক অকলে বাছত উঠি বজাৰ কৰি আনিবলৈ কয় যাতে মই মানুহৰ লগত কথা পাতো। কাৰণ ঘৰত আমি কেতিয়াও ইংৰাজীত কথা নাপাতো আৰু ইংৰাজীত কথা পাতিবলৈ যত্ন নকৰিলে পাছলৈ মোৰ অসুবিধা হ'ব। এনেদৰে লাহে লাহে আগবাঢ়ি যাওঁতে যেতিয়া মই তেওঁলোকৰ কথাবোৰ বুজি পোৱা হ'লো তেতিয়া তাত মই কৰা কামৰ লগত মিলাই কোনোবা প্ৰফেছৰৰ অধীনত কাম কৰিব পাৰো নেকি সেয়া বিচাৰিবলৈ আৰম্ভ কৰিলো ঠিক তেনে সময়তে লিভাৰপুৰ জন ম'ৰজ বিশ্ববিদ্যালয়ৰ ড° ক্ৰিষ্টফৰ উইলিয়ামছ নামৰ এজন প্ৰফেচৰক লগ পালো যিয়ে কুমজেলেকুৰা (Slug) যি ইংলেণ্ডৰ কৃষি ক্ষেত্ৰৰ এটা মুখ্য অনিষ্টকাৰী জীৱ)ৰ জৈৱ প্ৰতিৰোধৰ ওপৰত গৱেষণা কৰি আছিল। মই যেতিয়া মোৰ গৱেষণাৰ বিষয়ে তেওঁক অৱগত কৰো তেওঁ মোক তেতিয়া তেখেতৰ এটা প্ৰজেক্টত ভিজিটিং গৱেষক হিচাপে মনোনীত কৰে। মোৰ গৱেষণাৰ মূল বিষয়টোৰ লগত তেখেতৰ গৱেষণাৰ কামৰ সাদৃশ্য আছিল যদিও কুমজেলেকুৰাৰ ওপৰত গৱেষণা কৰাৰ মোৰ কোনো পূৰ্ব অভিজ্ঞতা নাছিল। কিন্তু মই এটা সুবৰ্ণ সুযোগ হেৰুৱাব খোজা নাছিলো। মই কুমজেলেকুৰাৰ বিষয়ে, তাৰ জৈৱ প্ৰতিৰোধ পদ্ধতিৰ বিষয়ে, এতিয়ালৈকে হোৱা গৱেষণা ইত্যাদিবোৰ পঢ়িবলৈ আৰম্ভ কৰিছিলো। যথেষ্ট কষ্ট হৈছিল যদিও কামতো মোৰ মনে বিচৰা ধৰণৰ আছিল। তেখেতৰ লগত এবছৰ কাম কৰাৰ পাছত এখন প্ৰসিদ্ধ জৰ্নেলত আমাৰ গৱেষণা পত্ৰ প্ৰকাশ কৰিবলৈ সক্ষম হৈছিলো। য'ত মই আছিলো মূল লেখক। ই আছিল মোৰ জীৱনৰ অন্যতম আনন্দদায়ক মুহূৰ্ত কিয়নো বাকী চাৰিজন সহযোগী লেখকেই আছিল বিদেশৰ।

গৱেষণাৰ কামৰ সমান্তৰালকৈ বেলেগ ক'ৰবাত চাকৰি ওলাইছে নেকি চাই থাকো। এনেদৰে চাই থাকোতেই এদিন 'CROP HEALTH AND PROTECTION' (CHAP) নামৰ ইংলেণ্ডৰ প্ৰতিষ্ঠান এটাত সহকাৰী গৱেষকৰ পদৰ বিজ্ঞাপন এটা পাওঁ। মোৰ যিহেতু বিদেশৰ কোনো ধৰণৰ শিক্ষাগত অৰ্হতা নাই গতিকে মই ইয়াত এটা ভাল পদত চাকৰি পোৱাটো মোৰ বাবে কঠিন হ'ব বুলি ভাবিছিলো। সেই কাৰণে সদায় সৰু সৰু পদত চাকৰিৰ বাবে আবেদন কৰো। দ্বিতীয়তে, ইয়াত কামৰ কোনো সৰু-বৰ নাই। সকলোৱে সকলোৰে কামক সন্মান কৰে। গতিকে মই সহকাৰী গৱেষকৰ পদটোৰ কাৰণে ইণ্টাৰভিউ দিলো। নেদেখাজনৰ কৃপাদৃষ্টিত আৰু মোৰ গৱেষণাৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি তেওঁলোকে মোক উক্ত পদটোৰ কাৰণে বাচনি নকৰি তেওঁলোকৰ চলি থকা আন এটা আধুনিক প্ৰকল্পৰ বাবে মোক নিৰ্বাচন কৰে। এইটো প্ৰকল্পত ৰবটৰ সহায়ত খেতি পথাৰত কুমজেলেকুৰা পৰ্যবেক্ষণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। বৰ্তমান মই সেই প্ৰকল্পত CHAPৰ হৈ প্ৰকল্প সহযোগী (Project Research Associate) হিচাপে Small Robotic Company নামৰ সহযোগী কোম্পানী এটাৰ লগত কাম কৰি আছো।

শিক্ষাৰ কোনো সীমা নাই আৰু শিকাৰ কেতিয়াও শেষ নাই। এতিয়াও শিকি আছো। যেতিয়াই পাৰো, য'ৰ পৰায়ে সুবিধা পাওঁ জ্ঞান আহৰণৰ অবিৰত চেষ্টা চলাই আছো। আজি জীৱনে আনি যি স্থানত উপনীত কৰিছে তাত ভগৱান, মা-দেউতা, পৰিয়াল, শুভাকাংক্ষী সকলৰ মৰম-আশীৰ্বাদৰ লগত আছে শিক্ষাগুৰুসকলৰ ঐকান্তিক প্ৰচেষ্টা। লক্ষ্যস্থানত উপনীত হোৱাৰ পথত তেওঁলোকে প্ৰত্যক্ষ তথা পৰোক্ষভাৱে কৰা সহায়ৰ বাবে মই সকলোৰে ওচৰত কৃতজ্ঞ। যাত্ৰাপথত বহুতো অসুবিধাৰ সন্মুখীন হৈছো। ওখোৰা-মোখোৰ জীৱনৰ বাটত আগুৱাই গৈ থাকোতে এটা কথা মানি চলিবলৈ সদায়ে চেষ্টা চলাই আহিছো যে 'দৃষ্টি থাকিলে লক্ষ্য নেহেৰায়।'

# অ' মোৰ শুকুলা মেঘ

**ইন্দ্ৰানী শৰ্মা**
প্ৰাক্তন ছাত্ৰী

২০০৬ চনৰ আগষ্ট মাহৰ কোনোবা এটা দিন। তাৰিখটো ঠিক মনত নাই। দুখ মনেৰে ভৰি দিছিলো শিৱসাগৰ ছোৱালী কলেজত। হয়, দুখ মনেৰে। হায়াৰ চেকেণ্ডেৰী পাছ কৰি মই কেতিয়াও বি.এছ.চি. পঢ়াৰ কথা ভবাই নাছিলো। এট্ৰেন্স পৰীক্ষা ভালেই হৈছিল। ইঞ্জিনীয়াৰিং কৰিবলৈ ইচ্ছা। কিন্তু হৈ নুঠিল। কেইটামান নম্বৰৰ কাৰণে পাছ পৰি থাকিলো ইফালে প্ৰায়বোৰ কলেজতে এডমিছন হৈয়ে গৈছিল। মোৰ আটাইতকৈ ভাল বন্ধুবোৰৰ কোনোৱেই অসমত নাছিল। সৱেই বেংগালুৰ নাইবা দিল্লীৰ কোনো কোনো শিক্ষানুষ্ঠানত নামভৰ্তি কৰিছিল। থাকি গৈছিলো মই। কাৰণ ঘৰত নপঠিয়াই। তাতে আৰ্থিক অৱস্থাও এনে নাছিল যে লাখ টকা দি এডমিছন দিব পাৰিব। গতিকে যদি চৰকাৰী শিক্ষানুষ্ঠানত ছিট পাওঁ তেন্তে পঢ়িব পাৰিম নহ'লে নাই। সকলো ফালৰ পৰাই একো নিমিলিলে। অৱশেষত এদিন ভাস্কৰ দত্ত ছাৰক ফোন কৰিছিলো। ছাৰৰ ওচৰত Physicৰ টিউচন লৈছিলো। হায়াৰ চেকেণ্ডেৰীত সেই বিষয়টো কেৱল ছাৰৰ বাবেই সহজ লাগিছিল। ছাৰে প্ৰতিটো বস্তু ইমানেই সহজভাৱে বুজাইছিল যে টান যেন লগা প্ৰব্লেমবোৰো সহজ হৈ পৰিছিল। ছাৰক ফোন কৰি গাৰ্লছ কলেজত এডমিছন লোৱাৰ কথা কৈছিলো। ছাৰে কৈছিল, 'মেজৰ ফিজিক্সত ল'ব লাগিব কিন্তু।' সেয়াই আছিল আৰম্ভণি।

আচলতে শিৱসাগৰ ছোৱালী কলেজৰ ছায়েন্স ব্লকটো এখন ঘৰ আছিল আমাৰ বাবে। আৰু মই আছিলো ঘৰৰ আটাইতকৈ উৎপতীয়া প্ৰাণী। কিমান যে গালি খালো, এতিয়া মনত পৰে। ভাস্কাৰ ছাৰ আছিল আমাৰ Father, Figure। সেইবাবে চাগে ভয় লগা নাছিল কোনোদিন। যি মন যায় সুধিব পাৰিছিলো। প্ৰাঞ্জল ছাৰ আছিল গহীন-গম্ভীৰ। প্ৰথমতে অলপ অলপ ভয় কৰিছিলো বাৰু। তাৰ পাছত প্ৰেক্টিকেল ক্লাছত আমাৰ কথা শুনি ছাৰে হাঁহি থাকে মনে মনে। আৰু আছিল প্ৰসন্ন ভূঞা ছাৰ। আমি এবাৰ ছাৰ অহা অকণমান দেৰি হোৱা কাৰণেই কেণ্টিনত পৰঠা খাবলৈ ওলাই আহিছিলো আৰু ছাৰে আমাক আধাবাটত পাই ঘূৰাই আনিছিল এনেকৈ 'ঐ ক'ত যাৰ, ঘূৰ ঘূৰ।' এই সৰু সৰু কথাবোৰে এতিয়া বুকুত খুন্দিয়াই। কিমান যে স্মৃতি। জাকিৰ ছাৰ, মাৰ্জিয়ানা মেম, দীপশিখা মেম সকলোৰে ব্যক্তিত্ব আছিল সুকীয়া। জীৱনৰ আটাইতকৈ ভাল বান্ধৱী কেইজনীও গাৰ্লছ কলেজতে লগ পাইছিলো। নিলোৎপলা, চিত্ৰালী, দেৱাশ্ৰী, সুকন্যা, মধুস্মিতা, অৰ্চিতা ইহঁতবোৰ আজিও আপোন। আমাৰ আড্ডাবোৰ, খুহুতীয়া কথাবোৰ মনত পৰিলে এতিয়াও অকলশৰীয়া মুহূৰ্ত কিছুমানত আৱেগিক হৈ পৰো। সেই তিনি বছৰতেই এটা নতুন সত্তা গঢ়ি



উঠিছিল মোৰ মাজত। মই নিজকে বিশ্লেষণ কৰিবলৈ শিকিছিলো। কাকো ভয় নকৰাকৈ আগবাঢ়িবলৈ শিকিছিলো আৰু এই সকলোবোৰ সম্ভৱ হৈছিল পদাৰ্থ বিজ্ঞান বিভাগৰ ছাৰসকলৰ বাবেহে। চিৰদিন ঋণী হৈ ৰ'ম। তিনিটা বছৰে বহু কথাই শিকিছিলো। সেই আত্মবিশ্বাস আৰু প্ৰত্যয় আজিও অক্ষুন্ন আছে। তিনিবছৰীয়া ডিগ্ৰীৰ পাঠ্যক্ৰম ডিষ্টিংছনসহ ফাৰ্ষ্ট ক্লাছ লৈয়ে পাছ কৰিছিলো।

লক্ষ্য মোৰ একেই আছিল। মই ইলেকট্ৰনিক্স এণ্ড টেলেকমিউনিকেচনৰ জগতখনতেই কিবা এটা কৰিব বিচাৰিছিলো। তাৰ বাবে সদায় পেপাৰত, মেগাজিনত, ইণ্টাৰনেটত এই বিষয়ে খুচৰি ফুৰিছিলো। এতিয়াৰ দৰে তথ্যবোৰ তেতিয়া ইমান সহজলভ্য নাছিল। ডিগ্ৰীৰ ফাইনেল পৰীক্ষা শেষ কৰি আকৌ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ গণিতৰ অভ্যাস কৰিছিলো আৰু যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ MCA (Master of Computer Application) বিভাগৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈছিলো। মেৰিট লিষ্টত নাম আছে বুলি নিজৰে বিশ্বাস নাছিল। কাৰণ মাত্ৰ ত্ৰিশটা ছিটৰ বাবে ইয়াত হাজাৰ হাজাৰ পৰীক্ষাৰ্থী আহিছিল। গাৰ্লছ কলেজৰ স্মৃতি বুকুত বান্ধি এইবাৰ জে.ই.চি.ত ভৰি দিছিলো। তাতো প্ৰথম ছেমিষ্টাৰটো কথাবোৰ বুজোতেই গৈছিল। আৰু দ্বিতীয় ছেমিষ্টাৰত টপাৰ হৈছিলো। আঢ়ৈটা বছৰ তাত পাৰ কৰি শেষৰ ছেমিষ্টাৰৰ প্ৰজেক্ট কৰিবলৈ বেংগালুৰ আহিছিলো। ইণ্টাৰঞ্চিপৰ বাছনি হোৱাৰ পাছতে কাহানিও বিয়া নহওঁ বুলি ভবা মই বিয়াও হৈছিলো। নতুন ঠাইত নতুন জীৱন আৰম্ভ কৰিছিলো। প্ৰথম দিনা যেতিয়া Phillips Innovation Centre (Research and Development)ৰ অফিচত খোজ থৈছিলো, কঁপি উঠিছিলো। দুচকু সেমেকি উঠিছিল। একেবাৰেই নতুন আছিল সকলোবোৰ। ইংৰাজী ভাষাত এটাও কথা পাতি নোপোৱা মই সম্পূৰ্ণ এটা ইণ্টাৰভিউ ইংৰাজীতেই দিছিলো। তাৰ মূলতে আছিল আত্মবিশ্বাস। যিকোনো কামৰ বাবে এবাৰ আগবাঢ়ি গ'লে পিছলৈ আজিও ঘূৰি নাচাওঁ। ছয়মাহৰ ইণ্টাৰঞ্চিপ সামৰি MCA ফাইনেল পৰীক্ষাত বহিছিলো। আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লৈ পাছ কৰিছিলো।

MCA পাছ কৰিয়েই আকৌ পঢ়া-শুনা আৰম্ভ কৰিছিলো। স্কুল-কলেজৰ পৰীক্ষালৈ যেনেকৈ পঢ়ো, তেনেকৈয়ে ৰুটিন বনাই পঢ়িছিলো। মোৰ স্বামীয়ে পঢ়া টেবুলত ভাত বাঢ়িও দিছিল আৰু তাৰে ফলশ্ৰুতিত প্ৰথমটো ইণ্টাৰভিউতে চাকৰি পাইছিলো। IBMত চাকৰি পোৱাৰ দিনা মাত্ৰ কান্দিছিলো। তেতিয়া দুখ লাগিছিল, এদিন ময়েই বেংগালুৰত পঢ়িবলৈ যাবলৈ নাপায় দেউতাৰ সৈতে তৰ্ক কৰিছিলো, ভাত-পানী এৰিছিলো। কিন্তু গাৰ্লছ কলেজত এডমিছন লৈও এটা বছৰ কেৱল এন্ট্ৰেছৰহে প্ৰস্তুতি কৰিছিলো। কিন্তু এতিয়া এনে লাগে, ভগৱানে যি কৰে ভালৰ বাবেই কৰে। মোৰ জীৱনত গাৰ্লছ কলেজ, ছায়েন্স ব্লক, ভাস্কৰ ছাৰ, প্ৰাঞ্জল ছাৰ, মোৰ বান্ধৱী কেইজনী, এই সকলোবোৰ নথকা হ'লে জীৱনটো হয়তো ইমান সুন্দৰ নহ'লহেঁতেন। ভেটি এটা তাতেই সাজি আহিছিলো। এতিয়া মাত্ৰ তাত অভিজ্ঞতাৰ ইটা জাপি ঘৰ এটি সাজিছো। জীৱনৰ বিয়লি বেলাত সেই ঘৰতেই জিৰাম, ভেটিটো খামুচি হাঁহিম, কান্দিম।

চাকৰি জীৱনত বহু কথাই শিকিলো, বহুদূৰ আগবাঢ়িলো। অৰ্থনৈতিকভাৱে সৱল হ'লো। নিজাকৈ ঘৰ সাজিলো। কিন্তু তাৰ মাজতো খেয়ালী মনটোক মই জীয়াই ৰাখিলো। আজিও মনত আছে এবাৰ কলেজৰ চিঠি লিখা প্ৰতিযোগিতাত মালৈ বুলি এখন চিঠি লিখি পুৰস্কাৰ পাইছিলো। প্ৰশংসাৰে উপচাই দিছিল সকলোৱে। কলেজতে লিখা এখন চিঠিয়ে দিয়া প্ৰেৰণা আজিও আছে মোৰ লগত। সদায় থাকিব।

যান্ত্ৰিক পৃথিৱীৰ পৰা আঁতৰি লিখা-মেলাও কৰি আছো। মোৰ প্ৰথমখন উপন্যাস 'অৰ্ণৱ আস্থা আৰু JEC' ৰাইজে আকোঁৱালি লৈছে কিতাপখন। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ মানুহৰ মাজত মৰম বুটলিবলৈ সক্ষম হৈছো কিতাপখনৰ জৰিয়তে।

জীৱন গৈ আছে, নতুনৰ ভিৰত পুৰণিবোৰ কেতিয়াবা হেৰাই যোৱাৰ দৰে লাগে। বিশ মহলীয়া বিল্ডিঙৰ ওপৰৰ পৰা কেতিয়াবা আকাশলৈ চাই ভাবো।

'অ' মোৰ শুকুলা মেঘ, তোৰ বুকুচাত উঠি এদিন উৰি গুচি যাম, পুৰণি দিনবোৰ আকৌ জীয়াই চাম।'

সোনকালেই যাম হেঁপাহৰ ঘৰখনলৈ,
ছায়েন্স ব্লকলৈ
জয়তু শিৱসাগৰ ছোৱালী কলেজ।

(বৰ্তমান IBMত Senior Software Engineer)



# আমেৰিকা বিনামূলীয়া পুথিভঁৰালবোৰ

**মানসী বৰা**
প্ৰাক্তন ছাত্ৰী
আমেৰিকা যুক্তৰাষ্ট্ৰ

আমেৰিকা যুক্তৰাষ্ট্ৰলৈ অহাৰ পাছত এটা কথা দেখি আচৰিত মানিছো যে দৈনন্দিন ব্যস্ততাৰ মাজতো ইয়াৰ মানুহখিনিৰ কিতাপৰ সৈতে এক নিবিড় সম্পৰ্ক আছে। ইয়াৰ বিনামূলীয়াকৈ বৃহৎ আকাৰৰ (ফ্ৰী লাইব্ৰেৰী) সৰু সৰু ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বৃদ্ধজনলৈকে বাট বোলা দেখিবলৈ পোৱা যায়। ইয়াৰ বিনামূলীয়া পুথিভঁৰালৰ পৰা ঘৰলৈ অনা কিতাপ নিৰ্দিষ্ট সময়ত পঢ়ি শেষ কৰিব নোৱাৰিলে তিনিবাৰলৈকে ৰিনিউ কৰিবপৰা ব্যৱস্থা আছে। পুথিভঁৰালবিলাকত বিনামূলীয়া ৱাই-ফাইৰ সুবিধা আছে। যাৰ সহায়ত ই-বুক পঢ়িব পৰা যায়। ইয়াৰোপৰি কণ কণ ল'ৰা-ছোৱালীৰ বাবে ভাল ভাল ষ্টৰীবুক, বিদেশী ভাষা শিকনৰ কিতাপ (গ্ৰীক, জাপানীজ, স্পেনিচ আদি) আৰু এনিমেচনৰ ডিভিডি আদিও পোৱা যায়। কিছুমান ডিভিডি ভাষা শিক্ষণৰ উপযুক্ত আহিলা। ঘৰলৈ আনিও সেইবিলাক তেওঁলোকে চাব পাৰে। কিতাপ পঢ়াৰৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈকে আমেৰিকাৰ দৰে উন্নত দেশবোৰত এনেকৈ বিনামূলীয়া পুথিভঁৰালৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে, আমেৰিকাৰ প্ৰায় এহেজাৰমান পুথিভঁৰালত 'থাউজেণ্ড বুকচ বিফৰ কিণ্ডাৰস্পৰ্টেন' শীৰ্ষক আঁচনিটো গ্ৰহণ কৰিবপৰা ব্যৱস্থাও আছে। এইটো আমেৰিকা যুক্তৰাষ্ট্ৰত জনপ্ৰিয় এটি সাংঘাটিক প্ৰত্যাহ্বান। অসমীয়াত ক'বলৈ গ'লে কিণ্ডাৰকাৰ্টেন আনুষ্ঠানিক শিক্ষা প্ৰথম খোজৰ পূৰ্বে এহেজাৰখন কিতাপ। পাঁচবছৰ অতিক্ৰম কৰা শিশু এটিয়েহে কিণ্ডাৰকাৰ্টেন পাঠ্যক্ৰম আৰম্ভ কৰিব পাৰে আৰু পাঁচবছৰ বয়সত কিণ্ডাৰকাৰ্টেনলৈ যোৱাৰ পূৰ্বে শিশুটিয়ে এহেজাৰখন কিতাপ পঢ়ি শেষ কৰাটোৱেই হৈছে এই প্ৰত্যাহ্বানৰ উদ্দেশ্য।

ভাল ভাল কিতাপ নিৰ্বাচনৰ ক্ষেত্ৰত ইয়াৰ

পুথিভঁৰালীসকলেও সহায় আগবঢ়াই আহিছে। সন্তানৰ সৈতে এই প্ৰত্যাহ্বান ল'বলৈ ইয়াৰ অভিভাৱকসকলো অত্যন্ত আগ্ৰহী দেখা যায়। কিণ্ডাৰকাৰ্টেনৰ পূৰ্বে এহেজাৰখন কিতাপ শেষ কৰিব পাৰিলে শিশুটিৰ বাবে এই আঁচনিটো পুনৰাবৃত্তি কৰাব পৰা সুবিধাও আছে। অনলাইনযোগেদিও বিভিন্ন বয়সৰ ল'ৰা-ছোৱালীৰ বাবে 'ষ্টৰী-টেলিং', 'ক্ৰাফ্‌ট মেকিং' আদি বিভিন্ন কাৰ্যসূচী ইয়াৰ অন্যতম। কোভিড-১৯ ৰ জটিল পৰিস্থিতিত বাধ্য হৈ ঘৰত থাকিবলগা শিশুসকলৰ বাবে এনে কাৰ্যসূচীয়ে যথেষ্টৰূপে সহায় কৰিছিল।

আবেলি আমাৰ পৰিয়ালটো সুন্দৰ প্ৰাকৃতিক পৰিৱেশে আৱৰি থকা যিটো ট্ৰেইলত খোজকাঢ়িবলৈ যাওঁ তাতো এটি মুকলি সৰু পুথিভঁৰাল আছে। সেই মুকলি পুথিভঁৰাল হ'ল এটা খোটাত লাগি থকা কিতাপৰ সৈতে এটি সৰু কাঠৰ বাকচ। আঁৰ-বেৰ নোহোৱা একেবাৰে মুকলি উক্ত ঠাইত বহিব পৰাকৈ বেঞ্চৰো সু-ব্যৱস্থাক আছে। খোজ কঢ়া সকলৰৰ মন গ'লেই কিতাপ উলিয়াই বহিবলৈ পাৰে। 'লিটলফ্ৰী লাইব্ৰেৰী নেস্তবাৰহুড' নামেৰে পুথিভঁৰালৰ সেই পৰিৱেশে আমাক বৰ আকৰ্ষণ কৰে। এই সুন্দৰ ধাৰণাটোৰ জন্মৰ সবিশেষ জানিবলৈ আমাৰ মনত আগ্ৰহ জন্মিছিল। এই লিটলফ্ৰী লাইব্ৰেৰী এটা মুনাফাহীন সংস্থান। যিয়ে প্ৰতিবেশীৰ মাজত গ্ৰন্থ বিনিময় প্ৰক্ৰিয়াক উদগনি যোগাই আহিছে। লিটলফ্ৰী লাইব্ৰেৰীৰ জন্ম হৈছিল ২০০৯ চনত। ট'ড হাৰ্বাট ব'ল নামৰ ব্যক্তি এজনে নিজৰ গেৰেজৰ পুৰণা কাঠৰ দৰ্জা এখন কাটি প্ৰথম লিটলফ্ৰী লাইব্ৰেৰীটোৰ এটা কাঠৰ বাকচৰ আৰ্হিত নিৰ্মাণ কৰি উলিয়াইছিল। তেওঁ নিৰ্মাণ কৰা উক্ত চৌহদতে এটা খোটাৰে সংস্থাপন কৰিছিল। সেই সময়ত তেওঁ মাকক হেৰুৱাইছিল। জীৱন কালত স্কুলৰ এগৰাকী শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত মাকৰ কিতাপৰ প্ৰতি আছিল অগাধ ভালপোৱা। মৃত মাকৰ স্মৃতিতে তেওঁ লাইব্ৰেৰীতো উচৰ্গা কৰিছিল।

পিছত ব'লে তেওঁ সংগী বিকব্ৰুকৰ সৈতে লগ লাগি মিডবেষ্টাপৰ বিভিন্ন ঠাইত কিতাপৰ এই বাকচত লাইব্ৰেৰী সংস্থাপন কৰে। খৰতকীয়াভাৱে এই ধাৰণাটো জনসমাজটো বিয়পি পৰি আন্দোলনৰ জোৱাৰ আনে। পৰৱৰ্তী সময়ত আন্দোলনটো আন্তৰ্জাতিকভাৱে গৃহীত হয়। ২০১৬ চনৰ নবেম্বৰ মাহলৈকে ৮৫ খন দেশে অংশ গ্ৰহণ কৰি প্ৰায় ৫০,০০০ অধিক লিটল ফ্ৰী লাইব্ৰেৰী পঞ্জীয়ন কৰে।

২০১৯ চনত লিটল ফ্ৰী লাইব্ৰেৰীৰ পঞ্জীয়নৰ সংখ্যা ৯০,০০০ লৈ বৃদ্ধি পাইছে। বৰ্তমান প্ৰায় ৯১ খন দেশে বছৰি এই লিটল ফ্ৰী লাইব্ৰেৰীত সংস্থাপনৰ যোগেদি মিলিয়ন গ্ৰন্থ বিনিময় কৰি আছে। দুখৰ বিষয় এই যে মহান ধাৰণাৰ জন্মদাতা ট'ড হাৰ্বাট ব'লৰ ২০১৮ চনৰ ২৮ অক্টোবৰত কৰ্কট ৰোগত মৃত্যু হয়। কিন্তু এই মহান কৰ্মৰে জনমানসত তেওঁৰ আদৰ্শ সদায় স্মৰণীয় হৈ ৰ'ব। সজ তথা সৃষ্টিশীল কৰ্মৰাজিৰ দ্বাৰা এনেকৈ জীৱনকালত আদৰ্শ দেখুওৱা লোকসকল সকলোৰে বাবে প্ৰেৰণা। অসমতো এনে ধৰণৰ পুথিভঁৰাল গঢ় লৈ উঠাৰ বাতৰি ছ'ছিয়েল মিডিয়াৰ যোগেদি লাভ কৰিছিলো। নিশ্চিতভাৱে এয়া অতি সুন্দৰ প্ৰচেষ্টা আৰু তাৰ লগতে অনুকৰণীয়।

**আনে কি কৰিছে ভবাতকৈ নিজে কি কৰিছো ভবাটোহে বেছি প্ৰয়োজন।**

**—ৰাজা ৰামমোহন ৰায়।**

যুৱ শিতান

# পৰিৱৰ্তিত সমাজব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়

**সৌৰভ দেউৰী**
সাহিত্য সম্পাদক
স্নাতকোত্তৰ ছাত্ৰ সন্থা ২০২২-২৩ বৰ্ষ,
গুৱাহাটী বিশ্ববিদ্যালয়

পৰিৱৰ্তিত সময় আৰু যুগৰ লগত সংগতি ৰাখি সমাজ ব্যৱস্থা, জীৱন প্ৰণালী তথা মানৱ সভ্যতা সলনি হৈ নৱ ৰূপান্তৰৰ দিশে আগবাঢ়ে। এই সময়ৰ সোঁতত আজি আটাইতকৈ প্ৰভাৱিত হৈছে যুৱচাম যিয়ে তাহানিৰ পৰম্পৰা-সভ্যতাৰ লগত ২১ শতিকাৰ পৰিৱৰ্তিত সমাজখনক আকোঁৱালি ল'ব লগা হোৱাত ক'ৰবাত কেতিয়াবা বিপথে পৰিচালিত হোৱাৰ লগতেই মানসিক সংঘাতৰো সন্মুখীন হ'বলগীয়া হয়। তথাপিও বৰ্তমান আমাৰ যুৱচামক দেশৰ ভৱিষ্যত প্ৰহৰী বুলি গণ্য কৰাৰ পৰিপ্ৰেক্ষিতত সমাজৰ প্ৰতি আমাৰ বহুখিনি কৰণীয় আছে। তাৰ ভিতৰতেই অন্যতম হিচাপে ক'বলৈ গ'লে মোৰ দৃষ্টিভংগীত দুটা ভিন্ন সময় গোটৰ মানুহখিনিৰ লগত খাপ-খাই সকলোৰে প্ৰতি শ্ৰদ্ধাশীল তথা দায়িত্বপৰায়ণ হোৱাটো বৰ বাঞ্চনীয়। প্ৰতিটো গোট তথা সমাজৰ প্ৰতিজনৰ মত-বিমতৰ প্ৰতি দৃষ্টি নিক্ষেপণ আৰু সূক্ষ্ম বিচাৰ-বিশ্লেষণৰ মাধ্যমেৰেহে আমি বৰ্তমান যুৱচামে সমাজৰ সমস্যাবোৰ সমাধানৰ প্ৰতি গুৰুত্ব দিয়াটো জৰুৰী হৈ পৰিছে। অনাহক বাক-বিতণ্ডাৰ পৰা নিজকে বিৰত ৰাখি সংযমশীলভাৱে সমস্যাবোৰ বুজ ল'ব পাৰিলেহে উৰহী গছৰ উৰ বিচাৰি হয়তো বৰ্তমান পাব পৰা যাব। ইয়াৰোপৰি আধুনিকতাৰ এই যুগ ৰূপান্তৰৰ পৰিপ্ৰেক্ষিতত আধুনিকতাবাদক আকোঁৱালি লৈও নিজৰ সংস্কৃতি আৰু শিপামূলৰ পৰা আঁতৰি নহাকৈ কাম কৰিব পাৰিলেহে আজিৰ যুৱচামে সমাজৰ প্ৰতি কৰণীয় আগবঢ়াব পাৰিব বুলি মই অন্তৰৰ পৰা দৃঢ় বিশ্বাসী।

# পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়

**সীতাংশু গাৰ্গ**
সাধাৰণ সম্পাদক
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়

'জাগ ডেকা তেজ জাগ
আজি জাগ আগ্নেয়গিৰি উগাৰি জাগ
জাগ ডেকা তেজ জাগ'

তীব্ৰ গতিত পৰিৱৰ্তিত এই সমাজক এক যোগাত্মক আৰু সুস্থিৰ অৱস্থালৈ আনিবলৈ হ'লে সুস্থ ন-চিন্তাৰ অত্যন্ত প্ৰয়োজন। সেই চিন্তা তথা পৰিকল্পনাক বাস্তৱায়িত কৰাৰ নিমিত্তে যুৱসমাজৰ কাৰ্যকৰী ভূমিকা তথা সক্ৰিয় অংশগ্ৰহণ নিতান্তই প্ৰয়োজনীয়।

আমি যুৱপ্ৰজন্মই বৰ্তমানৰ চিন্তা-ধাৰাক এক সুস্থিৰ গতি প্ৰদান কৰি আগুৱাই যাব পাৰিলেই এখন সুন্দৰ সমাজ গঢ়ি তোলাতো সহজ হৈ পৰিব। সংস্কাৰমুখী মনোভাৱেৰে প্ৰত্যেকেই আগুৱাই আহি নিজৰ কৰ্মখিনি নিষ্ঠা, সততা আৰু সৎসাহসেৰে কৰি গ'লেই এক নতুন দিগন্তৰ সূচনা হ'ব, য'ত সুস্থ ছাত্ৰ ৰাজনীতিৰো ভূমিকা গুৰুত্বপূৰ্ণ। যুৱ সমাজৰ সুস্থ-সবল চিন্তা, নেতৃত্ব আৰু কৰ্মৰ মাজেৰে অসমী আই উন্নতি তথা শান্তিৰ মুকুট পৰিধান কৰি জিলিকি উঠক।

# পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়

**নয়নজ্যোতি গগৈ**
শিৱসাগৰ কলেজ, জয়সাগৰ (স্বতন্ত্ৰ)
সাহিত্য আৰু আলোচনী সম্পাদক
শিৱসাগৰ কলেজ ছাত্ৰ একতা সভা
২০২১-২২ বষ

শিল্পী জুবিন গাৰ্গে এটি গীতত গাইছিল—

"জ্বলিলা যেতিয়া ৰাতিপুৱালৈ জ্বলা
ৰাতি কিমান দীঘলীয়া সেইকথা এতিয়া
এন্ধাৰক সোধাৰ প্ৰয়োজন ক'ত!"

বৰ্তমান সমাজ ব্যৱস্থাৰ ঋণাত্মক আৰু ধনাত্মক সকলো পৰিৱৰ্তন সামৰি যুৱপ্ৰজন্ম আগুৱাই গৈ এখন সুন্দৰ সমাজ গঢ় দিয়াতো অতিকৈ প্ৰয়োজন। যুৱপ্ৰজন্মই সমাজৰ মূল চাবি-কাঠি। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক পৰিৱেশিক আদি সকলো দিশৰ পৰিৱৰ্তনক গ্ৰহণ কৰি এক সচেতন আৰু সুস্থ বাতাবৰণ গঢ়াৰ বাবে যুৱপ্ৰজন্মই মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। তাৰবাবে প্ৰয়োজন হ'ব বিষয়বোৰৰ ওপৰত যুৱপ্ৰজন্মৰ জ্ঞান, কৰ্মৰ প্ৰতি স্পৃহা আৰু সুস্থ চিন্তাধাৰা। তাৰোপৰি সকলো মানুহকেই সচেতন কৰি তুলি সমাজক এক সুন্দৰ ভৱিষ্যতৰ দিশে আগুৱাই নিয়াৰ বাবে যুৱপ্ৰজন্ম কষ্ট আৰু ত্যাগ স্বীকাৰ কৰাতো বাঞ্ছনীয়।

# পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়

**নৱজ্যোতি বড়া**
ডিব্ৰুগড় বিশ্ববিদ্যালয়

এখন সুস্থিৰ সমাজৰ অন্যতম চালিকাশক্তি হ'ল যুৱ প্ৰজন্ম। আজিৰ প্ৰেক্ষাপটত দিনে দিনে সলনি হ'ব ধৰা সমাজখনত যুৱ প্ৰজন্মৰ অনেক কৰণীয় আছে। কিয়নো যুৱ শক্তিটোৰ ওপৰতে সমাজ তথা দেশৰ ভৱিষ্যত বহুলাংশে নিৰ্ভৰশীল হৈ পৰে। নব্য চিন্তা-চেতনা আৰু সংস্কাৰমুখী ধাৰণাৰে সমাজত নতুন চিন্তাৰ বীজ সিঁচিব পৰা সামৰ্থৰ বাবে যুৱ শক্তিয়ে সদায়েই নিৰ্ণায়ক ভূমিকা পালন কৰিব পাৰে।

আজিৰ যুৱপ্ৰজন্মই দেশ তথা জাতিটোক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত যথেষ্ট অহোপুৰুষাৰ্থ কৰিছে। সমাজ উত্তৰণৰ বাটত নিজৰ চিন থৈ যুৱপ্ৰজন্মই বিভিন্ন ক্ষেত্ৰত বিভিন্ন সফলতা অৰ্জন কৰিছে। তৎসত্বেও সাম্প্ৰতিক সময় আৰু পৰিস্থিতিয়ে আমাক সোঁৱৰাই- যুৱপ্ৰজন্মৰ ওপৰত এতিয়াও অনেকখিনি দায়িত্ব আৰু কৰ্তব্য আছে যিয়ে আচলতে সমাজত নব্য বিকাশৰ ধাৰা এটাক প্ৰতিনিধিত্ব কৰিব পাৰে।

বিশ্বায়নে অধিকাৰ কৰাৰ সাম্প্ৰতিক সময়ৰ সমাজখনৰ ন-ন দিশ ক্ষীপ্ৰ গতিত উন্মোচিত হ'ব ধৰিছে। অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি সকলোতে গোলকীকৰণৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱে গা কৰি উঠিছে। তথ্য-প্ৰযুক্তিৰ অভূতপূৰ্ব বিকাশৰ ফলত সভ্যতাই উন্নয়নৰ জখলা বগাইছে। অথচ সভ্যতা আৰু সমাজ ক্ৰমশঃ জটিলৰ পৰা জটিলতৰলৈ গতি কৰিব ধৰিছে। এফালে যদি মানুহৰ জীৱন প্ৰণালী সহজ কৰাৰ ন-ন পদ্ধতি আৱিস্কাৰ হৈছে আনফালে যন্ত্ৰ হৈ পৰা মানৱ জীৱনটো বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰিছে। ক্ৰমে ভোগবাদী হৈ পৰা সমাজখনত এচাম পুঁজিপতিৰ বিপৰীতে এচাম লোক শোষণৰ বলি হ'ব লগা হৈছে। ক্ৰমে আত্মকেন্দ্ৰিক হৈ পৰা সমাজত যুৱ প্ৰজন্মৰেই অনেকে হতাশাগ্ৰস্ততা আৰু নিৰাশাৰ চিকাৰ হৈ পৰিছে।

এইখিনিতে যুৱপ্ৰজন্মৰ দায়িত্ব অনেক। ৰাজ্যখনৰ প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখিম কৰ্মসংস্থাপনৰ অভাৱ যুৱক-যুৱতীৰ মানসিক অশান্তিৰ অন্যতম কাৰণ। মূলতঃ কৃষিপ্ৰধান অসমৰ অৰ্থনীতিত প্ৰাকৃতিক সম্পদ সমূহক কেন্দ্ৰ কৰি গঢ়ি উঠা বহু উদ্যোগত আজিও ৰাজ্যখনৰ যুৱক-যুৱতীৰ সংখ্যা কম। এই ক্ষেত্ৰত কিছু পৰিকল্পনা আৰু দৃঢ়তাৰে যুৱচামে আগবাঢ়ি গ'লে ন-ন ক্ষেত্ৰত নিজকে নিয়োজিত কৰিব পাৰে। অসমৰ পৰ্যটন, খাদ্য, থলুৱা শিল্প আদিক উৎস হিচাপে লৈ কাম কৰাৰ যথেষ্ট থল আছে। সম্প্ৰতি বহুতেই ষ্টাৰ্টআপৰ দৰে পদক্ষেপৰ জৰিয়তে কাম আৰম্ভ কৰিছে। সেয়া শুভলক্ষণ। তথাপি সংগঠিতভাৱে আৰু দীৰ্ঘম্যাদী চিন্তাৰে অসমত কৰ্মবিপ্লৱ সৃষ্টি কৰিবলৈ এতিয়াও আৰু কিছু দূৰ বাকী। কেৱল চাকৰিমুখী নহৈ উদ্যোগী মনোভাৱেৰে আগবাঢ়ি আহিলে অনাগত দিনবোৰত যুৱপ্ৰজন্মই প্ৰভূত সফলতা অৰ্জন কৰাৰ থল আছে।

সাম্প্ৰতিক সময়ৰ এক সংবেদনশীল উপলব্ধি হ'ল

যে মূল্যবোধৰ অৱক্ষয়েও সমাজ উন্নয়নৰ বাটত হেঙাৰ হৈ থিয় দিয়ে। যুৱপ্ৰজন্মই ইয়াক গভীৰভাৱে উপলব্ধি কৰিলে অনেকখিনি সমস্যাৰ উপশম ঘটাব পাৰে। যুৱ প্ৰজন্মই বৈষম্যৰ বিপৰীতে সমতা আৰু স্বাধীনতা উপভোগ কৰিব পৰা পৰিৱেশ জন্ম দায়িত্ববোধ আৰু সামাজিক প্ৰমূল্যবোধৰ সংমিশ্ৰণত সমাজ সংশোধনৰ বাট মুকলি কৰিব পাৰে।

জাতিটোৰ প্ৰতিও যুৱপ্ৰজন্মৰ দায়িত্ব আৰু কৰ্তব্য সদায়েই থাকিব। জাতি এটাৰ সম্পদস্বৰূপ ভাষা-কৃষ্টি-সংস্কৃতি প্ৰজন্মলৈ বৈ থাকিবলৈ হ'লে তাৰ পৰিশীলিত বিকাশ, চৰ্চা খুবেই প্ৰয়োজনীয়। ডেকা শক্তিটোৱে স্বাভিমান আৰু আন্তৰিকতাৰে জাতিটোৰ প্ৰতি দায়বদ্ধ হৈ নিজস্ব সংস্কৃতি প্ৰচাৰ-প্ৰসাৰৰ বাবে অনবদ্য পদক্ষেপ গ্ৰহণ কৰিব পাৰে। জাতিৰ সম্পদসমূহ ৰক্ষাৰ দায়িত্বও যুৱপ্ৰজন্মৰ ওপৰতে বহুখিনি নিৰ্ভৰ কৰে।

পৰিৱৰ্তিত সময় আৰু পৰিস্থিতিত আমি লক্ষ্য কৰিছোঁ ক্ৰমে কেনেদৰে ধৰ্মৰ নামত বা জাতিৰ নামত সাম্প্ৰদায়িকতাৰ বিষবাস্প বিয়পাই সমাজ অশান্ত কৰিব বিচৰা হয়! কেনেদৰে তাৰ পৰা মুনাফা লুটি এচামে নিজৰ ন্যস্ত স্বাৰ্থ পূৰণত ব্যস্ত হয়! দেশৰ ৰাজনৈতিক পৰিৱেশে সমাজত প্ৰগতিশীল চিন্তাতকৈ সংকীৰ্ণ চিন্তাৰ উদ্ৰেক ঘটোৱাটো চিন্তাৰ বিষয়। যুৱপ্ৰজন্মই এইক্ষেত্ৰত ঐক্য আৰু শান্তি প্ৰতিষ্ঠাত মনোনিৱেশ কৰিব পাৰে।

সামাজিক মাধ্যমৰ তুমূল আগ্ৰাসনৰ দিনত ফেচবুক, ৱাটছএপ, টুইটাৰৰ সমান্তৰালকৈ বাস্তৱ সমাজ জীৱনতো যুৱপ্ৰজন্মই সাধাৰণ জনতাক জাগ্ৰত কৰি সমাজৰ অনিয়ম-বিশৃংখলা আদিৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিব পাৰে। যুৱচামেই সমাজ ৰূপান্তৰৰ অংশীদাৰ হ'ব পাৰে যদিহে তথ্য-প্ৰযুক্তিৰ কৃত্ৰিম পৃথিৱীখনৰ পৰা ক্ষন্তেক ওলাই আহি বাস্তৱ সমাজখনৰ কথা হৃদয়ংগম কৰি উত্তৰ প্ৰজন্মৰ বাবে এখন ধুনীয়া সমাজ উপহাৰৰ দি যোৱাৰ মানসিকতা আকোঁৱালি লয়।

যুৱপ্ৰজন্মৰ মাজত নিহিত হৈ থকা অমোঘ শক্তিয়ে সমাজখনকে সলনি কৰি দিব পাৰে। ইতিবাচকভাৱে এই শক্তিক ব্যৱহাৰ কৰিব পাৰিলে ইয়াৰৰ যোগাত্মক দিশসমূহ অনেক। সমাজৰ প্ৰতি থকা দায়িত্ববোধে যুৱপ্ৰজন্মক অধিক গতিশীল কৰি তুলিব পাৰে। সেয়েহে, আমি যুৱ প্ৰজন্মই বৰ্তমানৰ চিন্তা-ধাৰাক এক সুস্থিৰ গতি প্ৰদান কৰি আগুৱাই লৈ যাব পাৰিলেই এখন সুন্দৰ সমাজ গঢ়ি তোলাৰ বাট প্ৰশস্ত হৈ পৰিব। যুৱচামৰ সুস্থ চিন্তা, সৰ নেতৃত্ব আৰু পৰিকল্পিত কৰ্মৰ মাজেৰেই সমাজখনে উন্নতিৰ শিখৰ স্পৰ্শ কৰিব। মাত্ৰ লাগিব যুৱচামৰ প্ৰৱল আত্মবিশ্বাস, সততা আৰু অসীম সাহস। শেষত অগ্নিকাগিৰিৰ ভাষাৰেই এই ডেকা শক্তিটোৰ সামৰ্থক পুনৰ সুঁৱৰি কওঁ—

'জাগ ডেকা তেজ জাগ  
আজি জাগ আগ্নেয়গিৰি উগাৰি জাগ  
জাগ ডেকা তেজ জাগ।"

**দেশৰ যুৱশক্তি যাৰ পক্ষত আছে তেওঁৰ হাততে আছে ভৱিষ্যত।**

**—হিটলাৰ**

# পৰিৱৰ্তিত সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়

**দেৱাশীষ ৰাজকুমাৰ**
ষষ্ঠ ষাণ্মাসিক, ভূগোল বিভাগ, মঙলদৈ মহাবিদ্যালয়
প্ৰাক্তন সাহিত্য আৰু আলোচনী সম্পাদক
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২১-২২ বৰ্ষ)

সমাজ পৰিৱৰ্তনশীল। সময়ৰ লগে লগে সমাজৰ পৰিৱৰ্তন হৈ আহিছে আৰু আহিব, ইয়াক কোনেও বাধা দি ৰাখিব নোৱাৰে। বৰ্তমান সময়ত এই পৰিৱৰ্তিত সমাজ ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব আজিৰ নতুন প্ৰজন্ম অৰ্থাৎ যুৱপ্ৰজন্মই। এই পৰিৱৰ্তিত সমাজখন বিপথে পৰিচালিত নহ'বৰ বাবে নিশ্চয়কৈ যুৱপ্ৰজন্মৰ কৰণীয় আটাইতকৈ বেছি।

ক্ষিপ্ৰ গতিত পৰিৱৰ্তিত এই সমাজক এক যোগাত্মক আৰু সুস্থিৰ অৱস্থালৈ আনিবলৈ হ'লে সুস্থ-বিৱৰ্তনকামী ন-চিন্তাৰ প্ৰয়োজন আছে আৰু সেই চিন্তা পৰিকল্পনাক বাস্তৱায়িত কৰাৰ নিমিত্তে যুৱসমাজৰ কাৰ্যকৰী ভূমিকা তথা সক্ৰিয় অংশগ্ৰহণ নিতান্তই প্ৰয়োজনীয়।

এগৰাকী যুৱক অথবা যুৱতী হিচাপে সমাজত সংঘটিত অথবা সমাজত প্ৰচলিত সকলো ঘটনালৈ আমি লক্ষ্য কৰিব লাগিব অথবা আমি চকু দিব লাগিব। সমাজত সংঘটিত হৈ থকা বিভিন্ন ধৰণৰ অপৰাধমূলক ঘটনাৰ বিৰুদ্ধে যুৱপ্ৰজন্ম সৰৱ হোৱাটো প্ৰয়োজন। শিক্ষিত যুৱপ্ৰজন্মই সমাজত কৰিবলগীয়া কামৰ ক্ষেত্ৰত পোনপথমেই গুৰুত্ব দিব লাগিব শিক্ষাৰ ক্ষেত্ৰত। পৰিৱৰ্তিত সমাজত লিংগ সমতাৰ সৃষ্টি হৈছেনে নাই, ছাত্ৰৰ সমানে সমানে ছাত্ৰীয়ে শিক্ষা লাভ কৰিছেনে নাই অথবা পৰ্যাপ্ত শিক্ষা লাভৰ পৰা নাৰী বঞ্চিত হৈছে নেকি সেই বিষয়ৰ ওপৰত লক্ষ্য কৰি বিভিন্ন ভিতৰুৱা অঞ্চলৰ শিক্ষা লাভৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰোৱাৰ ব্যৱস্থা কৰিব লাগিব। বৰ্তমান আধুনিক বিজ্ঞানৰ যুগ, এই আধুনিক বিজ্ঞানৰ যুগত গাঁও অঞ্চলত এতিয়াও বৰ্তি থকা অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিৰুদ্ধে মাত মাতিব লাগিব, বিজ্ঞানৰ ব্যৱহাৰ তথা প্ৰচলন আৰু ইতিবাচকতাৰ কথা বুজাব লাগিব, যুৱ সমাজ একগোট হৈ অন্ধবিশ্বাস, কু-সংস্কাৰৰ নেতিবাচক প্ৰভাৱৰ বিষয়ে গাঁৱে-ভূঞে গৈ পৰাপক্ষত সজাগতা সভা ইত্যাদিৰো আয়োজন কৰিব লাগিব। পৰিৱৰ্তিত সমাজত গা কৰি উঠা হত্যা-হিংসা ইত্যাদি ব্যাধি দূৰীকৰণৰ বাবে আগবাঢ়ি আহিব লাগিব। নিজ অঞ্চলৰ সকলো ধৰণৰ ইতিবাচক অনুষ্ঠান, সভা-সমিতি, সাংস্কৃতিক অনুষ্ঠান ইত্যাদিত যুৱপ্ৰজন্মৰ অংশগ্ৰহণ হ'ব লাগিব অধিক সক্ৰিয় লগতে স্বেচ্ছাই সেৱা আগবঢ়াই যোৱাই হ'ব সমাজত যুৱপ্ৰজন্মৰ কৰ্মৰ ইতিবাচক দিশ। বৰ্তমান সময়ত সকলোৰে হাতে হাতে মবাইল ফোন হ'ল। মবাইল ফোনৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থকা সামাজিক মাধ্যমৰ জৰিয়তে সমাজৰ যিকোনো ঘটনা এটা অতি কম সময়ৰ ভিতৰতেই প্ৰচাৰ কৰিব পৰা অথবা লাভ কৰিব পৰা হ'ল।

তেনে ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে সামাজিক মাধ্যমত বৰ্তমান বিভিন্ন ধৰণৰ নেতিবাচক বাতৰি, খা-খবৰ

তথা উৰাবাতৰি আটাইতকৈ বেছি প্ৰচলিত হয় বা হৈ আহিছে। উঠি অহা প্ৰজন্ম তথা আহিবলগীয়া নতুন প্ৰজন্মই যাতে এই উৰাবাতৰি অথবা প্ৰমাণহীন খবৰৰ মাজত সোমাই থাকি নিজৰ মাজত লুকাই থকা জ্ঞানৰ ভাণ্ডাৰ অথবা আত্মবিশ্বাস আৰু অধ্যাৱসায়ৰ হাৰ হ্ৰাস নকৰে, মাত্ৰ সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচলিত ইতিবাচক কাম সমূহত হে গুৰুত্ব আৰোপ কৰে তাৰ ওপৰত নিজেই লক্ষ্য কৰিব লাগিব আৰু নিজৰ লগতে যুৱ প্ৰজন্মই আনকো এই বিষয়ে সজাগ কৰি তুলিব লাগিব।

ছাত্ৰ-ছাত্ৰীৰ পৰা বয়োজ্যেষ্ঠজনলৈকে সকলোকে অধ্যয়নৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। কিতাপ পঢ়াৰ পৰিবেশ গঢ়ি তুলিব লাগিব, আৰু ই নৃত্যান্তই প্ৰয়োজনীয়।

যুৱপ্ৰজন্মই খেল-ধেমালি, সাহিত্য চৰ্চা কৰিব লাগিব, কুইজ, তৰ্ক, সাংস্কৃতিক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিব লাগিব, গীত গাই, নৃত্য কৰি, নাট, ভাওনা আদি প্ৰচলন কৰি সমাজত এক ইতিবাচক বাৰ্তা দি থাকিব চেষ্টা কৰিব লাগিব। সমাজত প্ৰচলিত ভাল, বেয়া দিশসমূহ চালি-জাৰি চাই বাতৰি কাকত অথবা সামাজিক মাধ্যমত তাৰ ওপৰত লিখা মেলা কৰিব লাগিব। যিকোনো ভিতৰুৱা অঞ্চলৰ প্ৰচাৰ বিমুখ হৈ থকা খবৰসমূহ প্ৰচাৰ কৰাত গুৰুত্ব প্ৰদান কৰিব লাগিব।

প্ৰায় ৮০০ কোটিৰ ওচৰা-ওচৰি জনসংখ্যাৰ বিশ্বত সকলো ব্যক্তি অথবা যুৱপ্ৰজন্মৰ বাবে চৰকাৰী চাকৰি সম্ভৱপৰ নহয়। তেনে ক্ষেত্ৰত সমাজৰ সকলো ব্যক্তিয়েই সমভাৱে চলি থাকিবলৈ, নিজকে বিভিন্ন কৰ্মৰ দ্বাৰা ব্যস্ত কৰি, নিজৰ প্ৰতিভাৰ দ্বাৰা, হস্ত শিল্পৰ দ্বাৰা, ব্যৱসায়ৰ জৰিয়তে, নিজকে উদ্যোগত জড়িত কৰাই, মানুহৰ দৈনন্দিন জীৱনত প্ৰয়োজনীয় বিভিন্ন ধৰণৰ সামগ্ৰী সৃষ্টি কৰি, বৈজ্ঞানিক পদ্ধতিৰে সুন্দৰকৈ কৃষিকৰ্ম কৰি যুৱপ্ৰজন্মই নিজকে নিজে স্বাৱলম্বী কৰাৰ লগতে আন বহুতক স্বাৱলম্বী কৰাৰ পথ মুকলি কৰি সমাজত ভয়াৱহভাৱে দেখা দি অহা নিবনুৱা সমস্যা হ্ৰাস কৰাত উল্লেখযোগ্য ভূমিকা ল'ব পাৰে।

নিজ অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত সমাজ, চৰকাৰ আৰু প্ৰশাসনৰ সতে লগ লাগি যুৱপ্ৰজন্মই একেলগে উৎসাহেৰে কাম কৰিব লাগিব, অগ্ৰজ অথবা অনুজ কাৰোবাৰ যিকোনো বিষয়ত কৰি অহা কামত ভুল দেখা পালে ইতিবাচক সমালোচনাৰে ভুলটো আঙুলিয়াই দি শুধৰণি কৰি দিয়াৰ প্ৰয়োজন আছে।

আজিৰ যুৱপ্ৰজন্মই নিজৰ ঘৰখনৰ, চুবুৰীটোৰ, গাঁওখনৰ উন্নয়ন অথবা ভাল কামৰ বাবে স্বাৰ্থ অবিহনে নিজেই পৰাপক্ষত সহায়-সহযোগ কৰিলে সমাজ এখনি উন্নতিৰ দিশে গতি কৰিব।

উন্নয়নশীল বিশ্বত যি পৰিৱেশৰ ধ্বংস যজ্ঞ চলি আহিছে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আইনৰ দ্বাৰা বিহীত ব্যৱস্থা গ্ৰহণ কৰাত গুৰুত্ব দিব লাগিব, সকলোৱে নিজৰ জন্মদিন, বিবাহ বাৰ্ষিকী অথবা যিকোনো দিনতেই নিজৰ ধৰণীখনি সেউজীয়া কৰি ৰাখিবলৈ গছপুলি ৰোপণ কৰাৰ লগতে গছ-বন জধে-মধে নাকাটি, বন-সুৰক্ষা কৰ্মী, বন সংমণ্ডল আৰু ইয়াৰ লগত জড়িত চৰকাৰী বিভাগৰ সতে কথা পাতি গছ-গছনি, বন সংৰক্ষণ কৰাটো হ'ব আন এক প্ৰধান কাম।

ৰাজনীতিৰ ভাল বেয়া দিশসমূহ দেখি, শুনি তাৰ ওপৰত বিশ্লেষণ কৰি চৰকাৰ, চৰকাৰী বিষয়া, চৰকাৰৰ প্ৰতিনিধি সকলোৰে আগত যিকোনো ঘটনা বা কামৰ বাবে নিজ নিজ মতামত দাঙি ধৰিব পাৰিব লাগিব।

দুৰ্নীতিৰ বিৰুদ্ধে যুৱপ্ৰজন্ম যিমানেই অধিক সজাগ আৰু শক্তিশালী হ'ব সিমানেই মানুহে সমাজত বেয়া কাম নকৰিবলৈ সজাগ হ'ব।

বৰ্তমান আধুনিক বিজ্ঞানৰ যুগত দেখা যায় যে যিকোনো এটা কথা, ঘটনা অথবা বিষয়বস্তুক কোনো কাৰণ নোহোৱাকৈ ৰাজনীতিকৰণ কৰা হয়, তেনে ক্ষেত্ৰত ৰাজনীতিৰ মেৰপাকত নোসোমোৱাকৈ কি ধৰণে যিকোনো সমস্যা এটি সমাধান কৰিব পাৰি তাৰ ওপৰত বৈজ্ঞানিক দৃষ্টিভংগী আৰু সুস্থ মগজুৰ চিন্তাধাৰাৰে সমস্যাৰ সমাধান কৰি সমাজ এখনক সুৰুজমুখী বাট প্ৰদান কৰিবলৈ যুৱপ্ৰজন্মৰ গুৰুত্ব, ভূমিকা আৰু কৰণীয়ই হ'ব সমাজৰ চাবিকাঠী।

গল্প প্ৰত্যাশা

# জীৱন প্ৰত্যাশা

**মনস্বিনী শৰ্মা**
পঞ্চম ষান্মাসিক, অৰ্থনীতি বিভাগ

সন্ধিয়াৰ সময়। ষ্ট্ৰীট লাইটৰ হালধীয়া পোহৰে চহৰৰ দুইমূৰ সংযোগ কৰা পকী দলঙখন পোহৰাই ৰাখিছে। দলঙখনৰ তলেৰে বৈ যোৱা নদীখনত আকাশত উজ্বলি থকা পূৰ্ণিমাৰ জোনৰ পোহৰে জলকেলি খেলিছে। দলঙৰ বুকুত ব্যস্ত মানুহৰ ব্যস্ততাৰ খোজ। এখনৰ পাছত আন এখনকৈ যান-বাহন অহা-যোৱা কৰি আছে।

দলঙখনৰ ৰেলিঙত দুহাতেৰে ভেজা দি গৌতমে নদীখনৰ পানীখিনিলৈ একেথৰে চাই আছে। তাৰ কান্ধত এটা চামৰাৰ বেগ। বেগটোৰ চেইন এডাল ছিঙি সৃষ্টি হোৱা সুৰুঙাটোৰে বেগটোত থকা কিছুমান নথি-পত্ৰই উন্মুক্ত হৈ বাহিৰলৈ চাই আছে। অনেক পৰ সি তেনেকৈ বৈ থকাত বাটৰ বাটৰুৱাই তালৈ দৃষ্টি নিক্ষেপ নকৰা নহয়। পূৰ্বতে এইখন দলঙৰ ৰেলিঙৰ পৰা জঁপিয়াই ছুইচাইড সংঘটিত হৈছে। গতিকে বাটৰুৱা কিছুমানেও হয়তো সেইবোৰ কথা ভাবিয়েই গৌতমৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিছে।

গৌতমৰ মনত অনেক অংক চলি আছে। ইয়াৰে কিছুমানৰ উত্তৰ সি পাইছে যদিও আন কিছুমান অংক জটিলৰ পৰা জটিল হৈ গৈ আছে। সাতাইশ বছৰীয়া গৌতমে প্ৰত্যাহ্বানসমূহ নেওচি যিমানেই আশা কৰা ধৰণে জীৱনটো সজাবলৈ চেষ্টা কৰে সিমানেই সকলোবোৰ আউল লাগে। হতাশাই তাৰ মনটো হেঁচা মাৰি ধৰে।

হঠাৎ গৌতমৰ তাৰ কান্ধত কাৰোবাৰ হাতৰ স্পৰ্শ অনুভৱ হ'ল। সি উভতি চাই দেখে তাৰ একেবাৰে কাষতে নীলাক্ষী চলিহা বৈ আছে। পিন্ধনত নীলা জিনচ্, বগা টি-চাৰ্ট, ক'লা কোট, ওঁঠত টিক্‌টিকিয়া ৰঙা লিপষ্টিক, দুচকুত ডাঙৰ ফ্ৰেমৰ চশমাযোৰে নীলাক্ষী চলিহাৰ দুকুৰি বছৰক কুৰি বছৰলৈ ৰূপান্তৰ কৰিছে।

ঃ বাইদেউ আপুনি ইয়াত যে?— গৌতমে লাহেকৈ সুধিলে।

ঃ মোৰ কথা বাদ দিয়া। তুমি অকলে অকলে ইয়াত কি কৰি আছা? আই থিংক তুমি দিনত ঘটি যোৱা ইনচিডেণ্টটোৰ কথা ভাবি আছা। আই ন' তুমি বহুত হাৰ্ট হৈছা। ফৰগেট ডিজ।— নীলাক্ষী চলিহাই গৌতমৰ মনৰ কথাষাৰ কৈ দিয়াত সি হা না কি উত্তৰ দিব ভাবি নাপালে।

ঃ ব'লা মোৰ লগত। এঠাইত বহিম। কথা পাতিম।



— গৌতমে একো ক'বলৈ নৌপাওঁতেই নীলাক্ষী চলিহাই গৌতমক হাতত ধৰি নিজৰ গাড়ীখনলৈ লৈ গ'ল। নীলাক্ষীয়ে ড্ৰাইভিং আৰম্ভ কৰিলে।

ফেচবুকৰ মাধ্যমেৰে চিনাকি হোৱা নীলাক্ষী আৰু গৌতমৰ প্ৰায় ডেৰ বছৰমান হ'ল। বায়েক-ভায়েকৰ সম্বন্ধৰে দুয়োৰে মাজত আত্মীয়তা গঢ়ি উঠিল। এজনে আনজনৰ বহু কথাই জানে। শিৱসাগৰ নগৰৰ বাসিন্দা নীলাক্ষী চলিহা। সংস্থাপনৰ পথ বিচাৰি হাবাথুৰি খাই ফুৰা গৌতমক নীলাক্ষীয়ে তাই কৰি থকা কোম্পানীটোত খালী হৈ থকা পদ এটাৰ বাবে আবেদন কৰিবলৈ কৈছিল। সেইসূত্ৰে গৌতমে আজি পুৱাতে গোলাঘাটৰ পৰা শিৱসাগৰলৈ আহি পদটোৰ বাবে হোৱা সাক্ষাৎকাৰত অৱতীৰ্ণ হৈছিল। গৌতমে সাক্ষাৎকাৰত উত্তীৰ্ণ হোৱাৰ পাছত কোম্পানীৰ মালিকে সত্তৰ হাজাৰ টকাৰ ঘোচ বিচৰাত গৌতমৰ খঙে চুলিৰ আগ পালেগৈ। গৌতম আৰু মালিকৰ মাজত তৰ্কাতৰ্কি হোৱাত সকলো কৰ্মচাৰীৰ সন্মুখতে মালিকজনে গৌতমৰ স্বাভিমানক আঘাত কৰি তিৰস্কাৰ কৰিলে। নীলাক্ষীয়ে পৰিস্থিতিটো শান্ত কৰিবলৈ চেষ্টা কৰিছিল যদিও মালিকজনে নীলাক্ষীকো কুট কথা শুনালে।

নীলাক্ষী চহিলাৰ গাড়ী আহি চহৰখনৰ সৌন্দৰ্যবৰ্ধন কৰা বৰপুখুৰীটোৰ পাৰত ৰ'লহি। দুয়ো গাড়ীৰ পৰা নামি বৰপুখুৰীৰ পাৰৰ খটখটিতে বহিলহি। কিছু সময়ৰ মৌনতাৰ পাছত নীলাক্ষীয়ে ক'লে -

ঃ ৰাতিৰ আন্ধাৰতো পুখুৰীটোৰ পানীখিনি আজি কিয় জিলিকি আছে?

ঃ আজি পূৰ্ণিমা যিহেতু সেয়ে জোনৰ জোনাকেৰে পুখুৰীটোৰ পানীখিনি জিলিকাই ৰাখিছে। - গৌতকে কয়।

ঃ তেন্তে অমাৱশ্যাৰ সময়খিনিত পুখুৰীটোৰ পানীখিনি কেনেকৈ অন্ধকাৰত থাকে?

ঃ দিনৰ সূৰুযৰ পোহৰক স্মৰণ কৰি নতুবা পুনৰ পূৰ্ণিমা হ'বলগীয়া দিনটোৰ বাবে অপেক্ষা কৰি।

ঃ হুমম্। তেন্তে আমি মানুহবোৰে জীৱনৰ অন্ধকাৰ সময়খিনিত পোহৰৰ বাবে অপেক্ষা কৰাৰ ধৈৰ্য কিয় হেৰুৱাই পেলাওঁ। অথচ আমি জানো ৰাতিৰ আন্ধাৰৰ শেষত নতুন দিনৰ আৰম্ভ হয়।

নীলাক্ষীক গৌতমে নিজৰ জীৱনৰ কিছু দুখজনক কথা কৈছিল। নীলাক্ষীয়ে গৌতমৰ অসহায় অৱস্থাত প্ৰায়ে সাহস হৈ থিয় দিয়ে। গৌতমৰ দেউতাকে এটা সৰু প্ৰাইভেট চাকৰি কৰিছিল। কিন্তু মদাহী স্বভাৱটো দিনক দিনে বাঢ়ি অহাত তেওঁ চাকৰিটো হাতৰ পৰা হেৰুৱালে। সেই সময়ত গৌতমে হাইস্কুলত আৰু তাৰ ভনীয়েক গীতাই প্ৰাথমিক স্কুলত পঢ়ি আছিল। নিচাসক্ত হৈ দেউতাকে সংসাৰলৈ পিঠি দিবলৈ ধৰাত গৌতমৰ মাকে ইটো-সিটো কাম কৰি গৌতমহঁতক ডাঙৰ-দীঘল কৰিছিল। পঢ়া-শুনাৰ সকলো যোগাৰ কৰি দিছিল। মাকৰ কষ্ট দেখি গৌতমে মনত প্ৰতিজ্ঞা লৈছিল যে সি সোনকালে পঢ়া-শুনা শেষ কৰি চাকৰি এটাৰ যোগাৰ কৰি সকলো দায়িত্ব মূৰ পাতি ল'ব। গৌতমে কলেজীয়া জীৱন আৰম্ভ কৰোতে তাৰ দেউতাকৰ মৃত্যু হয়। দেউতাকৰ মৃত্যুৰ পাছত মাকৰ কষ্ট দুগুণে বাঢ়িল। সময়বোৰ তেনেদৰে পাৰ হৈছিল। গৌতম স্নাতক ডিগ্ৰীধাৰী হৈছিল। উচ্চ শিক্ষাৰ বাবে মন নেমেলি সি কৰ্মসংস্থাপনৰ চিন্তা কৰিবলৈ ল'লে। এনে সময়তে গীতাই কলেজীয়া জীৱন আৰম্ভ কৰিছিল। যৌৱনৰ ভৰ বয়সত প্ৰেমৰ ৰাগিত মতলীয়া হৈ গীতাৰ প্ৰেমিকৰ সৈতে বদনাম ওলাল। গীতা গৰ্ভৱতী হ'ল। প্ৰেমিকজনে গীতাক গ্ৰহণ নকৰাত সমাজৰ চকুত গৌতমহঁতৰ ঘৰখনে মুখ উলিয়াব নোৱৰা হ'ল। গৌতমৰ মাকজনীও খং আৰু দুখত ভাঙি পৰিল। ককায়েক হিচাপে গৌতমে ভনীয়েকক সকলো পাহৰি নতুনকৈ জীৱনটো আৰম্ভ কৰিবলৈ কৈছিল। কিন্তু গীতায়ে সকলো সাহস, জীয়াই থকাৰ আশা হেৰুৱায় আত্মহত্যা কৰিলে। গীতাৰ মৃত্যুৰ পাছত মাকে মানসিক ভাৰসাম্য লাহে লাহে হেৰুৱায় পেলাবলৈ ল'লে। এনে জটিল প্ৰত্যাহ্বানৰ সময়ত সি নীলাক্ষীৰ সৈতে চিনাকি হৈ আত্মিক সম্পৰ্ক গঢ়ি তুলিছিল। নীলাক্ষীয়েও জানে গৌতমক এতিয়া সংস্থাপনৰ বৰ প্ৰয়োজন হৈছে। বহু ঠাইত কেইবাবাৰো চেষ্টা কৰি সি নিৰাশ হৈছে। মানসিকভাৱে দিনে দিনে অধিক ভাঙি যোৱা মাকক এতিয়া চিকিৎসাৰ প্ৰয়োজন হৈছে।

বহু সময় ধৰি গৌতমে একো নমতাত নীলাক্ষীয়ে লাহেকৈ সুধিলে -

ঃ কি ভাবিছা?

ঃ ভাবিছো জীৱনৰ পথটো আশা কৰাৰ দৰে পোন নহয় কিয়? সন্মুখৰ পথটো আশা কৰাৰ দৰে মসৃণ বুলি ভাবিলেও খোজ গৈ গাঁততহে পৰে আৰু গাঁতটোৰ পৰা পুনৰ উঠি অহাটো কষ্টকৰ।

ঃ জীৱনে কাকো আশা কৰা মতে সকলো নিদিয়ে।

ঃ মিছা কথা। পৃথিৱীত এনে কিছুমান মানুহো আছে

যিয়ে জীৱনত আশা কৰা মতে সকলো পাইছে।

ঃ মোৰ হাজবেণ্ডৰ লগত ডিৰ্ভচ হোৱাৰ কথাটো তুমি জানা। কিন্তু ইয়াৰ আঁৰৰ কিছুমান কথা মই আজি তোমাক কওঁ। মোৰ মা-পাপা বহুত ধনী আছিল। সৰুৰে পৰা ভোগ-বিলাসত ডাঙৰ হৈছিলো। মোৰ হাজবেণ্ড এজন চাকচেচফুল বিজনেচমেন আছিল। বাট্ বিয়াৰ টু ইয়েৰচ্ৰ পিছত গম পালো হাজবেণ্ডৰ এক্সটা মেৰিটেল এফেৰ চলি আছে। ইয়াক লৈ আমাৰ সদায় কাজিয়া হয়। মা-পাপাৰ মোৰ বিয়াৰ পিছত মৃত্যু হয়। কথাবোৰ কাকো ক'ব নোৱাৰা হ'লো। এদিন এনেদৰে কাজিয়া হোৱাত মই দাদাক কথাবোৰ ক'বলৈ খঙেৰে গাড়ীখন চলাই মোৰ নিজৰ ঘৰলৈ আহিবলৈ ল'লো। খং-দুখত মই ড্ৰাইভ কৰাত মই ততকে ধৰিব নোৱৰাকৈ মোৰ এক্সিডেণ্ট হ'ল। এক্সিডেণ্টৰ বাবে মোৰ ভৰি এটা কাটিব লগা হ'ল। সেই ঠাইত এটা কাঠৰ ভৰি লগাবলগীয়া হ'ল। মোক ঘৃণীয়া অৱস্থাতে এৰি হাজবেণ্ডে বিজ্নেচৰ কামৰ সুযোগ লৈ বিদেশলৈ গুচি গ'ল। ইয়াত দাদাই মোৰ শুশ্ৰূষা কৰিলে। লাহে লাহে মই কাঠৰ ভৰিটোৰে খোজকাঢ়িব পৰা হ'লো। ইপিনে খবৰ পালো হাজবেণ্ডে মোৰ পৰা ডিৰ্ভচ বিচাৰিছে। তেখেতে দ্বিতীয় বিবাহ কৰাব। আমাৰ ডিৰ্ভচ হ'ল। শৰীৰৰ আঘাতৰ পাছত মনৰ আঘাত বাঢ়িল। দাদাক আজীৱন কষ্ট দিবলৈ মোৰ মন নগ'ল। সেয়ে এইখন চহৰত চাকৰি এটা যোগাৰ কৰি নতুনকৈ লাইফটো ষ্টাৰ্ট কৰিলো। লাইফৰ এভ্ৰি ম'মেণ্ট মই এনজয় কৰিবলৈ শিকিছো।

অন্তৰত দুখৰ বোজা লৈ দুচকুত সুখৰ ৰং সানি নীলাক্ষীয়ে গৌতমক কথাখিনি কোৱাত সি আচৰিত হ'ল। জীৱনৰ দুখবোৰক সুখৰ ৰঙেৰে সজাব জনা মানুহবোৰৰ মনবোৰ সঁচাই ধুনীয়া। কাঠৰ ভৰিয়ে জীৱনৰ বলুকাত খোজ পেলোৱা মানুহজনীয়ে শৰীৰ আৰু মনৰ সৌন্দৰ্য দুয়োটাই অটুত ৰাখিছে।

ঃ জানা গৌতম, লাইফত আশা কৰা মতে সৰ্বস্ব কোনেও লাভ নকৰে। আমি এজনে আনজনৰ তুলনামূলকভাৱেহে লাইফত কিবা এটা এচিৰ্ভ কৰো আৰু কিবাকিবি হেৰুৱাও। লাইফত কেতিয়াবা আশা কৰা মতে কিবা এটা নাপালেও সেই ঠাইত তুমি আশা কৰাটোতকৈ আশা নকৰাকৈ বহুত বেষ্ট কিবা এটা পাবা। চ' কেতিয়াও হাৰ নামানিবা। যুঁজি যোৱা চেলেঞ্জবোৰৰ এগেইনষ্টত। ভাল সময় সকলোৰে থাকে।

মনটো ভাঙি পৰাৰ বেলিকা গৌতমৰ মনটো ডাঠ কৰাত নীলাক্ষীৰ অৱদান অসীম। আজিৰ সন্ধিয়াৰ সময়খিনিয়ে গৌতমক আৰু সাহসী কৰি তুলিলে। নীলাক্ষীৰ ওচৰত সি সঁচাকৈয়ে ধন্য।

এনেতে সুদূৰৰ ভাঁহি অহা জুবিনদাৰ এটি গীত দুয়োৰে কাণত পৰিলহি।

'যদি আশাৰ চাকিটি উমি উমি জ্বলে<br>
... তথাপিতো বন্ধু মনোবল ৰাখিবা ....<br>
শেষত সকলো পাবা ....।'

**জুইয়ে শুকান খৰি পুৰি ছাঁই কৰাৰ দৰে ঈৰ্ষায়ে সকলো ভাল কাম নষ্ট কৰি পেলায়।**

**— হজৰত মহম্মদ**

ল'ৰাই চাকৰি পাই নিজৰ সংসাৰ পাতিলে, জীয়েককো বৰুৱানীয়ে উচ্চ শিক্ষাৰ বাবে বিদেশলৈ পঠালে। পিছলৈ তাই তাতে চাকৰি পাই স্বদেশী মানুহ এজনৰ লগত বিয়া হৈ তাতে থাকিবলৈ ল'লে। মাক আজৰি হ'ল। তেওঁ নিজে চলি খাব পৰাকৈ ঠিকে গৈ আছিল। কিন্তু লাহে লাহে বুঢ়ী হৈ আহিল, পৰনিৰ্ভৰশীল হ'ল সেয়ে ঘৰত শুশ্ৰূষা কৰিবলৈ মানুহ নোহোৱাত পুতেকে বৃদ্ধাশ্ৰমত থৈ আহিলগৈ।

# প্ৰত্যাশা

**চিন্ময়ী বৰগোহাঁই**
স্নাতক পঞ্চম ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ



বৰুৱানী আইতা, বৰুৱানী আইতা, আপোনালৈ ফোন আহিছে। দৌৰি দৌৰি গৈ বাবুৱে উণ গুঠি থকা বৰুৱানীক ক'লেগৈ। বৰুৱানী ওৰফে হিৰণ্যা বৰুৱা আচৰিত হৈ ক'লে, এ.. বেলেগলে আহিছে চাগে। অমুকিলৈ কোনে ফোন কৰিব! সেইবুলি হুমুনিয়াহ কাঢ়িলে। নহয় অ', আইতা আপোনালৈ আহিছে, নামটো কিবা বিশাখা দত্ত নে কি। 'বিশাখা দত্ত' নামটো শুনি যেন বৰুৱানীৰ মুখখন উজ্বল হৈ উঠিল। আনন্দত আত্মহাৰা হৈ উঠিল। বাবুৰ বাকী কথালৈ ৰৈ নাথাকি ফোনটোৰ ওচৰ পালেগৈ।

'হেল্ল' ইফালৰ পৰা মাত মাহে। মা... শব্দটো যেন বৰুৱানীৰ বুকুখন শাত পৰি গ'ল। কিমান দিনৰ পৰা যে এই মাতষাৰ বাট চাই আছিল। অ' হেল্ল'... মাজনী, কেনে আছ, ক'ত আছ তই। আহিলি কেতিয়া বিদেশৰ পৰা? ৰ'বা মা ৰ'বা। মই সকলো কৈ আছো, মই কালি ৰাতি পালোহি, আহি গম পাইছো তুমি ইয়াত নাই বুলি। মই আজি আবেলিয়েই গৈ আছো তোমাৰ লগ কৰিবলৈ। বাকী কথা তাতে পাতিম। বৰুৱানীৰ মনটো উচুপি উঠিল জীয়েকৰ কথা শুনি। ফোনটো থৈ নিজৰ কোঠা পালেহি।

অৱশেষত আজি সেই দিনটো পালেহি, যিটো দিনৰ কথা বৰুৱানীয়ে আশ্ৰমৰ সকলোৰে আগত কৈ থাকে যে এদিন তেওঁৰ জীয়েক আহিব আৰু তেওঁক লৈ যাব তাইৰ লগত। প্ৰায় ছমাহেই হ'ল বৰুৱানী এই বৃদ্ধাশ্ৰমত অহা। পুতেক-বোৱাৰীয়েক চাকৰিয়াল। চোৱা-চিতা কৰিবলৈ মানুহ নাই বাবেই মাকক বৃদ্ধাশ্ৰমলৈ মাকেও মান্তি হ'ল। কিন্তু যি হ'লেও ঘৰৰ সমান সুখ জানো ক'ৰবাত পোৱা যায়। তেওঁ নিজৰ ঘৰখন এৰি আহিবৰ মনটো নাছিল কিন্তু উপায়হীন হৈ আহিবলগা হ'ল। কিন্তু অহা দিনাখনৰে পৰা এটাই আশা যেতিয়া জীয়েক আহিব নিশ্চয় তেওঁক ইয়াৰ পৰা লৈ যাব।

জীয়েকৰ ওপৰত ইমান আশা নহ'বনো কিয়? কিমান কষ্টত বাপেক নোহোৱা ল'ৰা-ছোৱালীজনীক ডাঙৰ-দীঘল কৰিছিল। স্বামী ঢুকাওঁতেও ল'ৰাটো বাৰু খুটি-নাতি খাব পৰা হ'লগৈ। কিন্তু ছোৱালীজনী তেতিয়াও সৰু। পেঞ্চনৰ যিকেইটা টকা পাই ঘৰ চলাবলৈ আৰু তাইক পঢ়াবলৈ হৈছিলগৈহে। তথাপি তাইক কোনো অভাৱ অনুভৱ নকৰোৱাকৈ ডাঙৰ কৰিলে। ল'ৰাই চাকৰি পাই নিজৰ সংসাৰ পাতিলে, জীয়েককো বৰুৱানীয়ে উচ্চ শিক্ষাৰ বাবে বিদেশলৈ পঠালে। পিছলৈ তাই তাতে চাকৰি পাই স্বদেশী মানুহ এজনৰ লগত বিয়া হৈ তাতে থাকিবলৈ ল'লে। মাক আজৰি হ'ল। তেওঁ নিজে চলি খাব পৰাকৈ ঠিকে গৈ আছিল। কিন্তু লাহে লাহে বুঢ়ী হৈ আহিল, পৰনিৰ্ভৰশীল হ'ল সেয়ে ঘৰত শুশ্ৰূষা কৰিবলৈ মানুহ নোহোৱাত পুতেকে বৃদ্ধাশ্ৰমত থৈ আহিলগৈ। আজি যেতিয়া জীয়েক বিশাখা আহিব বুলি গম পাইছে তেওঁ গম পাইছেই জীয়েকে আৰু ইয়াত থাকিব নিদিয়ে বুলি আধা বস্তু সামৰিলেই তেওঁ যাবলৈ। তেওঁৰ লগৰীবোৰক ক'লেই আৰু ইয়াত থাকিবলৈ নাই বুলি।

আবেলি চাৰিটামান বজাত জীয়েক পালেহি আশ্ৰমত। বৰুৱানীয়ে তিনিটামান বজাৰ পৰাই গেটলৈ অহা-যোৱা কৰি আছে। কেতিয়া পাবহি! অৱশেষত যেতিয়া পালেহি জীয়েকে দৌৰি গৈ মাকক সাৱটি ল'লে। দুয়োগৰাকী উচুপি উঠিল। চকুলো বৈ আহিল। জীয়েকক লৈ নিজৰ কোঠালৈ গ'ল আৰু তেওঁলোকৰ সুখ-দুখৰ কথা পাতিলে। লগৰীবোৰৰ লগত জীয়েকক চিনাকি কৰোৱাই দিলে। বাবুৰে চাহ আনি দিলে চাহ খাই থাকোঁতেই জীয়েকে মাকলৈ চাই ক'লে, আচলতে মা মই ইয়ালৈ এক বিশেষ কাৰণত হে আহিছো। কথাষাৰ শুনি বৰুৱানীৰ মন উৎফুল্লিত হৈ পৰিল, তেওঁ ভবাটোৱেই হ'ল বুলি জীয়েকে তেওঁক ইয়াৰ পৰা লৈ যোৱাৰ কথাকে ক'ব বুলি। এইবোৰ ভাবি থাকোঁতেই বিশাখাই বেগৰ পৰা এখন কাগজ উলিয়াই ভাৱনাত বিভোৰ হৈ থকা মাকৰ হাতত ধৰি মাতিলে মা...। বৰুৱানী চক্ খাই উঠিল 'অ' ক বুলি। জীয়েকে বৰুৱানীৰ হাতত কাগজখন তুলি দি ক'লে মা আচলতে তোমাৰ এটা চহী লাগিছিল এই কাগজখনত। আজিকালি আইনৰ মতে ছোৱালীয়েও দেউতাকৰ সম্পত্তিৰ সমানে ভাগ পায়, সেয়ে তোমাৰ চহী এটাৰ প্ৰয়োজন হৈছিল। কথাষাৰ শুনিয়েই মাকৰ মূৰত সৰগ ভাগি পৰিল। মাকে নিজৰ আদৰ্শ-মৰমৰ ওপৰত প্ৰশ্নবোধক চিহ্ন লগাই জীয়েকৰ মুখলৈ চালে। 'মা তুমি চহীটো কৰি দিবানে? দাদাৰ সমানে সমানে মোকো অধিকাৰ দিবানে?' কথাবোৰ যেন বৰুৱানীৰ কাণৰ কাষেদি পাৰ হৈ গৈছে। তেওঁ যেন শুনিবলৈও বিচৰা নাই এনে শব্দ। অলপ সময় নিস্তব্ধ হৈ পৰিল বৰুৱানী। তাৰ পিছত নিজৰ চেতনা ঘূৰাই আনি ক'লে, 'দে ক'ত চহী কৰি দিব লাগে'আৰু চহী মাৰি দিলে। বিশাখাই সুধিলে মাকক শেষত 'মা, তুমি ইয়াত কিবা কষ্ট নাইপোৱাটো? দাদাহঁতে মোক বুজাই দিলে বাৰু যে তুমি ইয়াত তোমাৰ সন্মতিতে থাকিছা বুলি। কিবা প্ৰয়োজন হ'লে মোক জনাবা।' বুলি কৈ বিশাখা যাবলৈ ওলাল। বৰুৱানীয়ে ক'লে 'নাই নাই ইয়াত একো কষ্ট পোৱা নাই।' মনত এক প্ৰচণ্ড শোকৰ হেঁচা লৈ উঠি আহিল আৰু বাহিৰত বৈ থকা লগৰী কেইজনীৰ প্ৰশ্নৰে ভৰি থকা মুখকেইখনলৈ চাই নিস্তব্ধ হৈ পৰিল।

**শিক্ষা অকল মানসিক বা বুদ্ধি জ্ঞান চৰ্চাত আৱদ্ধ থাকিলেই প্ৰকৃত শিক্ষা নহয়। শিক্ষা নৈতিক আৰু দৈনিক জীৱনৰ লাগতীয়াল অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন যাত্ৰাৰ কাৰ্যবোৰৰ সহায়ক হোৱা উচিত।**

**— লক্ষ্মীনাথ বেজবৰুৱা**

# প্ৰত্যাশা

**জীতাশ্ৰী চাংমাই**
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ

কাম মাথো কাম...। তাৰ কণমানি দেহাটো সদায় ভাগৰি পৰে। মূৰত জাপি দিয়া জাপ জাপ ইটাবোৰ কোনোমতে সি ইঠাইৰ পৰা সিঠাইলৈ লৈ যায়।

ইটাৰ ৰঙা ৰঙা ধূলিবোৰ তাৰ চকুত সোমাই জলক-তবক কৰে আৰু তাৰ কেঁকোৰা চুলিকোছাৰ মাজত ধূলিবোৰে উমলি জামলি খেলে। ক্ৰম ক্ৰমে হেৰাই গৈছে তাৰ সাতবছৰীয়া কণমানি দেহৰ উজ্জ্বলতা। সকলোবোৰ যেন ৰুক্ষ, কঠিন, কৰ্কশ তাৰ কণমানি দেহাটোৰ দৰে।

কেতিয়াবা বিধবা মাকে নেদেখাকৈ সি ৰাতি লুকাই লুকাই কান্দে আৰু কোনোবাই দেখাৰ আগতেই তাৰ গালৰ চকুপানী টোপালবোৰ সি তাৰ খহটা, শুকান, লেতেৰা হাতখনে মচি পেলায়।

তাৰো খুব আশা জাগি উঠে মুকলি আকাশৰ তলত দৌৰি ফুৰিবলৈ, মাকৰ হাতত ধৰি ঘূৰি ফুৰিবলৈ, কিন্তু ভয় লাগে তাৰ, বহুত বেছিকৈ ভয় লাগে। এনে আশা জাগি উঠাটোও যেন বেয়া কথা, তাৰ তেনেধৰণৰেই লাগে। নহ'লেনো তাৰ লগৰ ৰাজুৱে ঘৰলৈ যাওঁগৈ বুলি মালিকৰ আগত কন্দা-কটা কৰাত, মালিকে তাক আধামৰা কৰি পিটেনে?

অকল তাকেই নহয়, সিহঁতৰ সকলোকে ভাল আহাৰ, আৰামী আৰু এক সুখী জীৱন দিব বুলি কিছুমান মানুহে এই ইটাভাটালৈ লৈ আহিছিল। প্ৰথমকেইদিন সিহঁত সকলোৰেই খুউব ভাল লাগিছিল। তাৰপাছত লাহে লাহে আৰম্ভ হৈছিল সিহঁতৰ জীৱনৰ ৰুক্ষতা।

তাৰ জীৱনৰ প্ৰত্যেকটো দিনতেই ইটাৰ ৰঙা ধূলি আৰু তাৰ অনুজ্জ্বল চকুৰ পৰা নিগৰি পৰা চকুপানীয়ে তাৰ লেতেৰো, ফটা গালত কৰাল বান্ধে কিন্তু মাথো এটা দিন সি বহুত ভাল পায়। সেই দিনটোৱেই হৈছে স্বাধীনতা দিৱস।



সি মাকক সুধিহে জানিছিল যে স্বাধীনতা মানে নিজৰ ইচ্ছামতে কাম কৰা, খেলা অৰ্থাৎ সকলো নিজৰ ইচ্ছামতেই কৰা কিন্তু সি সকলো নিজৰ ইচ্ছামতে কৰিবলৈ বহুত ভয় কৰে কাৰণ সি মালিকৰ হাতত থকা শকত লাঠিডালৰ কোববোৰলৈ বহুত বেছিকৈ ভয় কৰে।

যিয়ে নহওক, সি স্বাধীনতা দিৱস ভালপায় আৰু সেই দিনটোলৈ সি আৰু তাৰ লগৰবোৰে আশাৰে বাট চাই থাকে। কাৰণ ৰাতিপুৱা তিনি ৰঙৰ পাতাকাখন মুকলি খেলপথাৰখনত উৰুৱাৰ পাছত সিহঁতৰফালে কিছুমান মানুহে মিঠাই আৰু মৰ্টন দলিয়াই দিয়ে।

সেইদিনা ইটাভাটাৰ কাম বন্ধ থাকে আৰু মিঠাইৰ লোভত সিহঁতবোৰে সেই মুকলি খেলপথাৰখনত গোটখাইগৈ আৰু দলিয়াই দিয়া মিঠাই আৰু মৰ্টনবোৰ থপিয়া-থপিকৈ সিহঁতৰ ৰুক্ষ কণমানি হাতবোৰে বুটলি বুটলি চুপি চুপি খায় আৰু আমেজত সিহঁতৰ চকু মুদখায় যায়।

এই দিনটোৰ পাছতেই আকৌ আৰম্ভ হয় সিহঁতৰ গতানুগতিক জীৱন। স্বাধীনতা দিৱসত মিঠাই বুটলি খোৱা স্বাধীনতাখিনিৰ বাহিৰে সিহঁতৰ আৰু যে একো স্বাধীনতা নাই!

চৰকাৰী আঁচনি, শিশু কল্যাণ বিভাগ সকলো যেন সিহঁতৰ পৰা বহুত দূৰৈত সিহঁত যেন এপাহ লেৰেলি যোৱা শুকান ফুল।

তথাপিও সিহঁতে আশাৰে বাট চাই থাকে স্বাধীনতা দিৱসলৈ আৰু সেই দিনটোৱে লৈ অহা আনন্দ আৰু সুখকণলৈ। কিয়নো, এইয়াই যে সিহঁতৰ জীৱনৰ একমাত্ৰ প্ৰত্যাশা।

# The Scientillating Stars of Midnight

**Shruti Ypamanyu**
B.A. 5th Semester, English Department

'Raju, serve two cups of tea on this table.' Hari Shing orders Raju. It is a fascination for twelve years old Raju to serve the well dressed guests of his owner Hari Shing. He often carries the plate of tea and looks at those arostracate persons from near. While Raju is serving the guests tea, often he hears them cenversing in English. He can make serve of some of the records, but most of them is out of his rich. After serving them, Raju stands there for a while in the hope that if those gentlemen shows some sympathy and get him admitted into a school. Though Raju is illiterate, but he knows the value of education. He also wants to go to school and speak in English like those gentlemen he meets in Hari Shing's house. But it is always despair that throw away this hope of Raju to the dust of road. These well dressed gentlemen doesn't pay any hud to him. Raju does not like Hari Shing at all as he thinks Hari Shing to be a 'Cheater'. Mr. Hari Shing is a contractor under municipality who has brought Raju from a shabby slum area along with his sister Rukmini. Raju initially believes that Hari Shing will send him to school, give him new books as he has promised him before bringing them to Hari Shing's Hauali. But now he becomes twelve and his sister nine, but none of them has seen the school yet. Whenever Raju asks him about his education, Hari Shing silences him. "I will dismiss you if you ask me that sort of questions again? Isn't it enough for you that I have been paying?" In the fear of laying his mark Raju remains silent. He sometimes wants to go to palicestation. But he dares not, because the police also belongs to the same circle to which Hari Shing belongs. But still has that hope that somebody will came and carry both his sister and him to a good school.

Many time Raja says to his sister, "Don't worry Rukmini, we have someone above us who is looking at us from the sky. The God, Rukmini." On the Saturday night Raja awake for late night and stares at the bright, sparkling stars. He, in his memories, reaches back to his house that is in some shabby corner of the big turn. He misses his mother and his friends in basti. When he think of his mother two drops of tear falls from hs eyes. Raja lived in Gandhi Nagar Basti with his family. He had one little brother and sister. Every night his father came drunk and dragged their mother to the room. On these night they had to sleep in the kitchen or sometimes on the wet floor of the verendah. Raja could not sleep. Everytime his mother's painful screams disturbed his little soul. He wanted to run away some where. He wanted to go to school. But everything becames mirage very soon. Hari Singh brought from the Basti.

"What has he done to me, the cheater?" Raja sighed. He is looking of the sky. If may be midnight and the stars sparkles more. Raja mis his mother's .... clutcher. He nuild a hope, a strong well he too well shine one day like these stars. He says to himself.

"I shall be the star of my mother of my Gandhinagar Basti. And the its brightness will terrify Hari Shing. He goes to sleep with this hope, covering himself up with the torn blanket and because his body on the bed next to Rukmini. Raja falls asleep and the stars are glittering above him.

জ্ঞান অন্বেষণ

# Know India's Highest, Largest and Longest

**Gitali Gogoi**
B.A. 5th Semester
Departmet of Political Science

**Highest :**

| | | |
|---|---|---|
| Airport | - | Leh Airport (appx) 10,683ft, Ladakh |
| Civilian Award | - | Bharat Ratna |
| Gallantry Award | - | Param Vir Chakra |
| Battleground | - | Siachen Glacier |
| Dam | - | Tehri Dam ((Bhagirathi River, Uttarakhand) |
| Gateway | - | Buland Darwaza (Fatehpur Sikri, Uttar Pradesh) |
| Rainfall Place | - | Mausynram (Shillong) |
| Populated State | - | Uttar Pradesh |

**Largest :**

| | | |
|---|---|---|
| Auditoriam | - | Sri Shanmukhananda Hall (Mumbai) |
| Public Sector Bank | - | State Bank of India |
| Botanical Garden | - | Indian Botanic Garden (Kolkata) |
| Cave Temple | - | Kailash Temple (Ellora, Maharastra) |
| Disert | - | Thar (Rajasthan) |
| Exhibition Ground | - | Pragati Maidan Complex (New Delhi) |
| Gurudwara | - | Golden Temple (Amritsar, Punjab) |
| Fresh Water Lake | - | Wular Lake (Kashmir) |
| Library | - | National Library (Kolkata) |
| Hotel | - | Oberoi-Sheraton (Mumbai) |
| Port | - | Mumbai |
| Zoo | - | Zoological Garden (Kolkata) |
| Mosque | - | Jama Masjid (Delhi) |
| Post Office | - | Mumbai GPO |
| Prison | - | Tihar Central Jail (Delhi) |

Largest

| | | |
|---|---|---|
| Beach | - | Marina Beach (Chennai) |
| Canal | - | Indira Gandhi Canal (959 km) |
| Corridor | - | Corridor in the Ramanathaswamy Temple at Rameswaram, Tamil Nadu |
| Dam | - | Hirakud Dam |
| President term | - | Dr. Rajendra Prashad (12 years 4 month and 13 days) |
| Prime Minister Term | - | Pt. Jawaharlal Nehru (17 years) |

## Wonders of the World

**The Ancient World**

The Hanging Gardens of Babylon
The Temple of Artemis (Diana) at Ephesus (Rome)
The Statu of Zeus (Jupiter) at Olympia
The Great Pyramids of Egypt
The Mausolewm at Halicarnassus
The Pharos (Light House) at Alexandria
The Colossus of Rhodes (Statue of Helos, the sun God)

**The Medieval World**

The Great Wall of China
The Porcelian Tower of Nanjng (China)
The Colosseum of Rome
The Stonehenge og England
The Learning Tower of Pisa (Italy)
The Catacomb of Alexandria
The Masovue at St. Sophia (Istanbul)

**The Other Wonders**

The Sphinx near Gizeh (Egypt)
The Circus maximum at Rome
The Taj Mahal of Agra (India)
The Alhambra of Granada (Spain)
The Golden Pagoda at Rangoon (Myanmar)

**The new Seven Wonderd of the World**

(As officiallu announced in Lisbon on July 7, 2007)
Chichen Itza (Mexico)
Christ the Redeemer Statue (Brazil)
The Great Wall of China (China)
Machu Picchu (Peru)
Petra (Jordan)
Roman Callaseeum (Italy)
Taj Mahal (India)

এখন ভাল কিতাপ সকলো ভাল বন্ধুতকৈ আপোন। কাৰণ বন্ধুসকল আঁতৰি গ'লেও কিতাপখন চিৰদিন থাকে।

— মাৰ্টিন টপাৰ

নীলাখামৰ চিঠি



# অনুভৱৰ সিপাৰে

**জাহ্নৱী গগৈ**
স্নাতক পঞ্চম যান্মাসিক, অৰ্থনীতি বিভাগ

চেনেহৰ,

আই অ'। কেনে আছ বাৰু? বহুদিনেই হ'ল তোৰ খবৰ নোপোৱা। আজি কাতিৰ কুঁৱলীসনা মিঠা ৰ'দৰ চেকুৰাবোৰে আহি যেতিয়া মোৰ পদূলিৰ তলসৰা শেৱালীবোৰ আলফুলে চুমিছিল, সেই তেতিয়াই চিনাকি আমোলমলীয়া সুবাস এটা আহি নাকত লাগিছিল। উশাহটো উজাই ল'লো। হৃদয়ৰ কোনোবা এটি নিভৃত কোণত কুচি-মুচি জঠৰ হৈ ৰোৱা অনুভূতি কিছুমান হঠাৎ জাগি উঠিল। সৌ সুদূৰত বিস্মৃতিৰ কোবাল গ্ৰাসত ধূসৰ যেন লগা আঁক-বাঁক এসোপা আহি চকুৰ আগত দোলা দিলেহি। তেতিয়াৰে পৰা বুকুৰ মাজত চিনাকি ঠিকনা এটিৰ ভীষণ হাহাকাৰ। তাহানিতে যে আমাৰ ঘৰৰ আগৰ শেৱালী জোপাৰ ফুলবোৰ অকণি অকণি হাতেৰে মালা গাঁঠিছিলো, সেই তেতিয়াৰে পৰাই শেৱালীৰ সুবাস মোৰ বুকুত খোদিত হৈ ৰৈছিল। জাননে আই, এই কেইদিন তোলৈ চেৰেং চেৰেংকৈ মনত পৰি আছে। তই ভালে আছতো? যাম যাম বুলি যাব নোৱাৰা তিনিবছৰেই হ'ল। পিতাইৰ শ্ৰাদ্ধতে যোৱা। পিতাইয়ে এৰি যোৱাৰে পৰা তই বৰকৈ অকলশৰীয়া হৈ পৰিলি ন আই। যোৱাবেলি মাঘতে যাবলৈ মন মেলিছিলো। গৰুজনী জগিল। যোৱাৰ কথাবোৰ তল পৰিলে। এইবেলি মাঘত পথাৰ চপাই যোৱাৰ আশা পুহি ৰাখিছো। তই বৰা ধানৰ চেৰা দিয়া জলপান কৰিবি দেই। তোৰ হাতৰ সোৱাদকণ নোপোৱা কতদিন যে হ'ল। অ' আই, তই যে তাহানিতে মোৰ মূৰত হাত বুলাই গাইছিল -

শিয়ালী এ নাহিবি ৰাতি,
তোৰে কাণে কাটি জ্বলামে বাতি।

তোৰ সেই মৌ বৰষা নিচুকণিৰ অমিয়া সুৰ আজিও মোৰ কাণত গুজৰি আছে। তোৰ দৰে মইও গুণগুণাও আজিকালি -

শিয়ালীৰ মূৰতে মৰুৱা ফুল,
শিয়ালী পালেগৈ ৰতনপুৰ।

জাননে আই, তোলৈ ফুলাম পাৰিৰ চাদৰ এখন লৈছো। তই বগা সাজযোৰ নিপিন্ধিবি চোন। ৰামধেনু ভালপাবলৈ তয়েই শিকাইছিলি। ৰং ভালপোৱা তইজনীয়ে বগাবোৰ বুকুত মেৰিয়াই ল'বলৈ বৰ কষ্ট হয় ন তোৰ।

বাৰু আজিলৈ সামৰো। বাহিৰত বৰষুণ পৰিছে। ভাবিছো সেই তাহানিৰ দৰেই দুহাত মেলি বৰষুণৰ হিম চেঁচা টোপালবোৰত তিতিম। বুকুৰ ভিতৰলৈ শিপাব একাঁজলি চিনাকি চিৰসেউজ ৰং।

এইবাৰ তোক লগ পালে তিনি-চাৰিদিনলৈ কথাৰ ওৰকে নপৰিব। শেষত তোলৈ অযুত মৰম পঠাইছো। আশীৰ্বাদ কৰিবি। পুনৰ তোৰ কুশল কামনাৰে —

ইতি
তোৰ মৰম
পখিলা

ঠিকনা ঃ
কাবেৰী কাকতি
কৃষ্ণপুৰ বেলতলা
ডাক ঃ বেলতলা
গুৱাহাটী - ৭৮১০২৯



# আইতালৈ চিঠি

**শিল্পীপ্ৰিয়া চেতিয়া**
স্নাতক পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মৰমৰ আইতা,

মৰম ল'বা। আশাকৰো যান্ত্ৰিকতাৰ পৃথিৱীখনত তুমি আজিও অযান্ত্ৰিক হৈ আছা। তামোলৰ ৰঙেৰে ৰং বোলোৱা তোমাৰ ৰাঙলী ওঠেৰে নিগৰা মৌ-মিঠা কথা, শুকুলা চুলিৰে তোমাৰ বয়সৰ সাঁচ পৰা মুখখনিলৈ বৰ মনত পৰে আইতা। সেয়েহে, মৰমবোৰক কলমৰ আগেৰে নিগৰাই নিগৰাই তোমালৈ এখন চিঠিকে লিখিলো। (যদিও তুমি পঢ়িব নাজানা)।

আইতা, মা-দেউতা আৰু তোমাৰ মৰম, আশীৰ্বাদবোৰক বুকুত সাৱটি জীৱন গঢ়াৰ বাবে গুচি আহিলো হোষ্টেললৈ। নিয়ৰসনা ৰাতিবোৰত হোষ্টেলৰ খিৰিকীৰে যেতিয়া জোনটিলৈ চাওঁ, তোমালৈ বৰ মনত পৰে আইতা। তোমাৰ সতে, হাচনাহাৰ গোন্ধত আমোলমোলাই থকা সন্ধিয়াবোৰত জোনটিলৈ চাই চাই কিমান যে কথা পাতিছিলো। তোমাৰ হাতৰ নাৰিকলৰ লাডুৰ সোৱাদ ইয়াত পাবলৈকে নাই। এইবাৰ সৰহকৈ দি পঠাবা। বুজিছা আইতা, তোমাক জীৱনে দিয়া শিক্ষাবোৰ যে তুমি মোকো দিছিলা। তোমাৰ কথামতেই মই সৰলতাৰে পৃথিৱীখনক চাইছো, পৃথিৱীখনেও মোক সৰলতাৰে আকোঁৱালী লৈছে জানা। সঁচাকৈয়ে আইতা 'নিজ ভালেই জগত ভাল'। আইতা, মই য'তেই যাওঁ তাতেই তোমাৰ অনুভৱবোৰ কঢ়িয়াই লৈ ফুৰো। আহিনৰ শেৱালী, শৰৎৰ আকাশৰ জোনাকৰ জোনালী এই সকলোবোৰে দেখোন মোক তোমাৰ সান্নিধ্যত কটোৱা দিনবোৰলৈ লৈ যায়। শব্দৰে প্ৰকাশ কৰিব নোৱাৰা, অনুভৱে ঢুকি নোপোৱা তোমাৰ প্ৰতি থকা মোৰ মৰমবোৰ আজীৱন থাকিব। তোমাৰ দীৰ্ঘায়ু কামনা কৰিলো আইতা।

ইতি
তোমাৰ অতিকৈ মৰমৰ
সোণ

# পূজনীয় মা

**কস্তুৰী নেওগ**
স্নাতক তৃতীয় ষান্মাসিক, ভূগোল বিভাগ

পূজনীয়া তাং - ২৩।১১।২০২১
মা গুৱাহাটী

পত্ৰে মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু হিয়াভৰা মৰম গ্ৰহণ কৰিবা। আশাকৰো ভগৱানৰ কৃপাত তোমাৰ লগতে দেউতা আৰু সৰু ভনীজনীও কুশলে আছে। একেজন ভগৱানৰ দয়াত মইও ঠিকে-ঠাকে আছো।

মোৰ পঢ়া-শুনা নিয়মিতভাৱে চলি আছে। কিতাপ-বহীবোৰ সম্প্ৰতি যোগাৰ হৈছে আৰু আমাৰ শ্ৰেণীবোৰো নিয়মীয়াভাৱে চলি আছে। আমাৰ ছাৰ-বাইদেউসকল যথেষ্ট মৰমীয়া আৰু খুউব সুন্দৰকৈ আমাক পাঠবোৰ বুজাই দিয়ে। সেয়ে পাঠবোৰ অকণো খোকোজা নলগাকৈ বুজিব পাৰিছো। আমাৰ বিভাগৰ ছাত্ৰীসকলক ছাৰ-বাইদেউসকলে অহা মাহত শিক্ষামূলক ভ্ৰমণৰ বাবে বাক্সা জিলাৰ অন্তৰ্গত 'মানাহ ৰাষ্ট্ৰীয় উদ্যান'লৈ নিয়াৰ যো-জা চলাইছে। মইও যোৱাৰ কথা ভাবিছো। তোমালোকে অনুমতি দিলে টকা কেইটামানৰো প্ৰয়োজন হ'ব। অহা-যোৱা আৰু খোৱা মেলাৰ বাবদ পোন্ধৰশ টকাকৈ গাইপতি বৰঙণি লোৱা হৈছে। মোৰ হাতত থকা টকা কেইটাৰে অলপ টনাটনি হ'ব। তাৰোপৰি অহা মাহতো চলিবলৈও কিছু টকাৰ প্ৰয়োজন হ'ব। দেউতাৰ লগত আলোচনা কৰি জনাবা মোক। তোমালোকৰ অসুবিধা হ'লে মোৰ অকণো আপত্তি নাথাকিব।

বাৰু, সেইবোৰ বাদ। তোমাৰ গা এতিয়া কেনে? ঔষধবোৰ নিয়মীয়াকৈ খাই আছানে? খোৱা-বোৱাবোৰ ঠিকমতে কৰানে তুমি? তোমালোকৰ বাবে বৰ চিন্তা হৈ থাকে। মনত পৰি থাকে তোমালোকলৈ অনবৰত। দেউতাৰ বাৰু কষ্ট হৈছে নেকি আমাক পঢ়োৱা-শুনোৱাৰ লগতে ঘৰখন চলোৱাত? দেউতাক বেছি চিন্তা নকৰিবলৈ ক'বা। মোৰ পঢ়া শেষ হ'বলৈ আৰু বেছিদিন নাই। পঢ়া শেষ হ'লেই চাকৰি এটা যোগাৰ কৰিবলৈ চেষ্টা কৰিম আৰু তোমালোকক সহায় কৰিম। আশীৰ্বাদ কৰিবা তোমালোকে। ভনীজনীক ভালদৰে পঢ়া-শুনা কৰিবলৈ ক'বা। মই বিহুৰ বন্ধত ঘৰলৈ গ'লে তাইৰ অলপ পঢ়া-শুনাবোৰ চাই দিম বুলি ক'বা। পাঠবোৰ নিয়মীয়াকৈ পঢ়িবলৈ ক'বা।

এতিয়া ঘৰত শাক-পাচলি, ফল-মূলবোৰ বৰ ধুনীয়াকৈ হৈছে চাগৈ। তুমি ৰন্ধা ভাতসাঁজলৈ বৰকৈ মনত পৰে মা। আপোন ঘৰখন এৰি আঁতৰত থাকিলেহে এইবোৰৰ অভাৱ অনুভৱ কৰিব পাৰি সঁচাকৈ।

বাৰু, আজিলৈ আহো। তোমালোক ভালে কুশলে থাকা। সেয়াই ভগৱানৰ ওচৰত মোৰ প্ৰাৰ্থনা। শেষত দেউতা আৰু তোমালৈ শ্ৰদ্ধা, ভণ্টীলৈ মৰম জনাই আজিলৈ সামৰিছো।

ইতি
তোমাৰ ডাঙৰ জী
শ্ৰীমতী কস্তুৰী নেওঁগ

পূজনীয়া,
শ্ৰীযুতা ....
থকা ঠাই ....
ডাকঘৰ ....
জিলা ........
পিন .........

# Letter to Mom

**Ansi Paul**
3rd Semester, Zoology Dept.

To my sweet Maa,

You may assume I am pretty much happy and sad at the same time. Yeah, you would find it a bit confusing but what's what my my feelings and thoughts are since I am here. Don't worry I am fine, safe & sound. But, my mind and heart are conflicted with numerous thoughts may be its a first, since I have never realised this before, about those with but important things, we all never take notice of unless it's at less or at the verge of being lost forever.

Well, Maa I hope you are doing well!! It's been hell of a year for us as I have been studying and being all busy with myself and then again I had to leave for coming for NCC, it's been weeks since we actually had a good conversation.

While I was away in there, I got the opportunity of thinking about what's really troubling me, as the cadets I met there we all so nice and friendly like we have known each other since ages but somehow and somewhere I found a void in me. I yearned for something but I just couldn't get a hold of it. But, I do know now Maa, it's been your absence all along, I really 'Miss you Maa'. I miss your warm hug and sweet voice, that hand that you keep above me, those little quarrels we ever had and those laughs we all cried for in the end. All your little gestures, feels like the world of treasures that I lost and fell sorry for.

We all often let go the most precious things of our lives that is the people who love us so unconditionally, with all pure intentions from whom only love, care & blessings are given to us. How can we be so heartless and selfish, with our own parents and guardians who made us and made the person we are today. Rather than thinking of what we lost, we should try and cherish the people whom we do have and make them as much as they do for as, we may never what the future a waits for us though good or bad its unpredicted but what we do today isn't. So, maa I wanted to tell you how I felt as soon as I can rather than waiting for what would be.

Maa, I'm sorry for all the rudeness I ever showed to you, all my worthless and childish behaviour that ever hurt you and made you sad in pain. I am ashamed of all I these things I have ever done to you. Now, that I think, how on earth can I be so harsh for someone who meant the world to me. Even the thought of losing you, scares me & curse myself even more for my mistakes.

Maa, I wish and I promise I will try my best to live upto your expectations and be a person you wanted me to be, a person like you who's such a great mother, wife, sister & friend, who never gives up and fights for what is right.

I consider myself blessed to be your child. You are my inspiration and I always look upto you in every sphere of my life. I think God earnestly for sending me here as your daughter & spent this life with you under your guidance.

You are the best Maa, and please do take of care of yourself and keep your blessings on us always.

Love you
Your Daughter
Angi Paul

কবিতা

## শৰৎ নিশাৰ এচাটি বতাহ

**নিকিতা গগৈ**
স্নাতক পঞ্চম ষান্মাসিক
ভূগোল বিভাগ

এয়া শৰতৰ স্নিগ্ধ নিশা
জোনৰ সুকোমল প্ৰভাত

আৰু সৌৱা
নাতি দূৰত যেন
এজাক তৰাৰ খিলখিল হাঁহি
নিলাজ নিলাজকৈ চোৰা সিহঁতৰ চাৱনি
আৰু...
এছাটি কোমল বতাহ
হৃদয় চুই যোৱা
চোতালত সৰি পৰা শেৱালি
আৰু মই...
শৰৎ নিশাৰ শেৱালিৰ স্পৰ্শকাতৰ গোন্ধই
বেদনাক্লিষ্ট দুখবোৰ যেন
পাহৰাই পেলাই,
আৱেগ আৱেগ লগা
মুহূৰ্তবোৰ যেন
ভাল লগা হৈ পৰে
নজনাকৈয়ে...
নুবুজাকৈয়ে...
কিছু মিঠা অনুভূতিয়ে যেন
শিহৰণ আনে
হৃদয়ৰ নিভাঁজ কোণত
সযতনে সংগোপনে
সাঁচিৰখা মৰমবোৰ।



## আহিনৰ আবেলি

**সংগীতা দত্ত**
স্নাতক চতুৰ্থ ষান্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

বতাহ বলিছে
গছত ওলমি থকা পাতল পোহৰবোৰ যেন
জৰ্‌জৰকৈ সৰি পৰিছে।
ক'ৰবাত যেন কিবা এটা হৈছে
বৰকৈ আজি মনত পৰিছে তোমালৈ;
সেই আহিনৰ আবেলিবোৰলৈ।
য'ত তুমি আৰু মই শৈশৱতে বুটলিছিলোঁ
তল সৰা হৈ শেৱালিৰ পাহিবোৰ।
খিৰিকী খুলিলেই সেমেকি পৰে ওঁঠ
উশাহত সেউজীয়া গান,
তুমি প্ৰেম হৈ উপচি পৰা
বৰষুণ হৈ বৰষি থাকা বুকুৰ মাজত।
ঠেঁহ পাতি নুজুখিবা ভালপোৱাৰ পৰিমাণ
ভালপাঁও তোমাক
হৃদয়ত তুমি নামৰ অযুত অস্থিৰতা
হিমচেঁচা সুহুৰি এটাৰ আঁত ধৰি গুচি আঁহা আকৌ
মোৰ স্বপ্নীল আহিন।

# চোলা

**পৰিস্মৃতা বড়া**
স্নাতক পঞ্চম ষান্মাসিক
গণিত বিভাগ

ঠেঁটুৰৈ ধৰা দেহত
এটা চোলা খুবেই প্ৰয়োজন
এক হৃদয় আভৰণ।

এটা শুভ্ৰ নৰমপন্থী চোলা
য'ত খোদিত থাকে ৰমন্যাসিক শুচিতা।
বেহুদা ভ্ৰূকুটি কিঞ্চিত মানে প্ৰতিফলিত নোহোৱা
এটা মাৰ্জিত জকমকীয়া চোলা।

যাৰ বুটামৰ মাতবোৰত হিল্লোলিত হয়
হেজাৰটা স্পৃহা।
জেপত ভৰাই লয় প্ৰাপ্তি-অপ্ৰাপ্তিৰ মালিতা,
বুকুত গাঁথি লয় নৰমল্লিকাৰ সুঘ্ৰাণ।
আৰু কলাৰৰ ফাঁকটোৰেদি মোৰ হৃদপিণ্ডত সোমায়,
এক অকৃত্ৰিম অনুৰাগ
ঠিক এনে এটা চোলা।

উলংগ শৰীৰ ভেদি
অশৰীৰ আৱৰণ ঢাকি হৃদয় জোৰোৱা
এটা নিখুঁত শুভ্ৰ চোলা।

# প্ৰাপ্তিৰ দলিচাত আমিবোৰ

**হিমাক্ষী শইকীয়া**
স্নাতক ষষ্ঠ ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

সভ্যতাৰ সকিয়নিত প্ৰাপ্তিৰ অযুত হাবিয়াস থকা
আমিবোৰ জীৱন যুদ্ধৰ যাত্ৰী মাথোঁ
আমি মানেই
শিপাৰ দৰে তিল তিল বিস্তৃত
দিগন্ত প্ৰসাৰি বিয়পা এক দীঘলীয়া যাত্ৰা।
একাঁজলি হেঁপাহৰ চাকনৈয়া আৰু জীৱনৰ চৌপাশে
নতুনত্ব বিচাৰি ফুৰা আমিবোৰ
প্ৰাপ্তিৰ দোমোজাত নিমিত্তহে মাথোঁ।
সময়ৰ পাকচক্ৰত এতিয়া যেন আমাৰ
গাম্ভীৰ্যতাৰ সৈতে মিতিৰালি
পোৱা নোপোৱাৰ দোমোজাত
জীৱনক অগ্ৰাধিকাৰ দিয়াৰ সময়।
এই সময় বৰ নিষ্ঠুৰ
ভাললগা ক্ষণবোৰ দ্ৰুতগতিত কাঢ়ি নি
দি যায় মাথোঁ সোঁৱৰণিৰ হেন্দুলন।
নিঃসংগতাৰ মুহূৰ্তত হৃদয়ৰ দস্তাবেজত আবদ্ধ হৈ যায়
অতীত নামৰ স্মৃতিৰ ভঁৰালটো
যাৰ প্ৰতিচ্ছবিয়ে দি যায় মাথো বিষাদ আৰু শূণ্যতা
আন্ধাৰ আন্ধাৰ লগা এই পৃথিৱীত এতিয়া
জটিল হৈ পৰিছে মানুহৰ হৃদয়।
নিচেই কাষত থাকিও বুজি নাপায়
এজনে আনজনৰ হৃদয়।
প্ৰতিযোগিতামূলক হৈ পৰা এই জীৱনটোক
নতুনত্ব দিয়াৰ আপ্ৰাণ প্ৰচেষ্টাত আমাৰ যেন এতিয়া
প্ৰাপ্তিৰ সৈতে এক আজন্ম মিতিৰালি।





# জীৱনৰ সপোন

**প্ৰস্তুতি বৰদলৈ**
স্নাতক ষষ্ঠ ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

পাখি মেলা হেঁপাহৰ সপোনে
আকাশলৈ উৰিব খোজে
আকাশ চোৱাৰ বাসনাৰে।
সুখী মনৰ কোঠালিত
মধুময় ৰসৰ জোৱাৰ তোলে।
কিন্তু সপোনৰ যেতিয়াই ভাগে পাখি
আকাশৰ বিশালতা এৰি
পুনৰ চুৱেহি মাটি
মনৰ ব্যৰ্থতাৰ ভয়াৱহ বিস্ফোৰণ
... নিদাৰুণ বেদনাৰ পতাকা উত্তোলন

প্ৰাপ্তি অপ্ৰাপ্তিৰেই নাটক
এই জীৱনৰ পৰিক্ৰমা
য'ৰ পৰা মুক্ত হোৱাৰ
নাই সম্ভাৱনা
সকলোবোৰ মাথোঁ
মায়া মোহৰ অভিজ্ঞতা।

সকলোৰেইতো হ'বগৈ একেই দশা
পৰি ৰ'ব মাথোঁ এটি নিথৰ দেশ,
পঞ্চভূত হ'বগৈ একমাত্ৰ ঠিকনা
চন্দ্ৰবিন্দুৰে ৰাখিব নামৰ মৰ্যাদা
তথাপিও মনে সাজে সপোনৰ বালিঘৰ,
সাফল্যৰ দলিচা পাৰি গঢ়িব খোজে
সুখানুভূতিৰ নগৰ।
আকাংক্ষাৰ অবিহনে থাকিব জানো
জীৱনৰ আনন্দ
নহয়, জানো সপোন জীৱনৰ সংপৃক্ত?

# নাৰী

**তৃষা চেতিয়া**
স্নাতক তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

নাৰী তুমি অনন্যা
নাৰী তুমি জননী।
নাৰী তুমিয়েই সৃষ্টিৰ আদি-অনাদি
নাৰী তুমি মহান।
নাৰী তুমি সতী
নাৰী তুমি সৰ্বস্ব
নাৰী মানেই মমতা
নাৰী মানেই শান্তি
নাৰী তুমি দুৰ্বলী নহ'বা, সবল হোৱা
অন্যায়ৰ বিৰুদ্ধে যুঁজ দিয়া।
নাৰীয়েই হ'ল ছাঁয়া বৃক্ষ
তোমাৰ সান্নিধ্যতেই শুৰনি আমি
তোমাৰ কোলাতেই অংকুৰিত ভৱিষ্যতৰ বীজ,
সৃষ্টিৰ পথাৰ শুৱনি কৰি
তোমাৰ জীৱন মন্ত্ৰ সুন্দৰতাৰ ধৈৰ্য্য আৰু সহনশীলতাৰ
ত্যাগৰ পঘাৰে বান্ধি থোৱা হৃদয়ত।

# বিপদৰ সংগী

**প্ৰস্তুতি কোঁৱৰ**
ৰাজনীতি বিজ্ঞান বিভাগ

আমিবোৰ নিষ্ঠুৰ বুলি কেনেকৈ ভাবো?
তোমাৰ সুখত সুখৰ বাৰ্তা শেষ কৰিব
নোৱাৰা আলোচনা।
তাৰ পাছ মুহূৰ্ততে
দুখৰ সময়ত নিলাজীবনৰ দৰে
মূৰ্চা যোৱা এক অনুভৱ।
আমিবোৰ সেই সময়ত থিয় দিব
বিচাৰো উৎসাহৰ প্ৰেৰণা হৈ
প্ৰেৰণাবোৰৰ মূল্য সঠিক হয়নে
নিজে বিচাৰ কৰিব নোৱাৰো
তথাপিতো আগুৱাব বিচাৰো
নিজৰ বন্ধুত্ব দিশে।

আমিবোৰে জানো! এটা সময়ত
এইবোৰৰ মূল্য পৃথিৱীৰ কোনোৱে
জুখিব নোৱাৰিব।।



# অপেক্ষা

**প্ৰাৰ্থনা দত্ত**
স্নাতক ষষ্ঠ ষাণ্মাসিক
গণিত বিভাগ

অপেক্ষা মাথোঁ তুমি অহালৈ
প্ৰতি পলে পলে মাথোঁ
তোমাৰ মিঠা হাঁহিয়ে বাৰে বাৰে
কৰিছেহি মোক আমনি
তোমাৰে মিঠা চুম্বনে যেন
চুই গৈছে মোৰ দুগালত
এজাক শীতল বতাহ হৈ
অপেক্ষা মাথোঁ তুমি অহালৈ

কিয় নাজানো আজি এনে লাগিছে
সদায় যেন নাযায় নোপোৱায়।
তোমাৰ অবিহনে
তুমি অভিমান কৰিলেও
এনে লাগে যেন মৰমৰ অভিমান
ভালপোৱাৰ যেন আন এটা নাম
সেয়েহে অপেক্ষা মাথোঁ তুমি অহালৈ!!

# আমিবোৰ গাঁৱলীয়া

**সুমন গগৈ**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

তুমি উপহাস কৰা মোক
আমিবোৰ গাঁৱৰ 'আউট ডেটেড মডেল'
নাজানো চহৰৰ জাকজমকতা
হাইহিল খোজৰ ৰঙীন পৃথিৱী!

আচলতে চহৰৰ আড়ম্বৰতাই ঢুকি পাব নোৱাৰা
আমিবোৰ ফাষ্ট ক্লাছ গাঁৱলীয়া

ইতিহাসৰ বুৰঞ্জী মেলি চালে দেখিবা
গাঁও আৰু চহৰৰ পাতনি
গাঁৱতেই সভ্যতাৰ প্ৰাৰম্ভণি
তেনে তোমাৰ কি স্বাভিমান!

এই যে তোমাৰ চহৰীয়া আবদাৰ
মোক নক'বা, নেদেখুৱাবা বন্ধু
তোমাৰ চহৰীয়া জাকজমকতা।

কোনোবা নামী-দামী ৰেষ্টুৰাত পাৰ্টি
নকৰো বুলিয়েই
হাঁহিব পাৰা তুমি মোক 'অ'ল্ড মডেল ভিলেজিয়ান'
তোমাৰ আভিজাত্যৰ মুখত চূণ দিব পৰাকৈ
আমিওতো গাই দিব পাৰো সলসলীয়াকৈ
ইউক্লিডীয় এলজেব্ৰাৰ 'জ্যামিত্ৰিয় সূত্ৰ'
নেৰুদা, জন কীট্‌চ আৰু এজৰা পাউণ্ডৰ কবিতা
জুলিয়াছ চিজাৰৰ বিশ্বজয়ী কাহিনী,

অথবা 'পাৰে পৰি হৰি কৰোহোঁ কাতৰি'
গুৰুজনাৰ সংস্কৃতিক জীয়াই ৰখা
আমিয়েইটো খাটি গাঁৱলীয়া।

তুমি হাঁহিব পাৰা মোক গাঁৱলীয়া আজলী বুলি
তুমি জানো পাইছা গাঁৱৰ বোকা-পানীৰ
নিভাঁজ গোন্ধ?

সহজ-সৰল গঞাৰ জীউৰ কেঁচা মৰম
আপোনত্বৰ জৰীৰে বান্ধি ৰখা
সৰল আন্তৰিকতা!!
পাইছানে কেতিয়াবা আইতা, আজো-আইতাহঁতৰ
তাঁতশালৰ মাকোটো ধৰি?
পাইছানে কেতিয়াবা ককা-আজোককা দিনৰ
সেই কেকুৰা নাঙলটো ধৰি?
সৰুদৈয়া জাপিটো মূৰত লৈ
শাওণৰ পথাৰত হালৰ গৰু খেদি
চেলা জোকৰ ভয়ত ৰোৱনীৰ তালফাল চিঞৰ,
অথবা বিহুনাম এফাঁকি গাই আঘোণৰ
পথাৰত ডেকাৰ কান্ধত ভৰ দি ঘৰলৈ ওভতা
ছিপ ছিপ ডাঙৰীৰ সোণোৱালী গোন্ধ!!
নৰা পেঁপাৰ সুৰত মাতাল দুপৰীয়া

ওঁঠত চেলেকি এচকল ৰবাব
পাইছানে কেতিয়াবা খেলি ফটাকানিৰ
দৰা-কইনা,
বৰষুণৰ পানীত মেলি কাগজৰ নাও
নাৰিকলৰ খোলাত মাটি বালিৰে ৰন্ধা ভাত,

তুমি এইবোৰ মিচ কৰিলা বন্ধু
আভিজাত্যৰ ওখ ওখ দালানত বন্দী তুমি
হাততে হেৰুৱাৰা শৈশৱ।
এবছাৰ্ড পেইণ্টিঙত গাঁৱৰ ছবি আঁকি ভালপোৱা
তোমালোক চহৰীয়া ৰেকৰ্াৰ্ড
ফৰৱাৰ্ড খোজত বিচাৰিয়ে নাপালা
জীৱনৰেই প্ৰকৃত ৰাগী।

যান্ত্ৰিকতাৰ বিপৰীতে খোজ দিব খোজা
আমিবোৰ নিভাঁজ গাঁৱলীয়া
গাঁৱলীয়া জীৱনতেই আমিবোৰ সুখী।
গাঁৱেই আমাৰ জীৱনৰ স্বাভিমান।

তুমি উপহাস কৰা মোক গাঁৱলীয়া বুলি
লাজ নকৰোঁ দিয়া
হওঁ আমি গাঁৱলীয়া
গাঁও আমাৰ জন্মসূত্ৰ...

# MOVING

**Shrutidhara Gogoi**
TDC 1st Semester
Zoology Department

Moving ahead in life is fine,
Moving towards the world is different
Moving after birth is nowhere
But the earth's asylum.

Looking through the widow
Finding the world to be moving
Earth is moving or you,
All is confusing , for more exciting.


Looking each other find thing easier
At times again difficult.
Heart works the some, stops beating
When life ends.
It itches in pain and scrambles to
pieces in its height.

Wealth is materialistic right,
But it is moving.
When you have wealth people
move around
Else you; when they posesses.
Do you think the earth is moving,
Or is it you.

# স্মৃতিৰ জোলাঙা

**উপাসনা দিহিঙীয়া**
স্নাতক ষষ্ঠ ষান্মাসিক
ভূগোল বিভাগ

হেৰাই গ'ল
মোৰ জীৱনৰ পৰা
কালৰ গতিশীল ক্ষণত
বিলীন হৈ গ'ল...
মোৰ সোণোৱালী শৈশৱ।
হুকহুকাই কান্দিবৰ মন
আকৌ থমকি ৰওঁ
মইয়ো ধাৱমান
সময়ৰ গতিৰ খোজত।
আগুৱাইহে যাব পাৰো
উভতিবও নোৱাৰো,
থমকিবও নোৱাৰো,
কেৱল ধাৱমান মই
দিক্ বিদিক নেদেখা দিনলৈ।
চাওঁচোন কিমান যাব পোৱা
পথিকৰ সহযোগী হৈ।
হেৰাই যোৱা জীৱনৰ
সোণোৱালী শৈশৱৰ
অনেক স্মৃতিভৰা জোলোঙাটো
কান্ধতে লৈ
সহযোগী পথিকৰ লগত
সমানে সমানে খোজত খোজ থৈ।



# মৈত্ৰেয়ী

**জাহ্নৱী গগৈ**
স্নাতক পঞ্চম ষান্মাসিক
অৰ্থনীতি বিভাগ

তমোময় এনিশা
স্বপ্নত মগন হৃদয় তোলপাৰ
জয়াল অন্ধকাৰৰ।
নিৰ্জনতাৰ গ্ৰাসত এটি গুহা।
মকৰাজালে আগুৰিছিল গুহাৰ সকলো দুৱাৰ।
মকৰাজালৰ সূতাবোৰ লোহাৰ শিকলি সদৃশ কঠিন।
স্তব্ধ হৈ ৰৈছিল গুহাৰ মাজতে
অযুত লিখিত অলিখিত দস্তাবেজ।
আন্ধাৰবোৰে যেতিয়া গালে-মুখে চুমিছিল,
দেই পুৰিছিল হৃদয়ৰ সমস্ত আকুলতা।
গভীৰলৈ ভুমুকিয়াই
শিহৰিত সৰ্বশৰীৰ।
এই অন্ধকাৰৰ অস্তিত্ব
দাগবিহীন বগা চাদৰ সদৃশ।
মকৰাজালৰ আবেষ্টনীৰ মাজত
দৃঢ়তা, সততা আৰু স্বাভিমানৰ টোপোলা।
কপাহী তোলাৰ মৃদু পৰশত শান্তপ্ৰায় যৌৱন উন্মনা
নতুবা লোৰ গাত বটালীৰ বজ্ৰাঘাটৰ সহনশীলতা।
হেঁপাহৰ ৰাগী লগা আকলুৱা হৃদয়ত
নিৰিবিলি জোনাকৰ অমিয়া স্নিগ্ধতা।
এয়াই স্নেহৰ মমতাময়ী লাৱণ্যময়ী
নাৰীৰ হতভগীয়া স্বপ্নৰ গাঁথা।



# সপোনৰ পথ বিচাৰি

**মনানী গগৈ**
স্নাতক প্ৰথম ষান্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

জীৱন বাটৰ তীব্ৰ প্ৰবাহজাকে
ধ্বংস কৰিছিল সেই দীৰ্ঘ তপস্যা।
অস্পষ্ট কিছুমান ছবিৰ ফাঁকত
আৱদ্ধ হৈ পৰিছিল সপোনৰ পৃথিৱীখন।
নাস্তিকতা জীৱনৰ উদ্দেশ্য নাছিল,
মাত্ৰ হেৰুৱাইছে অস্তিত্বতাই অস্তিত্ব।
অতীতক লৈ কোনো প্ৰশ্ন নাই,
নাই কোনো আশাৰ ভৱিষ্যৎ
বিশ্বাস কেৱল বৰ্তমানৰ ওপৰত।
সূৰ্য্যৰ প্ৰথমটো কিৰণে দি যায়
সাহসৰ অনাবিল শক্তি।
হাৰি যোৱা প্ৰথমটো খোজৰ বাধা নেওচি
দ্বিতীয়টো খোজৰ প্ৰয়াসত প্ৰতিটো ৰাতি।
তথাপিও নাই ক'তো আশাৰ ৰেঙনি
কেৱল জ্বলি আছে একুৰা জুই মাত্ৰ।

# The Reflection

**Shruti Upamanyu**
TDC 5th Semester
English Department

I see a reflection of Drupadi
In the mirror standing in front of me.
She is not the royal queen
of Panchal or Hastinapur
She is the Drupadi of
Twenty First Century
The one among you
The one within me too
The slim waisted suphisticated and
The tender bride of her husband
wearing a bright red bindi
On her forhead.
They negotiste her marriage
And when the horroscape matches
She is ordered to wear vermilion
In the name of her respected husband.
She is ... as the royal Draupadi
Sitting in the wedding venue
Wearing the beavy ornaments from tip to toe
They marry her off
Everybody say "She is twenty five complete now"
Some other say "A huge relief of the family"
Yes, She is Draupadi of her patriachy
Twenty five is the parameter
of her maidenhood.

I see reflections of my Draupadis
In the streets in the news headlines
In the busstop, in the hospitals,
Hear their screams nearby my house.
Again, I see the reflection of
Gandhari and other Kaurava queens
In the mirror standing in front of me
They are blind folded, they are dumb
while many Draupadis are dragged,
Snatching their hair
Ah, ... the mirror
I cannot bear those
Tender reflections
The dumb Draupadi
The blindfolded Gandhari
All those reflections
Now reflecting me
In the mirror standing in fromt of me.



# SHE

**Bhaswati V. Borah**
TDC 4th Semester
Zoology Department

She, A beautiful and pleasent
Merciful and Lenient is she
With a sense of charm and faith,
moves across the humankind
With her confidence and resolution,
make her rightness
Leads the life of her own creation, is she

She strong enough, yet generous heart
Her inner beauty emerges, precisely set herself apart
Feel the softness of her hand,
Yet afflatus at the strength they possess
Tasted the bitter, yet savored the sweet always
Learn to fulfill all her desires, is she

Onec her inatlentive soul
Now tempered by wisdom
Once leave her dreams,
Now live her dreams
She is not a scarification, She is a satisfaction

# সাৰে থকা ৰাতি

**নিমিষা কাকতি**
স্নাতক পঞ্চম ষান্মাসিক

সাৰে আছে এটা খবৰ
সাৰে আছে পলসুৱা অলপ শব্দ
সাৰে আছে হাতেৰে খামুচি ধৰি থকা
এটি কলম, কাষৰ টেবুলত এটা ঈষৎ চিঞাহী দোৱাত
আৰু নিহ্‌পালী দি শুই থকা আকাশখনৰ সিটো মূৰত
সাৰে আছে এটা ৰাতি

ফেঁচাৰ চিঞৰত গভীৰ হোৱা ৰাতিবোৰত
তোমাৰ দৰে মইয়ো আৰম্ভ কৰিলো আন্ধাৰবোৰ ভাল পাবলৈ

কিন্তু কেতিয়াবা ভয় লাগে কাৰণ
'ৰাতিৰ আন্ধাৰ গমগমীয়া
চোৰ-মাতালৰ সংগ'
মোৰ ভাললগা কবিৰ কবিতাটি
'পোহৰতকৈ এন্ধাৰেই ভাল'-এ মোৰ ডায়েৰীৰ
পৃষ্ঠা শুৱনি কৰিলে।

অ' সোনাচোন!
খিৰিকীৰ কাষৰ উন্মুক্ত বিছনাখনত বহি
ভাৱনাৰ সাগৰত উপঙি থকা
নিশাচৰ কবিসকল এতিয়াও সাৰে আছে।
(হে'ৰা কবি! লেমৰ পোহৰটো আৰু অলপ বঢ়াই লোৱা)
ভাবত বিভোৰ কবিয়ে নিজেও নাজানে আন্ধাৰৰ গতি কেনে?
আকাশৰ ঠিকনা বিচাৰি থাকোঁতে দেখিলো
জোনটোও সাৰে আছে দেখোন!
গোপন ৰাতিৰ ফুচফুচনি আৰু
সেউজীয়া একোটি গান এতিয়াও সাৰে আছে।

আজি চাগে মইয়ো সাৰে থাকিম... উন্মুক্ত পথৰ নিস্পন্দ
এটি চিঞৰৰ প্ৰতিধ্বনি হৈ
কাইলৈ বাতৰিৰ শিৰোনাম।
পথৰ দাঁতিৰ ভতুৱা কুকুৰ কেইটাৰ বাবে
এতিয়াও সাৰে আছে সেই ৰাতি
যি ৰাতিত আমি আন্ধাৰবোৰ সিঁচি থাকো

কেৱল এই সাৰে থকা একোটি নিটোল ৰাতিত
শুইপৰে ফুটপাথৰ আবাল-বৃদ্ধ বনিতাসকল
সিহঁতে নাজানে সাৰে থকা ৰাতিবোৰৰ বিশেষত্বহ্ল
কেৱল জানে সিহঁতে টোপনিৰ আৰাম কেনে?
শুনা, সিহঁত সাৰে নথকা নহয়
উন্মুক্ত আলসুৱা মনটো সিহঁতৰ সদায়ে সাৰে থাকে।
সিঁয়নি এৰোৱা গাৰ কাপোৰবোৰত সিহঁতে দেখে সিহঁতৰ
জীৱনৰ বৈশিষ্ট্য
টোপনিৰ জালত শুনে নতুনত্বৰ প্ৰতিবাদী চিঞৰ

চোৰাচোন চোৱা!
এতিয়াও টোপনি যোৱা নাই সেই ৰাতি।
এই গোপন ৰাতিয়েই উন্মনা গ্ৰাহকৰ চেঁচা ঘামত
জেউতীয়ে বিচাৰি পাব
নিজক হেৰুৱাই পেলোৱাৰ সুখ
তাই নিলাজ, পেটৰ তাড়নাত বেচে নিজকে, তথাপি তাই
সঁচা অৰ্থত এজনী প্ৰেমিকা, তাইৰ তেজত দৌৰে বহু পুৰুষৰ ভৱিষ্যত।
সেই সাৰে থকা ৰাতিবোৰতে তাই ৰচে
বেশ্যা হোৱাৰ সপোন।

'ৰেড এলাৰ্টৰ এৰিয়াত' তাইৰ কোঁঠাৰ দুৱাৰত ঢকিয়াই
থাকে বহু ভদ্ৰলোকে
নাজানে নেকি বাৰু তেওঁলোকেও
সেই একোটা গোপন ৰাতিতে
তেওঁলোকৰ ঘৰত থকা পত্নী, জীহঁতেও আন্ধাৰবোৰ
সিঁচি সাৰে থাকে।

নীৰৱ সাংবাদিকৰ গৰম খবৰ এই সাৰে থকা ৰাতিবোৰতে প্ৰকাশ পায়
বৰ বৰ হৰফত প্ৰথম পৃষ্ঠাত,
কিন্তু দুৰ্নীতি কৰাসকলৰ কোনো গায়ে নলৰে।
ক্ৰোধৰ অগ্নিৰে ভস্মীভূত কৰা সাংবাদিকৰ নিৰীহ
পৰিয়ালে পাই একোটা টকাৰ বান্দিল... মুখ বন্ধ।
সাৰে থাকে সেই ৰাতি, একোটা বীভৎস ৰাতি।
সাৰে থাকে সেই ৰাতিত, মৌনতাৰ শব্দ বিচাৰিফুৰাসকল
সাৰে থাকে সংগোপনে ৰেলৰ উকি
সাৰে থাকে সেই ৰাতিত, প্ৰেমিকযুগলৰ আমনি নলগা বাৰ্তালাপ।

আৰু সাৰে থাকো মই
গোপনীয়তাৰ গাত ভেঁজা দি মোৰ প্ৰেমিক
অনুৰণ শইকীয়াৰ শব্দৰ সুগন্ধিত জুৰুলি-জুপুৰি হৈ
সাৰে থাকে সেই ৰাতি নীৰৱতাবোৰ
সাৰে থাকে অনুভূতিৰ চৌবাচ্চা।।

# এতিয়া পুনৰ নৱবৰ্ষ আহিব

**লীজা কলিতা**
স্নাতক তৃতীয় ষান্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

সময়ৰ টিকনি আগফালে ঘূৰি
আকৌ সম্পূৰ্ণ হ'ল এটা বছৰ।
টিক্ টিক্ টিক্ টিক্...
এদিন, দুদিন, তিনিদিন...
ঘড়ীৰ কাঁটা অথবা কেলেণ্ডাৰৰ তাৰিখে,
মনত পেলাই দিলে এটা বছৰৰ আয়ুস ৰেখা।
এতিয়াযে নৱবৰ্ষ আহিব!!
মানুহৰ মনত কৰ্মউদ্যম আকৌ পোখা মেলিব।
পাৰ হৈ যোৱা বছৰৰ নোপোৱাৰ বিষাদখিনি,
নতুন বছৰত আকৌ হেঁপাহ হৈ ফুলিব।
গছ-বিৰিখ কিম্বা চৰাই-চিৰিকটিয়েও
আনন্দ-উলাহ কৰিব।
প্ৰকৃতিৰাণীও যে সগৰ্ভা হ'ব!!
সকলোৰে পোৱা-নোপোৱাৰ হিচাপ কৰিবলৈ,
অপ্ৰাপ্তিৰ কলীয়া মেঘ আঁতৰাই
এতিয়াযে পুনৰ নৱবৰ্ষ আহিব।।
এতিয়াযে পুনৰ নৱবৰ্ষ আহিব!!



# সপোন দেখিব লাগে

**ময়ুৰ কৃষ্ণ গগৈ**
স্নাতক তৃতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ

পাবলৈ জানো মানুহে সপোন নেদেখে??
পোৱা নোপোৱাৰ মাজেৰেইটো জীৱন
আৰম্ভ হয় আৰু সমাপ্তও হয়।
এটা বছৰত দেখা সপোনবোৰ কেতিয়াবা,
সফল নহ'বওটো পাৰে।
কিন্তু সপোন দেখিব লাগে,
সেয়া লাগিলে পুৰণি বছৰৰ বাবেই হওক,
অন্যথা নতুন বছৰৰ বাবে
সপোনৰ পম খেদি ফুৰা
মই এজনী উৰন্ত পক্ষী,
নতুন বছৰটোলৈও বহু সপোন
মনতে পুহি ৰাখিছো সংগোপনে।
নাজানো সেয়া সফল হ'ব নে নহয়
কিন্তু এটা কথা ঠিক,
মানুহে সপোন দেখিব লাগে,
কোনো পৰিসীমা নোহোৱাকৈ।

# বেশ্যা

**ৱাবলি বেগম**
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ



এটি আন্ধাৰ নিশ্চুপ কোঠাত
মোৰ বসতি
মই বন্দী নাৰী।
মোৰো এটা মন আছে
পাখি লগা সপোনৰ,
কিন্তু...
চৌপাশ মোৰ কেৱল আন্ধাৰ, আন্ধাৰ
মাথো আন্ধাৰ।
মেহগনি পালেঙ শুৱনি কৰা
মাতাল নিশাৰ সুগন্ধি নিচা,
মোৰ কাতৰ শুনিবলৈয়ো
আহৰি নাই, সময় নাই
কাৰ সতেনো বিনিময় কৰো
মোৰ হৃদয়।
নিত্য বেপাৰ চলিয়েই থাকে
বাঢ়ি যায় দৰ-দাম
মোৰ শৰীৰৰ।
কেতিয়াবা ঈৰ্ষা হয়
মোৰ সৌন্দৰ্যতাক লৈ
কাৰণ
মই মাতাল নিশাৰ
ৰাণী
হয়, মই বেশ্যা
সিহঁতবোৰৰ আসুৰিক আক্ৰমণত
মই বাগৰি পৰো।
মোৰ এখন ঠুনুকা হৃদয় আছে
বুজিয়ে নাপায়!
পুৰুষৰ গৌৰৱেৰে আন্ধাৰক খামুচি ধৰো।
নিঃসংগতাক ওচৰ চপাই আনো
আৰু চিঞৰি ক'বলৈ মন যায়
মই সোৱাদ দিয়া যন্ত্ৰ।
পিশাচৰ ক্লান্ত দেহা শান্ত কৰা
মই নিশাৰ শান্তি।
অন্ধ সিহঁত, মই মাত্ৰ সন্তীয়া
সিহঁতৰ প্ৰতিটো বিনিময়ত নকৈ আহে
এটি প্ৰতিশ্ৰুতি,
মোৰ গৰ্ভত বীজ লৈ ফুৰিছো
ন-প্ৰাণ আশাৰ শাৰীৰিক।
কেনেকৈ প্ৰসৱ কৰো?
মই কলংকিতা
মই নাৰী নহয়
মই বেশ্যা।

# অতীতৰ সোঁৱৰণী

**বাবলি বেগম**
স্নাতক পঞ্চম যান্মাসিক
অসমীয়া বিভাগ

মিচ কৰিছো অ' বান্ধবী তহঁতবোৰক
এছ.জি.চি.ৰ সেই আপোন ঘৰখনক
শিৱদৌলৰ পাৰতে থকা বৰপুখুৰীৰ পাৰৰ
সেউজীয়াময়ে আবেলিয়ে বাৰুকৈয়ে
মনটোক উত্ৰাৱল কৰি তুলিছে।
কিয়নো আজি যাব খুজিও যাব পৰা নাই ঐ
বৰকৈ আমনি কৰিছে তহঁতবোৰৰ লগত
পাৰ কৰা সময়বোৰ
আমনি নলগাকৈয়ে পাৰ কৰি অহা
সময়বোৰে আজিচোন স্মৃতিৰ কোঠালিত ৰহণতাৰে
লুকা-ভাকু খেলিছে।
কিমান যে উৎপাত, অলপ ধেমালি বন্ধুত্বৰ পৰিচয়ৰে মৰমত দিয়া নামবোৰ
আৰু বিনিময়ত খঙাল চকুলোৰে চাই
আকৌ বিলীন হৈ পৰো ধেমালিবোৰত।
অফ পিৰিয়ডত এছ.জি.চি.ৰ কেণ্টিনত সেউজীয়া
দোপাট্টাৰ হাঁহিৰ খিলখিলনি
কেণ্টিনৰ গৰম চাহৰ সেই আড্ডা ইত্যাদি।
কলেজ ছুটীৰ পাছত বন্ধুত্বৰ সেই বান্ধোনত
লগপোৱা প্ৰতিশ্ৰুতিৰে ঘৰমুৱা হোৱা।
পুনৰ তহঁতৰ বাবে কলেজ গেটত অপেক্ষা কৰি থকা,
হয়তো
এনেদৰেই নজনাকৈয়ে পাৰ হৈ গৈছিল
সময়বোৰৰ সৈতে এটা এটা দিন।
আকৌ পামনে এই দিনবোৰ
এইবোৰ কথা ভাবি দেখোন ভালেই লাগিছে।
সেউজীয়াৰ মাজত থাকি বৰ ভাল লাগে ঐ




আধৰুৱা হৈ ৰ'ব নেকি সপোনৰ এই ৰংবোৰ
এছ.জি.চি. সপোন বাগিচাখন মৰহি ৰ'ব নেকি?
আধৰুৱা হৈ ৰ'ল বাইদেউহঁতৰ আদি পাঠৰ পাঠ্যক্ৰমবোৰ
আজিৰ সময় মুক্ত মনেৰে পাৰ কৰি অহা
সময়বোৰে ৰিঙিয়াই মাতিছে চাচোন।
আজি দেখোন সকলো নিৰব
ৰাজপথত জনতাৰ সমাগম নাই
সকলো আজি নিজৰ ঘৰতেই বন্দী
আজি বিশ্বৰ দেশবোৰত দেখা গৈছে
জনতাৰ আৰ্তনাদ
মৃত্যুৰ কিৰিলীয়ে হেনো
সিহঁতবোৰক ছানি ধৰিছে।
হাজাৰ হাজাৰ মৃতদেহৰ স্তূপ।
কি মায়া
মানৱতাৰ এই দুৰ্দশা চাবলৈও আজি
কাৰো সময় নাই
ৰাজপথ আজি উদাসীন
মৃত্যুৰ দুৱাৰত যমদূত যেন বৈ আছে।
ক'ৰণাই আনিছে বিভীষিকা
যি মানুহক বন্দীত্বৰ জীৱন দিলে,
যাৰ ভয়াৱহতাই এদিন মানৱতাক
পৰিচয়হীন কৰি তুলিব এই পৃথিৱীত।
বাচিব লাগিব জনগণ,
উপায় মাথো
বন্দীৰ এই ক্ষণত
সজাগ হোৱা, সতৰ্ক হোৱা
নহ'লে
এদিন মৃত্যুৰ সেই ক্ষণত ছটফটাব লাগিব আমিবোৰ।
মৃত্যু অনিবাৰ্য
তহঁতবোৰ ভালদৰেই থাকিবি দেই
শেষবাৰ তহঁতবোৰ মাতিবলৈও নাপালো
অজানিতে কৰা ভুলবোৰৰ
ক্ষমা বিচাৰিবলৈ সময় পামনে বাৰু?
যদি এই ভয়াৱহতাত
জয়ী হয় মানৱ-সভ্যতা
লগ হ'ম আকৌ
সেউজীয়া বাগিচাৰ কোলাত।

# প্ৰাপ্তিৰ প্ৰাচুৰ্যতাৰে নৱবৰ্ষৰ সপোন

**সোণালী বৰুৱা**
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

এবুকু আশা
অযুত স্বপ্ন
সপোনৰ ৰেঙনি
এজাক নতুন প্ৰভাত
পমখেদি সপোনৰ পখিলাজাক।
জীৱনৰ সেই সপোনটো বাস্তৱ কৰাৰ
নতুন সময়
নতুন আশা
এজাক শীতৰ ঘন কুঁৱলীৰ আৱেষ্টনী
দৌৰি দৌৰি ভাগৰি নপৰা সপোন সোণোৱালী।
তাৰ যে অযুত সপোন
নৱবৰ্ষৰ এই প্ৰাকক্ষণত!
সপোনে গৰকা তাৰ ধূসৰ বাস্তৱ
ধূলিয়ৰী বাটেৰে আগুৱাই যোৱা
ধূসৰিত সপোনবোৰ বাস্তৱ কৰাৰ আশা
বিষন্নতাৰ অৱকাশ আঁতৰাই
নৱবৰ্ষৰ প্ৰভাতত তাৰ সপোন
পূৰণৰ নতুন আশা
এটা নতুন পুৱা।
আৰম্ভ হ'ব নৱবৰ্ষৰ
এটি নতুন প্ৰভাত।
জীৱন জীয়াব সি
সপোনবোৰ সাৰথি কৰি
তাক সংগ দিব অতীতৰ দুঃসময়ে
সময়ৰ সোঁতে তাক আগুৱাই নিব।
সপোনৰ দিশে।
নৱবৰ্ষৰ নতুন প্ৰভাতত।
উদিত সূৰুযৰ সতে।



ৰচনা

# শিক্ষা ব্যৱস্থাত কভিড-১৯ৰ প্ৰভাৱ

**মনস্বিনী শৰ্মা**
স্নাতক পঞ্চম ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ** সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা 'ক'ভিড-১৯' মহামাৰীৰ ফলত অৰ্থনৈতিক, শৈক্ষিক, সামাজিক ক্ষেত্ৰখনত যথেষ্ট প্ৰভাৱ পৰিছে। এই প্ৰভাৱৰ পৰিণাম বৰ্তমান সময়লৈকে বৰ্তি আছে। অৰ্থনৈতিক আৰু শৈক্ষিক ক্ষেত্ৰত 'ক'ভিড-১৯'ৰ প্ৰভাৱ সৰ্বাত্মক বুলিব পাৰি। নিম্নস্তৰৰ শিক্ষা ব্যৱস্থাৰ পৰা উচ্চ স্তৰৰ শিক্ষা ব্যৱস্থালৈকে 'ক'ভিড-১৯'এ নেতিবাচক প্ৰভাৱ পেলাইছে। লকডাউনৰ বাবে বিশ্বৰ প্ৰায় সকলো দেশৰ শিক্ষানুষ্ঠান বন্ধ কৰি দিয়াত সমগ্ৰ দেশৰ শিক্ষা ব্যৱস্থা ক্ষতিগ্ৰস্ত হৈছে। বিশ্বৰ প্ৰায় ১৫০ কোটিৰো অধিক ছাত্ৰ-ছাত্ৰী শিক্ষানুষ্ঠানত শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈছিল।

**প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাৰ ওপৰত প্ৰভাৱ ঃ** ক'ভিডক মহামাৰীয়ে অনলাইন শিক্ষাৰ প্ৰসাৰ ঘটালে। কিন্তু প্ৰাথমিক বিদ্যালয়ৰ কণ কণ শিক্ষাৰ্থীৰ বাবে অনলাইন শিক্ষা ব্যৱস্থা ফলপ্ৰসূ নহয়। কণমানি বয়সত বিদ্যালয়ত নামভৰ্তি কৰাৰ পাছত শ্ৰেণীকোঠাৰ পাঠদান গ্ৰহণ কৰিবলৈ নৌ-পাওঁতেই অনলাইন শিক্ষা গ্ৰহণত তেওঁলোক অভ্যস্ত হ'ব নোৱাৰে। শিশুসুলভ মনে অনলাইন পাঠদান চলি থাকিলেও এনড্ৰইড ফ'ন বা লেপটপৰ ৰঙীন পৃথিৱীখনৰ প্ৰতিহে আকৃষ্ট হয়। ফলত তেওঁলোকৰ বাবে অনলাইন শিক্ষা ফলপ্ৰসূ হৈ নুঠে। ২০২০ বৰ্ষৰ মাৰ্চ মাহৰ পৰা লকডাউন দিয়াৰ সময়ত সেই বৰ্ষত পোন প্ৰথমবাৰৰ বাবে আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ হেতু বিদ্যালয়ত নামভৰ্তি কৰা কণ কণ শিক্ষাৰ্থীসকলে বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ পাঠদানৰ অভিজ্ঞতা লাভ কৰিব নোৱাৰিলে। স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ, সংখ্যা শিকিবলৈ আৰম্ভ কৰা শিক্ষাৰ্থীসকলে অনলাইন শিক্ষাৰ পৰা উপকৃত হ'ব নোৱাৰে। খেলা-ধূলা, ৰং-ধেমালি তথা শিক্ষক-শিক্ষয়িত্ৰীয়ে হাতত ধৰি আখৰ শিকোৱা পৰিৱেশ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিব নোৱাৰিলে।

**মাধ্যমিক শিক্ষা ব্যৱস্থাৰ ওপৰত প্ৰভাৱ ঃ** মাধ্যমিক শিক্ষা ব্যৱস্থাত সকলোতকৈ বৃহৎ ক্ষতি হ'ল দশম শ্ৰেণীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ। শিক্ষানুষ্ঠান বন্ধ থকা স্বত্বেও অনলাইন শিক্ষা আৰু নিজস্ব অধ্যয়নৰ দ্বাৰা তেওঁলোকে মেট্ৰিক পৰীক্ষাৰ বাবে পূৰ্ণোদ্যোমে প্ৰস্তুতি চলাইছিল। ভাৰতৰ কিছুমান ৰাজ্যৰ বৰ্ডে পৰীক্ষা অনুষ্ঠিত কৰিছিল যদিও কেন্দ্ৰীয় শিক্ষা বৰ্ডৰ লগতে অসমতো মেট্ৰিক পৰীক্ষা অনুষ্ঠিত নহ'ল। ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হৈ অহাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীৰ জীৱনৰ কথা চিন্তা কৰি পৰীক্ষা অবিহনে শিক্ষাৰ্থীসকলক উত্তীৰ্ণ কৰোৱাব লগা হ'ল। সেইদৰে মাধ্যমিক শিক্ষা ব্যৱস্থাৰ অধীনস্থ অন্যান্য শ্ৰেণীসমূহক দুই এটা অনলাইন পৰীক্ষা অনুষ্ঠিত কৰি উত্তীৰ্ণ কৰোৱাব লগীয়া হ'ল।

সেইদৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ শিক্ষাৰ্থীসকলকো বিনা পৰীক্ষাৰে উত্তীৰ্ণ কৰোৱাব লগা হ'ল। পৰীক্ষা অবিহনে এই গুৰুত্বপূৰ্ণ শিক্ষাৰ দেওনা দুখন শিক্ষাৰ্থীসকলে পাৰ কৰাত কিছু শিক্ষাৰ্থীৰ ওপৰত ইতিবাচক আৰু আন কিছু শিক্ষাৰ্থীৰ ওপৰত নেতিবাচক প্ৰভাৱ হিচাপে পৰিগণিত হ'ল।

**উচ্চ শিক্ষা ব্যৱস্থাৰ ওপৰত প্ৰভাৱ ঃ** হঠাৎ ঘোষিত লকডাউনৰ পৰিপ্ৰেক্ষিতত দেশৰ সকলো শিক্ষানুষ্ঠান বন্ধ হৈ পৰাত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী ঘৰতে আৱদ্ধ হৈ পৰিল। সমগ্ৰ দেশৰ উচ্চ শিক্ষাখণ্ডৰ শিক্ষণ-প্ৰক্ৰিয়া স্থবিৰ হৈ পৰাৰ লগতে উচ্চ

শিক্ষানুষ্ঠানত নতুন নামভৰ্তি, পৰীক্ষা, শৈক্ষিক দিনপঞ্জী, শিক্ষাবৰ্ষ আদি বিষয়ৰ ক্ষেত্ৰত অনিশ্চয়তাৰ সৃষ্টি হ'ল। ষান্মাসিক পৰীক্ষাসমূহ সময়তে অনুষ্ঠিত কৰিব নোৱাৰাবাবে শিক্ষাবৰ্ষৰ অনুসূচী পিছ পৰি ৰ'ল। কিছু বেলিকা ষান্মাসিকসমূহৰ পৰীক্ষা অনুষ্ঠিত নকৰাকৈ উত্তীৰ্ণ কৰোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যক্ৰম শিকন প্ৰক্ৰিয়া আধৰুৱা হৈ থাকিল। ইয়াৰোপৰি পৰীক্ষা সন্দৰ্ভত নিৰ্ভৰযোগ্য সিদ্ধান্ত কৰ্তৃপক্ষই শিক্ষাৰ্থীসকলক মানসিকভাৱে হতাশ হৈ পৰে। স্নাতক, স্নাতকোত্তৰ চূড়ান্ত মহলাত থকা শিক্ষাৰ্থীসকলে চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ ডিগ্ৰীধাৰী হ'বলৈ অপেক্ষা কৰিবলগীয়া হৈছিল। পৰীক্ষাৰ সূচীসমূহ পলম হৈ গৈ থকাৰ ফলত চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলে অন্য শিক্ষানুষ্ঠানত নামভৰ্তি কৰা, চাকৰিৰ বাবে আৱেদন কৰা আদি বেলিকাত অনিশ্চয়তাৰ সন্মুখীন হৈছিল।

**নেতিবাচক প্ৰভাৱ ঃ** ক'ভিড মহামাৰীয়ে সমগ্ৰ বিশ্বৰ প্ৰতিটো খণ্ডৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলালে। শিক্ষাৰ দিশটো এই ক্ষেত্ৰত বিধ্বস্ত হৈ পৰিল। লকডাউন জাৰি কৰাৰ পিছত সকলো জনসাধাৰণ গৃহবন্দী হৈ পৰিল। মৰমৰ শিক্ষানুষ্ঠানৰ পৰা আঁতৰি থকাক শিক্ষক-ছাত্ৰই অনলাইন মাধ্যমত পাঠদান, পৰীক্ষা ইত্যাদি আৰম্ভ কৰিলে। কিন্তু এই অনলাইন পাঠদান এশ শতাংশ ফলপ্ৰসূ নহ'ল। দৰিদ্ৰ শিক্ষাৰ্থীৰ এনড্ৰইড ফোনৰ অভাৱ, গ্ৰামাঞ্চলত ইণ্টাৰনেটৰ অসুবিধা, বিদ্যুতৰ লুক-ভাকু, ইণ্টাৰনেট ব্যৱস্থাত পূৰ্বতে অভ্যস্ত নথকা আদি কাৰকে অগতানুগতিক অনলাইন শিকন ব্যৱস্থাত বাধাৰ সৃষ্টি কৰিলে। ইয়াৰোপৰি অপৰিপক্ক মনৰ কিছু শিক্ষাৰ্থীয়ে অনলাইন শিক্ষাৰ নাম লৈ এনড্ৰইড ফোন, ইণ্টাৰনেটৰ দুৰ্ব্যৱহাৰ কৰে।

মেট্ৰিক, হায়াৰছেকেণ্ডাৰী পৰীক্ষাৰ অবিহনে উত্তীৰ্ণ হোৱাত পঢ়া-শুনাত নিম্নগামী শিক্ষাৰ্থীয়েও এই দেওনা পাৰ হ'ল। কিছুমান শিক্ষাৰ্থীয়ে এই ক্ষেত্ৰত ভবামতে নম্বৰো লাভ নকৰিলে। এই দুয়োটা চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ অধিক হৈ পৰাত মহাবিদ্যালয়সমূহত আসনৰ নাটনি হ'বলৈ ধৰিলে। অনলাইন মাধ্যমত পৰীক্ষা অনুষ্ঠিত হ'লেও ই অফলাইন পৰীক্ষাৰ সমান বিশ্বাসযোগ্য নহয়। কম নম্বৰৰ পৰীক্ষা অনুষ্ঠিত কৰা, পৰীক্ষা অবিহনে উত্তীৰ্ণ কৰোৱা আদি ব্যৱস্থাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান গ্ৰহণ প্ৰক্ৰিয়া আধৰুৱা হ'ল।

লকডাউনৰ ম্যাদ বাঢ়ি যোৱাত, পাঠদান, পৰীক্ষাসূচীত সৃষ্টি হোৱা অনিশ্চয়তা, সহপাঠী-শিক্ষকসকলৰ সৈতে প্ৰত্যক্ষভাৱে সাক্ষাৎ হ'ব নোৱাৰা, আগন্তুক সময়বোৰক লৈ মনত সৃষ্টি হোৱা উৎকণ্ঠা, সমনীয়াৰ সৈতে খেলা-ধূলা, ৰং-ধেমালি আদি কৰিব নোৱাৰা আদি অনেক কথাই শিক্ষাৰ্থীসকলৰ ওপৰত মানসিক চাপৰ সৃষ্টি কৰিছিল।


**ইতিবাচক প্ৰভাৱ ঃ** ক'ভিড-১৯ এ যথেষ্ট পৰিমাণে নেতিবাচক প্ৰভাৱৰ সৃষ্টি কৰিলেও কিছুমান ইতিবাচক প্ৰভাৱ সৃষ্টি নকৰা নহয়। শিক্ষাৰ্থীসকলে ঘৰতে বন্দী হৈ থকাৰ সময়ত তেওঁলোকে নিজৰ ভাললগা সৃষ্টিশীল কামবিলাক কৰিবলৈ ল'লে। একাংশ শিক্ষাৰ্থীয়ে সৃষ্টিমূলক, দক্ষতামূলক কাম কৰি ইণ্ডিয়ান বুক অৱ ৰেকৰ্ডচতো নাম অন্তৰ্ভুক্ত কৰিলে। বিভিন্ন ধৰণৰ অনলাইন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে এইসমূহত অংশগ্ৰহণ কৰিব পাৰিলে। শিক্ষানুষ্ঠানসমূহে অনলাইন মাধ্যমত অনুষ্ঠিত কৰা ৱেবিনাৰ, আলোচনা চক্ৰ ইত্যাদিসমূহ পৰা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ল। শিক্ষানুষ্ঠানৰ প্ৰত্যক্ষ পাঠদান গ্ৰহণ কৰিবলৈ নাপায় শিক্ষাৰ্থীসকলে নিজস্ব অধ্যয়ন (Self Study) কৰাৰ ফলত তেওঁলোকে নতুন নতুন কথা উদঘাটন কৰি জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সফল হ'ল। লকডাউনৰ সময়ত ইণ্টাৰনেট ব্যৱস্থাই যথেষ্ট প্ৰসাৰ আৰু জনপ্ৰিয়তা লাভ কৰিলে। ইণ্টাৰনেটৰ সহায়ত ঘৰতে বহি সকলো কাম কৰিব পৰাৰ লগতে জ্ঞানবৰ্ধনমূলক সমলো লাভ কৰিব পাৰি।

**সামৰণি ঃ** সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা 'কভিড-১৯' মহামাৰীৰ বাবে আগতীয়াকৈ কোনেও প্ৰস্তুত হৈ থকা নাছিল। সেয়ে ক'ভিড মহামাৰীয়ে সকলোকে বিধ্বস্ত কৰি এক নতুন অভিজ্ঞতা প্ৰদান কৰিলে। ক'ভিড শাম কটাৰ সময়ছোৱাত আমি ক্ষতিগ্ৰস্ত খণ্ডসমূহক পুনৰুদ্ধাৰ কৰিবলৈ চাব লাগে। সেইদৰে শিক্ষাখণ্ডতো হোৱা ক্ষতিসমূহক পূৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। শিক্ষাখণ্ডক ঠন ধৰি তুলিবলৈ উপযুক্তধৰণে সূচী প্ৰস্তুত কৰি আগবাঢ়িব লাগে।

# শিক্ষা ব্যৱস্থাত ক'ভিড-১৯ৰ প্ৰভাৱ

**গায়ত্ৰী চেতিয়া**
স্নাতক প্ৰথম ষাম্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

**আৰম্ভণি ঃ** ক'ভিড-১৯ এক অতি সংক্ৰামক ৰোগ যি ৰোগে বৰ্তমান সময়ত মানুহৰ জীৱন বিপন্ন কৰি তুলিছে। এই ৰোগে গোটেই বিশ্বতে মহামাৰী ৰূপ ধাৰণ কৰিছে। এই ৰোগ প্ৰথমে চীন দেশৰ ওৱাহন নগৰত চিনাক্ত হৈছিল। ২০২০ চনৰ মাৰ্চ মাহত বিশ্বস্বাস্থ্য বিভাগে ক'ভিড-১৯ ক এক মহামাৰী ৰোগ বুলি ঘোষণা কৰিছিল। এতিয়া সমগ্ৰ বিশ্বত এই ৰোগ বুলি ঘোষণা কৰিছিল। এতিয়া সমগ্ৰ বিশ্বত এই ৰোগ বহুসংখ্যক লোকৰ মৃত্যুৰ কাৰণ হৈ পৰিছে। এই ৰোগ এবিধ সংক্ৰামক ৰোগ। গতিকে ই এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিৰ দেহলৈ অতি সোনকালে বিয়পি পৰে। যেতিয়া দুজন মানুহ নিকট সংস্পৰ্শলৈ আহে আৰু সংক্ৰমিত লোকজনে কাঁহ মাৰিলে, হাঁচি মাৰলে, ওচৰত আহি কথা ক'লে ওলোৱা সৰু কণিকা বা ড্ৰপলেটবোৰ সুস্থ লোকজনৰ উশাহত প্ৰৱেশ কৰিলে ক'ভিড-১৯ বিয়পে।



**লক্ষণ ঃ** ক'ভিড-১৯ ৰোগৰ সাধাৰণ লক্ষণবোৰ হ'ল- জ্বৰ, কাঁহ, চৰ্দি, শ্বাস-প্ৰশ্বাসত কষ্ট আদি। প্ৰথম অৱস্থাত এই ৰোগৰ লক্ষণ ওলাবলৈ সাধাৰণতে পাঁচদিন সময় লাগে। কিন্তু দুইৰ পৰা চৈধ্য দিন পৰ্যন্তও হ'ব পাৰে। ৰোগৰ লক্ষণ ওলোৱা তিনিদিনৰ পাছত ই আটাইতকৈ বেছি সংক্ৰামক হয়। তদুপৰি মুখত জুতি নোপোৱা আৰু নাকেৰে গোন্ধ নোপোৱাৰ দৰে লক্ষণো ক'ভিড-১৯ হোৱা ৰোগীৰ দেহত দেখা পোৱা যায়। আকৌ কিছুমান ৰোগীৰ দেহত ওপৰোক্ত লক্ষ্যণবোৰ দেখা পোৱা নাযায়।

**মানৱ সমাজত ক'ভিড-১৯ৰ প্ৰভাৱ ঃ** প্ৰতিখন দেশৰ চৰকাৰে ৰোগবিধৰ সংক্ৰমণৰ প্ৰতিৰোধৰ বাবে নীতি-নিৰ্দেশনা, প্ৰণয়ন কৰিছে। বিশ্বৰ দেশসমূহে 'লকডাউন' প্ৰক্ৰিয়াৰ জৰিয়তে সামাজিক দূৰত্ব বজাই ৰাখিবলৈ চেষ্টা কৰিছে। ইয়াৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে 'লকডাউন' প্ৰক্ৰিয়া অতি উত্তম প্ৰক্ৰিয়া।

কিন্তু, এই ব্যৱস্থাই বিশ্বৰ সকলো দেশকে আৰ্থিক সংকটত পেলাইছে। এনে পৰিস্থিতিয়ে মানুহৰ স্বাভাৱিক জীৱন যাপনত ব্যাঘাট জন্মাইছে। এই লকডাউন প্ৰক্ৰিয়াৰ ফলত কৰ্মক্ষেত্ৰবোৰ বন্ধ হৈ পৰিল। শ্ৰমজীৱী লোকসকলৰো দুখ-দুৰ্দশাৰ অন্ত নোহোৱা হ'ল। স্কুল, কলেজ, দোকান, বজাৰ, ব্যৱসায়-বাণিজ্য ইত্যাদি সকলোবোৰ বন্ধ ৰখা হ'ল। তদুপৰি চৰকাৰৰ কঠোৰ

নীতি-নিয়মৰ ফলত স্বৈৰচাৰিতাৰ তুংগত উঠিছিল যাৰ ফলত মানুহ অধিক আতংকিত হৈ পৰিছিল।

**শিক্ষা ব্যৱস্থাত ক'ভিড-১৯ৰ প্ৰভাৱ ঃ** বিশ্বৰ দেশসমূহে এই ৰোগ প্ৰতিৰোধৰ বাবে 'লকডাউন' প্ৰক্ৰিয়াৰ জৰিয়তে সামাজিক দূৰত্ব বজাই ৰাখিবলৈ চেষ্টা কৰে। প্ৰতিখন দেশৰ চৰকাৰে এই ৰোগবিধৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে স্কুল, কলেজ বন্ধ ৰখাৰ বাবে বহুতো নীতি-নিৰ্দেশনা প্ৰণয়ন কৰে। ইয়াৰ বাবে ২০২০ চনৰ মাৰ্চ মাহৰ পৰা স্কুল-কলেজ বিলাক বন্ধ হৈ পৰে। যাৰবাবে শ্ৰেণী পাঠ্যক্ৰম বিলাক ৭-৮ মাহ পিছুৱাই দিবলগা হয়। ফলত ছাত্ৰ-ছাত্ৰীসকল শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈ মানসিক চাপত ভুগিবলগীয়া হয়। সেয়েহে পৰিস্থিতিৰ লগত শিক্ষা ব্যৱস্থা যাতে ৰৈ যাব নালাগে, তাৰ বাবে 'অনলাইন' পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হয়। এই পাঠ্যক্ৰমৰ জৰিয়তে বহুখিনি পাঠ্যক্ৰম আগবঢ়াই নিব পাৰিছে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাবৰ্ষ যাতে অপচয় নহয় এই অনলাইন শিক্ষাৰ জৰিয়তে বহুখিনি পূৰাবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও পৰিস্থিতিৰ লগত খাপ খুৱাই ছাত্ৰ-ছাত্ৰীসকলে ঘৰতে স্বাস্থ্য সুৰক্ষিত ৰাখি অনলাইন পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰিছে। ইয়াৰ জৰিয়তে তেওঁলোক বহুখিনি লাভবান হৈছে। অৱশ্যে অতি কম সংখ্যক দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী ইয়াৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। কাৰণ, তেওঁলোকৰ বিদ্যুৎ নথকা বাবে স্মাৰ্টফোন নথকা বাবে এনে শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'বলগা হৈছিল। ইয়াৰ উপৰিও সৰু সৰু ল'ৰা-ছোৱালীবিলাকে অনলাইন পাঠ্যক্ৰমৰ নামত বহু সময় মোবাইল লেপটপ ব্যৱহাৰ কৰি থাকিবলগা হয়। যিটো তেওঁলোকৰ বাবে বহু অপকাৰী। শ্ৰেণী পাঠত ছাত্ৰ-ছাত্ৰীয়ে যেনেদৰে আয়ত্ব কৰিব পাৰে, কিন্তু অনলাইন পাঠ্যত সহজতে আয়ত্ব কৰাও অসুবিধা হয়। ক'ভিড-১৯ৰ লগত মোকাবিলা কৰিবলৈ যি উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা পতা নহ'ল, তাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰতো প্ৰভাৱ পৰিছিল। কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাদে মেধাবী ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা দিয়াৰ বাবে সাজু আছিল। তেওঁলোকে পৰীক্ষা নপতাৰ বাবে মানসিকভাৱে ভাগি পৰিব লগা হৈছিল।

যেতিয়া ইয়াৰ সংক্ৰমণ কমি যায়, কিছুমান ক'ভিড প্ৰট'কল মানি স্কুল, কলেজ বিলাক খোলাৰ ব্যৱস্থা কৰে। যাৰ ফলত শ্ৰেণী পাঠ গ্ৰহণত সুবিধা হৈছে।

**সামৰণি ঃ** এই ক'ভিড-১৯ৰ ফলত আমাৰ দেশৰ লগতে সমগ্ৰ বিশ্বই এক সংকটজনক অৱস্থাৰ মাজেৰে দিন অতিবাহিত কৰিছে। আমি এনে অৱস্থাৰ মাজেৰে দিন অতিবাহিত কৰিছে। আমি এনে পৰিস্থিতিৰ পৰা যিমান পাৰি সিমান সোনকালে ওলাই অহাটো অতি প্ৰয়োজন। গতিকে আমি সকলোৱে সচেতনতাৰে নিজৰ কৰ্তব্য পালন কৰা লগতে চৰকাৰৰ নীতি-নিৰ্দেশতনা মানি চলা উচিত। লৰ্জে কোৱাৰ দৰে- 'শিক্ষাই জীৱন, জীৱনেই শিক্ষা' বিশ্বৰ চিকিৎসা বিজ্ঞানী সকলে এই ৰোগৰ ভেকচিন প্ৰস্তুত কৰিছে। যি মানৱ সভ্যতাৰ বাবে কল্যাণ সাধন কৰিলে। আমি শিক্ষিত সমাজে যদি নিজে সজাগ হোৱা উপৰিও আনকো সজাগ কৰো আৰু সচেতনতাৰে নিজৰ কৰ্তব্য পালন কৰি যাওঁ তেতিয়া আমি সকলোৱে মিলি এই মাৰাত্মক ৰোগৰ অন্ত পেলাব পাৰিম।

**শিক্ষা অকল মানসিক বা বুদ্ধি জ্ঞান চৰ্চাত আৱদ্ধ থাকিলেই প্ৰকৃত শিক্ষা নহয়। শিক্ষা নৈতিক আৰু দৈনিক জীৱনৰ লাগতীয়াল অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন যাত্ৰাৰ কাৰ্যবোৰৰ সহায়ক হোৱা উচিত।**

**— লক্ষ্মীনাথ বেজবৰুৱা**


# শিক্ষা ব্যৱস্থাত ক'ভিড-১৯ৰ প্ৰভাৱ

**দীপশিখা চেতিয়া**
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ

**আৰম্ভণি ঃ** ২০১৯ চনত হুবেই প্ৰদেশৰ ৱুহান চহৰৰ পৰা সমগ্ৰ বিশ্বতে বিয়পি পৰা ৰোগবিধ হৈছে ক'ভিড-১৯। এই ৰোগটোৰ তথ্যক বিভিন্ন নামেৰে নামাকৰণ কৰা হৈছিল যেনে— কৰণা ভাইৰাছ, কৰণা, কভিড, একিউভ ৰেছপিৰেটৰী ডিজিজ, নবেল কৰণা ভাইৰাছ নিউম'নিয়া, নতুন বীজাণুৰে কৰা তীব্ৰ .... এই ভাইৰাছ সাধাৰণতে মানুহৰ নিকট সংস্পৰ্শত কাহ মাৰিলে, হাঁচি মাৰিলে আৰু কথা ক'লে ওলোৱা ড্ৰপলেটৰ জৰিয়তে বিয়পে। কাৰণ ড্ৰপলেটবোৰ সাধাৰণতে বতাহত দূৰলৈ যোৱাৰ সলনি মাটি বা পৃষ্ঠলৈ সৰি পৰে। আৰু দূষিত পৃষ্ঠ চুই মুখমণ্ডলত স্পৰ্শ কৰিলেও এই ৰোগ বিয়পে। এই ৰোগটো এনেকুৱা এটা ৰোগ যে লক্ষণ ওলোৱা আগতে আৰু লক্ষণ নথকা লোকৰ পৰাও বিয়পিব পাৰে। এই ৰোগবিধৰ সাধাৰণ কিছুমান লক্ষণ পৰিলক্ষিত হয় লক্ষণসমূহ হ'ল- ভাগৰ লগা, জ্বৰ, কাহ, উশাহ লওঁতে কষ্ট পোৱা, গোন্ধ আৰু সোৱাদ নোপোৱা। এই ক্ষেত্ৰত কিন্তু অধিকাংশ লোকৰে কম পৰিমাণৰ লক্ষণে দেখা দিয়ে যদিও একাংশৰ চাইট'কাইন ষ্টম, দেহৰ অংগসমূহ বিকল হোৱা, ছেপ্টিক শ্বক, ৰক্ত আতত্বলৰ পৰা একিউট ৰেছপিৰেটৰী ডীষ্ট্ৰেছ ছীণ্ড্ৰম হয়গৈ। সাধাৰণতে এই ৰোগৰ লক্ষণ ওলাবলৈ পাঁচ দিন সময় লাগে। ৰোগ নিৰ্ণয় কৰিবৰ বাবে আকৌ নাসিকা গ্ৰহণীৰ পৰা কপাহেৰে নমুনা লৈ পৰীক্ষা কৰা হয়। আৰু লক্ষণ যদি বিপদসংকুল হয় তেতিয়া বুকুৰ চি.টি.স্কেনো কৰা হয়। কিন্তু নিয়মীয়া পৰীক্ষাৰ বাবে চি.টিস্কেন অনুমোদন নকৰে। আনহাতে এই ৰোগ যেতিয়া আৰম্ভ হৈছিল তাৰ প্ৰথমজন ৰোগী আক্ৰান্ত হৈছিল ২০১৯ চনৰ ১৭ নৱেম্বৰত বুলি ঠাৰৰ কৰা হৈছিল। আৰু ২০২০ চনৰ ১৮ নৱেম্বৰলৈকে বিশ্বজুৰি পাঁচ কোটিৰো অধিক লোক আক্ৰান্ত হৈছিল আৰু ২৩ লাখৰ অধিক লোক মৃত্যু ঘটিছে। আৰু প্ৰায় চাৰিকোটি লোক এই ৰোগৰ পৰা আৰোগ্য হৈছে। যিহেতু ২০১৯ বৰ্ষতে কভিড-১৯ ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বাঢ়ি আহিছিল। সেয়ে বিশ্বস্বাস্থ্য সংস্থাই ২০২০ চনৰ ৩০ জানুৱাৰীত কৰ'ণা ভাইৰাছ মহামাৰীক আন্তঃৰাষ্ট্ৰীয় আশংকাৰ ৰাজহুৱা স্বাস্থ্য জৰুৰীকালীন অৱস্থা বুলি ঘোষণা কৰে আৰু একে বছৰৰে ১১ মাৰ্চ তাৰিখে বিশ্ব মহামাৰী বুলি ঘোষণা কৰে। যিহেতু ক'ভিড-১৯ মহামাৰীয়ে গোটেই বিশ্বতে কালৰূপ ধাৰণ কৰিছিল, তাৰ ফলস্বৰূপে দেশৰ অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক বৃত্তিয় সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিছিল যদিও শৈক্ষিক ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত জীৱনত আগুৱাই যোৱাৰ ক্ষেত্ৰত বেছি প্ৰভাৱ পৰা দেখা গৈছিল কাৰণ ৰোগটোৰ প্ৰতিকাৰৰ

প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ বিশ্বতে লকডাউন ঘোষণা কৰা হৈছিল। গতিকে আমি শৈক্ষিক ক্ষেত্ৰতনো কেনেধৰণৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল তাকে আলোচনা কৰা হওক।

**শৈক্ষিক ব্যৱস্থাত কভিড-১৯ ৰ প্ৰভাৱ ঃ** শিক্ষা হৈছে এখন দেশ বা এটা জাতি গঢ় দিয়াৰ অংগস্বৰূপ। শিক্ষাবিহীন জীৱন বঠা নাইকিয়া নাৱৰ দৰে। তেনে ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত গঢ় দিবলৈ প্ৰথমে আমি আমাৰ শৈক্ষিক দিশটো সূচল কৰাৰ ক্ষেত্ৰত সকলোৰে দায়িত্ব, কৰ্তব্য আৰু কৰণীয়। তেনে সময়তে দেশৰ যি মহামাৰীৰ আগমন ঘটিছিল আৰু আমাৰ শৈক্ষিক ক্ষেত্ৰখন তল পৰি গৈছিল। কণ কণ ছাত্ৰ-ছাত্ৰীৰ পৰা উচ্চ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীলৈকে। দেশৰ শিক্ষানুষ্ঠানসমূহ বন্ধ কৰি দিয়া হৈছিল। কাৰণ ক'ভিড-১৯ এটা সংক্ৰমিত ৰোগ। আমাৰ ভৱিষ্যত প্ৰজন্মই যাতে এই ৰোগৰৰ পৰা হাত হাৰিব পাৰে তাৰ বাবে তেনে ব্যৱস্থা হাতত লোৱা হৈছিল।



শিক্ষা জীৱনৰ দোকমোকালিতে প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগ্ৰহণ কৰাৰ পৰা বঞ্চিত হ'বলগা হৈছিল। অ, আ, ক, খ, ১,২,৩,৪ পঢ়াৰ আমেজৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। ল'ৰালিৰ মধুৰ ক্ষণবোৰ পাহৰি কণ কণ শিশুসকলে নিজকে জটিলতা মাজত আৱদ্ধ ৰাখিব লগা হৈছিল। কণ কণ শিশুসকলে বুজি পোৱা নাছিল ক'ভিড-১৯ মানে কি, লকডাউন মানে কি, মাথো এটা গম পাইছিল স্কুললৈ যাব নালাগে। ঘৰৰ পৰা ওলাব নালাগে। এনেদৰে সময় পাৰ হৈ যোৱাৰ পিছত তেওঁলোকে পাহৰি গৈছিল বিদ্যালয়ৰ নাম, শ্ৰেণীৰ নাম, নিজৰ ৰোল নং, আনকি নিজৰ সহপাঠী নামো পাহৰি গৈছিল। কাৰণ তেওঁলোকে পঢ়া-শুনা পাঠ্যপুথিৰ পৰা নিজকে সম্পূৰ্ণৰূপে আঁতৰাই ৰাখিছিল। বহু অভিভাৱকে ঘৰতে শিক্ষা প্ৰদান কৰিছিল যদিও তেওঁলোকে মনোযোগ দিয়া নাছিল। যিসকল ছাত্ৰ-ছাত্ৰীক প্ৰাইভেট শিক্ষানুষ্ঠানত শিক্ষাগ্ৰহণ কৰিছিল তেওঁলোকক অনলাইন মাধ্যমেৰে শিক্ষাদান কৰিছিল। পৰীক্ষা অনুষ্ঠিত হৈছিল যদিও সন্তানতকৈ আমাৰ অভিভাৱকসকলেহে গুৰুত্ব বেছি দিবলগা হৈছিল। কাৰণ ছাত্ৰ-ছাত্ৰীৰ মনোযোগ হেৰাই গৈছিল। যদিও ২০২১ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা শিক্ষানুষ্ঠানসমূহ খোলা হৈছিল, প্ৰাথমিক পৰ্যায়ৰ শ্ৰেণীসমূহৰ পাঠদান আৰম্ভ হোৱা নাছিল মাথো উচ্চ পৰ্যায়ৰ বাবেহে শিক্ষানুষ্ঠানসমূহ খোলা হৈছিল আৰু এনে কঠিন পৰিস্থিতিত মোকাবিলা কৰিবলৈ সন্তানতকৈ অভিভাৱকসকল বেছি বিমোৰত পৰা দেখা গৈছিল। কাৰণ প্ৰত্যেক সন্তানৰ ভৱিষ্যত গঢ় দিয়াত মাক-দেউতাকে প্ৰাথমিক পৰ্যায়ৰ পৰাই কষ্ট আৰু চেষ্টা কৰে। আৰু এই ক্ষেত্ৰত মাক-দেউতাক বিমোৰত পৰাটো স্বাভাৱিক।

প্ৰাথমিক পৰ্যায়ৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ দ্বিতীয় দুৱাৰডলি মাধ্যমিক স্তৰ। আৰু সেই সময়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হয় আৰু সেই পৰীক্ষাৰ ফলাফলৰ ভিত্তিতে শিক্ষাৰ্থীসকলে জীৱনৰ গতি চিনাক্ত কৰাত সহজ হয়। আৰু তেনে সময়তে যদি বাধা আহি পৰে ছাত্ৰ-ছাত্ৰীসকল হতাশ হোৱাটো স্বাভাৱিক। যি সময়ত অৰ্থাৎ ২০২০ চনৰ ফেব্ৰুৱাৰী মাহত মেট্ৰিক পৰীক্ষা অনুষ্ঠিত হ'বলগা সেই পৰীক্ষাসমূহ বাতিল কৰা হৈছিল। শিক্ষা বিভাগে কেতিয়া পুনৰ পৰীক্ষা অনুষ্ঠিত কৰিব তাক লৈ নিশ্চিত হ'ব পৰা নাছিল। সংবাদ মাধ্যমত আলোচনাৰ বিষয় হৈ পৰিছিল যদিও

পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰিলে। পূৰ্বৰ পৰীক্ষাৰ কিছু নম্বৰ সংগ্ৰহ কৰি সকলো ছাত্ৰ-ছাত্ৰীকে উত্তীৰ্ণ কৰাই দিয়া হৈছিল, বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নম্বৰক লৈ সন্তুষ্টি হোৱা নাছিল। উপযুক্ত নম্বৰ লাভৰ পৰা বঞ্চিত হৈ আন্দোলন কৰিব লাগিছিল। অৰ্থাৎ সেই সময়ত মাধ্যমিক শিক্ষা ক্ষেত্ৰখনত বেমেজালিৰ সৃষ্টি হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ হায়াৰছেকেণ্ডাৰিত নামভৰ্তি কৰাৰ সময়ত সকলো কাৰ্য অনলাইন মাধ্যমেৰে কৰিব লগা হৈছিল তেনেক্ষেত্ৰত বহুতো ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ফৰ্ম ফিল-আপ কৰোঁতে অসুবিধাৰ সন্মুখীন হ'বলগা হৈছিল। শিক্ষানুষ্ঠানসমূহত ছীটৰ পৰিমাণ কম থকাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰিবলৈ দিয়াৰ ক্ষেত্ৰত শিক্ষকসকলেও বিমোৰত পৰিছিল। কাৰণ ২০১৯-২০ বৰ্ষৰ মেট্ৰিক পৰীক্ষা আৰু হায়াৰছেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছিল। যাক আমি শৈক্ষিক ক্ষেত্ৰৰ ইতিহাস বুলি ক'ব পাৰো। নামভৰ্তি কৰাৰ পাছতো প্ৰায় দুমাহলৈকে পাঠদান আৰম্ভ হোৱা নাছিল। অনলাইনৰ মাধ্যমেৰে পাঠদান কৰা হৈছিল। ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে নেটৱৰ্কৰ সমস্যাৰ বাবে শিক্ষা আহৰণ কৰিব পৰা নাছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শাখাত নামভৰ্তি কৰিছিল তেঁওলোকৰ মনত বিভিন্নধৰণৰ প্ৰশ্নই জুমুৰি ধৰিছিল। কাৰণ তেওঁলোকৰ প্ৰেক্টিকেলৰ ওপৰত বেছি গুৰুত্ব দিয়া হয় তেনে ক্ষেত্ৰত তেওঁলোকে প্ৰেক্টিকেলবোৰ অনলাইন যোগে শিকাটো সম্ভৱ নহয়। তেওঁলোকে পাৰিম নে নোৱাৰিম এনেকুৱা প্ৰশ্ন মনত লৈ হতাশ হৈ পৰিছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক পৰ্যায় শেষ কৰি নৱম শ্ৰেণীত নামভৰ্তি কৰিছিল তেওঁলোকৰ পৰীক্ষাসমূহ ঘৰতে লিখি জমা দিয়া ব্যৱস্থা কৰিছিল তাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে বহুতো নম্বৰ লাভ কৰিছিল যদিও তেওঁলোকে প্ৰকৃত জ্ঞান আহৰণৰ পৰা বঞ্চিত হৈছিল। তেওঁলোকে কোনো জ্ঞান আহৰণ নকৰাকৈ নম্বৰ লাভৰ ওপৰতে গুৰুত্ব দিছিল। কোনো ভবা হোৱা নাছিল যে সেয়া ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত জীৱন বিপদজনক আৰু ভয়ংকৰ হ'ব।

মানুহৰ মন দূৰদৰ্শী, উচ্চাকাংক্ষী। সেয়ে আমি প্ৰত্যেকে সৰুৰে পৰাই ডাঙৰ হওঁ। ঠিক তেনেকৈ শৈক্ষিক ক্ষেত্ৰতো মাধ্যমিক শিক্ষা শেষ কৰি উচ্চ শিক্ষাত সন্মান বিষয় লৈ শিক্ষা আহৰণ কৰি নিজক শিক্ষিত কৰি গঢ় দিয়াৰ সপোন। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত নামভৰ্তি কৰি ডাঙৰ হোৱা পৰিচয় দিয়াৰ সপোন। তেনে সময়তে যে আমাৰ শিক্ষাৰ ক্ষেত্ৰখনতো যে মহামাৰীয়ে কাল অমানিশা নমাই আনিব আমিতো ভবা নাছিলো। এটা বন্দীত্ব হতাশাৰ দোমোজাত জীৱন যুঁজিব লাগিব কোনোৱে জনা নাছিল। মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহ বন্ধ কৰি দিয়া হৈছিল। ২০১৯ বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে কি কৰিব, কি পঢ়িব, ক'ত নামভৰ্তি কৰিব তাৰ ওপৰত থিৰাং কৰিব পৰা নাছিল কাৰণ পৰীক্ষা সম্পৰ্কত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জাননী প্ৰকাশ কৰা নাছিল। তেনে সময়ত ছাত্ৰ-ছাত্ৰীসকল উপায়বিহীন হৈ পৰিছিল। যিহেতু ষান্মাসিকৰ পৰীক্ষাত আভ্যন্তৰীণ পৰীক্ষাৰ জৰিয়তে ২০ শতাংশ নম্বৰ মূল্যাংকন কৰা হয়, বাকী ৮০ শতাংশ নম্বৰৰ বাবে বিশ্ববিদ্যালয়সমূহে শেষ ষান্মাসিকৰ ৰূপত পৰীক্ষা অনুষ্ঠিত কৰে। কিন্তু মহামাৰীৰ সময়ত এচাইনমেণ্ট ভিত্তিক আভ্যন্তৰীণ মূল্যাংকনৰ ব্যৱস্থা কৰা হৈছিল যদিও শেষ ষান্মাসিকৰ পৰীক্ষাসমূহ কেনোধৰণে অনুষ্ঠিত কৰিব তাক লৈ বিশ্ববিদ্যালয়ে সঠিকভাৱে ক'ব পৰা নাছিল। ২০২০ চনৰ ডিচেম্বৰ মাহত শেষ ষান্মাসিকৰ পৰীক্ষাসমূহ অনলাইন মাধ্যমেৰে অনুষ্ঠিত কৰি ৰিজাল্ট ঘোষণা কৰা হৈছিল। আৰু বাকী প্ৰথম ষান্মাসিকৰ পৰা দ্বিতীয় ষান্মাসিকলৈ আৰু তৃতীয় ষান্মাসিকৰ পৰা চতুৰ্থ ষান্মাসিকলৈ কোনো পৰীক্ষা অনুষ্ঠিত নকৰাকৈয়ে ছাত্ৰ-ছাত্ৰীসকলক উত্তীৰ্ণ কৰাই দিয়া হৈছিল। আৰু বৰ্তমান যিসকল পঞ্চম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী তেওঁলোকে অজ্ঞাত যে চতুৰ্থ ষান্মাসিকটো কি হ'ব। কোনো অধ্যয়ন নকৰাকৈ জ্ঞানহীনভাৱে এটা ষান্মাসিকৰ পৰা আনটো ষান্মাসিকলৈ উত্তীৰ্ণ হৈ গৈ আছে। যদিও ছাত্ৰ-ছাত্ৰীসকলে উত্তীৰ্ণ হৈ গৈ আছে তথাপি সকলো ছাত্ৰ-ছাত্ৰী সন্তুষ্ট নহয়। কাৰণ সহজ নহয় যে এটা সন্মান বিষয় লৈ অধ্যয়ন কৰি উচ্চ শিক্ষাত জ্ঞানবিহীনভাৱে শিক্ষা আহৰণ কৰিব। লাহে লাহে পৰিস্থিতি সূচল হোৱাৰ পিছত ২০২০ চনৰ আগষ্ট মাহৰ পৰা নিয়মিত পাঠ্যক্ৰমৰ আৰম্ভ হৈছিল। যদিও মহাবিদ্যালয়ৰ আৱাসমূহ খুলি নিদিয়াৰ বাবে দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানলৈ আহি শিক্ষা আহৰণ কৰাত অসুবিধাৰ সৃষ্টি হৈছিল। শিক্ষাবিভাগে এই ক্ষেত্ৰত আহৰণ কৰাত অসুবিধাৰ সৃষ্টি হৈছিল। শিক্ষাবিভাগে এই ক্ষেত্ৰত অফলাইন শ্ৰেণী আৰম্ভ কৰাৰ উপৰিও অনলাইন মাধ্যমেৰে কৰিবলৈ জাননী প্ৰকাশ কৰিছিল যদিও বহু শিক্ষানুষ্ঠানে তেনে ব্যৱস্থা গ্ৰহণ কৰা নাছিল।

উল্লেখযোগ্য যে, দেশৰ নতুন আৱিষ্কাৰক গৱেষক ছাত্ৰ সকলেও নিজৰ কাৰ্য্য স্থবিৰ ৰাখিব লগা হৈছিল। আৱিষ্কাৰক ক্ষেত্ৰত বাধা আহি পৰিছিল। তেনে ক্ষেত্ৰত তেওঁলোকেও সমস্যাৰ সন্মুখীন হৈছিল। কাৰণ যেতিয়া এটা নতুন আৱিষ্কাৰ কৰা হয় যথেষ্ট সময়ৰ প্ৰয়োজন হয়। তেনে সময়ত যদি কাৰ্যটো হৈ নুঠে তেওঁলোক বিমোৰত পৰাটো স্বাভাৱিক।

নিজেই জ্বলি জ্বলি আনক পোহৰ বিলোৱা সকলেই হৈছে শিক্ষকসকল। শৈক্ষিক ক্ষেত্ৰৰ কথা আলোচনা কৰিবলৈ গ'লে শিক্ষকসকলৰ কথা আলোচনা কৰাটো গুৰুত্বপূৰ্ণ। শিক্ষকবিহীনভাৱে শিক্ষা সম্পূৰ্ণ হ'ব নোৱাৰে। গতিকে, শিক্ষা গ্ৰহণৰ দিনৰে পৰা শিক্ষকতা কৰি লকডাউনৰ আগলৈকে নিজ ৰুটিনৰ জীৱনশৈলী চলোৱা শিক্ষকসকলৰ বাবে ঘৰত সময় কটোৱা কিমান বেদনাদায়ক, শিক্ষকৰ বাহিৰে হয়তো সেয়া আনে নুবুজিব। ছাত্ৰ-ছাত্ৰীৰ মুখত হাঁহি দেখি তৃপ্তি পোৱা শিক্ষকসকলে কেনেদৰে তিনিমাহতকৈ অধিক সময় পাৰ কৰিব লগা হৈছিল সেইটো মাথো তেওঁলোকে বুজিছিল। কিছু কিছুৱে অনলাই ৱেবিনাৰ, কৰ্মশালা আদিত অংশগ্ৰহণ কৰাৰ উপৰিও গণমাধ্যমৰ সহায়তে ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ পূৰণ কৰিবলৈ চেষ্টা চলাইছিল। জ্যেষ্ঠ শিক্ষকসকলেও নতুনকৈ গণ মাধ্যমৰ আহিলাসমূহ আয়ত্ব কৰিবলৈ বাধ্য হৈছে আৰু ডেকাচামে গৱেষণাত অধিক মনোনিৱেশ কৰাৰ অৱকাশ সৃষ্টি হৈছিল। লকডাউনে আমাৰ শিক্ষাগুৰুসকলক ডিজিটেল মাধ্যমৰ লগত চিনাকি কৰাই দি পাৰদৰ্শী কৰি তুলিলে।

প্ৰত্যেক সমস্যাৰে কিছুমান সমাধান থাকে। সমাধান নথকাকৈ সমস্যাৰ উদ্ভৱো নহয়। তেনেক্ষেত্ৰত দেশৰ কভিড-১৯ মহামাৰীৰ পৰা প্ৰতিকাৰ পাবলৈ কিছুমান যতন লোৱা প্ৰয়োজন ঘনাই হাত ধোৱা, লক্ষণ থকা লোকৰ পৰা আঁতৰি থকা, কাহ ঢাকি ৰখা আৰু নুধুৱা হাত মুখমণ্ডলৰ পৰা আঁতৰাই ৰখা গৰমপানী ব্যৱহাৰ কৰা আদি। ইয়াৰ উপৰিও বিশ্ব স্বাস্থ্য সংস্থাই ৰাজহুৱা স্থানত সাধাৰণ লোকসকলে মাক্স পৰিধান কৰাৰ ক্ষেত্ৰত বাধ্যতামূলক অনুমোদন জনাইছে আনহাতে এন-৯৫ৰ দৰে মেডিকেল মাস্ক স্বাস্থ্যকৰ্মী আৰু ৰোগীক পৰিচৰ্যা কৰা লোকসকলে পৰিধান কৰিব লাগে বুলি অনুমোদন জনাইছে। প্ৰথম অৱস্থাত বিশ্ব স্বাস্থ্য সংস্থাই কভিড-১৯ৰ কোনো নিৰ্দিষ্ট প্ৰতিষেধক বা এণ্টিভাইৰেল ঔষধ নাই বুলি মত প্ৰকাশ কৰিছিল। লক্ষণগত চিকিৎসা, সামৰ্থক শুশ্ৰূষা আৰু ৰোগীক আঁতৰাই ৰখাই চিকিৎসা বুলি কৈছিল। কিন্তু বৰ্তমান সময়ত কভিক্সিন আৰু কভিশ্বিল্ড নামৰ ভেকচিন দিয়াৰ ব্যৱস্থা কৰা হৈছে। যথেষ্ট পৰিমাণে ৰোগত আক্ৰান্ত লোকৰ সংখ্যাও কমি আহিছে বুলি গম পোৱা গৈছে। দেশৰ পৰিস্থিতি ভাল হওক তাৰে কামনা কৰো। আমাৰ ছাত্ৰ-ছাত্ৰীসকল যাতে হতাশ হ'বলগা নহয়। সুন্দৰ ভৱিষ্যতৰ দিশত আগবাঢ়ি যাওক।


**যি মানুহে নিজেই নিজৰ আটাইতকৈ ডাঙৰ বন্ধু তেওঁ নিঃসঙ্গতা ভাল পায়। যি মানুহ নিজেই নিজৰ শত্ৰু তেওঁ নিঃসঙ্গতা ভয় কৰে, কাৰণ তেওঁ নিজৰ পৰা পলাই থাকিব খোজে।**

**— এৰিষ্টটল**

# The impact of Covid-19 in Education System

**Jyotirmoyee Das**
B.A. 3rd Semester, English Department

The pandemic spread by Novel coronavirus, also know as COVID-19, has disrupted every aspects of human life, including education. The spread of the virus caused a havoc in the educational system due to which all educational institutions got stut down. Every country have been severely impacted by the temporary closure of the educational institutions. The nationwide lockdown has had a tremendous impact on the educational system, especially for students from rural areas. Since the Indian education system is dominated by classroom study, the presence of the virus made the functioning of educational institutions go very difficult. The structure of the Indian education system, that is learning method, teaching techniques and assessment methods is quite affected which result in shifting to online education with most focus on vistural education to reach the set aims and objectives.




Before the COVID-19 lockdown, no one estimated that the face of the Indian educational institutions could change so drastically. Schools that never allowed students to carry an electronic gadget turned into learning centres for online classes. Both teachers and students are getting familiar to this new normal which is very challenging for the teachers to handle with the situation. The online classes are also very difficult for the students from unprivileged backgrounds, they face inaccessibility of the technology or the law education of their parents to guide them to use the applications. Non-availability of technical infrastructure and irregular internet connectivity all across the country is the biggest challenge in front of the students and teachers. Both teachers and students faced many hurdles during online education or online classes. At home, lack of basic facilities, external distraction and family interruption during teaching were major issues

noticed. Teachers also faced technical difficulties. The lack of technical support, lack of technical infrastructure, limited awareness of online teaching platforms and security concerns and many more difficulties were noticed.

Though the spread of COVID-19 has created many negative impacts on education system, educational institutions have accepted the challenges and tried their best to provide services to the students during the pandemic. The education system got the opportunity for transformation from traditional system to a new era. In lockdown situation, the students were not able to collect the hard copies of study material and hence most of the students used soft copies for reference. The pandemic has created a massive rise of teleconferencing, vitual meetings, webinass, E-conferencing opportunities etc. During the pandemic situation, most of the students preferred open and distance learning mode as it encourages self-learning to learn from different sources. Students are also to manage their time more efficiently in online education during the pandemic. The pandemic situation made people learn and use digital technology and resulted in increasing the digital literacy.

The education system also suffered a lot due to the outbreak of COVID-19. It creates many negative impacts on educational system. Schools were closed and the classes have been suspended, exams were postponed and entrance exams were also postponed. Teachers and students were unprepared for online classes. They were not ready for this sudden transition from face to face learning to online learning. The online teaching method also creates a difference between the rich and poor and urban and rural students. Especially in rural areas many students have no internet access and many students may not able to afford laptops, smartphones for online classes which create a digital divide among the students.

This pandemic has revealed some of the major drawbacks of education system. The shut of schools, colleges and other educational institutions has made a severe impact on marginalized students. All educational institutions are now aware of the importance of technology. It is recommend that educational institutions should use technology in every aspects. One more suggestion is that institutions can divide the courses into conventional teaching and online teaching which will help in inculcating the technology into the classrooms. It will also increase digital literacy among the teachers and students.

COVID-19 has impacted immensely the education system. Though it has created many challenges, various opportunities are also involved and evolved. The priority should be to utilized digital technology to create an advantages position for millions of young students. It is need of the hour for an institution to strengthen their knowledge and information technology infrastructure to be ready for facing COVID-19 like situations. Even if the COVID-19 crisis stretches longer, there is an urgent need to take efforts on maximum utilization of online platforms.

বিফলতাবোৰ হ'ল মানুহৰ অমূল্য অভিজ্ঞতা, একমাত্ৰ বিফলতাবোৰেহে মানুহক গভীৰতম সত্যৰ মুখামুখী কৰাই দিয়ে আৰু তেওঁৰ পদ্ধতি আৰু দৃষ্টিভংগী সলনি কৰিবলৈ বাধ্য কৰে।

— কাৰ্ল গুস্তাৰ্ভ ইয়ং

ৰচনা

# সামাজিক মাধ্যমৰ প্ৰতি যুৱসমাজৰ আসক্তি

**মনস্বিনী শৰ্মা**
স্নাতক পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ** পুৱা শুই উঠাৰ পৰা ৰাতি শুবলৈ যোৱালৈকে আমাৰ প্ৰতিটো মুহূৰ্ততে সামাজিক মাধ্যমৰ গুৰুত্ব অপৰিসীম। সামাজিক মাধ্যম অবিহনে আমি আধৰুৱাৰ দৰে হৈ পৰো। ইণ্টাৰনেটৰ ব্যাহুলতাই সামাজিক মাধ্যমৰ চাহিদা বৃদ্ধি কৰিছে।

**সামাজিক মাধ্যমৰ সুফল ঃ** সামাজিক মাধ্যমসমূহ যেনে— ফেচবুক, ইনষ্ট্ৰাগ্ৰাম, ৱাটছএপ, টুইটাৰ আদিৰ দ্বাৰা আমি এজনে আনজনৰ সৈতে পৰোক্ষভাৱে যোগাযোগ স্থাপন কৰিব পাৰো। কোনো এঠাইত হোৱা ঘটনাৱলী তৎক্ষণাত আমি চছিয়েল মিডিয়াৰ যোগেদি জানিব পাৰো। গোটেই বিশ্বক হাতৰ মুঠিত আনি দিছে এই সামাজিক মাধ্যমসমূহে। গোলকীকৰণৰ ক্ষেত্ৰত সামাজিক মাধ্যম এক লক্ষণীয় উপাদান।

**সামাজিক মাধ্যমৰ প্ৰতি যুৱসমাজৰ আসক্তিৰ কাৰণ ঃ** বৰ্তমান সময়ত সামাজিক মাধ্যমৰ প্ৰতি যুৱচামৰ আসক্তি এক জ্বলন্ত সমস্যা। যুৱচামৰ সকলোৱে সামাজিক মাধ্যমৰ সৈতে জড়িত থাকে। সামাজিক মাধ্যমখন এক ৰঙীন পৃথিৱী। ইয়াৰ প্ৰতি যুৱচাম সোনকালে আকৰ্ষিত হয়। সামাজিক মাধ্যমৰ দ্বাৰা নতুন নতুন বন্ধু গঢ়া, ফটো, ভিডিঅ' আপলোড কৰা আদি কাৰ্যই যুৱচামক সোনকালে আকৰ্ষণ কৰে। কেৱল যুৱচামেই নহয় পুৰণি প্ৰজন্মইয়ো সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়।

**যুৱচাম আসক্তি হোৱাৰ সমস্যাৰ কু-ফল ঃ** যুৱচাম সামাজিক মাধ্যমৰ প্ৰতি আসক্তি হোৱাৰ ফলত কিছুমান সমস্যাই দেখা দিছে। সামাজিক মাধ্যমৰ দ্বাৰা নাৰীৰ শ্লীলতা হানি, ব্লেকমেইলিং, লোটপাত আদি ঘটনা ইয়াৰেই ফল। বিভিন্ন ধৰণৰ গেম, ব্লেকমেইলিং ইত্যাদিৰ ফলত বহু যুৱক-যুৱতীয়ে আত্মহত্যা পৰ্যন্ত কৰিব লগা হৈছে। এনেকুৱা কিছুমানো ঘটনা হৈছে যে নিজৰ মাক-দেউতাকৰ বেংক একাউণ্টৰ দ্বাৰা টকা হৰলুকি কৰে ইণ্টাৰনেট বেংকিঙৰ দ্বাৰা, কোনোবাই প্ৰেমত প্ৰতাৰিত কৰিলে ফটো, ভিডিঅ' আদি ভাইৰেল কৰা ইত্যাদি ঘটনা যুৱচাম সামাজিক মাধ্যমৰ প্ৰতি আসক্তি হোৱাৰ কু-ফল।

**যুৱচাম সামাজিক মাধ্যমৰ প্ৰতি আসক্তি হোৱাৰ সু-ফল ঃ** প্ৰতিটো কাৰ্যৰে ক্ৰিয়া-প্ৰতিক্ৰিয়া থাকে। এচামে সামাজিক মাধ্যমৰ সৈতে আসক্তি হৈ ইয়াৰ বেয়া ব্যৱহাৰ কৰিলেও আন একাংশই ইয়াৰ সু-ব্যৱহাৰ কৰে। কিছুলোকে সামাজিক মাধ্যমৰ দ্বাৰা কোনো বিষয়ৰ ওপৰত সমজুৱাকৈ লগ হৈ প্ৰতিবাদ সাব্যস্ত কৰে। যিটো বৰ্তমান টুইটাৰত দেখা যায়। সেইদৰে বিভিন্ন ঠাইৰ যুৱক-যুৱতী সামাজিক মাধ্যমৰ দ্বাৰা একত্ৰিত হৈ বিভিন্ন সামাজিক কাম কৰা দেখা যায়। সাহিত্য চৰ্চা, ব্লগ, সহায়কমূলক কাম ইত্যাদি যুৱচামে সামাজিক মাধ্যমৰ দ্বাৰা কৰে। বিভিন্ন প্ৰতিযোগিতাও যুৱচামে সামাজিক মাধ্যমৰ দ্বাৰা অনুষ্ঠিত কৰা দেখা যায়।

**আসক্তিৰ পৰা উদ্ধাৰ হোৱা উপায় ঃ** যুৱচামক বিভিন্ন সজাগতামূলক কাৰ্য, সভা ইত্যাদিৰ দ্বাৰা সামাজিক মাধ্যমৰ আসক্তিৰ পৰা উদ্ধাৰ কৰিব লাগে। সামাজিক মাধ্যমৰ সু-ফল কু-ফলৰ বিষয়ে তেওঁলোকক জ্ঞান দিব লাগে। অভিভাৱকে এই ক্ষেত্ৰত তেওঁলোকৰ ওপৰত চকু দিব লাগে। বুজনিৰে বুজাব নোৱাৰিলে শাসনৰ চকুৰে সামাজিক মাধ্যম ব্যৱহাৰত চকু দিব লাগে।

**সামৰণি ঃ** যুৱচামৰ বাবে সামাজিক মাধ্যম নহ'লেও নহ'ব। কিন্তু সামাজিক মাধ্যম প্ৰয়োজনতহে ব্যৱহাৰ কৰিব লাগে। আসক্তিৰ বাবে নহয়। প্ৰয়োজনক অভ্যাস আৰু অভ্যাসক আসক্তিলৈ ৰূপান্তৰ কৰাত বাধা দিয়াটো যুৱচামৰ লগতে পুৰণি প্ৰজন্মৰো দায়িত্ব।

# সামাজিক মাধ্যমৰ প্ৰতি যুৱ সমাজৰ আসক্তি

**শিল্পীপ্ৰিয়া চেতিয়া**
স্নাতক পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ** বৰ্তমান সময়ত বহুলভাৱে চৰ্চিত আৰু ব্যৱহৃত এক বিষয় হৈছে সামাজিক মাধ্যম। হোৱাটছএপ, ফেচবুক, ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যমসমূহ বৰ্তমান সৰুৰ পৰা ডাঙৰলৈকে সকলোৰে বাবে চিনাকি। সামাজিক মাধ্যমসমূহে বৰ্তমান মানুহৰ মাজত সামাজিক দূৰত্ব তেনেই হ্ৰাস কৰি আনিছে।

**যুৱ সমাজত ইয়াৰ প্ৰভাৱঃ** বৰ্তমান সময়ত সৰুৰ পৰা ডাঙৰলৈকে সকলোৰে হাতে হাতে একোটা স্মাৰ্ট ফোন। অৱশ্যে ইয়াৰ প্ৰয়োজনীয়তাও নুই কৰিব নোৱাৰি। ইয়াত উপলব্ধ হোৱা সামাজিক মাধ্যমৰ প্ৰতিও মানুহৰ আসক্তি বৃদ্ধি পাইছে। বিশেষকৈ যুৱসমাজৰ। এষাৰ কথা যে কুমলীয়া বাঁহ যেনেদৰে ভাঁজ দিয়া হয় তেনেদৰেই গঢ় লয়। যুৱ সমাজকো কুমলীয়া বাঁহৰ লগত তুলনা কৰিব পাৰি। কৈশোৰৰ অনিয়ন্ত্ৰিত মানসিক অৱস্থাৰ বিষয়ে কোনো অজ্ঞ নহয়। গতিকে এই সময়ত সামাজিক মাধ্যমত যুৱ সমাজ জড়িত হৈ পৰাৰ লগে লগে ইয়াৰ বেয়া প্ৰভাৱেই বেছি পৰিলক্ষিত হয়। দিনৰ অধিকাংশ সময় কেৱল সামাজিক মাধ্যমৰ লগত জড়িত হৈ থকাৰ ফলত যুৱসমাজে কেৱল ভাৰ্চুৱেল পৃথিৱীৰ ৰীতি-নীতিহে শিকি উঠিছে, বাস্তৱ পৃথিৱীখনৰ ৰীতি-নীতি সম্বন্ধে তেওঁলোক অজ্ঞ তথা ইয়াৰ প্ৰতি অনীহা প্ৰদৰ্শন কৰাহে হৈছে। আৱেগ-অনুভূতিবোৰো তেওঁলোকৰ বাবে বেচা-কিনাৰ সামগ্ৰী সদৃশ হৈ পৰিছে। বৰ্তমান তেওঁলোকে আৱেগৰ বহিঃপ্ৰকাশ কৰে সামাজিক মাধ্যমৰ একোটা ইমোজিৰ যোগেদি। অত্যধিক সামাজিক মাধ্যমৰ প্ৰতি আসক্তিয়ে যুৱ সমাজত উচ্ছৃংখলতা বৃদ্ধি কৰিছে। তেওঁলোকৰ ধৈৰ্য্য শক্তি কমি আহিছে, সমান্তৰালভাৱে নিষিদ্ধ কামৰ প্ৰতিও আসক্তি বাঢ়িছে।

**প্ৰতিকাৰৰ উপায় ঃ** সমস্যা থাকিলে সমাধানো থাকিবই। সামাজিক মাধ্যমৰ প্ৰতি ক্ৰমশ বৃদ্ধি পাই অহা যুৱ সমাজৰ আসক্তিবোধ কৰাৰ উপায় নথকা নহয়। ইয়াৰ বাবে প্ৰথম উপায় হ'ব ঘৰখন। মাক-দেউতাকে সততে সন্তানৰ ওপৰত এই ক্ষেত্ৰত চকু ৰাখিব লাগিব। তেওঁলোকৰ মনত জীৱন তথা অন্যান্য বিষয়ত গঢ়ি উঠা প্ৰশ্নৰ যুক্তিসংগত উত্তৰ দিবলৈ চেষ্টা কৰিব লাগে তথা মৰমৰ বুজনি প্ৰদান কৰিব লাগে যাতে তেওঁলোকৰ আৱেগৰ সংশোধিত পথেৰে বাহিৰ হৈ আহে। লগতে তেওঁলোকক সৃষ্টিশীল কামত নিয়োগ কৰিব লাগে যাতে তেওঁলোকৰ মনত সৃষ্টিশীলতা জাগ্ৰত হয় আৰু তেওঁলোক আত্মবিশ্লেষণত ব্ৰতী হ'ব পাৰে আৰু আজৰি সময়ৰ সদব্যৱহাৰ হয়।

**সামৰণি ঃ** প্ৰতিটো বিষয়ৰে ভাল-বেয়া দুয়োটা দিশ থাকে। ভাল-বেয়া অত্যন্ত আপেক্ষিক বিষয়। এইয়া নিৰ্ভৰ কৰে মানুহৰ মনৰ ওপৰত। গতিকে, সামাজিক মাধ্যমৰো ভাল-বেয়া নিৰ্ভৰ কৰে ইয়াৰ ব্যৱহাৰৰ ওপৰত। কাৰণ সামাজিক মাধ্যমৰ সু-প্ৰয়োগৰ জৰিয়তে নিজৰ কলা-কৌশলক বহুতে বিশ্ব দৰবাৰত জিলিকাই তুলিছে ন-ন জ্ঞান লাভ কৰিবলৈয়ো সক্ষম হৈছে। গতিকে সামাজিক মাধ্যমৰ সু-নিয়ন্ত্ৰিত ব্যৱহাৰৰ যোগেদি যুৱ সমাজৰ এক উজ্জ্বল ভৱিষ্যৎ আশা কৰিব পাৰি।

# সামাজিক মাধ্যমৰ প্ৰতি যুৱসমাজৰ আসক্তি

**প্ৰস্তুতি বড়া**
স্নাতক পঞ্চম ষান্মাসিক, বুৰঞ্জী বিভাগ

**আৰম্ভণি ঃ** একবিংশ শতিকাৰ প্ৰযুক্তিবিদ্যাই উন্নতিৰ চৰম শিখৰত উপনীত হোৱাৰ সময়তে যুৱপ্ৰজন্মৰ মাজত অতি জনপ্ৰিয়তা লাভ কৰা এটা অন্যতম বিষয় হ'ল সামাজিক মাধ্যম। এই বিষয়টোৱে বৰ্তমান বিদ্বত মহলৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সামাজিক মাধ্যমে জনগণৰ মাজত সহজে সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে। কিন্তু যুৱ প্ৰজন্মৰ মাজত গঢ়ি উঠা সামাজিক মাধ্যমৰ প্ৰতি আসক্তিয়ে সমাজত বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে।

**সামাজিক মাধ্যম ঃ** বৰ্তমান সময়ত ইলেক্টনিক যোগাযোগৰ পৃথিৱীত বিভিন্ন প্ৰকাৰৰ সামাজিক মাধ্যম উপলব্ধ। মাৰ্ক জুকাৰবাৰ্গৰ দ্বাৰা আৱিষ্কৃত ফেচবুককে ধৰি ৱাটছএপ, টুইটাৰ, ইনষ্টাগ্ৰাম আৰু অন্যান্য যোগাযোগৰ এপসমূহ সামাজিক মাধ্যমৰ অন্তৰ্গত। অৱশ্যে বৰ্তমান বহুতো স্বাধীন এপ ফেচবুকৰ তত্বাৱধানত পৰিচালিত হোৱা দেখা যায়। লগতে মাৰ্ক জুকাৰবাৰ্গ পৃথিৱীৰ এজন অন্যতম ধনী ব্যক্তিৰ পৰিণত হৈছে।

**সামাজিক মাধ্যমৰ প্ৰতি যুৱ প্ৰজন্মৰ আসক্ত হোৱাৰ ফলত সৃষ্টি হোৱা সমস্যা ঃ** বৰ্তমান যুৱপ্ৰজন্মৰ মাজত সামাজিক মাধ্যমে এনেদৰে জনপ্ৰিয়তা লাভ কৰিছে যে ই বৰ্তমান তেওঁলোকৰ এক আসক্তিত পৰিণত হৈছে। এই আসক্তিয়ে জন সমাজৰ প্ৰতি অশনি সংকেত কঢ়িয়াই আনিছে। সামাজিক মাধ্যমৰ ব্যৱহাৰৰ বিভিন্ন সুবিধা আছে যদিও ইয়াৰ অত্যধিক ব্যৱহাৰে যুৱপ্ৰজন্মৰ মাজত 'কৰ্মবিমুখ সংস্কৃতি'ৰ জন্ম দিয়াত বিশেষ বৰঙনি যোগাইছে। মোবাইল ফোন, কম্পিউটাৰ আদিৰ অত্যধিক ব্যৱহাৰে যুৱ প্ৰজন্মৰ মাজত বিভিন্ন স্বাস্থ্যসম্পৰ্কীয় সমস্যাৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমৰ অসংযত ব্যৱহাৰে যুৱপ্ৰজন্মৰ মাজত এক বিকৃত মানসিকতাৰ সৃষ্টি কৰিছে। বৰ্তমান সময়ত সুলভ হৈ পৰা ধৰ্ষণ, যৌন নিৰ্যাতন আদিৰ দৰে সামাজিক সমস্যা বৃদ্ধিত এই যুৱপ্ৰজন্মৰ সামাজিক মাধ্যমৰ প্ৰতি থকা আসক্তিও এক অন্যতম কাৰণ। বিভিন্ন সময়ত ভাইৰেল হৈ পৰা ভিডিঅ', মিমিক্ৰি আদিয়ে বহুতৰ জীৱনলৈ অমানিশাও নমাই অনা দেখা যায়। যুৱ উচ্ছৃংখলতাৰ অন্য এক কাৰণো এই আসক্তি। এনেদৰে দেখা যায় যে সামাজিক মাধ্যমৰ প্ৰতি থকা যুৱপ্ৰজন্মৰ আসক্তিয়ে ভৱিষ্যত দিনৰ কৰ্ণধাৰ যুৱপ্ৰজন্মক এক অসুস্থ দিনৰ বাবেহে সাজু কৰি তুলিছে।

**সামৰণি ঃ** যুৱ প্ৰজন্মৰ সামাজিক মাধ্যমৰ প্ৰতি থকা আসক্তিয়ে বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে যদিও এই মাধ্যমবিলাকৰ উপযুক্ত আৰু সঠিক ব্যৱহাৰে আমাৰ সমাজক উন্নতিৰ দিশত আৰু এখোজ আগুৱাই লৈ যাব। এই ক্ষেত্ৰত সংবাদ মাধ্যম আৰু বিজ্ঞ মহলৰ ভূমিকা উল্লেখনীয় হোৱা উচিত। সামাজিক মাধ্যমৰ সঠিক ব্যৱহাৰ উপলব্ধ কৰাত চৰকাৰেও দৃষ্টি প্ৰদান কৰা উচিত তেতিয়াহে এক সুস্থ দেশ আৰু ভৱিষ্যত গঢ়ি উঠোতো সম্ভৱ।

## চিঠি ঃ ককা -আইতালৈ

# ককা-আইতালৈ চিঠি

**লীজা কলিতা**
স্নাতক তৃতীয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

মৰমৰ

ককা, পোনপ্ৰথমে অন্তৰৰ নিভৃত কোণৰ পৰা তোমালৈ সেৱা জনালোঁ। তোমাৰ স্বাস্থ্য ঠিকেই আছেনে বাৰু? বৰ মনত পৰে জানানে তোমালোকলৈ। আইতাৰ ভালনে? আইতাক ক'বা তোমালোকৰ নাতিনীয়ে তোমালোকক বৰ মনত পেলায়।

ককা, জানানে? চহৰলৈ অহাৰ পৰা মোৰ জীৱনৰ মধুৰৰ সময়খিনি যেন মই ক'ৰবাত হেৰুৱাই পেলাইছোঁ। কাৰণ যান-যঁটেৰে ভৰপূৰ যান্ত্ৰিক চহৰখনৰ কৃত্ৰিম মনৰ মানুহখিনিতকৈ মোৰ গাঁওখন যে সম্পূৰ্ণ বিপৰীত। গাঁৱৰ কেঁচা মাটিৰ সেই সুগন্ধটো মই যে ইয়াত বিচাৰিও ভাগৰি গৈছে। আৰু কি জানা ককা, ইয়াত বিনা স্বাৰ্থত মানুহে কাকো সহায় নকৰে। মই ভীমকলৰ লগত পিঠাগুৰি সনা খাই ভালপাওঁ বাবে যে বকুলী পেহীয়ে মোক বৰ আদৰেৰে খাবলৈ মাতি নিয়ে, ইয়াত তেনেকুৱাকে মতা কোনো নাই জানানে। গাঁৱৰ সেই নিভাঁজ মৰমে মোক তোমালোকৰ মাজলৈ ৰিঙিয়াই মাতে জানানে? কিন্তু মই যাওঁ বুলি ক'লেও যাবলৈ অপাৰগ, তুমিটো জানাই। ইয়াত বন্ধ গা-ধোৱা ঘৰত গা ধুই মোৰ কি মনত পৰে জানা- আমি যে সকলো মদন, চম্পা, জেতুকীহঁতৰ লগত একেলগে নদীত চিঞৰ-বাখৰ কৰি গা-ধুবলৈ যাওঁ। উফহ্ কিমান যে মনত পৰে সেই দিনবোৰ।

ককা, তুমিযে মোক তোমাৰ ভাগৰ খুন্দা তামোলৰ জুতি ল'বলৈ দিয়া, সেই দিনবোৰে মোক বৰ আমনি কৰে অ'। আইতাই যে মূৰত ঘঁহা নৱৰত্ন তেলৰ গোন্ধটোৱেও মোক আইতলৈ বৰ মনত পেলাই। কাৰণ নৱৰত্ন তেলৰ গোন্ধত মই আইতাক বিচাৰি পাওঁ।য

ককা, আজিলৈ সামৰো। তুমি দৰৱবোৰ ভালদৰে সময়মতে খাবা। আৰু আইতাকো দিবা। স্বাস্থ্যৰ টিকমতে যতন ল'বা। তোমালোকৰ নাতিনীয়ে তোমালোকক বহুত ভাল পায়। শেষত, পোনৰবাৰ সেৱা ল'বা।

ইতি
তোমালোকৰ আইজনী

# হৃদয়ৰ পৰা হৃদয়লৈ

**শুভলক্ষী চাংমাই**
স্নাতক প্ৰথম যান্মাসিক, অৰ্থনীতি বিভাগ

'মইনা ভালদৰে থাকিবি, নিজৰ যতন ল'বি। মোৰ মৰম সদায় তোৰ লগত থাকিব।' এই বুলি কৈ মোৰ মমতাময়ী আইতাজনীয়ে শেষ নিশ্বাস ত্যাগ কৰিলে। নেদেখাজনৰ ওচৰলৈ গুচি গ'লা।

তোমাৰ মইনা এতিয়া এখন ন' ঘৰলৈ যাব ওলাইছে আইতা। আজি তোমালৈ মোৰ বৰকৈ মনত পৰিছে। তুমিবিহীন এটা দিনো মোৰ নাযায় নোপোৱাই। মই এখন নতুন ঘৰত থাকিম কেনেকৈ। তুমি নোহোৱাৰে পৰা আমাৰ ঘৰখন একেবাৰে নিৰ্জন হৈ পৰিল। মোৰ যতন ল'বলৈ তোমাৰ বাহিৰে যে কোনো নাছিল। তুমি গুচি গ'লা। আজিৰ পৰাটো মোৰ সম্পূৰ্ণ এটা নতুন জীৱন। আইতা মই জানো সেই মানুহবোৰক আপোন কৰি ল'ব পাৰিম? তোমাৰ দৰে তেওঁলোকেও জানো মোক মৰমৰ হাতখন আগবঢ়াব? মোৰ বৰকৈ ভয় লাগিছে আইতা।

আইতা, তোমাক যে মই ক'বলৈ পাহৰিছিলোৱে এইবাৰ তোমাৰ মৃত্যুবাৰ্ষিকীত মই তোমাৰ নামত এখন অনাথ আশ্ৰম খোলাৰ আশা মনত পুহি ৰাখিছো। নাজানো সেই আশা পূৰণ হ'ব নে নহয়। কিন্তু মই চেষ্টা কৰিম আইতা, তোমাৰ দৰে নিৰীহ, অকলশৰীয়া, পুত্ৰৰ মৰমৰ পৰা বঞ্চিত হোৱা মাতৃসকলক মই যতন লম, তেওঁলোকক শ্ৰদ্ধা কৰিম তেওঁলোকৰ সুখ-দুখৰ সমভাগী হ'ম আৰু তোমাৰ নামেৰেই আশ্ৰমখনৰ নাম ৰাখিম 'মমতা'। মোক আশীৰ্বাদ কৰা আইতা। তুমি য'তেই আছা তাৰে পৰা তোমাৰ মইনাক আশীৰ্বাদ কৰা যাতে তোমাৰ মইনা ভালে থাকে। হ'ব দিয়া আইতা, বহু ৰাতি হ'ল শুই যাওঁ আৰু কালিলৈ মোৰ বিয়া। আজি তোমালৈ মোৰ অতিকৈ মনত পৰাৰ বাবেই বহু কথাই কৈ পেলালো। মোৰ মৰম-চেনেহ, শ্ৰদ্ধা-ভক্তি তোমাৰ নামত সদায়ে থাকিব। তোমাক মোৰ হৃদয়ৰ যিটো স্থানত ৰাখিছো ই বৰ্ণনাৰ সদায় বাহিৰত তোমাৰ স্থান আনক দিব নোৱাৰো। শেষত মোৰ অশ্ৰু-অঞ্জলি মৰম, ভালপোৱা, আদৰৰে আকোঁৱালি ল'বা। এয়া মোৰ ডায়েৰিৰ তোমাৰ নামৰ প্ৰথমখন ডাকত নিদিয়া চিঠি। তোমাৰ কথাৰেই শেষত কওঁ ওঁ নমঃ শিৱায়। আজিলৈ সামৰো।

ইতি
তোমাৰ মৰমৰ
মইনা

প্ৰাচুৰ্যতা

# প্ৰাচুৰ্যতাৰ মেৰপাক

**মনস্বিনী শৰ্মা**
স্নাতক পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

"নাই! আৰু সহ্য কৰিব নোৱাৰো। নিৰুপায় হৈ পৰিছো মই। কি কৰিলে ল'ৰাটো সৎ পথলৈ পুনৰ উভতি আহিব ভাবি ভাবি পাৰ পোৱা নাই।"

জানকীয়ে ফোঁপাই-জোপাই কথাখিনি গিৰিয়েক ডম্বুধৰক ক'লে। জানকী আৰু ডম্বুধৰ দুয়ো অভিযন্তা দম্পতী। অভাৱ বুলিবলৈ দুয়োৰে একো নাই। দুটাকৈ ফ্লেট, গাড়ী, মাটি-সম্পত্তিৰে উভৈনদী তেওঁলোকৰ। কিন্তু সকলো থাকিও যেন কিবা এটা নাই। হয় তেওঁলোকৰ একমাত্ৰ পুত্ৰ সন্তান গৌতমক তেওঁলোকে মানুহ হিচাপে গঢ়িব পৰা নাই। চহৰখনৰ আটাইতকৈ নাম থকা কলেজখনত গৌতম পঢ়ে। কিন্তু গৌতমক মাক-দেউতাকে সৰুৰে পৰা একোৰে অভাৱ পাবলৈ নিদিলে। মাক-দেউতাকে গাত টুপ এটা পৰিবলৈ নিদিয়া গৌতমে লাই পাই পাই অধঃপতনে যাবলৈ ধৰিলে। মাক-দেউতাকে তাক হাজাৰ বুজাইয়ো শুদ্ধ পথলৈ আনিব নোৱাৰিলে।

সিদিনাখনৰ কথা। গৌতমে কলেজলৈ নগৈ বাহিৰে বাহিৰে প্ৰেয়সীৰ সৈতে হোটেলৰ কমত নিশা পাৰ কৰিলে। ওৰে ৰাতি মাক-দেউতাকে তাক বিচাৰি চলাথ কৰিলে। শেষত পুলিচৰ সহায় লৈ মাক-দেউতাকে হোটেলৰ কমত দুয়োকে উদ্ধাৰ কৰিলে। মাক-দেউতাকে গৌতমৰ কাণ্ড-কাৰখানাৰ বাবে সমাজৰ চকুত মুখ উলিয়াব নোৱাৰা হ'ল। গৌতমে আজি বোলে এইটো কৰিলে, কালি বোলে সেইটো কৰিলে। জানকীয়ে গৌতমৰ কথা ভাবি ভাবি নিৰৱে চকুলো টোকে। মাকৰ চকুৰ পানীয়েও গৌতমক প্ৰভাৱিত নকৰে।

আজি দেওবাৰ যদিও গৌতমে ৰাতিপুৱাতে ক'ৰবাৰলৈ ওলাই গ'ল। হঠাৎ পুলিচৰ গাড়ী এখন আহি গৌতমৰ ঘৰৰ আগত ৰ'লহি।

ঃ গৌতম আছেনে? অ.'চি. প্ৰশ্ন।

ঃ সি ঘৰত নাই। আপোনালোক কিয় আহিছে আমাৰ ঘৰলৈ? গৌতমৰ মাক-দেউতাকে সুধিলে।

ঃ আপোনাৰ ল'ৰাই ড্ৰাগছৰ ব্যৱসায় কৰে। আপোনালোকৰ ঘৰ তালাচি ল'ব লাগিব। অ.'চি.ৰ উত্তৰ শুনি গৌতমৰ দেউতাক থিতাতে ঢলি পৰিল। দুজনমান কনিষ্ঠবলে গৌতমৰ দেউতাকক হস্পিতাললৈ লৈ গ'ল যদিও তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে। এফালে ঘৰত পুলিচ। আনফালে হস্পিতালত ভাবুক হৈ পৰিল। কি কৰিব কি নকৰিব একো ভাবি নাপায় জানকীয়ে কোঠাৰ দুৱাৰখন মাৰি সোমাই থাকিল। এনেতে গৌতম ঘৰলৈ উভতি অহাত পুলিচে গৌতমক এৰেষ্ট কৰিলে। জানকীক বিচাৰি ঘৰৰ দৰ্জাভাঙি পুলিচে দেখা পালে জানকীৰ নিথৰ দেহ চিলিং ফেনত উলমি আছে। প্ৰাচুৰ্যতাৰ ভৰপকত উতনুৱা হৈ ঘূৰি ফুৰা গৌতমে আজি অনুভৱ কৰিলে তাৰ আচল প্ৰাচুৰ্য কোন আছিল যাক ধন-সম্পত্তিৰেও কিনিব নোৱাৰে সি।

# প্ৰাচুৰ্যতা

**জাহ্নবী গগৈ**
স্নাতক পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

মুক্তিত নিস্পৃহ যিটো
সেহি ভকতৰ নমো
ৰসময় মাগোহো ভকতি।।

পুৱাৰে পৰাই শিৱদৌলৰ প্ৰাংগনত দুজন বিশেষভাৱে সক্ষম ব্যক্তিৰ অবিৰত প্ৰাৰ্থনা। কোনোৱে দূৰৈৰ পৰাই চাই সন্তুষ্টি লভিছে। আন কোনোবাই আকৌ তেওঁৰ দক্ষিণাৰ পাত্ৰলৈ আগবঢ়াই দিছে সাধ্যানুসাৰে দক্ষিণা। দুয়োজনৰে মুখত পৰম তৃপ্তিৰ ভাৱ স্পষ্টকৈ জিলিকিছে।

আনফালে শিৱসাগৰ ছোৱালী কলেজৰ সন্মুখত শিৱদৌলৰ ঠিক কাষতে শাৰী শাৰীকৈ থকা কেইখনমান অস্থায়ী বিপনী। ধূপ-চাকি, মালা, ফুল ইত্যাদিৰ। মণিকা হাতীবৰুৱা। কলেজলৈ আহি সেই ধূপ-চাকিৰ দোকান কেইখনৰ ওচৰতে সদায় স্কুটীখন সেইখিনিতে ৰাখিলে। সদায় দেখাৰ দৰে একেই পৰিৱেশ। শিৱদৌল দৰ্শনৰ বাবে অহা অসংখ্য ভক্তৰ বাবে অপেক্ষা তেওঁলোকৰ। চকুকেইটা সদায়েই তিৰবিৰাই থাকে মোৰ দোকানলৈ, কোনজন ভক্তই আহি ক্ৰয় কৰিব ধূপ-ধূনা চাকি। তেওঁলোকৰ মাজত অঘোষিত প্ৰতিযোগিতা চলে প্ৰতিদিন। কাৰ দোকানত ভক্তৰ ভিৰ। তেওঁলোকৰ ব্যৱহাৰ অতি নম্ৰ, ভদ্ৰ। 'আহক দাদা, ইয়ালৈ আহক।' আনজনে আকৌ চিঞৰে 'নহয় দাদা মইহে আপোনাক প্ৰথমে মাতিছো। আপুনি ইয়ালৈ আহক।' ভিন্নজনে ভিন্ন মত দি নিজৰফালে ভক্তক আকৰ্ষিত কৰাৰ অপ্ৰাণ প্ৰচেষ্টা। তেওঁলোকৰ মুখত ফুটি উঠে নিৰ্ভেজাল অকৃত্ৰিম জোনাকৰ স্নিগ্ধতা।

তাৰ কাষে কাষে ভিক্ষাৰ জোলোঙা লৈ ঘূৰি ফুৰা কণ কণ শিশুসকল। তাহাতক দেখি মণিকাৰ হৃদয় হাঁহাকাৰ কৰি উঠে। মৰমতে তাই নিজে খাবলৈ অনা দহটকা এটা আগবঢ়াই দিয়ে। সিহঁতৰ মুখত আপোনা-আপুনি জিলিকি উঠে প্ৰাপ্তিৰ হাঁহি। মণিকাৰ হৃদয় জুৰ পৰে।

সেই সময়ত এখন ডাঙৰ বাছত এজাক মানুহ আহি ৰয়হি শিৱদৌলৰ ওচৰত। আস্ সকলোৰে মুখত জিলিকি উঠে কেতিয়াও আনক প্ৰকাশ কৰিব নোৱাৰা তৃপ্তি। দুচকু জিলিকি উঠে। সূৰ্যৰ পোহৰত দৌলৰ কলচি জিলিকি উঠাৰ দৰে জিলিকি উঠে তেওঁলোকৰ মুখমণ্ডল।

# প্ৰাচুৰ্যতা

**শিল্পীপ্ৰিয়া চেতিয়া**
স্নাতক পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

পইতা ভাত, আলু-বেঙেনা পোৰা আৰু কেঁচা পিয়াঁজ এডোখৰ, কেঁচা জলকীয়া এটাৰে সৈতে ভৰেশৰ মাকে লাজ-লাজকৈ আদিত্যলৈ ভাতকেইটা আগবঢ়াই দিলে। ঘটিটোৰ পৰা পানী অকণ লৈ মজিয়াখন মোহাৰি তাতে দেউতাকলৈও ভাতকেইটা সজাই দিলে। লগতে পুতেক ভৰেশলৈ। গাটো ধুই আহি গামোচাখনেৰে হাত-মুখ মোহাৰি দেউতাকে মাককো চিঞৰিলে, 'তোমালৈও লৈ আহা, একেলগে খোৱাৰ সমান তৃপ্তি নাই।' মাকেও আটাইৰে সৈতে ভাতকেইটা খাই ল'লে। ভাত-খাই উঠি তামোল-চালি আটাইকে দি মাকে কাঁহি-বাটি কেইটা ধুবলৈ গ'ল।

ভৰেশৰ ঘৰৰ বাৰান্দাত ভগা চকীখনত বহি আদিত্যই নিজৰ ঘৰখনলৈ মনত পেলালে। চহৰৰ মাজমজিয়াত অৱস্থিত সিহঁতৰ ঘৰটো অট্টালিকা বুলি ক'লেহে ভাল হ'ব। কি নাই সিহঁতৰ ঘৰত। কাম-কৰা মানুহ ছজন, গাড়ী-ঘোঁৰাৰে সৈতে এখন পৰিপূৰ্ণ ঘৰ। তথাপিও, যেন কিবা এটাৰ অভাৱ আছে। আদিত্যই মনতে পাগুলীয়াবলৈ ধৰিলে। সিহঁতৰ প্ৰকাণ্ড ডাইনিং টেবুলখনত ঘৰৰ আটাইকেইটা মানুহে একেলগে বহি আটোম-টোকাৰিকৈ ভাত সাজ খাব পাৰে। কিন্তু সৰুৰ পৰা আদিত্যই মাক-দেউতাকৰ লগত একেলগে বহি ভাত খোৱাৰ অভিজ্ঞতা তেনেই কম। মাক-দেউতাকৰ লগত একেলগে বহি একাপ চাহ খাবলৈও দেখোন মাক-দেউতাকৰ আহৰি নাই। ভৰেশৰ ঘৰত সি দেখিছে ভৰেশৰ মাকে কেনেকৈ তাক ভৰেশৰ লগৰ বুলি আদৰেৰে সাৱটি লৈছিল। ভৰেশৰ মাকৰ গাৰপৰা হালধি-পিঁয়াজৰ এটা গোন্ধ ভাঁহি আহিছিল। তথাপি তাৰ ভাল লাগিছিল। নিজৰ মাকৰ গাৰ গোন্ধ তাৰ চিনাকিয়েই নহয়। আভিজাত্যৰ গৌৰৱত উফন্দি ফুৰা তাৰ মাক-দেউতাকৰ তাৰ বাবে অলপ সময় উলিয়াবলৈও আহৰি নাই। মাত্ৰ প্ৰয়োজনীয় বা জোখতকৈ বেছি বস্তু তাক সময়ে সময়ে দি তাতেই তেওঁলোকৰ দায়িত্ব সামৰিছে। কিন্তু ভৰেশৰ ভঙা ঘৰখনত আত্মীয়তাৰ বান্ধবোৰ দেখি তাৰ সেইখন ঘৰ স্বৰ্গ যেন অনুভৱ হ'ল। অভাৱৰ মাজতো মৰম-চেনেহ, আত্মীয়তাৰ প্ৰাচুৰ্যতাৰে ভৰি থকা ভৰেশৰ ঘৰখনৰ ওচৰত আদিত্যৰ অট্টালিকাসদৃশ ঘৰখন যেনে তেনেই ম্লান পৰি ৰ'ল। দূৰৈৰ পৰা তাৰ ওচৰলৈ আহি থকা ভৰেশ আৰু ভৰেশৰ মাকলৈ চাই আদিত্যই এটা সেমেকা হাঁহি মাৰি উঠি গ'ল আৰু ভৰেশৰ মাকক সজোৰে সাৱটি ধৰিলে। তেওঁৰ মাতৃত্বৰ প্ৰাচুৰ্য্যতাৰ অলপ উম ল'বলৈ।

## সম্পাদকীয় প্ৰতিবেদন



# সভাপতিৰ প্ৰতিবেদন

আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি
আমি এজাক সপোন সোণালী
ড° কৰবী ডেকা হাজৰিকা

প্ৰতিবেদনখনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা নিবেদিছো যাৰ ছত্ৰছাঁয়াত ১৯৬৪ চনত শিৱসাগৰ ছোৱালী কলেজে জন্ম লাভ কৰিছিল লগতে কৃতজ্ঞতা কৰিছো শিৱসাগৰ ছোৱালী কলেজৰ সেই ছাত্ৰীসকলক যিসকল ছাত্ৰীয়ে মোৰ আত্মবিশ্বাসৰ ওপৰত বিশ্বাস ৰাখি মোক ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সভাপতি হিচাপে নিৰ্বাচিত কৰিলে।

বহু স্বপ্নৰ ঠিকনা বিচাৰি সৌ সিদিনা ইয়ালৈ আহিছিলো। ঐতিহাসিক শিৱসাগৰ পুখুৰীত সাঁতুৰি-নাদুৰি আত্মহাৰা হোৱা পৰিব্ৰাজক চৰাইজাকৰ দৰেই ময়ো তাৰ পাৰত জী উঠাৰ কছৰৎ কৰিছিলো। এফালে আহোমৰ বাংময় গৌৰৱ ধ্বজা আনফালে ধাৰ্মিক গণতান্ত্ৰিক আৰু তাৰ মাজতেই তথাকথিত সমাজখনে অৱলা জ্ঞান কৰা এজাক সপোন খেদি ফুৰা পখিলা, এখন আকাশ, এখন সমাজ সেয়াই আমাৰ শিৱসাগৰ ছোৱালী কলেজ। উজনি অসমৰ শিৱসাগৰ মাটিত ওপজা প্ৰতিগৰাকী ছোৱালীৰ মনত এবাৰলৈ হ'লেও দোলা দিয়া এটা ঠিকনা, যাৰ বুকুত জী উঠাৰ প্ৰতিগৰাকী যুৱতীৰে থাকে হেঁপাহ। ময়ো আছিলোঁ তাৰ মাজৰে এগৰাকী হৈ। সহস্ৰ আশা আৰু কল্পনাৰে লক্ষ্য প্ৰাপ্তিৰ এক পথ হিচাপে বাচি লৈ খোজ পেলাইছিলো 'শিৱসাগৰ ছোৱালী কলেজ'ৰ মজিয়াত ২০১৭ বৰ্ষত এই মহাবিদ্যালয়ত এগৰাকী ছাত্ৰী হিচাপে অন্তৰ্ভুক্ত হৈছিলোঁ আৰু তেতিয়াৰ পৰাই মহাবিদ্যালয়খনৰ প্ৰতিটো সৰু-বৰ কামত জড়িত আছিলো। ২০২১ বৰ্ষৰ ৪ ডিচেম্বৰত অনুষ্ঠিত হোৱা ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰিছিলো আৰু মোৰ শুভাকাংক্ষীৰ সহায় আৰু সহযোগত সেই পদত জয়ী হ'বলৈ সক্ষম হৈছিলো। ১১ ডিচেম্বৰ ২০২১ তাৰিখে কলেজৰ নীতি অনুসাৰে আমাৰ ছাত্ৰী একতা সভাই শপত গ্ৰহণ কৰোঁ আৰু দায়িত্বভাৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰোঁ। কাৰ্যভাৰ গ্ৰহণ কৰিয়ে ছাত্ৰীসকলৰ সমস্যাসমূহকে আদি কৰি ছাত্ৰী একতা সভাৰ দায়িত্বত থকা অনুষ্ঠানসমূহ সুচাৰুৰূপে পালন কৰিবলৈ যত্ন কৰিছিলোঁ। কাৰ্যকালৰ আৰম্ভণিতে ২০২১ বৰ্ষৰ নৱাগতা আদৰণি সভাখন সফলভাৱে অনুষ্ঠিত হৈছিল। ইয়াৰ পিছতেই ছাত্ৰী একতা সভাৰ উদ্যোগত কলেজৰ বাৰ্ষিক যুৱ মহোৎসৱ অনুষ্ঠানটি সুন্দৰভাৱে অনুষ্ঠিত হৈছিল। বাৰ্ষিক যুৱ মহোৎসৱৰ প্ৰতিযোগিতাবোৰত মই সম্পাদিকাসকলৰ লগত জড়িত হৈ তেওঁলোকৰ বিভাগীয় কাম-কাজত সহায় কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত দিহা-পৰামৰ্শ প্ৰদান কৰিছিলো। পূৰ্বৰ তুলনাত এইবাৰ কলেজৰ বাৰ্ষিক যুৱ মহোৎসৱত ক্ৰীড়া-সাহিত্য-সাংস্কৃতিক আদি সমাৰোহত ছাত্ৰীসকলৰ অংশগ্ৰহণ তথা সহযোগিতা যথেষ্ট বৃদ্ধি পোৱা দেখা গৈছিল। ইয়াৰ পিছতে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ

মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা এটি দলে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰী দীপশিখা বৰাই শ্ৰেষ্ঠ তাৰ্কিক হোৱাৰ লগতে মহাবিদ্যালয়ৰ দলটিয়ে কেইবাটাও বিভাগত পুৰস্কাৰ পাবলৈ সক্ষম হয়।

এইবোৰৰ উপৰিও মহাবিদ্যালয়ৰ বহুতো উন্নয়নশীল কাৰ্যত সহযোগিতা আগবঢ়াইছিলো। সভাপতি হিচাপে ছাত্ৰী একতা সভাখন একগোট হৈ সকলোবোৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাত চেষ্টা কৰিছিলোঁ। কলেজখনৰ ছাত্ৰী একতা সভাৰ সভাপতিৰ দৰে পদত অধিষ্ঠিত হোৱাটো মোৰ জীৱনৰ সৰ্বোত্তম অভিজ্ঞতা আছিল। নাজানো কাৰ্যকালৰ এই সময়ছোৱাত আচলতে কৰিলো কি? কেতিয়াবা লাগে যি কৰিলো সেয়া মাথো বনৰীয়া হাঁহ খেদাৰ পশুশ্ৰম। কিন্তু যি কৰিছিলোঁ আন্তৰিকতাৰে কৰিছিলোঁ। এনেকুৱা নহয় যে ন মহীয়া এই কাৰ্যকালত সাংঘাতিক আজৱ কিবা এটা কৰি পেলালো বা কৰি পেলাব পাৰি। অথচ এনেকুৱাও নহয় যে কৰিব লাগে কাৰণেই ৰবটিকভাৱে কৰি গৈছিলো। যি কৰিছিলো সেয়া উদ্‌যাপন কৰিছিলোঁ। নিজৰ হেঁপাহৰ কলেজখনক সৰ্বশ্ৰেষ্ঠ কৰাৰৰ বাসনাৰ সিও এটা অংশবিশেষ আছিল। জানো, সময়ৰ তুলাচনীত মৰো উঠিম। সময়ে আঁকিব সফলতা-বিফলতাৰ জ্যামিতিক আকাৰ। সফলতাৰ কৃতিত্ব মোৰ সতীৰ্থ, মোৰ অনুজ, মোৰ অগ্ৰজ তথা বটবৃক্ষৰ দৰে ছাঁ হৈ সকলো সময়তে যিয়ে বাট দেখুৱাই পথিকৃত হৈছিল তেওঁলোক আৰু যদি বিফলতাৰ বেলি আঁকা হয় তেন্তে তাৰ দায়বদ্ধতা একান্তই আমাৰ।

শেষত, আমাৰ এই কাৰ্যকালত প্ৰতিটো সময়ত দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা ড° ঋতা বৰকটকী বাইদেউকে প্ৰমুখ্য কৰি ছাত্ৰী একতা সভাৰ অন্তৰ্গত প্ৰতিটো বিভাগৰ তত্বাৱধায়ক, শিক্ষাগুৰুসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ প্ৰতিটো কাৰ্যসূচীত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়ৰ হাত আগবঢ়োৱা শিৱসাগৰ ছোৱালী কলেজ পৰিয়ালৰ প্ৰতিজন সদস্যলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সাম্প্ৰতিক প্ৰেক্ষাপটত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ যি ঐতিহ্য আৰু গৰিমা সেয়া অনাদি কালৰ অনন্ত সময়লৈ প্ৰৱাহিত হৈ থাকত। এয়াই আমাৰ কামনা।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা।

শ্ৰদ্ধাসহকাৰে—

**মধুস্মিতা মেধি**
সভাপতি
ছাত্ৰী একতা সভা



# উপ-সভাপতিৰ প্ৰতিবেদন

ঐতিহ্যমণ্ডিত ৬০০ বছৰীয়া আহোম ৰাজত্বকালৰ চিহ্নৰূপে গৰকি যোৱা সোণৰ কলচি ধাৰণ কৰা শিৱদ'ল, বিষ্ণু দ'ল, দেৱীদ'লৰ মন্ত্ৰৰে মুখৰিত, ধূপ-ধূনাৰে সুগন্ধিত এক পবিত্ৰ চৌপাদ্ৰৰ কাষত অৱস্থিত সেউজীয়া পাখিৰে আলোকিত কৰিবলৈ অহা পখিলাজাকৰ জ্ঞানবৃক্ষডালেই হ'ল শিৱসাগৰ ছোৱালী কলেজ।

পোনপ্ৰথমে মই এই প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে সুঁৱৰিব খুজিছো সেই মহান মণিষীসকলক যাৰ অদম্য চেষ্টা, অপ্ৰাণ ধ্যান-ধাৰণা আৰু কষ্ট সাধনৰ ফলত নাৰী শিক্ষাৰ অগ্ৰণী প্ৰাণকেন্দ্ৰস্বৰূপ শিৱসাগৰ ছোৱালী কলেজ, ১৯৬৪ চনৰ কোনো এক শুভ ক্ষণত প্ৰাণ পাই উঠিছিল।

দ্বিতীয়তে কলেজৰ সমূহ শিক্ষাগুৰু সকললৈ মোৰ প্ৰণাম তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কলেজৰ কৰ্মচাৰী/ কৰ্তৃপক্ষসকল তথা মোৰ সকলো অগ্ৰজ আৰু অনুজলৈ কৃতজ্ঞতা তথা হিয়াভৰা মৰম যাঁচিলো।

সকলো শিক্ষাৰ্থী/ছাত্ৰীৰে শিক্ষানুষ্ঠানৰ প্ৰতি বহুত হেঁপাহ থাকে, নিজা সান্নিধ্যত কলেজৰ হকে সেৱা আগবঢ়োৱা। তেনেদৰেই মোৰ হেঁপাহ জাগিছিল কলেজৰ প্ৰতি সেৱা আগবঢ়োৱা কলেজখন আৰু এখোজ জিলিকাই তুলিব পৰাকৈ কিবা এটা কৰা।

৪-১২-২০২১ এক সোণালী সুযোগ মোৰ বাবে। সকলোৰে আশীষ মূৰত লৈ মৰমৰ টোপোলাবোৰ বান্ধি কলেজৰ উপ-সভাপতিৰূপে পৰিচয় পালো। মন বান্ধি লৈছিলো কলেজৰ হকে সাধ্য অনুযায়ী সকলোবোৰ কৰিম আৰু কলেজখনক আমিবোৰে মিলি-জুলি শৈক্ষিক, সাংস্কৃতিক বৌদ্ধিক সকলো দিশতে আগুৱাই নিবলৈ আপ্ৰাণ চেষ্টা কৰিম। ইয়াৰ মাজতে এষাৰ কথা কৈ যাওঁ যে এইটো ধাৰণা সম্পূৰ্ণ ভুল যে এগৰাকী সম্পাদিকা বা ছাত্ৰী একতা সভাৰ সদস্যা এগৰাকীয়েহে অকলমাত্ৰ কলেজৰ প্ৰতি সেৱা আগবঢ়ায়। আমিবোৰ মাত্ৰ একোটা দায়িত্বৰ বান্ধোনত হে আছিলো। যদি তোমালোকে (ছাত্ৰীসকলে) আমাৰ লগত সহযোগিতা সহকাৰে হাত আগ নবঢ়ালা হয়, তেন্তে আমাৰ ছাত্ৰী একতা সভা ব্যৰ্থ হ'ল হয়।

সঁচাকৈয়ে এই উপ-সভাপতিৰ দৰে এক গধুৰ দায়িত্বৰ বাবে মোক বাচনি/জয়যুক্ত কৰি আগুৱাই দিয়াৰ বাবে মই ধন্য/সৌভাগ্যশালী। এই পদটিয়ে বহুতো কথাৰে অভিজ্ঞতা দি গ'ল। সহায়-সহযোগিতা, একতা, বন্ধুত্ব, মৰম, সুখ-দুখ, দায়িত্ববোধ সময়ৰ ব্যৱহাৰ কৰ্তব্য সকলোবোৰ সম্পাদিকাসকলে কৰা কলেজ সপ্তাহ, আন্তঃমহাবিদ্যালয়ৰ বাৰ্ষিক যুৱ মহোৎসৱৰ বাবে কৰা কষ্ট, কলেজৰ প্ৰতিটো অসুবিধাৰ বাবে কৰা একতা যুঁজ সকলোবোৰ..... দিব লগীয়া।

বিভিন্ন বিভাগৰ সম্পাদিকাসকলৰ তত্বাৱধায়ক সকললৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ সহায়ৰ অবিহনে হয়তো ইমানখিনি সম্ভৱ হৈ নুঠিল হয়।

সদৌ শেষত মোৰ এই কাৰ্যকালত বহুতো ভুল-ত্ৰুটি থাকি গৈছে। তাৰবাবে সকলোৰে আগত ক্ষমা মাগিছোঁ। অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে মই দুঃখিত।

ইতিহাসৰ সোণালী পৃষ্ঠাত জিলিকি থাকক আমাৰ এই শিৱসাগৰ ছোৱালী কলেজ। স্মৃতিৰ টোপোলাত সদায় নক্ষত্ৰৰ দৰে উজ্বলি থাকক।

জয়তুক শিৱসাগৰ ছোৱালী কলেজ।
জয়তু ছাত্ৰী একতা সভা।

**ভাগীৰথী ভৰালী**
উপ-সভাপতি

# ■ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



'শিৰসাগৰ ছোৱালী কলেজ' যাৰ নামতেই লুকাই আছে হাজাৰ হাজাৰ তৰুণীৰ সেউজীয়া সম্ভাৱনা আৰু নিজৰ জীৱন সুন্দৰ ৰূপত সজোৱাৰ অদম্য হেঁপাহ। প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো যাৰ অক্লান্ত প্ৰচেষ্টা, ত্যাগ আৰু দূৰদৰ্শী চিন্তাৰ ফলশ্ৰুতিত ১৯৬৪ চনত সাম্প্ৰতিক সময়ৰ এক আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান আমাৰ আটাইৰে প্ৰিয় পবিত্ৰ জ্ঞান মন্দিৰ 'শিৰসাগৰ ছোৱালী কলেজ'ৰ ভেটি প্ৰতিষ্ঠা হৈছিল। ভিন্ন ঠাইৰ ভিন্ন মন, চিন্তাধাৰা, আচাৰ-ব্যৱহাৰ, ভাষা-ভাষী, জাতি-জনজাতি যুৱতীৰ মহামিলনৰ স্বাক্ষৰ এই শিৰসাগৰ ছোৱালী কলেজৰ অংশ হ'বলৈ পাই মই সঁচাকৈ ধন্য মানিছোঁ। তাতোকৈ ধন্য মানিছো এনে এখন শিক্ষানুষ্ঠান ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা ৰূপে নিৰ্বাচিত হৈ কলেজখনক সন্মুখৰ পৰা নেতৃত্ব দিবলৈ পাই।

২০২১ বৰ্ষৰ ৪ ডিচেম্বৰ তাৰিখে ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদিকা ৰূপে নিৰ্বাচিত হোৱাৰ পিছত ১১ ডিচেম্বৰৰ দিনা আনুষ্ঠানিকভাৱে সংবিধান সাৰোগত কৰি শপত গ্ৰহণ কৰো। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত কলেজৰ স্বাৰ্থ ৰক্ষাৰ্থে সম্পন্ন কৰা কাৰ্যকলাপসমূহৰ চমু আভাস আপোনালোকৰ আগত দাঙি ধৰিলোঁ —

১) দায়িত্বভাৰ গ্ৰহণ কৰিয়েই আমাৰ হাতত প্ৰথম দায়িত্ব আহি পৰিছিল সদৌ অসম আহোম সভাই শিৰসাগৰ বৰ্ডিং খেলপথাৰত অনুষ্ঠিত কৰা পদ্মনাথ গোহাঞি বৰুৱাৰ ১৫০ বছৰীয়া জয়ন্তীত ১৩ ডিচেম্বৰ তাৰিখে শিৰসাগৰ ছোৱালী কলেজৰ ছাত্ৰীসকলৰ সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা। অতি কম সময়তে এই কাম আমাৰ বাবে যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ আছিল। তথাপিও সকলোৰে সহযোগত গীত, নৃত্য, কবিতাৰে ভৰা এটা সুন্দৰ অনুষ্ঠান পৰিৱেশন কৰিবলৈ আমি সক্ষম হৈছিলো।

২) ইয়াৰ পিছতে কলেজীয়া জীৱনৰ সকলোৰে পৰম আকাংক্ষীত নৱাগতা আদৰণি সভা আয়োজনৰ দায়িত্ব লাভ কৰিছিলো। ২৭ ডিচেম্বৰ তাৰিখে নৱাগত ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানটি সুন্দৰকৈ সমাপন। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত আছিল অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দয়ানন্দ বৰগোহাঁই আৰু মুখ্য অতিথি আছিল যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈ।

৩) নৱাগতা আদৰণি সভাৰ সমান্তৰালকৈ আমি সাজু হৈছিলো আমাৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যসূচী বাৰ্ষিক ক্ৰীড়া সমাৰোহলৈ। ০৩।০১।২২-০৫।০১।২২ লৈ অনুষ্ঠিত কৰা হয় শিৰসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ উদ্যোগত ২০২১-২২ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ। ক্ৰীড়, সাহিত্য, সংস্কৃতি সকলো বিভাগৰে বহুতো শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতা সমূহত ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণ আমাৰ এই কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিছিল।

৪) বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰূপে আৰাধ্য সৰস্বতী দেৱীৰ পূজাভাগো আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত পৰিয়ালৰ সকলো সদস্যৰে সহযোগত সুকলমে সম্পন্ন হয়।

৫) ইয়াৰ পিছতে ০৩।০৪।২২-০৬।০৪।২২ লৈ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা ২৫ জনীয়া এটা দলৰ অংশগ্ৰহণ কৰা সবাতোকৈ স্মৰণীয়।

বিভিন্ন শাখাত এই যুৱ মহোৎসৱত ৭টাকৈ পুৰস্কাৰ লাভ কৰি আমাৰ মহাবিদ্যালয় জিলিকি উঠে।

৬) বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৪ জুন তাৰিখে আমি এক চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। কলেজৰ বহুসংখ্যক প্ৰতিভাৱান ছাত্ৰীৰ অংশগ্ৰহণে এই কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিছিল।

৭) নতুন বৰ্ষৰ নামভৰ্তিৰ বাবে অহা শিক্ষাৰ্থীসকলক সহায়ৰ উদ্দেশ্যে ছাত্ৰী একতা সভা তৰফৰ পৰা 'Help Desk'ৰ ব্যৱস্থা কৰি যৎপৰোনাস্তি সহায়ৰ চেষ্টা চলোৱা হৈছিল।

৮) ২০২২ বৰ্ষৰ নৱাগতা ছাত্ৰীসকলৰ বাবে নৱাগতা আদৰণি অনুষ্ঠান আয়োজনৰ দায়িত্ব আমাৰ ওপৰতেই ন্যস্ত হৈছিল। ৭ ছেপ্তেম্বৰ তাৰিখে আনুষ্ঠানিক সভা, সাংস্কৃতিক অনুষ্ঠান মাজেৰে সুকলমে সম্পন্ন হোৱা এই অনুষ্ঠানৰ নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত আছিল দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা, বিশিষ্ট কণ্ঠশিল্পী শ্ৰীযুতা কোকিলা গোস্বামী বাইদেউ, বিশিষ্ট অতিথিৰূপে উপস্থিত আছিল শিৱসাগৰ জিলা উপায়ুক্ত শ্ৰীযুত আদিত্য বিক্ৰম যাদৱ ডাঙৰীয়া।

৯) কাৰ্যকালৰ অন্তত ২৯।০৯।২০২২ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ স্বাৰ্থত 'Awarness Programm How to prepare for competitive examination' শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

সৰ্বপ্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বুদ্ধীন মিশ্ৰ ছাৰ আৰু ছাত্ৰী একতা সভাৰ প্ৰতিটো খোজতে অভিভাৱকৰ ভূমিকা পালন কৰা শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া ড° ঋতা বৰকটকী বাইদেউকে প্ৰমুখ্য কৰি সাংস্কৃতিক বিভাগৰ উপদেষ্টা ড° জিমলী বৰা বাইদেউ, ড° কাকলী সোণোৱাল বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, কাৰ্যালয়ৰ কৰ্মচাৰী আৰু কৰ্মচাৰীবৃন্দক। মোৰ কাৰ্যকালত আপোনালোকৰ সহায় সহযোগিতা আৰু দিহা-পৰামৰ্শৰ বাবে আন্তৰিকতা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সীমিত জ্ঞান আৰু অভিজ্ঞতাৰে শিৱসাগৰ ছোৱালী কলেজক প্ৰতিনিধিত্ব কৰিবলৈ চেষ্টা কৰিছিলোঁ। তাৰ মাজতে হয়তো বহুখিনি ভুল-ত্ৰুটি ৰৈ গৈছে। তাৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ ওচৰত এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছোঁ। বহুখিনি কাম আমি বহু ক্ষেত্ৰত আগবাঢ়ি আহিও আমাৰ ৯ মহীয়া কাৰ্যকালত সম্পন্ন কৰিব নোৱাৰিলো। অনাগত দিনত এইখিনি কাম সম্পাদিত হ'ব বুলি আমি বিশ্বাসী। সদৌ শেষত সাধাৰণ সম্পাদিকাৰ দৰে গুৰুত্বপূৰ্ণ পদবীৰ বাবে মোক যোগ্য বুলি বিবেচনা কৰাৰ বাবে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তো ছাত্ৰী একতা সভা

**গীতাৰ্থী নেওগ**
সাধাৰণ সম্পাদিকা



# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

"শিৱসাগৰ ছোৱালী কলেজ" যি এজাক সেউজীয়া পখিলাৰ স্বাভিমান এক আৱেগ। যাৰ নামৰ লগত জড়িত ক'ত সপোন, ক'ত স্মৃতি, ক'ত হাঁহি। ১৯৬৪ চনতে ঐতিহ্যমণ্ডিত সোণৰ কলচী কাষত প্ৰতিষ্ঠা হোৱা 'শিৱসাগৰ ছোৱালী কলেজ আমাৰ প্ৰত্যেকৰে গৌৰৱ। সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিলৈ মোৰ গভীৰ শ্ৰদ্ধা নিবদেন কৰিছোঁ। যিসকল মহান ব্যক্তিৰ অক্লান্ত ত্যাগ আৰু আশাশুধীয়া শ্ৰমৰ বিনিময়ত আমাৰ এই মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিছিল। হেঁপাহ তথা আবেগৰ এই মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ এটা অংশ হোৱাটো মোৰ জীৱনৰ এটি চিৰস্মৰণীয় অভিজ্ঞতা।

২০২১ বৰ্ষৰ ৪ ডিচেম্বৰ তাৰিখে ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহকাৰী সাধাৰণ সম্পাদিকাৰ পদত জয়ী হ'লো আৰু ১১ ডিচেম্বৰ তাৰিখে আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰি নিজ দায়িত্ব গ্ৰহণ কৰোঁ। সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে বৰ বিশেষ কাৰ্য নাথাকে যদিও সাধাৰণ সম্পাদিকাৰ প্ৰত্যেকটো কাৰ্যত সহায় সহযোগিতা আগবঢ়োৱাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ প্ৰত্যেকটো প্ৰয়োজনত সহায় কৰিবলৈ চেষ্টা কৰিছিলো। সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মোৰ এটা বিশেষ দায়িত্ব আছিল। সৰস্বতী পূজা অনুষ্ঠিত কৰা। মই মোৰ সাধ্যানুযায়ী মোৰ এই দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলো। কভিড' প্ৰট'কলৰ মাজেৰে অনুষ্ঠানটি আয়োজিত কৰিব লগা হৈছিল যদিও আশা কৰিছোঁ সকলোৰে মনৰ কামনাৰে মই এই পূজা পাতিবলৈ সক্ষম হ'লো। ইয়াৰোপৰি মহাবিদ্যালয়ৰ প্ৰত্যেকটো সৰু বৰ অনুষ্ঠানৰ লগত জড়িত থকাৰ লগতে ২০২১-২২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ বাবে সাজু হোৱা দলটোক নিজ অভিজ্ঞতাৰে সহায় সহযোগিতা আগবঢ়াইছিলো। এই যুৱ মহোৎসৱৰ এটা অংশ হ'বলৈ পাই মই নথৈ আনন্দিত হৈছিলো।

শেষত মোৰ চমু কাৰ্যকালত হৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলো। লগতে মোৰ এই যাত্ৰাত সাহস দিয়া আৰু সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু, বান্ধৱী, অগ্ৰজ, অনুজ আৰু ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা আগবঢ়ালো। শিৱসাগৰ ছোৱালী কলেজৰ এই উন্নয়নমুখী যাত্ৰা অনাদি অনন্ত কাললৈ অব্যাহত থাকক।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**শিল্পীকা হাজৰিকা**
সহকাৰী সাধাৰণ সম্পাদিকা



# Report of Cultural Secretary

'Success cannot be pursued; success ensures.

It flows as the unintended byproduct of efforts concentrated in the direction of a worthy cause.'

Myself Auslesha Dutta, Ex-Cultural Secretary 2021-22 from English Department. Firstly I'm thankful for all my well wishers for providing me a helping hand to get the big opportunity to hold the position of cultural secretary of girls college.

By the blessings of God I have successfully done the following things:

1. Freshman Social 2021-22 Cultural programmes at the end of programme we invited Blokseng band to perform and thanks to Gouranga Dutta and to the entire team for performing such a tremendous performance for our college.

2. College Week Cultural programmes , thanks to my respected Cultural incharge Jimlee Ma'am and Kakoli ma'am for guiding and helping me in each and every events without their support I wouldn't be able to handle it and also a great thanks to my other union members.

3. Saraswati puja

4. Inter college youth festival 2021-22 we had secured total 7 prizes in different events, this is because of Medini Sir and Mayasri maam without the support and encouragement we are truly very grateful and forever appreciate your kindness and a big thanks to my favourite Priyadarshini Chutia, Geetarthi Neog (General Secretary) and Modhusmita Medhi (President) for helping me a lot.

Lastly I would like to thanks my parents and some of my batchmates, juniors and seniors who supported me in my entire journey. And thanks to my Department professor s Kritanjali Ma'am, Mili Sir, Mayashree Ma'am, Rajashree Ma'am for giving me a opportunity to represent the entire college and make the college proud. "Thanks to each and everyone for your kindness.

**Auslesha Dutta**
Cultural Secretary



# সহকাৰী সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

"... গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচিৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক..."

— ড° কৰবী ডেকা হাজৰিকা

শিৱসাগৰ চহৰৰ নাৰী শিক্ষাৰ এক অগ্ৰণী প্ৰতিষ্ঠান ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষা মহোদয়কে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা ২০২১-২২ বৰ্ষৰ সহকাৰী সাংস্কৃতিক সম্পাদিকাৰূপে নিৰ্বাচিত কৰি মোক কলেজখনলৈ সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰা মহাবিদ্যালয়ৰ ছাত্ৰীসকললৈ মই এই আপাহতে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

৯ ডিচেম্বৰ তাৰিখে নৱনিৰ্বাচিত ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাখনিৰ সকলো সদস্যই দায়বদ্ধতাৰে কাম কৰি আগবাঢ়ি যোৱাৰ প্ৰতিশ্ৰুতিৰে আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰিছিলো। এই ছাত্ৰী একতা সভাখনিয়ে আয়োজন কৰা প্ৰথমটো অনুষ্ঠান আছিল নৱাগত আদৰণি সভা। অনুষ্ঠানটিলৈ কেইবাগৰাকী বিশিষ্ট অতিথিক নিমন্ত্ৰণ জনোৱা হৈছিল। লগতে সেউজীয়া কাননলৈ নতুনক আদৰিবলৈ আয়োজন কৰা হৈছিল এটি জীপাল সাংস্কৃতিক অনুষ্ঠান। আবেলিলৈ অতিকৈ আকৰ্ষণীয় 'মিচ্ এছ.জি.চি.' অনুষ্ঠিত হৈছিল।

ইয়াৰ পিছতে ডিচেম্বৰ মাহৰ শেষৰ সপ্তাহ আৰু জানুৱাৰীৰ প্ৰথম সপ্তাহত সাতদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ 'বাৰ্ষিক যুৱ মহোৎসৱ' তথা 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হৈছিল। বিগত বৰ্ষসমূহৰ দৰেই এই বৰ্ষতো সাংস্কৃতিক বিভাগৰ অধীনত আমি বহুতো প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। আকৰ্ষণীয় প্ৰতিযোগিতাসমূহৰ ভিতৰত আছিল বিয়ানাম, নাটক, দিহানাম, নৃত্য প্ৰতিযোগিতা ইত্যাদি। মহাবিদ্যালয় সপ্তাহৰ অন্যতম এটি আকৰ্ষণীয় প্ৰতিযোগিতা আছিল সাংস্কৃতিক শোভাযাত্ৰা। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ প্ৰায় সকলোবোৰ ছাত্ৰীয়েই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰতিযোগিতাখনিক দুগুণে আকৰ্ষণীয় কৰি তুলিছিল। মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত বিভিন্ন দিহা-পৰামৰ্শ দি আমাক সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা ৰাজনীতি বিজ্ঞান বিভাগৰ শ্ৰদ্ধাৰ জিম্‌লী বৰা বাইদেউ আৰু অসমীয়া বিভাগৰ শ্ৰদ্ধাৰ কাকলি সোণোৱাল বাইদেউলৈ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

তাৰ পিছতে দেৰগাঁও কমল দুৱৰা কলেজৰ বাকৰিত উলহ-মালহেৰে অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱলৈ আমাৰ মহাবিদ্যালয়ৰ পৰা ২৫ জনীয়া এটি দলে মহাবিদ্যালয়খনিক প্ৰতিনিধিত্ব কৰি বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ৰাওনা হৈছিল। এই বিশাল মহোৎসৱখনিত আমাৰ মহাবিদ্যালয়ৰ প্ৰায় সকলোখিনি প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰা হৈছিল। এই প্ৰতিযোগিতাখনিত আমাৰ মহাবিদ্যালয়ে সন্তোষজনক প্ৰদৰ্শন দাঙি ধৰি পোনপ্ৰথমবাৰৰ বাবে বিভিন্ন বিভাগত ৭টাকৈ পুৰস্কাৰ বুটলি আমাৰ মহাবিদ্যালয়ক গৌৰৱান্বিত কৰিবলৈ সক্ষম হৈছিল। যুৱ মহোৎসৱখনিত অংশগ্ৰহণ কৰা ছাত্ৰীসকলক

প্ৰত্যেকটো মুহূৰ্ততে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে সকলো ক্ষেত্ৰতে ওতঃপ্ৰোতভাৱে জড়িত থাকি ছাত্ৰীসকলক উৎসাহ অনুপ্ৰেৰণা আগবঢ়োৱা ইংৰাজী বিভাগৰ অধ্যাপিকা মায়াশ্ৰী দাস বাইদেউৰ ওচৰত আমি চিৰকৃতজ্ঞ।

আমাৰ কাৰ্যকালৰ শেষৰটো দায়িত্ব আছিল ২০২২ বৰ্ষৰ নৱাগতা আদৰণি সভা। এই সভাখনিৰ মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰা হৈছিল শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ ছাৰ আৰু অসমৰ এগৰাকী কুকিলকণ্ঠী গায়িকা কোকিলা গোস্বামী বাইদেউক। বাইদেৱে তেখেতৰ সুললিত কণ্ঠেৰে গীত পৰিৱেশন কৰি সভাত উপস্থিত থকা সকলোৰে মন মোহিত কৰিছিল।

**কৃতজ্ঞতা জ্ঞাপন ঃ** যোৱা এবছৰীয়া কাৰ্যকালৰ প্ৰতিটো পদক্ষেপতে নীতি-নিৰ্দেশনা তথা দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱা উপদেষ্টা জিম্‌লি বৰা বাইদেউ আৰু কাকলি সোণোৱাল বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। প্ৰত্যেকটো ক্ষণতে উৎসাহ-অনুপ্ৰেৰণা যোগায় যোৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° মেদিনী হাজৰিকা ছাৰ, সঞ্জয় দাস ছাৰলৈ মই বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ, মোৰ অগ্ৰজ, অনুজ তথা বান্ধৱীসকললৈ আন্তৰিক ধন্যবাদ জনাইছো।

পৰিশেষত, মোৰ কাৰ্যকালৰ সময়ছোৱাত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতি সাধন আৰু পূৰ্বৰ জ্ঞান-গৰিমা অটুত থকাৰ কামনা কৰি মোৰ এই সহকাৰী সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছো।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**অংকিতা গগৈ**
সহকাৰী সম্পাদিকা
সাংস্কৃতিক বিভাগ



# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

"শিক্ষাৰ সাধনাৰে বন্তি জ্বলাওঁ
নিজেও উজ্জ্বলি উঠো দেশকো উজ্জ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচীৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক...!"

পোনপ্ৰথমে মই সেইসকল মহান ব্যক্তিলৈ চিৰ নমস্য আগবঢ়াইছো, যিসকল ব্যক্তিৰ সাধনাৰ ফলত 'শিৱসাগৰ ছোৱালী কলেজ' প্ৰতিষ্ঠা হৈ উঠিছিল। সেই মহান ব্যক্তিসকললৈ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিছো আৰু সশ্ৰদ্ধাৰে সুঁৱৰিছো।

২০২১-২২ বৰ্ষৰ শিৱসাগৰ ছোৱালী কলেজত অনুষ্ঠিত হোৱা ৫৫ তম ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সংগীত বিভাগৰ সম্পাদিকা পদটোৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়াইছিলো। শিৱসাগৰ ছোৱালী কলেজৰ সেউজীয়া পখিলাজাকৰ বিশ্বাস, মৰম তথা আৱেগৰ ফলতেই এই পদত মই জয়যুক্ত হ'বলৈ সক্ষম হৈছিলো।

শিৱসাগৰ ছোৱালী কলেজ আমাৰ আৱেগ। শিৱসাগৰ ছোৱালী কলেজক ভালপাওঁ বাবেই এই কলেজখনৰ হকে কিবা এটা কৰাৰ অযুত হেঁপাহ আছিল। যেনে সংগীত বিভাগৰ সম্পাদিকা হিচাপে ছাত্ৰীসকলক সুযোগ সুবিধা প্ৰদান কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো। কলেজত অনুষ্ঠিত হোৱা বিভিন্ন সংগীতৰ অনুষ্ঠানসমূহৰ বাহিৰেও বিভিন্ন গীতৰ প্ৰতিযোগিতাত ছাত্ৰীসকলক আগবঢ়াই নিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত ড° মহানৰঞ্জন দত্ত ছাৰৰ লগতে নিচাদ মেমেও বহু সহায়, দিহা-পৰামৰ্শ আগবঢ়াইছিল। এই ছেগতে ছাৰক মই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শিৱসাগৰ ছোৱালী কলেজৰ গুৰুত্বপূৰ্ণ উৎসৱ, বাৰ্ষিক যুৱ মহোৎসৱৰ কাৰ্যসূচীতে মোৰ কাৰ্যকালতে বৰগীত, লোকগীত, খেয়াল, গজল, ভজন, জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, পাৰ্বতী প্ৰসাদ সংগীত, আধুনিক গীত, কোৰাছ ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ প্ৰায় ছাত্ৰীয়ে পিছ পৰি নাথাকি নিজৰ

প্ৰতিভা বিকাশ কৰিবলৈ সকলো প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰিছিল। কলেজ সপ্তাহৰ সংগীতানুষ্ঠানত অংশগ্ৰহণকাৰীৰ প্ৰতিভা বিকাশ পোৱাৰ লগতে অতি শৃংখলাবদ্ধভাৱে পৰিচালিত হৈছিল। মোৰ কাৰ্যকালত শ্ৰেষ্ঠ গায়িকাৰ সন্মান প্ৰিয়ম ফুকনে পাবলৈ সক্ষম হৈছিল। কলেজৰ যুৱ মহোৎসৱত বাছনি কৰি উলিওৱা ছাত্ৰীসকলক আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ সুযোগ দিয়া হৈছিল। প্ৰতিবছৰৰ দৰে এইবছৰো শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰীয়ে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। প্ৰিয়াক্ষী ফুকন আৰু প্ৰিয়ম ফুকনে বৰগীত আৰু আধুনিক গীতত পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্যকালত প্ৰতিটো কামতে সহায় সহযোগ তথা দিহা-পৰামৰ্শ আগবঢ়োৱা প্ৰতিজন শিক্ষাগুৰু, সম্পাদিকাসকল তথা শিৱসাগৰ ছোৱালী কলেজৰ প্ৰত্যেকগৰাকী ছাত্ৰীলৈ মোৰ তৰফৰ পৰা শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। তাৰোপৰি মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা মোৰ মৰমৰ বান্ধৱী ৰীমা, লীজা, সপ্তশিখা, প্ৰীতি, অসমী, মাইনা, মনিষা আৰু মোৰ সকলো সহপাঠীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ এই কাৰ্যকালতে অজানিতে বৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে এই প্ৰতিবেদনখনৰ যোগেদি ক্ষমা বিচাৰিছোঁ। শিৱসাগৰ ছোৱালী কলেজ উন্নতিৰ শিখৰত পদাৰ্পণ কৰাৰ আশাৰে সংগীত সম্পাদিকাৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**পূজা বৰঠাকুৰ**
সম্পাদিকা
সংগীত বিভাগ

# সংগীত প্ৰতিযোগিতাৰ ফলাফল

| | | |
|---|---|---|
| ১। বৰগীত ঃ | প্ৰথম | - প্ৰিয়াক্ষী ফুকন |
| | দ্বিতীয় | - প্ৰিয়ম ফুকন |
| | তৃতীয় | - অনন্যা মহন্ত |
| ২। খেয়াল ঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - অনন্যা মহন্ত |
| ৩। ভজন ঃ | প্ৰথম | - অনন্যা মহন্ত |
| | দ্বিতীয় | - প্ৰিয়ম ফুকন |
| ৪। গজল ঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - অনন্যা মহন্ত |
| ৫। লোকগীত ঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - অনন্যা মহন্ত |
| | তৃতীয় | - জ্যোতিষণা বড়া |
| ৬। ভূপেন্দ্ৰ সংগীত ঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - অনন্যা মহন্ত |
| | তৃতীয় | - লোপামুদ্ৰা বৰঠাকুৰ |
| ৭। জ্যোতি সংগীতঃ | প্ৰথম | - অনন্যা মহন্ত |
| | দ্বিতীয় | - প্ৰিয়ম ফুকন |
| | তৃতীয় | - শুভলক্ষ্মী চাংমাই |
| ৮। ৰাভা সংগীতঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - প্ৰিয়াক্ষী ফুকন |
| | তৃতীয় | - জ্যোতিষণা বড়া, লোপামুদ্ৰা বৰঠাকুৰ |
| ৯। পাৰ্বতী প্ৰসাদ গীত ঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - প্ৰিয়াক্ষী ফুকন |
| | তৃতীয় | - অনন্যা মহন্ত |
| ১০। জয়ন্ত সংগীত ঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - জ্যোতিষণা বড়া |
| | তৃতীয় | - অনন্যা মহন্ত |
| ১১। আধুনিক গীত ঃ | প্ৰথম | - প্ৰিয়ম ফুকন |
| | দ্বিতীয় | - অনন্যা মহন্ত, প্ৰিয়াক্ষী ফুকন |
| | তৃতীয় | - জ্যোতিষণা বড়া |
| ১২। সমবেত সংগীত ঃ | উদগনিমূলক বঁটা- বুৰঞ্জী বিভাগ, ভূগোল বিভাগ | |
| ১৩। বিয়ানাম ঃ | প্ৰথম | - অসমীয়া বিভাগ |
| | দ্বিতীয় | - ভূগোল বিভাগ |
| | তৃতীয় | - বুৰঞ্জী বিভাগ |

দেৰগাঁও কমল দুৱৰাৰ আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ ফলাফলসমূহ ঃ

১। বৰগীত - প্ৰিয়াক্ষী গগৈ (তৃতীয়)

২। আধুনিক গীত- প্ৰিয়ম ফুকন (উদগনিমূলক বঁটা)



# আলোচনী সম্পাদিকাৰ প্ৰতিবেদন

'শিৱসাগৰ ছোৱালী কলেজ' আমাৰ আৱেগ। ২০২০ বৰ্ষৰ কোনোবা এটা দিনত সপোনবোৰক বাস্তৱ ৰূপ দিবলৈ ভৰি দিছিলো 'শিৱসাগৰ ছোৱালী কলেজ'ত।

প্ৰথমেই, যিসকল মহান মনীষীৰ ত্যাগ, কষ্ট আৰু অপ্ৰাণ চেষ্টাৰ ফলত শিৱসাগৰ ছোৱালী কলেজৰ জন্ম হৈছিল সেইসকল মনীষীলৈ অন্তৰৰ পৰা শ্ৰদ্ধা নিবেদিছোঁ। লগতে বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়াকে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰুৰ লগতে কৰ্মকৰ্তাসকললৈ সশ্ৰদ্ধাৰে প্ৰণাম জনাইছোঁ।

শিৱসাগৰ ছোৱালী কলেজৰ ২০২১-২২ বৰ্ষৰ 'ছাত্ৰী একতা সভা'ৰ সাধাৰণ নিৰ্বাচনত 'আলোচনী বিভাগ'ৰ সম্পাদিকাৰ পদত প্ৰাৰ্থীত্ব আগবঢ়ালোঁ। কলেজৰ হৈ কাম কৰাৰ হাবিয়াস পূৰণ কৰাৰ চেষ্টাৰে জয় লাভ কৰিলোঁ, ইয়াৰ আঁৰৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, বাইদেউসকল, ভণ্টিসকল আৰু মোৰ বান্ধৱীসকললৈ এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০২১-২২ বৰ্ষৰ ৫৫ তম্ ছাত্ৰী একতা সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই ইংৰাজী ১১-১২-২০২১ তাৰিখে শপত গ্ৰহণ কৰিলোঁ।

সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতেই আমাৰ প্ৰথম পদক্ষেপ আছিল 'নৱাগতা আদৰণি সভা' সকলোৰে সহায়-সহযোগিতাৰ মাজেৰে সফলভাৱে এই সভাখন সম্পাদিত হ'ল। তাৰ পাছতেই 'বাৰ্ষিক যুৱ মহোৎসৱ'। বিভাগীয় প্ৰতিযোগিতাসমূহ তত্বাৱধায়ক শিৱপ্ৰসাদ মিলি ছাৰ আৰু ড° ৰেহেনা চুলতানা বাইদেউৰ পৰামৰ্শমৰ্মে সুচাৰুৰূপে চলাই যাবলৈ সক্ষম হৈছিলোঁ, প্ৰতিযোগিতা যেনে- থলীতে লিখা চিঠি, ৰচনা, প্ৰবন্ধ, কবিতা, অনুভৱ, চিত্ৰাংকন, জমা দিয়া ৰচনা, প্ৰৱন্ধ, চিঠি, কবিতা, গল্প, কবিতা আবৃত্তি, লেক্সিকন, প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা আদি সকলোবোৰ প্ৰতিযোগিতা সফলভাৱে নিয়াৰিকৈ চলাই নিবৰ বাবে চেষ্টা কৰিছিলো। বিগত বৰ্ষৰ তুলনাত এই বৰ্ষৰ সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহত ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱা দেখা গৈছিল যাৰ ফলত কলেজৰ সাহিত্যৰ ক্ষেত্ৰখন আৰু এখোজ আগবাঢ়ি যোৱাত সফল হৈছিল।

ইয়াৰ উপৰিও অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা সাহিত্যৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিবৰ বাবে ছাত্ৰীসকলক সহযোগিতা আগবঢ়াইছিলোঁ। শিৱসাগৰ ছোৱালী কলেজৰ এক অবিচ্ছেদ্য অংগ 'প্ৰৱাহিনী'ৰ ২০২১-২২ বৰ্ষৰ সংখ্যাটি এক নৱ ৰূপ দিয়াত সহায় কৰা মোৰ শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা মহোদয়াকে প্ৰমুখ্য কৰি নিজৰ ছাঁটোৰ দৰে লগতে থাকি সাহস দিয়া মোৰ প্ৰিয় শিক্ষাগুৰু শিৱ প্ৰসাদ মিলি ছাৰ আৰু ড° ৰেহেনা চুলতানা বাইদেউলৈ মোৰ ফালৰপৰা সশ্ৰদ্ধাৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ। নিজ কৰ্মব্যস্ততাৰ মাজতো আমাক সময় দিয়া শ্ৰদ্ধাৰ 'অভিজিৎ বৰপূজাৰী' ছাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ সন্দৰ্ভত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ প্ৰবীণ শৰ্মা ছাৰ, সঞ্জয় দাস ছাৰ, মেদিনী হাজৰিকা ছাৰলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ লগতে শিৱসাগৰ ছোৱালী কলেজৰ প্ৰত্যেকজন শিক্ষাগুৰুলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। তাৰোপৰি মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা আলোচনীৰ সহকাৰী সম্পাদিকা সুপ্ৰিয়া, পূজা, অসমী, তাজমিন, বিকশিতা, সপ্তশিখা, লিজা,

প্ৰীতিজিণ্টা, মাইনালৈ আৰু শিৱসাগৰ ছোৱালী কলেজৰ প্ৰত্যেকগৰাকী ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে 'বিনায়ক অফচেট'ৰ সমূহ কৰ্মকৰ্তা, বিষয়ববীয়ালৈ মোৰফালৰ পৰাৰ ধন্যবাদৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত, মোৰ কাৰ্যকালত অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিবোৰৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছোঁ।

'শিৱসাগৰ ছোৱালী কলেজ' উন্নতিৰ শিখৰত পদাৰ্পণ কৰক। লগতে 'প্ৰবাহিনী'ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

ধন্যবাদেৰে—

জয়তু শিৱসাগৰ ছোৱালী কলেজ

জয়তু ছাত্ৰী একতা সভা

**ৰীমা দত্ত**

আলোচনী সম্পাদিকা

# প্ৰতিযোগিতাৰ ফলাফল

**থলীতে লিখা চিঠিৰ ফলাফল ঃ**

প্ৰথম ঃ শিল্পীপ্ৰিয়া চেতিয়া (পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ লীজা কলিতা (তৃীতয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
তৃতীয় ঃ শুভলক্ষ্মী চাংমাই (প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ)

**চিত্ৰাংকন প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শিল্পীপ্ৰিয়া চেতিয়া (পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ জুমি চেতিয়া পাটৰ (প্ৰথম ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
তৃতীয় ঃ দেৱাশ্ৰী শইকীয়া (প্ৰথম ষান্মাসিক, ভূগোল বিভাগ)
নেহা দে (পঞ্চম ষান্মাসিক, গাৰ্হস্থ্য বিজ্ঞান বিভাগ)

**কৰিতা আবৃতি প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ মধুস্মিতা গগৈ
দ্বিতীয় ঃ ঋত্বিকা গগৈ
তৃতীয় ঃ শুভলক্ষ্মী চাংমাই
চতুৰ্থ ঃ পূজা বৰগোহাঁই
বিশেষ বঁটা ঃ গাৰ্গী শইকীয়া

**লেক্সিকন (ইংৰাজী) ঃ**

প্ৰথম ঃ এনচি পল (তৃতীয় ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ)
পূজা কোঁৱৰ (পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ)
সংস্কৃতা কৃষ্ণাত্ৰেয় (পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ)
ঝৰ্ণা পাচনি ( পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ)
দ্বিতীয় ঃ অভিস্নাতা শৰ্মা (প্ৰথম ষান্মাসিক, ইংৰাজী বিভাগ)
তৃতীয় ঃ য়াজনিন হুছেইন (প্ৰথম ষান্মাসিক, ইংৰাজী বিভাগ)
গাৰ্গী শইকীয়া (প্ৰথম ষান্মাসিক)

**গল্প (থলীতে লিখা) ঃ**

প্ৰথম ঃ সুনীধি বৰগোহাঁই (তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ)

দ্বিতীয় ঃ মনস্বিনী শৰ্মা (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
তৃতীয় ঃ জাহ্নবী গগৈ (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
শিল্পীপ্ৰিয়া চেতিয়া (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)

**গল্প (জমা দিয়া) ঃ**

প্ৰথম ঃ মনস্বিনী শৰ্মা (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ চিন্ময়ী বৰগোহাঁই (পঞ্চম যান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
তৃতীয় ঃ জীতাশ্ৰী চাংমাই (পঞ্চম যান্মাসিক, শিক্ষা বিভাগ)
শ্ৰুতি উপমন্যু (পঞ্চম যান্মাসিক, ইংৰাজী বিভাগ)

**লেক্সিকন (অসমীয়া) ঃ**

প্ৰথম ঃ শিল্পীপ্ৰিয়া চেতিয়া (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ সোণালী বৰুৱা (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
নিতিষা চুতীয়া (প্ৰথম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
প্ৰিন্সি দাস (প্ৰথম যান্মাসিক, অসমীয়া বিভাগ)
তৃতীয় ঃ আচমা বেগম (পঞ্চম যান্মাসিক, অসমীয়া বিভাগ)
বাবলি বেগম (পঞ্চম যান্মাসিক, অসমীয়া বিভাগ)
নানচি বৰগোহাঁই (তৃতীয় যান্মাসিক, বুৰঞ্জী বিভাগ)

**জমা দিয়া কবিতা ঃ**

প্ৰথম ঃ নিমিশা কাকতি (পঞ্চম যান্মাসিক, গাৰ্হস্থ্য বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ শ্ৰুতি উপমন্যু (পঞ্চম যান্মাসিক, ইংৰাজী বিভাগ)
জাহ্নবী গগৈ (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
তৃতীয় ঃ বাবলি বেগম (পঞ্চম যান্মাসিক, অসমীয়া বিভাগ)

**জমা দিয়া চিঠি ঃ**

প্ৰথম ঃ জাহ্নবী গগৈ (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ কস্তুৰী নেওঁগ (তৃতীয় যান্মাসিক, ভূগোল বিভাগ)
তৃতীয় ঃ তানচি পল (তৃতীয় যান্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ)

**জমা দিয়া প্ৰবন্ধ ঃ**

প্ৰথম ঃ জীতাশ্ৰী চাংমাই (পঞ্চম যান্মাসিক, শিক্ষা বিভাগ)
দ্বিতীয় ঃ ৰিম্পী বৰগোহাঁই (তৃতীয় যান্মাসিক, শিক্ষা বিভাগ)
তৃতীয় ঃ মনস্বিনী শৰ্মা (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)

**থলীতে লিখা কবিতা ঃ**

প্ৰথম ঃ সোণালী বৰুৱা (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ লীজাক কলিতা (তৃতীয় যান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
তৃতীয় ঃ ময়ূৰ কৃষ্ণা গগৈ (তৃতীয় যান্মাসিক, বুৰঞ্জী বিভাগ)
বাবলি বেগম (পঞ্চম যান্মাসিক, অসমীয়া বিভাগ)

**থলীতে লিখা অনুভৱ ঃ**

প্ৰথম ঃ সোণালী বৰুৱা (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)

| | | |
|---|---|---|
| দ্বিতীয় | ঃ | প্ৰিন্সি দাস (প্ৰথম যান্মাসিক, অসমীয়া বিভাগ) |
| তৃতীয় | ঃ | ৰশ্মি কুণ্ডু (পঞ্চম যান্মাসিক, ইংৰাজী বিভাগ) |
| | | নিহাৰিকা গগৈ (প্ৰথম যান্মাসিক, ভূগোল বিভাগ) |

**থলীতে লিখা ৰচনা ঃ**

| | | |
|---|---|---|
| প্ৰথম | ঃ | মনস্বিনী শৰ্মা (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ) |
| দ্বিতীয় | ঃ | শিল্পীপ্ৰিয়া চেতিয়া (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ) |
| | | নিতিষা গগৈ (প্ৰথম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ) |
| তৃতীয় | ঃ | প্ৰস্তুতি বড়া (প্ৰথম যান্মাসিক, বুৰঞ্জী বিভাগ) |

**জমা দিয়া ৰচনা ঃ**

| | | |
|---|---|---|
| প্ৰথম | ঃ | মনস্বিনী শৰ্মা (পঞ্চম যান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ) |
| দ্বিতীয় | ঃ | গায়ত্ৰী চেতিয়া (প্ৰথম যান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ) |
| তৃতীয় | ঃ | দ্বীপশিখা চেতিয়া (পঞ্চম যান্মাসিক, শিক্ষাতত্ব বিভাগ) |
| উদগনি | ঃ | জ্যোতিৰ্ময়ী (তৃতীয় যান্মাসিক, ইংৰাজী বিভাগ) |

**প্ৰাচীৰ পত্ৰিকা ঃ**

| | | |
|---|---|---|
| প্ৰথম | ঃ | উন্মেষ (বুৰঞ্জী বিভাগ) |
| | | ৰামধেনু (গাৰ্হস্থ্য বিজ্ঞান বিভাগ) |
| দ্বিতীয় | ঃ | Die Erdkunde (ভূগোল বিভাগ) |
| তৃতীয় | ঃ | Aurora (ইংৰাজী বিভাগ) |
| | | Live-dies (প্ৰাণীবিজ্ঞান বিভাগ) |
| উদগনি | ঃ | Macrocosm (পদাৰ্থ বিজ্ঞান বিভাগ) |



# সহকাৰী আলোচনী বিভাগৰ সম্পাদিকা

"শিক্ষাৰ সাধনাৰে বন্তি জ্বলাও
নিজেও উজ্বলি উঠো দেশকো উজ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচীৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক"
— কৰবী ডেকা হাজৰিকা

প্ৰতিবেদনৰ প্ৰাক্ ক্ষণত সেইসকল নমস্য ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ যিসকল ব্যক্তিৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টা আৰু ত্যাগৰ ফলত ঐতিহ্যমণ্ডিত শিৱসাগৰ চহৰৰ মাজমজিয়াত ১৯৬৪ চনত নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজে প্ৰাণ পাই উঠিছিল।

শিৱসাগৰ ছোৱালী কলেজলৈ ২০২০ চনত স্নাতক শিক্ষা গ্ৰহণৰ উদ্দেশ্যে আহিছিলো। ২০২১ বৰ্ষৰ ৪ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সহকাৰী আলোচনী বিভাগৰ সম্পাদিকা ৰূপে প্ৰাৰ্থীত্ব আগবঢ়ালো আৰু সকলোৰে সহায়-সহযোগিতাত জয়লাভ হ'বলৈ সক্ষম হ'লো। ইয়াৰ পাছতে ১১ ডিচেম্বৰ তাৰিখে সহকাৰী আলোচনী সম্পাদিকাৰূপে কলেজৰ হকে নিষ্ঠা আৰু সততাৰে কাম কৰি যাম বুলি শপত গ্ৰহণ কৰিলোঁ আৰু আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰিলোঁ। এই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা সহকাৰী আলোচনী বিভাগৰ সম্পাদিকাৰূপে মহাবিদ্যালয়ৰ সাহিত্যৰ প্ৰতি আগ্ৰহী ছাত্ৰীসকলক সাহিত্যৰ জগতত আগবঢ়াই নিবলৈ সাধ্যনুসাৰে প্ৰয়াস কৰিছিলো।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ ঠিক পাছতে সদৌ অসম আহোম সভাই আয়োজন কৰা শিৱসাগৰ বৰ্ডিং খেলপথাৰত অনুষ্ঠিত কৰা পদ্মনাথ গোহাঁই বৰুৱাৰ ১৫০ বছৰীয়া জয়ন্তীত আমাৰ কলেজৰ ছাত্ৰীসকলে গীত, নৃত্য, কবিতা আবৃত্তি আদি বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

২৭ ডিচেম্বৰ তাৰিখে নৱাগত ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্যে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হ'ল। ইয়াৰ সমান্তৰালকৈ ০৩-০১-২০২২ তাৰিখৰ পৰা ০৫-০১-২০২২ তাৰিখলৈকে শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ উদ্যোগত 'বাৰ্ষিক যুৱ মহোৎসৱ' অনুষ্ঠিত কৰা হৈছিল। সাহিত্য আৰু আলোচনী বিভাগৰ অন্তৰ্গত ক্ৰমে ঠাইতে লিখা কবিতা, গল্প, অনুভৱ, ৰচনা, চিঠি, লেক্সিকন, চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰোপৰি জমা দিয়া কবিতা, গল্প, প্ৰবন্ধ, ৰচনা, চিঠি, কবিতা আবৃত্তি (ইংৰাজী আৰু অসমীয়া), প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাসমূহত ছাত্ৰীসকলৰ সাহিত্যৰ প্ৰতি থকা আগ্ৰহ আৰু সঁহাৰিয়ে সহকাৰী আলোচনী বিভাগৰ সম্পাদিকাৰূপে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাত প্ৰেৰণা যোগাইছিল।

ইয়াৰ পাছতে ০৩-০৪-২০২২ তাৰিখৰ পৰা ০৬-০৪-২০২৩ তাৰিখলৈকে 'দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়'ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱত

আমাৰ মহাবিদ্যালয়ৰ দলটোৱে ৭টাকৈ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ভিতৰত সাহিত্য আৰু আলোচনী বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহতো অংশগ্ৰহণ কৰিছিল।

বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আমি এক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এই প্ৰতিযোগিতাত কলেজৰ বহুসংখ্যক ছাত্ৰীয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাখন সূচাৰুৰূপে সম্পন্ন হোৱাত সহায় কৰিলে।

কাৰ্যকালৰ শেষত মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুবিধাৰ্থে ২৭-০৯-২০২২ তাৰিখে 'How to prepare for compititive exam' শীৰ্ষক এক সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানটোৰ জৰিয়তে বহুসংখ্যক ছাত্ৰী উপকৃত হৈছে বুলি আমি আশাবাদী।

**কৃতজ্ঞতা জ্ঞাপন ঃ** শিৱসাগৰ ছোৱালী কলেজৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, আলোচনী বিভাগৰ উপদেষ্টা তথা তত্বাৱধায়ক শিৱপ্ৰসাদ মিলি ছাৰ আৰু ড° ৰেহনা চুলতানা বাইদেৱে প্ৰতিটো সময়তে সহায়-সহযোগিতা তথা পৰামৰ্শ প্ৰদান কৰি আমাক সাহস দিয়াৰ বাবে তেওঁলোকক আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ বুদ্ধীন মিশ্ৰ ছাৰ আৰু বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° ঋতা বৰকটকী বাইদেউক আমাৰ ছাত্ৰী একতা সভাক প্ৰতিটো সময়তে দিহা-পৰামৰ্শ প্ৰদান কৰাৰ বাবে অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, গ্ৰন্থগাৰিক অভিজিৎ বৰপূজাৰী ছাৰ, কাৰ্যালয়ৰ কৰ্মচাৰী আৰু কৰ্মচাৰীবৃন্দক সকলো সময়েত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনী বিভাগৰ সম্পাদিকা ৰীমা দত্তৰ লগতে ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সদস্যালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখন ছপা কৰাৰ ক্ষেত্ৰত আমাক সহায় আগবঢ়োৱা বিনায়ক অফচেটৰ স্বত্বাধিকাৰীৰ লগতে সকলো কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখন প্ৰস্তুত কৰি উলিওৱাত সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আগবঢ়োৱা সকলোলৈকে ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আমাৰ এই ন মহীয়া কাৰ্যকালত সমূহীয়া প্ৰচেষ্টাৰে কলেজৰ বিভিন্নধৰণৰ উন্নয়নমূলক কাম-কাজ কৰি যাবলৈ চেষ্টা কৰিছিলোঁ। এই কাৰ্যকালত সহায়-সহযোগিতা আগবঢ়োৱা মোৰ অগ্ৰজ-অনুজ আৰু প্ৰতিগৰাকী বান্ধৱীলৈ এই আপাহতে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত অজানিতে অনিচ্ছাকৃতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

শিৱসাগৰ ছোৱালী কলেজৰ সহকাৰী আলোচনী বিভাগৰ সম্পাদিকা পদৰ বাবে মোক উপযুক্ত বুলি বিবেচনা কৰি কলেজৰ হকে কাম কৰিবলৈ সুবিধা প্ৰদান কৰাৰ বাবে সকলোলৈকে অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। জিলিকি থাকক 'শিৱসাগৰ ছোৱালী কলেজ।'

জয়তু শিৱসাগৰ ছোৱালী কলেজ

জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা

ধন্যবাদেৰে—

**সুপ্ৰিয়া ভট্টাচাৰ্য্য**

সহকাৰী আলোচনী বিভাগৰ সম্পাদিকা

শিৱসাগৰ ছোৱালী কলেজ



# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ ক্ৰীড়া সম্পাদিকা হিচাপে মই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক সশ্ৰদ্ধ প্ৰণাম জনাইছো যিসকল মহান ব্যক্তিৰ কঠোৰ পৰিশ্ৰম, ত্যাগ আৰু অহোপুৰুষাৰ্থ চেষ্টাৰ ফলত আজি আমাৰ 'শিৱসাগৰ ছোৱালী কলেজ' অসমৰ ভিতৰতে আগশাৰী শিক্ষানুষ্ঠান হিচাপে জিলিকি উঠিছে। লগতে কলেজৰ অধ্যক্ষা মহোদয়া সন্মানীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীসকল তথা অগ্ৰজ-অনুজ আৰু বান্ধৱীসকললৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো।

বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰ চহৰৰ মাজমজিয়াত অৱস্থিত তথা শিৱদ'লৰ সোণৰ কলচিৰ কাষত জিলিকি থকা নাৰী শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰস্বৰূপ 'শিৱসাগৰ ছোৱালী কলেজ'। বহুতো সপোন বুকুত বান্ধি লৈ এই কলেজত কলেজীয়া জীৱনৰ আৰম্ভণি কৰিছিলো আৰু কলেজৰ হকে কিবা এটা কৰি যোৱাৰ হেঁপাহ আছিল। কিছুদিনৰ পিছত কলেজত নিৰ্বাচন প্ৰক্ৰিয়াৰ তোলপাৰ লাগিছিল। (অৰ্থাৎ ২০২১-২২ বৰ্ষত) সৰুৰে পৰা খেলৰ প্ৰতি ধাউতি আছিল যদিও, এই ক্ষেত্ৰত মই নিৰ্বাচনত আগভাগ লোৱা নাছিলো। যিহেতু সেই সময়ত মই প্ৰথম ষান্মাসিকৰ ছাত্ৰী আছিলো। কিন্তু ক্ৰীড়া ক্ষেত্ৰৰ লগত জড়িত বুলি জানি অগ্ৰজ সকলে মোক ক্ৰীড়া সম্পাদিকা পদৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ অনুৰোধ জনালে আৰু মই তেওঁলোকৰ সহযোগত মনোনয়ন পত্ৰ দাখিল কৰিছিলো, যদিও মহামাৰী ক'ৰণাৰ বাবে নিৰ্বাচনী প্ৰক্ৰিয়াৰ অন্ত পৰিল। অৰ্থাৎ ২০২০-২১ বৰ্ষৰ ছাত্ৰী একতা সভা গঠন নহ'ল। আকৌ ২০২১-২২ বৰ্ষৰ ৫৫ তম ছাত্ৰী একতা সভাৰ ক্ৰীড়া সম্পাদিকা পদৰ বাবে অনুজ-অগ্ৰজ, বান্ধৱীসকল সহযোগত তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰি পুনৰবাৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ালো আৰু তেওঁলোকৰ সহযোগত নিৰ্বাচনত জয়ী হ'লো। কলেজৰ হৈ এইকণ সেৱা আগবঢ়াবলৈ দিয়াৰ বাবে আপোনালোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

আমাৰ শিৱসাগৰ ছোৱালী কলেজ শিক্ষা, সাংস্কৃতিক ক্ৰীড়া ইত্যাদি বিভিন্ন দিশত আগবঢ়া। ক্ৰীড়া সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মোৰ এটা দায়িত্ব আৰু কৰ্তব্য আছিল ক্ৰীড়া ক্ষেত্ৰখন যাতে মই আৰু এখোজ আগবঢ়াই নিব পাৰো। দায়িত্ব পোৱাৰ পিছতেই আমাৰ প্ৰথম অনুষ্ঠান আছিল কলেজৰ নৱাগত আদৰণি সভা আৰু বাৰ্ষিক যুৱ মহোৎসৱ। বিগত বৰ্ষৰ দৰে এইবাৰো ২০২১ চনৰ ২৮ ডিচেম্বৰৰ পৰা বাৰ্ষিক যুৱ মহোৎসৱ আৰম্ভ হৈছিল। য'ত অধ্যক্ষ বুধিন মিশ্ৰ ছাৰ আৰু আমি আমন্ত্ৰিত কৰি অনা দুজন বিশিষ্ট ক্ৰীড়াবিদ ক্ৰমে এজন জেভেলীন আৰু আনগৰাকী পাৱাৰ লিফটিং (শ্ৰীমতী মিনতি দিহিঙ্গীয়া বাইদেউ) তেওঁলোকৰ মন্তব্যই ছাত্ৰীসকলক আৰু এখোজ আগুৱাই যাবলৈ উৎসাহিত কৰিছিল। ছাত্ৰীসকলক খেলৰ প্ৰতি উৎসাহ দেখি তেওঁ বাৰুকৈয়ে গৌৰৱ অনুভৱ কৰিছিল। এই প্ৰতিবেদনৰ জৰিয়তে তেওঁলোকক মই অশেষ ধন্যবাদ জনালোঁ। লগতে ছাত্ৰীসকলে সহযোগিতা আগবঢ়াই আমাৰ অনুষ্ঠানটো সম্পূৰ্ণ কৰি তুলিছিল। তাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত হোৱা আন্তঃ মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাৰ বিভিন্ন খেলসমূহৰ বাবে ছাত্ৰীসকলক সম্পূৰ্ণভাৱে সাজু কৰোৱা হৈছিল আৰু এই ক্ষেত্ৰত আমি সফল হৈছো বুলি ক'ব পাৰো, কিয়নো এই ক্ৰীড়া প্ৰতিযোগিতাত শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰীসকলে সফলতা অৰ্জন কৰি কলেজলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ২০২১-২২ বৰ্ষ ছাত্ৰী একতা সভাৰ কাৰ্যকালত হোৱা বিভিন্ন ধৰণৰ অনুষ্ঠানসমূহত সম্পূৰ্ণভাৱে সহায়-

সহযোগিতা আগবঢ়াইছিলো।

খেলসমূহৰ ভিতৰত ক্রিকেট মোৰ প্রিয় আছিল। সৰুৰে পৰা ক্রিকেট খেলাৰ সপোন আছিল। লগতে কলেজৰ ছাত্রীসকলৰ মাজতো ক্রিকেট খেলাৰ হেঁপাহ দেখিছিলো। কিন্তু তেওঁলোকে কোনো প্রশিক্ষণ নোপোৱাৰ বাবে ইয়াৰ পৰা বঞ্চিত হৈ ৰৈছিল। পিছত ছাত্রীসকলৰ উৎসাহ যোগাবলৈ শিৰসাগৰ জিলাৰ ক্রিকেট ক্রীড়া সন্থাৰ গ্রিফন ক্লাবৰ সহযোগত আমাৰ কলেজ আৰু ফুলেশ্বৰী স্কুল লগ হৈ ১৫ দিনীয়া এটা ক্রিকেট প্রশিক্ষণৰ শিবিৰ অনুষ্ঠিত কৰা হৈছিল। এই ক্ষেত্রত ছাত্রীসকলক ইমানখিনি আগবঢ়াই নিয়াৰ বাবে গ্রিফন ক্লাবৰ সকলো সদস্যক এই প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শিৰসাগৰ ছোৱালী কলেজৰ মোৰ এই এবছৰীয়া কাৰ্যকালত এই সকলোবোৰ ক্ষেত্রত সহায়-সহযোগিতা, দিহা-পৰামৰ্শ দি আগবঢ়াই নিয়াৰ বাবে মোৰ বিভাগীয় উপদেষ্টা প্ৰণৱ ভৰালী ছাৰ, ৰাবুল হুছেইন ছাৰ, আৰু সহকাৰী ক্রীড়া সম্পাদিকা বন্যা গগৈক মই এই প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিলো। কাৰণ তেওঁলোকৰ অবিহনে মই কেতিয়াও ইমানখিনি কাৰ্য কৰাটো সম্ভৱ নহ'লহেঁতেন। ক্রীড়াৰ লগত জড়িত প্ৰতিটো কাৰ্যতে মোক দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা ড° বিমল দত্ত ছাৰক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ লগতে ৰংপুৰ ছাত্রী নিবাসৰ আৱাসী, ২০২১-২২ বৰ্ষৰ ছাত্রী একতা সভাৰ সকলো বিভাগৰ সম্পাদিকা, অগ্রজ-অনুজ, বান্ধবীসকলক মই পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত অজানিতে ৰৈ যোৱা ভুল-ত্রুটিৰ বাবে সকলোকে ক্ষমা প্ৰাৰ্থনা জনাইছো, লগতে কলেজৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিছোঁ।

জয়তু শিৰসাগৰ ছোৱালী কলেজ
জয়তু ছাত্রী একতা সভা

**অসমী গগৈ**
সম্পাদিকা
ক্রীড়া বিভাগ

## ২০২২-২৩ বৰ্ষৰ যুৱ-মহোৎসৱৰ ক্রীড়া প্রতিযোগিতাৰ ফলাফলসমূহ

১। ১০০ মিটাৰ দৌৰ ঃ
- প্রথম ঃ প্রস্তুতি গগৈ (তৃতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
- দ্বিতীয় ঃ ডলি দত্ত (তৃতীয় ষান্মাসিক, শিক্ষাতত্ব বিভাগ)
- তৃতীয় ঃ অদিতি বৰুৱা (পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ)

২। ২০০ মিটাৰ দৌৰ ঃ
- প্রথম ঃ চুমকী কৰ্মকাৰ (প্রথম ষান্মাসিক, ভূগোল বিভাগ)
- দ্বিতীয় ঃ পূৰ্ণিমা গগৈ (তৃতীয় ষান্মাসিক, শিক্ষাতত্ব বিভাগ)
- তৃতীয় ঃ অদিতি বৰুৱা (পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ)

৩। ৪০০ মিটাৰ দৌৰ ঃ
- প্রথম ঃ চুমকী কৰ্মকাৰ (প্রথম ষান্মাসিক, ভূগোল বিভাগ)
- দ্বিতীয় ঃ চিমা ঝা (তৃতীয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
- তৃতীয় ঃ অদিতি বৰুৱা (পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ)
- চতুৰ্থ ঃ শ্ৰেয়া দাস (প্রথম ষান্মাসিক, গাৰ্হস্থ্য বিজ্ঞান বিভাগ)

৪। ৪০০x১০০ মিটাৰ দৌৰ ঃ

প্ৰথম ঃ অসমী গগৈ (তৃতীয় ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
প্ৰস্তুতি গগৈ (তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
ডলি দত্ত (তৃতীয় ষাণ্মাসিক, শিক্ষাতত্ব বিভাগ)
পূৰ্ণিমা গগৈ (তৃতীয় ষাণ্মাসিক, শিক্ষাতত্ব বিভাগ)

দ্বিতীয় ঃ অদিতি বৰুৱা (পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ)
দিম্পী লাচন (তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ)
কামাক্ষী গগৈ (তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ)
পৰিস্মিতা চাংমাই (তৃতীয় ষাণ্মাসক, অসমীয়া বিভাগ)

তৃতীয় ঃ অন্বেষা বৰা (তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
চিমা ঝা (তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)
প্ৰেৰণা গগৈ (তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান)
চিন্ময়ী বৰগোহাঁই (তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ)

৫। লং জাম্প ঃ

প্ৰথম ঃ লাকী বৰুৱা (তৃতীয় ষাণ্মাসিক, ৰাসায়ন বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ গাৰ্গী বৰগোহাঁই (প্ৰথম ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ)
তৃতীয় ঃ অসমী গগৈ (তৃতীয় ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)
চতুৰ্থ ঃ বিদ্যাৰতী পাংগিং (প্ৰথম ষাণ্মাসিক, ইতিহাস বিভাগ)

৬। হাইজাম্প ঃ

প্ৰথম ঃ গাৰ্গী বৰগোহাঁই (প্ৰথম ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ বিদ্যাৰতী পাংগিং (প্ৰথম ষাণ্মাসিক, ইতিহাস বিভাগ)
তৃতীয় ঃ অৰুণিমা মেছ (প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ)

৭। শ্বটপুট ঃ

প্ৰথম ঃ কুইনী চিৰিং ফুকন (প্ৰথম ষাণ্মাসিক, ইতিহাস বিভাগ)
দ্বিতীয় ঃ গাৰ্গী বৰগোহাঁই (প্ৰথম ষাণ্মাসিক, প্ৰাণী বিজ্ঞান)
তৃতীয় ঃ ৰিম্পী গগৈ (তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান)
পূৰ্ণিমা গগৈ (তৃতীয় ষাণ্মাসিক, শিক্ষাতত্ব বিভাগ)

৮। ডিচকাচ থ্ৰ' ঃ

প্ৰথম ঃ গাৰ্গী বৰগোহাঁই (প্ৰথম ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ কুইনী চিৰিং ফুকন (প্ৰথম ষাণ্মাসিক, ইতিহাস বিভাগ)
তৃতীয় ঃ বিদ্যাৰতী পাংগিং (প্ৰথম ষাণ্মাসিক, ইতিহাস বিভাগ)

৯। ৰছী টনা ঃ
প্ৰথম ঃ অসমীয়া বিভাগ
দ্বিতীয় ঃ প্ৰাণী বিজ্ঞান বিভাগ
তৃতীয় ঃ ভূগোল বিভাগ
উদগনিমূলক বঁটা ঃ অৰ্থনীতি বিভাগ

১০। কাবাডী ঃ
বিজয়ী দল ঃ চিন্ময়ী বৰগোহাঁই দল
ৰাণাৰ্ছ আপ ঃ ঋতুপৰ্ণা লাহনৰ দল

১১। ভলীবল ঃ
বিজয়ী ঃ কংকনা শইকীয়া দল
ৰাণাৰ্ছ আপ ঃ শ্ৰেয়া দাসৰ দল

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত হোৱা আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফল ঃ**

১। পাৱাৰ লিফটিং ঃ
ক) মুচকান আখতাৰ বৰা (ৰূপৰ পদক)
খ) মেহেক আখতাৰ বৰা (ৰূপৰ পদক)
গ) পাহী গগৈ (ব্ৰঞ্জৰ পদক)

২। কাৰাটে ঃ
ক) আকাংক্ষা দেওঘৰীয়া (ৰূপৰ পদক)
খ) চুমকী কৰ্মকাৰ (ব্ৰঞ্জৰ পদক)

৩। টাই-কুৱান-ডু ঃ
ক) চুমকী কৰ্মকাৰ (ব্ৰঞ্জৰ পদক)
বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ ঃ গাৰ্গী বৰগোহাঁই (প্ৰথম ষান্মাসিক, জীৱ বিজ্ঞান বিভাগ)



# সহঃ ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন

ইতিহাসৰ বুকুত নাম থৈ যোৱা বুৰঞ্জীপ্ৰসিদ্ধ ছশ বছৰীয়া আহোম ৰাজত্বৰে ঐতিহ্যমণ্ডিত শিৱসাগৰ পুখুৰীৰ পাৰৰ সোণৰ কলচীৰ কাষতে অৱস্থিত শিৱসাগৰ ছোৱালী কলেজ নাৰী শিক্ষাৰ এক অন্যতম প্ৰতিষ্ঠান। উজনি অসমৰ নাৰী শিক্ষাৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰা এই শিক্ষানুষ্ঠানখনেও ৫৮ বছৰ অতিক্ৰম কৰি এখ প্ৰাণৱন্ত ইতিহাস গৰকিবলৈ সক্ষম হৈছে।

শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষা মহোদয়া তথা উপাধ্যক্ষা মহোদয়া প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী তথা মোৰ সতীৰ্থসকল আৰু অনুজসকলক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

শিৱসাগৰ ছোৱালী কলেজৰ ২০২১-২২ বৰ্ষত অনুষ্ঠিত ৫৫ তম ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়াই যোৱাৰ ক্ষেত্ৰত মোক যি মহান সুযোগ প্ৰদান কৰিলে তাৰবাবে মই মোৰ অগ্ৰজ-অনুজ, সহপাঠীসকললৈ স-হৃদয়েৰে কৃতজ্ঞতা জনাইছোঁ।

ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা হিচাপে নিজকে সৌভাগ্যবান যেন অনুভৱ কৰিলো কাৰণ ক্ৰীড়াই মানুহৰ শাৰীৰিক আৰু মানসিক বিকাশত যথেষ্টখিনি অৰিহণা যোগায়। বৰ্তমানৰ প্ৰেক্ষাপটত ক্ৰীড়াৰ প্ৰতিযোগিতাসমূহৰ গুৰুত্বতা অধিক।

কাৰ্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পাছতে আমাৰ সকলোৰে হেঁপাহৰ 'বাৰ্ষিক কলেজ সপ্তাহ' অনুষ্ঠিত হয়। বাৰ্ষিক কলেজ সপ্তাহত ক্ৰীড়া বিভাগৰ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰা হয়।

মোৰ এই এবছৰীয়া কাৰ্যকালত মোক প্ৰতিটো খোজতে সহায়ৰ হাত আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ বিভাগীয় উপদেষ্টামণ্ডলী প্ৰণৱ ভঁৰালী ছাৰ আৰু ৰাবুল হুছেইন ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ কামনা কৰি নৱ গঠিত ছাত্ৰী একতা সভালৈ শুভেচ্ছা যাঁচি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**বন্যা গগৈ**
সহকাৰী সম্পাদিকা
ক্ৰীড়া বিভাগ



# তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত শিৰসাগৰ ছোৱালী কলেজে আজি ৰূপ পালে তেওঁলোকলৈ জনালোঁ সশ্ৰদ্ধ প্ৰণিপাত।

শিৰসাগৰ ছোৱালী কলেজৰ দৰে ঐতিহ্যমণ্ডিত কলেজখনৰ তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদিকাৰ দৰে গুৰু দায়িত্ব পালন কৰা সুবিধা মই পাই নিজকে ধন্য মানিছো।

মোৰ এই সাহস যোগোৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, অগ্ৰজ-অনুজ তথা সহপাঠীলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

৪-১২-২০২১ তাৰিখে শিৰসাগৰ ছোৱালী কলেজত সাধাৰণ নিৰ্বাচনত তৰ্ক বিষয়ৰ সম্পাদিকা পদত বিজয় হৈছিলো। ১১-১২-২০২১ তাৰিখে কলেজৰ শপতগ্ৰহণ লৈ মোৰ কাৰ্যকাল আৰম্ভ হয়। ৩০-১২-২০২১ তাৰিখে শিৰসাগৰ ছোৱালী কলেজত বাৰ্ষিক যুৱ মহোৎসৱৰ আৰম্ভ হয় আৰু ৩০-১২-২০২১ তাৰিখে তৰ্ক বিভাগত অধীনত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহ শ্ৰেষ্ঠ তাৰ্কিক টিনা দত্ত। ১০-০১-২০২২ তাৰিখে কাকজান মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাত টিনা দত্ত আৰু দেৱী মণ্ডলে অংশগ্ৰহণ কৰে। ২২-০৪-২০২২ তাৰিখে নাজিৰা এম.চি. ক্লাবত অনুষ্ঠিত হোৱা আন্তঃৰাজ্যিক তৰ্ক প্ৰতিযোগিতাত টিনা দত্ত, দিপশিখা বড়াই অংশগ্ৰহণ কৰে। ০৪-০৬-২০২২ তাৰিখে দিখৌমুখ মহাবিদ্যালয়ত এখনি কুইজ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। আস্থা শৰ্মা, আঞ্চি পল, নেনচি বৰগোহাঁয়ে অংশগ্ৰহণ কৰে। মোৰ কাৰ্যকালত সকলোতকৈ গৌৰৱৰ মুহূৰ্ত আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ ছাত্ৰী একতা সভাত সদস্য সকলৰ আৰু ছাত্ৰী সকলৰ সাফল্যতা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় অধীনত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত দিপশিখা বড়াই শ্ৰেষ্ঠ তাৰ্কিক খিতাপ পাই শিৰসাগৰ ছোৱালী কলেজলৈ গৌৰৱ কঢ়িয়াই আনে। তৰ্ক বিভাগৰ অধীনত প্ৰতিযোগিতাসমূহ যেনে— তৰ্ক, বক্তৃতা, কুইজ, আকস্মিক বক্তৃতা ইত্যাদি সফলতাৰে অনুষ্ঠিত হয়। বিশেষকৈ ছাত্ৰী সকলৰ প্ৰদৰ্শনে সকলোকে আকৰ্ষিত কৰে।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুলসমূহৰ বাবে সকলোৰে ওচৰত মই ক্ষমা-প্ৰাৰ্থনা মাগিলো। শিৰসাগৰ ছোৱালী কলেজৰ দীৰ্ঘায়ু কামনাৰে—

জয়তু শিৰসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**তাজমিন বেগম**
তৰ্ক বিভাকৰ সম্পাদিকা



# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শিক্ষাৰ সাধনাৰ বন্তি জ্বলাওঁ
নিজেও উজ্বলি উঠো
দেশকো উজ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচীৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক...

ড° কৰবী ডেকা হাজৰিকা

প্ৰতিবেদনৰ আৰম্ভণিতে নাৰী শিক্ষাৰ কাৰণে নাৰী সৰ্বাংগীন বিকাশ নতুবা উন্নতিৰ কাৰণে যিসকলৰ আপ্ৰাণ চেষ্টাত শিৱসাগৰ ছোৱালী কলেজ জন্ম হৈছিল সেই মহানুভৱ ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে সশ্ৰদ্ধ প্ৰণাম জনাইছো। বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়াকে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু আৰু কলেজৰ সকলো বিষয়ববীয়ালৈ।

নৱ দিগন্ত প্ৰয়াসী তৰুণ তনয়া, হাজাৰটা সপোন, দীপ্ত জোনালীৰ দৰে প্ৰত্যেক বছৰে শিৱসাগৰ ছোৱালী কলেজত আগমন হৈ এজাক নতুন সেউজ পখীৰ, সেইদৰে সপোনৰ ডেউকা ভাঙি বাস্তৱ হোৱাৰ পৰিকল্পনা বুকুত বান্ধি মোৰ এই কলেজত আগমন হৈছিল ২০২০ বৰ্ষ নৱেম্বৰ মাহৰ কোনোবা এটি দিনত। কলেজলৈ অহাৰ উদ্দেশ্য কেৱল মাত্ৰ শিক্ষা গ্ৰহণ কৰায়ে নাছিল, উদ্দেশ্য আছিল কলেজখনক সকলো দিশৰ পৰা জানি বুজি লৈ সকলো বিষয়তে অংশগ্ৰহণ কৰাৰ লগতে কলেজৰ হৈ কাম কৰাৰ। ভবাৰ দৰে কলেজখন যে কিমান আপোন হৈ পৰিছিল শব্দৰে বুজাব নোৱাৰো। মই নিজেই হৈছো সামাজিক। সমাজৰ কাম কৰি ভালপাওঁ। দেউতাৰ পৰা শিকিছো। সেইয়েহে প্ৰায় এক বছৰৰ অন্তত হোৱা ২০২১-২২ বৰ্ষ ৫৫ তম ছাত্ৰী একতা সভাত নিৰ্বাচনত সমাজ সেৱাৰ সম্পাদিকা পদৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়ালো। এখন কলেজৰ ছাত্ৰী হিচাপে দায়িত্ব পালন কৰাতো এক প্ৰত্যাহ্বান, তথাপিও আমাৰ বিভাগীয় শিক্ষাগুৰুসকল, মোৰ সতীৰ্থ, জ্যেষ্ঠ বাইদেউসকলৰ পৰামৰ্শ আৰু সহায়-সহযোগিতাত মই সমাজ সেৱাৰ সম্পাদিকা হিচাপে পদত জয়লাভ কৰাৰ লগতে কলেজখনৰ হৈ কাম কৰাৰ সুযোগ পালো। শিৱসাগৰ ছোৱালী কলেজৰ সেই সকল সেউজ পখিলাৰ বিশ্বাস, মৰম আৰু আশীৰ্বাদে জীৱনৰ এক অন্যতম উপহাৰ দিলে। এই সুযোগতে সকলোলৈ বহুত বহুত ধন্যবাদ থাকিল।

২০২১-২২ বৰ্ষৰ ৫৫ তম ছাত্ৰী এখতা সভাৰ দায়িত্ব লোৱাৰ পাছতে ইংৰাজী ১১-১২-২০২১ তাৰিখে আমি সকলোৱে কলেজৰহকে নিষ্ঠাৰে কাম কৰি যাম বুলি শপত গ্ৰহণ কৰিলো। বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে আমাৰ প্ৰথম অনুষ্ঠান আছিল নৱাগতা আদৰণি লগতে বাৰ্ষিক যুৱ মহোৎসৱ। সেয়েহে মোৰ প্ৰথম কাৰ্য আছিল কলেজৰ চৌপাশ পৰিষ্কাৰ কৰা। কলেজৰ প্ৰায় ১৫ জনী ছাত্ৰীৰ লগতে এন.এছ.এছ. গোটৰ ছাত্ৰীসকলৰ সহযোগত কলেজৰ চৌপাশ পৰিষ্কাৰ কৰাৰ কাম হাতত লৈছিলো। এই ক্ষেত্ৰত প্ৰায় ১০০ জনীয়া স্বেচ্ছাসেৱকৰ গোট এটা প্ৰস্তুত কৰি উলিয়াইছিলো। এই স্বেচ্ছাসেৱক (এন.এছ.এছ) গোটৰ দ্বাৰা বিভিন্ন সেৱামূলক কাম হাতত তুলি লোৱা হৈছিল আৰু

এখন গাঁৱত তিনিদিনীয়া এটা বিশেষ শিবিৰ আয়োজন কৰা হৈছিল। এই ক্ষেত্ৰত শ্ৰদ্ধাৰ ড° মহান ৰঞ্জন দত্ত ছাৰ আৰু ড° চৈয়দা নিচাত ফিৰদৌছী বাইদেউৰে স্বেচ্ছাসেৱা গোটটি আগবাঢ়ি যোৱাত সূচাৰুৰূপে পৰিচালনা কৰিছিল।

অনুষ্ঠিত হ'বলগীয়া নৱাগতা আদৰণি সভা আৰু বাৰ্ষিক যুৱমহোৎসৱত বিভাগীয় সম্পাদিকা সকলৰ বিভিন্ন অনুষ্ঠানত মই সহায় সহযোগিতা আগবঢ়াইছিলো। লগতে মোৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাত চেষ্টা কৰিছিলো। ইয়াৰ পাছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ যোৱা ছাত্ৰীসকলৰ লগত দায়িত্বসহকাৰে গৈছিলো। প্ৰায় পাঁচদিন ধৰি অনুষ্ঠিত হোৱা অনুষ্ঠানসমূহত শ্ৰদ্ধাৰ মেদিনী হাজৰিকা ছাৰ আৰু মায়াশ্ৰী বৰুৱা বাইদেউৰ দিহা-পৰামৰ্শ অনুসৰি কামসমূহ কৰি যাবলৈ চেষ্টা কৰিছিলো। সেয়েহে সকলোৰে চেষ্টা আৰু কষ্টৰ ফলত প্ৰায় ৭ টাকৈ বিভাগত জয়ী হৈ কলেজলৈ গৌৰৱ কঢ়িয়াই অনাৰ ক্ষেত্ৰত সফল হৈছিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ এই প্ৰতিবেদনৰ জৰিয়তে মোৰ কাৰ্যকালত দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ মেদিনী হাজৰিকা ছাৰ আৰু কৃষ্ণা কছাৰী বাইদেউক মোৰ অযুত কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি কাৰ্যকালত মোক সকলো কাৰ্যতে নীতি নিৰ্দেশনা আৰু উৎসাহ প্ৰদান কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু মহান ৰঞ্জন দত্ত ছাৰ আৰু বৰষা ৰাণী দাস বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে সকলো দিশতে মোক পৰামৰ্শ দিয়া মোৰ অগ্ৰজ বাইদেউ অশ্লেখা গগৈ, সহায়-সহযোগিতা কৰি যোৱা মোৰ প্ৰিয় বান্ধৱী ভাগিৰথী ভঁৰালী, সকলো কৰ্মতে মোৰ অনুৰোধ ৰক্ষা কৰা অনুজসকললৈও ধন্যবাদ জনাইছো। মোৰ এই কাৰ্যকালত অজানিতে যদিও বহুতো দোষ ৰৈ গৈছে সেয়ে মই এই সুযোগতে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত সেউজ পখীৰ মুক্ত বিচৰণৰ স্থলী ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজ সদায় উজ্জ্বলি থকাৰ লগতে উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা
২০২১-২২ বৰ্ষ

**তাজমিন আৰা আহমেদ**
সমাজসেৱাৰ সম্পাদিকা



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

নমস্কাৰ গ্ৰহণ কৰিব। সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে নাৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ 'শিৱসাগৰ ছোৱালী কলেজ'খনি যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু আপ্ৰাণ চেষ্টাৰ ফলত ১৯৬৪ চনত ঐতিহ্যমণ্ডিত বুৰঞ্জীপ্ৰসিদ্ধ শিৱসাগৰত প্ৰতিষ্ঠা হৈছিল। বৰ্তমানে যিসকল গণ্য-মান্য মনিষীৰ তত্বাৱধানত মহাবিদ্যালয়খনি উন্নতিৰ পথত আগবাঢ়ি যাব ধৰিছে সেইসকল ব্যক্তিলৈয়ো মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ হৈ মোৰ কাম কৰি যোৱাৰ বহুতো আশা আৰু সপোন আছিল।

সেইবাবে ২০২১-২২ বৰ্ষত ৫৫ তম ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ পদত জয়ী হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াব পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা।

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে শপত লোৱাৰ পাছৰে পৰা ২০২১-২২ বৰ্ষৰ যি কাৰ্যভাৰ আমি সকলোৰে মিলি আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিছিলো। চাওঁতে চাওঁতে ইয়াৰ পিছতেই সন্মুখীন হ'বলগা হৈছিল ২০২১-২২ 'বাৰ্ষিক কলেজ সপ্তাহ'। কলেজ সপ্তাহত ছাত্ৰী জিৰণি কোঠাৰ অন্তৰ্গত প্ৰতিযোগিতা ক্ৰমে বেডমিণ্টন, কেৰম, ডবা, ৰংগুলী, মেহেন্দী, সৌন্দৰ্য প্ৰতিযোগিতা, কেশসজ্জা, ৰন্ধন, কইনা প্ৰতিযোগিতা, চিলাই, ইনষ্টলেচন, কাৰ্ড মেকিং প্ৰতিযোগিতাসমূহ আগবঢ়াই নিয়াত মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক ড° ৰাজশ্ৰী ফুকন বাইদেউ আৰু বৰষা ৰাণী দাস বাইদেউৰে মোক বহুতো সহায়-সহযোগিতা কৰে।

বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ পিছতেই আহি পৰে ছাত্ৰী জিৰণি কোঠাৰ সকলো সা-সুবিধা কথা। প্ৰথমতেই মই ছাত্ৰী জিৰণি কোঠাটো চাফ-চিকুণ কৰি ৰাখিবৰ বাবে চেষ্টা কৰিলো। তাৰ পিছতেই ছাত্ৰীসকলৰ বাবে খোৱা পানীৰ ব্যৱস্থা কৰি দিবলৈ সক্ষম হ'লো আৰু মই ছাত্ৰীসকলক কথা দিছিলো যে বহুতো কাম কৰিম বুলি কিন্তু কিছু অসুবিধাৰ বাবে মই সকলো কাম কৰিবলৈ সক্ষম নহ'লো আৰু আমাৰ হাতত সময়ো বহুত কম আছিল। কাৰণ আমি কাৰ্যকাল আঠ মাহহে পৰিচালনা কৰিব

পালো।

তাৰ পাছতেই সৰস্বতী পূজা, বিদায় সভা, নৱাগত আদৰণি সভা সকলো বিষয়ববীয়াই নিজৰ দায়িত্ব পালন কৰি অনুষ্ঠানসমূহ সুচাৰুৰূপে চলাই নিয়াত চেষ্টা চলাইছিলো।

এবছৰীয়া কাৰ্যকালত মোক যিসকলে উৎসাহ দিলে, যিসকলে মোক পৰামৰ্শ দিলে আৰু মোক সহায়-সহযোগিতা কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। সৰ্বপ্ৰথমেই মই কৃতজ্ঞতা জনাইছোঁ। শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া আৰু উপাধ্যক্ষা মহোদয়ালৈ। কৃতজ্ঞতা জনাইছো শ্ৰদ্ধাৰ তত্বাৱধায়ক ড° ৰাজশ্ৰী ফুকন বাইদেউ আৰু বৰষা ৰাণী দাস বাইদেউলৈ। পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগীয় সন্মানীয় শিক্ষাগুৰু সকলক কৃতজ্ঞতা জনাইছো। লগতে মোৰ বিভাগীয় কাম কৰি যোৱাত সহায় কৰা মোৰ অতিকৈ মৰমৰ অদিতি বা, ইস্পিতা মামন বা, বিদিশা বা, প্ৰিন্সি বা, কন্যা বা, জেনিফাৰ বা, সুনিধি বা, ৰিক্তিকা বা আৰু লগতে মোৰ মৰমৰ বান্ধৱী জংকীলৈও বহুত মৰম আৰু ধন্যবাদ জনাইছো। তাৰোপৰি মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা বা আৰু মৰমৰ বান্ধৱী সকললৈ মোৰ কৃতজ্ঞতা জনাইছো।

শিৱসাগৰ ছোৱালী কলেজ, আমাৰ আৱেগ। জীৱনৰ এটা বছৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যৰূপে বহুতো শিকিলো সামৰ্থ অনুযায়ী যিমান পাৰো সিমান কৰিবলৈ চেষ্টা কৰিলো। হয়তো ক'ৰবাত কিবা থাকি গৈছে যদিও নাজানো তথাপিও কামবোৰ ভালদৰে কৰি যাবলৈ অশেষ চেষ্টা কৰিছিলো। আজি স্মৃতিৰ সোণালী পৃষ্ঠাত সজীৱ কৈ সাঁচিব পৰাকৈ শিৱসাগৰ ছোৱালী কলেজৰ পৰা এগালমান মৰম আৰু স্মৃতি গোট হ'ল। দায়িত্ববোৰ এতিয়া নাইকিয়া হ'ল। শিৱসাগৰৰ ছোৱালী কলেজক লৈ মোৰ যি সপোন আছিল সেয়া দিঠকত পূৰণ হ'ল।

শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত অজানিত হৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থনা বিচাৰি শিৱসাগৰ ছোৱালী কলেজৰ উন্নতিৰ কামনাৰে মোৰ বিভাগীয় প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**প্ৰিয়নিকা গগৈ**
সম্পাদিকা
ছাত্ৰী জিৰণি কোঠা

# প্ৰতিযোগিতাৰ ফলাফল

**বেড মিণ্টন**

**একক ঃ**

বিজয়ী ঃ কংকনা শইকীয়া
বিজেতা ঃ যোদিশা দুৱৰা
তৃতীয় ঃ লক্ষ্মী কোঁৱৰ

**যুটীয়া ঃ**

বিজয়ী ঃ যোদিশা দুৱৰা, চিন্ময়ী বৰগোহাঁই
বিজেতা ঃ গৰিমা চাহ, গাৰ্গী বৰগোহাঁই
তৃতীয় ঃ কস্তুৰিকা দত্ত, মুনমি বৰুৱা

**মেহেন্দি প্ৰতিযোগিতা**

প্ৰথম ঃ ৰহিমা বেগম
দ্বিতীয় ঃ আফচানা বেগম, মুজবিন বেগম
তৃতীয় ঃ জেবিনাৰা বেগম, চবনম বেগম

**ৰংগুলী প্ৰতিযোগিতা**

প্ৰথম ঃ শ্ৰুতিধাৰা গগৈ, মনানী গগৈ, হিমাশ্ৰী বড়া, দিপশিখা গগৈ
দ্বিতীয় ঃ জ্যোতিৰ্ময়ী দাস, অশ্লেষা দত্ত, ভিতিমণি ৰৰুৱা, শ্ৰষ্টিনা ৰাজকুমাৰী দত্ত
তৃতীয় ঃ অংশ্ৰুতা বৰা, তৃষ্ণা কুৰ্মী, মনময়ুৰী কোঁৱৰ, পূজা বসুমতাৰী, গায়ত্ৰী চেতিয়া, ৰিতু বৰা, ৰুহিনী পাংগিং, শিল্পা বৰা।

**ইনষ্টলেচন আৰু কাৰ্ড মেকিং**

**ইনষ্টলেচন ঃ**

প্ৰথম ঃ জন্নত হাচান চৌধাৰী (গৃহ বিজ্ঞান বিভাগ)
দ্বিতীয় ঃ নিমিশা কাকতি (গৃহ বিজ্ঞান বিভাগ)
তৃতীয় ঃ পিংকী কলিতা (অসমীয়া বিভাগ)

**কাৰ্ড মেকিং ঃ**

প্ৰথম ঃ জিতাশ্ৰী চাংমাই (পঞ্চম যান্মাসিক, শিক্ষাতত্ব বিভাগ)
দ্বিতীয় ঃ শিবু চুতীয়া (তৃতীয় যান্মাসিক, অসমীয়া বিভাগ)
তৃতীয় ঃ সুদক্ষিণা .... (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
মানালী বৰুৱা (ইংৰাজী বিভাগ)

**কেৰম খেল**

**একক ঃ**

বিজয়ী ঃ কৃষ্ণালী দাস
বিজেতা ঃ প্ৰিয়ংকা নমসুদ্ৰ

**যুটীয়া ঃ**

বিজয়ী ঃ ফাৰ্জিনা ৰহমান, প্ৰিয়ংকা নমসুদ্ৰ

বিজেতা ঃ মৰমী বৰদলৈ, অংকিতা দিহিঙীয়া

**ডবা খেল**

প্ৰথম ঃ হিমাশ্ৰী বৰা (প্ৰথম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ)

দ্বিতীয় ঃ অমৃতা দিহিঙীয়া (পঞ্চম যান্মাসিক, ভূগোল বিভাগ)

তৃতীয় ঃ কংকনা শইকীয়া (পঞ্চম যান্মাসিক, ভূগোল বিভাগ)

**ৰন্ধন প্ৰতিযোগিতা**

**কেক ঃ**

প্ৰথম ঃ পূজা বৰা

দ্বিতীয় ঃ লিজা শইকীয়া, শাশ্বতী বৰুৱা

তৃতীয় ঃ অদিতা বুঢ়াগোহাঁই

**মিঠা আহাৰ ঃ**

প্ৰথম ঃ পূজা বৰা

দ্বিতীয় ঃ সুকন্যা বৰা

তৃতীয় ঃ জন্নত হাচান চৌধাৰী

**পিঠা-পনা ঃ**

প্ৰথম ঃ সুকন্যা বৰা

দ্বিতীয় ঃ বৈশালী দত্ত

তৃতীয় ঃ পূজা বৰা

**নিমখীয়া আহাৰ ঃ**

প্ৰথম ঃ প্ৰজ্ঞালিসা গোস্বামী

দ্বিতীয় ঃ জেছমিন সন্দিকৈ

তৃতীয় ঃ শমীৰা আহমেদ



# শ্ৰেণী প্ৰতিনিধিৰ প্ৰতিবেদন

১৯৬৮ চনত আমাৰ কলেজ অৰ্থাৎ শিৱসাগৰ ছোৱালী কলেজ প্ৰতিষ্ঠা হৈছিল। যিসকল মহান ব্যক্তিয়ে অশেষ শ্ৰম আৰু ত্যাগ স্বীকাৰ কৰি আমাৰ শিক্ষানুষ্ঠান গঢ়ি তুলিছিল। সেই সকল ব্যক্তিলৈ মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

২০১৯ চনত বুকুত বহুতো সপোন বান্ধি এই কলেজলৈ আহিছিলো সেইদিনাৰ পৰাই মনত অতি উদ্যমেৰে এটি আশা পুহি ৰাখিছিলো আৰু মোৰ সেই আশাটো পূৰণ হৈছিল ২০১৯-২০ বৰ্ষ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত শ্ৰেণী প্ৰতিনিধি হিচাপে জয়লাভ কৰিছিলো। মনত থকা অফুৰন্ত হেঁপাহ আৰু আশা তথা সহপাঠীসকলৰ পৰাৰ পোৱা উৎসাহক সাৰথি কৰি ২০২১ চনত ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা ছাত্ৰী একতা সভাত নিৰ্বাচনত পুনৰবাৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো শ্ৰেণী প্ৰতিনিধি পদৰ বাবে। মোৰ বিপক্ষে কোনো প্ৰতিদ্বন্দ্বী নথকা বাবে ৪ ডিচেম্বৰত জয় লাভ কৰিবলৈ সক্ষম হৈছিলো।

১১ ডিচেম্বৰত ২০২১ তাৰিখে কলেজৰ নীতি অনুসৰি শপত গ্ৰহণ অনুষ্ঠানত ভাগ লওঁ আৰু দায়িত্বভাৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰোঁ।

শিৱসাগৰ ছোৱালী কলেজ আমাৰ আবেগ। জীৱনত বহুত পালো, বহু শিকিলো এই কলেজৰ পৰা। জীৱনৰ দুটাকৈ বছৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যাৰূপে সামৰ্থ অনুযায়ী যিমান পাৰো কৰিলো হয়তো ক'ৰবাত কিবা থাকি গৈছে যদিও নাজানো তথাপিও খুট নথকাকৈ কৰাৰ চেষ্টা মই নিসন্দেহে কৰিছোঁ। আজি স্মৃতিৰ সোণালী পৃষ্ঠাত সজীৱ কৈ সাঁচিব পৰা এগালমান স্মৃতি এক গোট হ'ল। দায়িত্ববোৰ কান্ধৰ পৰা এতিয়া নামি গ'ল হেজাৰ মৰম আশীৰ্বাদ দি এই দিনবোৰ চিৰ সজীৱ হৈ ৰ'ব জীৱনৰ গতি পথত ভালপাওঁ, কলেজখনক অনাগত দিনত যদিও কোনো পদবীত নাথাকো, হ'লেও কলেজৰ হৈ সকলো কৰি যাম। নতুন আশাৰে বাট বুলাম।

শেষত মোৰ কাৰ্যকালত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা।

**ৰিচিতা কৰ্মকাৰ**
স্নাতক প্ৰথম ষান্মাসিক
শ্ৰেণী প্ৰতিনিধি

# কলা শাখাত কৰ্মৰত অধ্যাপকসকল



ড° ঋতা বৰকটকী
ভাৰপ্ৰাপ্ত অধ্যক্ষ



ড° ৰশ্মীৰেখা গগৈ
সহযোগী অধ্যাপক
অসমীয়া বিভাগ



ড° কাকলী সোণোৱাল
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ



ড° শান্ত্বনা দুৱৰা সন্দিকৈ
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ



ড° ৰেহনা চুলতানা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ



শ্ৰী সংগীতা হাজৰিকা বৰা
সহযোগী অধ্যাপক
অসমীয়া বিভাগ




ড° কৃতাঞ্জলী কোঁৱৰ
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ



শ্ৰী শিৱপ্ৰসাদ মিলি
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ



শ্ৰী ৰাজশ্ৰী দত্ত
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ



শ্ৰী মায়াশ্ৰী দাস
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ



শ্ৰী পূজা ভূঞা
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ



শ্ৰী উৎপলা গোহাঁই চমুৱা
সহযোগী অধ্যাপক
বুৰঞ্জী বিভাগ (উপাধ্যক্ষ)



শ্ৰী দীপজোনালী ভূঞা
সহকাৰী অধ্যাপক
বুৰঞ্জী বিভাগ



শ্ৰী প্ৰবীণ শৰ্মা
সহকাৰী অধ্যাপক
বুৰঞ্জী বিভাগ



শ্ৰী কৃষ্ণ কছাৰী
সহকাৰী অধ্যাপক
বুৰঞ্জী বিভাগ



শ্ৰী গৌৰীকা দেৱী
সহযোগী অধ্যাপক
শিক্ষাতত্ত্ব বিভাগ



ড° ৰণ্টু গোহাঁই
সহকাৰী অধ্যাপক
শিক্ষাতত্ত্ব বিভাগ



শ্ৰী বৰ্ণালী লহকৰ
সহকাৰী অধ্যাপক
শিক্ষাতত্ত্ব বিভাগ



শ্ৰী ৰাব্বুল হুছেইন
সহকাৰী অধ্যাপক
শিক্ষাতত্ত্ব বিভাগ




ড° কিশোৰ কুমাৰ দেউৰী
সহযোগী অধ্যাপক
ৰাজনীতি বিজ্ঞান

# কলা শাখাত কৰ্মৰত অধ্যাপকসকল



ড° জিমলী বৰা
সহযোগী অধ্যাপক
ৰাজনীতি বিজ্ঞান



ড° মহান ৰঞ্জন দত্ত
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান



ড° চালমা নাছৰিন
সহকৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান



শ্ৰী সঞ্জয় দাস
সহকাৰী অধ্যাপক
ভূগোল বিভাগ



ড° মেদিনী হাজৰিকা
সহকাৰী অধ্যাপক
ভূগোল বিভাগ



শ্ৰী পাপুমণি দত্ত
সহকাৰী অধ্যাপক (অংশকালিন)
ভূগোল বিভাগ



শ্ৰী বৰষা ৰাণী দাস
সহকৰী অধ্যাপক
ভূগোল বিভাগ



শ্ৰী জ্যোৎস্নালী চেতিয়া
সহকাৰী অধ্যাপক
অৰ্থনীতি বিজ্ঞান



শ্ৰী দীপামণি ওজা
সহকাৰী অধ্যাপক
অৰ্থনীতি বিজ্ঞান



শ্ৰী দিমিৰ ৰংপিপি
সহকাৰী অধ্যাপক
অৰ্থনীতি বিজ্ঞান



শ্ৰী কাকলী বৰুৱা
সহকাৰী অধ্যাপক (অংশকালিন)
সমাজতত্ত্ব বিভাগ



ড° ৰাজশ্ৰী ফুকন
সহকাৰী অধ্যাপক
গাৰ্হস্থ্য বিজ্ঞান



ড° নিচাত ফিৰদোসি
সহকাৰী অধ্যাপক
গাৰ্হস্থ্য বিজ্ঞান

# ৰিজ্ঞান শাখাত কৰ্মৰত অধ্যাপক আৰু গ্ৰন্থাগাৰৰ বিষয়ববীসকল


শ্ৰী ভাস্কৰ দত্ত
সহকাৰী অধ্যাপক
পদাৰ্থ বিজ্ঞান


ড° বিমল দত্ত
সহকাৰী অধ্যাপক
উদ্ভিদ বিজ্ঞান



শ্ৰী দীপশিখা দত্ত ভূঞা
সহকাৰী অধ্যাপক
প্ৰাণী বিজ্ঞান


শ্ৰী সমৰজিৎ চৌধুৰী
সহকাৰী অধ্যাপক
গণিত শাস্ত্ৰ


শ্ৰী বিদ্যুৎ বৰুৱা
সহকাৰী অধ্যাপক
গণিত শাস্ত্ৰ


শ্ৰী ইনামূল হুছেইন
সহকাৰী অধ্যাপক
উদ্ভিদ বিজ্ঞান


শ্ৰী প্ৰণৱজ্যোতি ভৰালী
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান


শ্ৰী প্ৰাঞ্জল ৰাজখোৱা
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান


শ্ৰী জাকিৰ হুছেইন
সহকাৰী অধ্যাপক
প্ৰাণী বিজ্ঞান


শ্ৰী নিবেদিতা বৰুৱা
সহকাৰী অধ্যাপক
উদ্ভিদ বিজ্ঞান


শ্ৰী প্ৰাঞ্জল পংকজ বৰুৱা
সহকাৰী অধ্যাপক
পদাৰ্থ বিজ্ঞান


শ্ৰী ৰঞ্জন দাস
সহকাৰী অধ্যাপক
গণিত শাস্ত্ৰ


শ্ৰী চিত্ৰলেখা গগৈ
সহকাৰী অধ্যাপক
প্ৰাণী বিজ্ঞান


শ্ৰী গায়ত্ৰী মহন
সহকাৰী অধ্যাপক
পদাৰ্থ বিজ্ঞান


ড° প্ৰণামি সন্দিকৈ
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান


শ্ৰী অভিজিত বৰপূজাৰী
গ্ৰন্থাগাৰিক


শ্ৰী সংগীতা দাস বৰুৱা
গ্ৰন্থাগাৰ সহায়িকা


শ্ৰী সুস্মিতা বৰা
গ্ৰন্থাগাৰ সহায়িকা

# ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সদস্যাসকল


মধুস্মীতা মেধি
সভাপতি


ভাগীৰথী ভৰালী
উপ-সভাপতি


গীতার্থী নেওগ
সাধাৰণ সম্পাদিকা


শিল্পীকা হাজৰিকা
সহঃ সাধাৰণ সম্পাদিকা


ৰীমা দত্ত
আলোচনী সম্পাদিকা


সুপ্ৰিয়া ভট্টাচাৰ্য্য
সহঃ আলোচনী সম্পাদিকা


অশ্লেষা দত্ত
সাংস্কৃতিক সম্পাদিকা


অংকিতা গগৈ
সহঃ সাংস্কৃতিক সম্পাদিকা


পূজা বৰঠাকুৰ
সংগীত সম্পাদিকা


অসমী গগৈ
ক্ৰীড়া সম্পাদিকা


বন্যা গগৈ
সহঃ ক্ৰীড়া সম্পাদিকা


তাজমিন বেগম
তৰ্ক আৰু আলোচনাচক্ৰ সম্পাদিকা


তাজমিন আৰা আহমেদ
সমাজসেৱা সম্পাদিকা


প্ৰিয়নিকা গগৈ
ছাত্ৰী জিৰণী কোঠা সম্পাদিকা


শান্তিপ্ৰিয়া গগৈ
শ্ৰেণী প্ৰতিনিধি, উঃ মাঃ প্ৰথম বৰ্ষ


ৰিচিতা কৰ্মকাৰ
শ্ৰেণী প্ৰতিনিধি, প্ৰথম ষাণ্মাসিক


মাইনা লাচন
শ্ৰেণী প্ৰতিনিধি, তৃতীয় ষাণ্মাসিক


লিজা মিলি
শ্ৰেণী প্ৰতিনিধি, পঞ্চম ষাণ্মাসিক

# মহাবিদ্যালয়ৰ গৌৰৱ

## ২০২১-২২ বৰ্ষৰ বাৰ্ষিক যুৱ মহোৎসৱত বিভিন্ন শিতানত খিতাপ পোৱা ছাত্ৰীসকল



মনস্বিনী শৰ্মা
শ্ৰেষ্ঠ সাহিত্যিক



টিনা দত্ত
শ্ৰেষ্ঠ তাৰ্কিক



গাৰ্গী বুঢ়াগোহাঁই
শ্ৰেষ্ঠ খেলুৱৈ



প্ৰিয়ম ফুকন
শ্ৰেষ্ঠ গায়িকা



প্ৰিয়ংকা গগৈ
মিচ এচ. জি. চি.(২০২১ বৰ্ষ)

## ২০২১-২২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত বিভিন্ন শিতানত খিতাপ পোৱা ছাত্ৰীসকল



অন্বেষা দত্ত
ভায়'লিন ঃ বিচাৰকৰ বিশেষ বঁটা



প্ৰিয়াক্ষী ফুকন
বৰগীত ঃ তৃতীয় স্থান



প্ৰিয়ম ফুকন
আধুনিক গীত ঃ বিচাৰকৰ বিশেষ বঁটা



নিমিষা কাকতি, কলাজ ঃ তৃতীয় স্থান



আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত অংশগ্ৰহণ কৰা কলেজৰ দলটি



চিন্ময়ীস্তুতি বৰা, বাঁহী ঃ দ্বিতীয় স্থান



দীপশিখা বৰা, তৰ্ক ঃ প্ৰথম স্থান

# আমাৰ গৌৰৱ


## শিৱসাগৰ ছোৱালী কলেজৰ INDIA BOOK OF RECORDS খিতাপ লাভ কৰা ছাত্ৰীসকল




সুকন্যা নাথ
এটা চাউলত ভাৰতৰ জাতীয় পতাকা অংকন,
(১৩-০১-২০২২)




ময়ূৰকৃষ্ণা গগৈ
ঘৰত নিজেই প্ৰাকৃতিক উৎসৰ জৰিয়তে ৰং প্ৰস্তুত কৰি ৯ গৰাকী প্ৰসিদ্ধ গায়ক-গায়িকাৰ প্ৰতিচ্ছবি অংকন (১৯-০৪-২০২২)




নিমিষা কাকতি
**MAXIMUM SCENES OF AN ASSAMESE DRAMA PAINTED WITH NATURAL COLOURS, (23rd June, 2021)**

# ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ



অধ্যক্ষা আৰু উপাধ্যক্ষা মহোদয়াৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যাসকল





বাৰ্ষিক যুৱ মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰাৰ এটি মুহূৰ্ত



ছাত্ৰী একতা সভা নিৰ্বাচনৰ ভোট দানৰ সময়ত



বাৰ্ষিক যুৱ মহোৎসৱৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত



বড়িং খেল পথাৰত অনুষ্ঠিত গণৰাজ্য দিৱসৰ পেৰেডত
প্ৰথম স্থানপ্ৰাপ্ত কলেজৰ দলটি




যোগ দিৱসত অংশগ্ৰহণ কৰা একাংশ ছাত্ৰী



কলেজত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান ছাত্ৰীৰ হৰ্ষউল্লাস

# ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ




নৱাগতা আদৰণি সভাত ৱকচেং গ্ৰহণৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যাসকল



নৱাগতা আদৰণি সভাত শিশু কণ্ঠ শিল্পী আৰ্যান বৰাৰ সৈতে ছাত্ৰী একতা সভাৰ একাংশ সদস্যা



মিচ এছ. জি. চি. খিতাপ প্ৰাপ্তসকলৰ সৈতে একাংশ ছাত্ৰী



বিপিন ৰাৱটলৈ শ্ৰদ্ধা নিবেদন জনোৱাৰ মুহূৰ্তত অধ্যক্ষ



নৱাগতা আদৰণি সভাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈ ডাঙৰীয়াৰ সৈতে তদানীন্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বুদ্ধীন মিশ্ৰ



চাইবাৰ চিকিউৰিটি সজাগতা সভাত উপস্থিত একাংশ শিক্ষক আৰু ছাত্ৰী



কলেজত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন



ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰীসকলৰ বিদায় সভা

# ২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ




মহিলা ক্ৰিকেট প্ৰশিক্ষণ শিবিৰ



প্ৰয়াত বীৰেন বৰকটকী স্মাৰক বক্তৃতা অনুষ্ঠানত বিশিষ্ট লেখিকা ড° ৰীতা চৌধুৰী



বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতা



ছাত্ৰীসকলৰ দ্বাৰা কলেজৰ চৌহদৰ পৰিষ্কাৰকৰণ



কলেজত অনুষ্ঠিত গ্ৰন্থমেলাৰ শুভ উদ্বোধন



মিচ এচ. জি. চি. প্ৰতিযোগিতাত খিতাপপ্ৰাপ্ত ছাত্ৰীসকল



যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈৰ সৈতে ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ একাংশ



ছাত্ৰীসকলৰ দ্বাৰা কলেজ সংগীত পৰিৱেশন

# কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰীসকল


শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ




অধ্যক্ষা মহোদয়াৰ সৈতে কাৰ্যালয়ৰ কৰ্মচাৰীসকল


২০২১-২২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সদস্যাসকল



গ্ৰন্থাগাৰৰ কৰ্মকৰ্তাসকল


গ্ৰন্থাগাৰৰ অধ্যয়ন কক্ষ



'ৰংপুৰ ছাত্ৰী নিবাস'ৰ অধিক্ষীকাৰ সৈতে আবাসীসকল


কেন্টিনত ছাত্ৰীসকল

# লেসব ভাষাৰে....



স্বপ্না কাকতি



অভিলেষা বৰগোহাঁই



সুপ্ৰিয়া ভট্টাচাৰ্য্য



সপ্তশিখা সন্দিকৈ



পূজা বৰঠাকুৰ


# লেন্সৰ ভাষাৰে....




জেবিন আৰা বেগম




সুপ্ৰিয়া ভট্টাচাৰ্য্য



নীমা দত্ত



লিজা গগৈ



আকাংক্ষা দিহিঙীয়া


**বাৰ্ষিক যুব মহোৎসৱত আলোচনী বিভাগৰ অন্তৰ্গত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত প্ৰাচীৰ পত্ৰিকাসমূহ**




বুৰঞ্জী বিভাগ (প্ৰথম স্থান প্ৰাপ্ত)



গাৰ্হস্থ্য বিজ্ঞান বিভাগ (প্ৰথম স্থান প্ৰাপ্ত)




ইংৰাজী বিভাগ (তৃতীয় স্থান প্ৰাপ্ত)




ভূগোল বিভাগ (দ্বিতীয় স্থান প্ৰাপ্ত)



অংকন ঃ কন্যা গগৈ



অংকন ঃ সুকন্যা নাথ



প্ৰাণী বিজ্ঞান বিভাগ (তৃতীয় স্থান প্ৰাপ্ত)



ডিজিটেল অংকন ঃ দিব্যা ভূঞা

# বিগত বৰ্ষৰ কলেজ আলোচনীৰ বকলাপৃষ্ঠা

